# শীতকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখঃ ২৩/১২/২০২২ শুকুৰবাৰ**

**ইংৰাজী ২৩-১২-২০২২ তাৰিখে ৰাতিপুৱা ৮.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰীবিশ্বজিৎ দৈমাৰী মহোদয়ৰ অধ্যক্ষতাত পূৰ্বৰ নিৰ্দ্ধাৰিত সময় মতে অসম বিধান সভাৰ কাৰ্যসূচী আৰম্ভ হয়।**

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬১, শ্ৰীৰবিৰাম নাৰ্জাৰী।

**শ্ৰীপীয়ুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মাননীয় অধ্যক্ষ ঃ** Supplementary.

**শ্ৰীৰবিৰাম নাৰ্জাৰী (পশ্চিম কোকৰাঝাৰ) ঃ** অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ চেৰফাংগুৰিত যি খন মডেল হাস্পতাল ইতিমধ্যে মুকলি কৰা হ'ল যোৱা ২০১৯ চনৰ নবেম্বৰ মাহৰ ২৫ তাৰিখে। তেতিয়াৰ পৰা তাত এজন মাত্ৰ ডাক্তৰ লৈ এই হাস্পতাল খন চলাই থাকিব লগা হ'ল। ইয়াত মন্ত্ৰী মহোদয়ৰ উত্তৰত মই পালো মুঠ এই হাস্পতাল খনৰ কাৰণে ৯ টা ডাক্তৰৰ পদ sanction কৰা হ'ল। কিন্তু এতিয়ালৈকে এজন superintendent আছে, বাকী ৮ জনৰ ডাক্তৰৰ পদত আজিলৈকে নিযুক্তি দিয়া হোৱা নাই। অকলে মডেল হাস্পতাল এখন চলাই থাকিব লগা হোৱাতো এজন ডাক্তৰৰ কাৰণে কেতিয়াও সম্ভৱ নহয়। উত্তৰত যিটো দিয়া হ'ল ৬ জন আমাৰ জি এন এম নিযুক্তি দিয়া হোৱা বুলি কৈছে কিন্তু in position actually এই মুহূৰ্তলৈকে মাত্ৰ ৩ জনহে জি এন এম আছে। এই তিনি জনৰো কোকৰাঝাৰ চিভিল হাস্পতালৰ দুজন attached দিয়া আছে আৰু এজনী higher trainingৰ কাৰণে পঠিয়াই দিয়া হ'ল। তাৰ পিছত আমাৰ Assistant Matronৰ কাৰণে ইতিমধ্যে এজন দিয়া হৈছে বুলি কৈছে, সেইজনকো কোক্ৰাঝাৰ চিভিল হাস্পতালত attached কৰি দিয়া হ'ল। তাত এজন ডাক্তৰে মাত্ৰ এই মডেল হাস্পতাল খন চলাই থাকিব লগাটো আমাৰ ৰাজ্যৰ কাৰণে অতিকৈ দুখৰ বিষয় হৈছে। মডেল হাস্পতাল চেৰফাংগুৰি ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা ভূটান বোৰ্ডাৰলৈকে যিবোৰ ঠাই হাবি জংঘলৰ, তাৰ কাষে কাষে থকা যি সকল দুখীয়া ৰাইজ আছে, যি সকলৰ বেমাৰ হ'লে গোসাইগাঁৱতো যাব নোৱাৰে, কোক্ৰাঝাৰতো যাব নোৱাৰে। বঙাইগাওঁ, গুৱাহাটীৰ কথাটোতো বাদেই দিয়ক, তেখেত সকলে চেৰাফাংগুৰি মডেল হাস্পতাল খনত চিকিৎসা ল'বৰ কাৰণে যথেষ্ট, এই সুবিধাখিনি বুজি তাত হাস্পতাল খন নিৰ্মাণ কৰি উলিওৱা হৈছিল। কিন্তু আজিলৈকে সেই পদৰ আজি ৯ টা পদ sanction যদিও আছে, ৮ টা পদ আজিও খালী হৈ আছে, only one post is filled up and he is running the Model Hospital now mpathetic condition. গতিকে মই মন্ত্ৰী মহোদয়ক আজি অনুৰোধ কৰিব খুজিছো, তেখেতৰ উত্তৰত দিয়া আছে যে ইতিমধ্যে advertisement দিয়া হ'ল সোনকালে fill up কৰিবৰ কাৰণে ব্যৱস্থা কৰা হ'ব। বিজ্ঞাপনৰ পিছত যেতিয়া fill up কৰিবৰ কাৰণে প্ৰক্ৰিয়া আৰম্ভ কৰিব তেতিয়া ৮ জন একেলগে নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী।

**শ্ৰীপীয়ুষ হাজৰিকা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে কোৱা কথাটোৰ গুৰুত্ব আছে। মই তেখেতক আস্বস্ত কৰিব খুজিছো, অতি সোনকালে স্বাস্থ্য বিভাগে ৬৮২ জন ডাক্তৰৰ নিযুক্তিৰ কাম সম্পূৰ্ণ কৰিব এক মাহৰ ভিতৰত। তেতিয়া আমি নিশ্চয়কৈ তেখেতৰ সমষ্টিৰ চেৰফাংগুৰি মডেল হাস্পতালত ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিব পাৰিম। আমাৰ Gr-III, both technical and non-technical ৰ কাৰণে recruitment ৰ process চলি আছে ১৫২৮ জন ব্যক্তিয়ে তাত নিযুক্তি লাভ কৰিব আৰু স্বাস্থ্য বিভাগৰ Gr-IV ১১৯২ জনৰো ৰ recruitment ৰ process চলি আছে। তেখেতৰ হাস্পতাল খনত এগৰাকী এম ও আয়ুৰবেদিকো আছে, মানে দুজন ডাক্তৰ আছে। কিন্তু মই অস্বীকাৰ নকৰো ডাক্তৰ আৰু নিশ্চয়কৈ তাত থাকিব লাগে। অধ্যক্ষ ডাঙৰীয়া, ৩ টা মান প্ৰশ্ন প্ৰায় একে, একেই প্ৰশ্নই আছে। ভৰত চন্দ্ৰ নৰহ ডাঙৰীয়াৰো একে প্ৰশ্ন আৰু সৰুপথাৰৰ বিধায়কৰো একে প্ৰশ্ন মই যেতিয়া চাইছিলোঁ। মই কেইটামান কথা একেবাৰে কৈ থব খুজিছোঁ। অধ্যক্ষ ডাঙৰীয়া, ২০১৬ চনলৈ অসমত মেডিকেল কলেজ আছিল ৬ খন, ২০০৬ চনলৈ আছিল মাত্ৰ ৩ খন, ২০০৬ ৰ পৰা ২০১৫ চনৰ ভিতৰত অসমত মেডিকেল কলেজ হ'ল আৰু ৩ খন। সেই তিনিখন যিয়ে বনাইছিল, কাৰ নেতৃত্বত হৈছিল, কাৰ উদ্যোগত হৈছিল সকলোৱে জানে। অধ্যক্ষ ডাঙৰীয়া, ৬ খন মেডিকেল কলেজৰে আমি গোটেই অসমৰ মানুহক treatment কৰিব নোৱাৰো বা স্বাস্থ্যসেৱা দিব নোৱাৰো। তাৰ কাৰণে সিদ্ধান্ত লোৱা হ'ল যে এখন জিলাত এখন মেডিকেল কলেজ যিটো মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ সপোন আৰু সেই সপোনক বাস্তৱায়িত কৰিবলৈ আমি ইতিমধ্যে কাম কৰি আছোঁ। মই অলপ দিন আগলৈকে, আজিৰ পৰা ডেৰ বছৰ আগলৈকে মই স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিলোঁ। সেইখিনি সময়ত বছৰত ডাক্তৰ প্ৰডাক্ট কৰিব পাৰিছিলোঁ ৭২৬ জন। এই ডাক্তৰৰ সংখ্যাটো এতিয়া গৈ হৈছে প্ৰায় ১১৫০ জন। এতিয়া ৯ খন মেডিকেল কলেজ। আগৰ ৬ খন আৰু এতিয়া লক্ষিমপুৰ আৰু ধুবুৰী মেডিকেল কলেজ, ডিফু মেডিকেল কলেজ আৰম্ভ হ'ল। দুবছৰ আগলৈকে আছিল ৭২৬ জন, এতিয়া হৈছে ১১৫০ জন, এই মুহূৰ্তত সদনত কৈছো সকলোৱে জানেই তথাপিতো কৈছো এই মুহূৰ্তত ৭ খন মেডিকেল কলেজৰ নিৰ্মাণৰ কাম পূৰ্ণ গতিত চলাই আছো। তাৰে এখন নগাওঁত, এখন নলবাৰীত, এখন কোক্ৰাঝাৰত, এখন তিনিচুকীয়াত, এখন বিশ্বনাথ চাৰিআলীত, এখন চৰাইদেউত আৰু এখন গুৱাহাটীত চেকেণ্ড মেডিকেল কলেজ খন প্ৰাগজ্যোতিষপুৰ বুলি হ'ব। এই কেইখনৰ কাম পূৰ্ণ গতিত চলি আছে। তাৰ পিছত তামোলপুৰত মেডিকেল কলেজৰ কামৰ আধাৰশিলা হ'ল, আৰম্ভ হৈ গ'ল। ধেমাজীত আজি আধাৰশিলা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৰিবলৈ ৰাওনা হ'ব। বঙাইগাওঁৰ মেডিকেল কলেজৰ আধাৰশিলা কৰিলোঁ, মৰিগাওঁ মেডিকেল কলেজৰ আমি আধাৰশিলা কৰিলোঁ, গোলাঘাট মেডিকেল কলেজৰ আমি আধাৰশিলা কৰিলোঁ। শিৱসাগৰ, গোৱালপাৰা আৰু কৰিমগঞ্জ মেডিকেল কলেজৰ কাম অতি সোনকালে আৰম্ভ হ'ব। গতিকে অধ্যক্ষ ডাঙৰীয়া, আমাৰ মেডিকেল কলেজৰ সংখ্যা হ'বগৈ ২৪ খন। ২০১৬ চনলৈ ৬ খন মেডিকেল কলেজ আছিল আৰু এতিয়া ২৪ খন। ১৮ খন মেডিকেল কলেজ আমি মাত্ৰ ৬ বছৰ ৬ মাহৰ ভিতৰত বনাবলৈ আগবাঢ়িছো বা বনাইছোঁ। তাৰোপৰি এইমচ খনটো আছেই। এইমচ্‌ৰ ফানচনিং আৰম্ভ হৈছে, অহা তিনি-চাৰি মাহৰ পাছত ও পি ডি আৰম্ভ হ'ব। গতিকে আমাৰ ডাক্তৰ সংখ্যাটো য'ত আগতে ৭২৬ জন আছিল, আজিৰ পৰা ২ বছৰ আগলৈকে, এতিয়া ১১৫০ হ'ল। অহা পাঁচটা বছৰত ডাক্তৰৰ সংখ্যা ২০০০ তকৈ অধিক হ'ব আঢ়ৈ হাজাৰ হ'ব, তেতিয়া এই সমস্যাবিলাক নিশ্বয়কৈ নাইকিয়া হৈ যাব। সকলো মেডিকেলত সকলো হাস্পতালত ডাক্তৰৰ সংখ্যা একেবাৰে কম নাথাকিব, ডাক্তৰ উভয়নদী হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া চৰণ বড়ো।

**শ্ৰীৰবিৰাম নাৰ্জাৰী** ঃ অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** নালাগে আৰু, ৮ মিনিটতকৈ বেছি হৈ গ'ল।

**শ্ৰীৰবিৰাম নাৰ্জাৰী (পশ্চিম কোকৰাঝাৰ)** ঃ অধ্যক্ষ ডাঙৰীয়া, মাত্ৰ এক চেকেণ্ড। মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো। আমাৰ জি এন এম চেৰফাংগুৰি মডেল হাস্পতালৰ পৰা তেখেত সকলক আনি কোক্ৰাঝাৰ চিভিল হাস্পতালত যে এটাষ্ট কৰিছে, আৰু এজন Assistant Matron তেখেতকো চিভিল হাস্পতালত এটাষ্ট কৰিছে, তেখেন সকলক সোনকালে চেৰফাংগুৰি মডেল হাস্পতালত ভৰাই দিলে আমি সুখী হ'ম।

**শ্ৰীপীয়ুষ হাজৰিকা, (মন্ত্ৰী)** অধ্যক্ষ ডাঙৰীয়া, ঠিক আছে, এই বিষয়ে আমি চিন্তা চৰ্চা কৰি আপোনাৰ তাত দিয়াৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া চৰণ বড়ো।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)** ঃ এইটো পলিচি নে মুখ্যমন্ত্ৰী মহোদয়ৰ সপোন প্ৰত্যেক জিলাত মেডিকেল কলেজ কৰা?

**মাননীয় অধ্যক্ষ ঃ** নাই নাই, নালাগে, কমলাক্ষ দে পুৰকায়স্থ মইহে চলাই আছো হাউচখন। এতিয়া চৰণ বড়ো।

**শ্ৰীচৰণ বড়ো (মাজবাট)** ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা এটা কথা জানিব বিচাৰিছো বহুত মডেল হাস্পতাল আৰু বহুত পি এইচ চি ত পদ চেনচন নোহোৱাকৈ এন এইচ এম ৰ এজন ৰুৰেল পোষ্টিং এজন ডাক্তৰ লৈ চলাই থাকিব লগীয়া হৈছে। মোৰ সমষ্টিত ২০১৭ চনৰ পৰা এটা নিউ পি এইচ চি চলাই আছোঁ য'ত নেকি ৰুৰেল পোষ্টিঙৰ এজন ডাক্তৰ। তাৰ পিছত এখন মডেল হাস্পতাল আছে মোৰ তাত।

মাননীয় অধ্যক্ষ মহোদয়, বহুত মডেল হস্পিতাল আৰু বহু PHE পোষ্ট sanction নোহোৱাকৈ NHM ৰ এজন ডাক্তৰ লৈ চলাই থাকিব লগীয়া হৈছে। মোৰ সমষ্টিত ২০১৭ চনৰ পৰা মই এটা New PHE চলাই আছো, য'ত নেকি মাত্ৰ ৰুৰেলৰ এজন ডাক্তৰ। মই সুধিব বিচাৰিছো যে, পোষ্ট চেংচনৰ প্ৰক্ৰিয়া কিয় ইমান পলম হৈছে। ২০১৭ চনত যেতিয়া মই সদনত প্ৰশ্নটো উত্থাপন কৰিছিলো তেতিয়া আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া আৰু স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াই সদনত কৈছিল ২০১৮ চনৰ মাৰ্চ মাহৰ যি বাজেট অধিবেশন হ'ব সেইদিনাই চেংচনটো হ'ব। ২০১৮ চনৰ পৰা আজি ২০২২ চন পালে আজিলৈকে এই হস্পিতালত চেংচনটো হোৱা নাই। অতি দুখৰ বিষয় আমাৰ মিটিং এখনত ডাইৰেক্টৰ ডাঙৰীয়াক ল'গ পাই সুধিছিলো কিন্তু তেখেতে অৱগত নহয় বুলি কৈছে।

**শ্ৰী পীযুষ হাজৰিকা (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো আমি চিন্তা-চৰ্চা কৰি আছো।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া প্ৰশ্ন নম্বৰ ৬২। শ্ৰী ৰেকিবুদ্দিন আহমেদ।

**শ্ৰী অশোক সিংহল (মাননীয় মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাঁও )** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰায় ১০০ পেজত মোৰ প্ৰশ্ন কেইটাৰ উত্তৰখিনি পাইছো। মোৰ এটা পৰামৰ্শ আৰু এটা অনুৰোধ আছে। এটা পৰামৰ্শ হ'ল এই বিভাগটোত মাননীয় মন্ত্ৰী মহোদয়েও জানে ইয়াতে ভালে কেইজন বিধায়কৰ বহুতখিনি বিতৰ্ক হৈছিল জলসিঞ্চনক লৈ। সেই সময়ত মই নিজে দেখা পাইছিলো মন্ত্ৰী মহোদয়ে সদনত বহি

আছিল বিধায়ক হিচাবে। এটা সময়ত এই জলসিঞ্চন বিভাগটোত বহুত ৬০/৪০ চলিছিলে। বহুত আঁচনিক লৈ বহুত খেলি মেলি হৈছিলে। এতিয়া যিটো YONO App আৰম্ভ কৰিছে, মই ভাবো সেইটোৰ যথেষ্ট প্ৰচাৰ হোৱা নাই। এই এপটো প্ৰচাৰ হ'ব লাগে। ১২৬ জন বিধায়কৰে মোৱাইলত এই এপটো উপলব্ধ হ'ব লাগে আৰু জনসাধাৰণৰ মাজতো হ'ব লাগে। তেতিয়াহে এই এপটোৰ জৰিয়তে মোৰ সমষ্টিত কোন প্ৰজেক্টৰ কাম হৈছে তাত খেলি-মেলি হৈছে নে নাই প্ৰকৃত হিতাধিকাৰীয়ে পাইছে নে নাই জানিব পাৰিম ? মই যেনেকৈ জানিববৈলে সুবিধা পাইছো তেনেকুৱাকৈ মই ভাবো প্ৰত্যেকৰ তাত হোৱা নাই, এই এপটো develop হ'ব লাগে। যোৱা সময়ত মন্ত্ৰী মহোদয় নিজে জ্ঞাত যে এই জলসিঞ্চন বিভাগটোক লৈ কি দৰে চৰ্চা চলি আছিল, মন্ত্ৰী মহোদয়ে বুজি পাইছে মই কি ক'ব বিচাৰিছো। এনেকুৱা পুনৰাবৃত্তি হ'ব নালাগে বহুতে ভাবে এইটো সৰু বিভাগ খেতিয়কৰ কাৰণে এইটো বিভাগ বেছি গুৰুত্বপূৰ্ণ। লগতে জলসিঞ্চন আৰু কৃষিৰ এটা সামঞ্জস্য থাকে। সেই কাৰণে এইটোৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে যিটো ক'লে YONO App খুব সুন্দৰ হৈছে। প্ৰচাৰত অলপ কম হৈছে বুলি মইও উপলব্ধি কৰিছো। সেই YONO App ক ৰাইজৰ মাজত লৈ যাবৰ কাৰণে ১২৬ জন বিধায়ক সকলে পাবৰ কাৰণে তেখেতে পৰামৰ্শ দিছে। প্ৰত্যকজন বিধায়ককে আমি লিংকটো পঠাম। আপোনালোকে ডাউনলোড কৰিব পাৰিব। YONO App জৰিয়তে জলসিঞ্চন বিভাগটোত যিমান আঁচনি এতিয়াৈলে কৰা হৈছে, প্ৰত্যকটো আঁচনি জৰীপ কৰা হৈছে আৰু এটা প্ৰত্যেকটো আঁচনি চলিত অৱস্থাত আছে নে নাই, লাইভ ভিডিও, ফটো আপলোড কৰা হয়। বিশেষকৈ প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ কৃষি ফচল যোজনা আছিল তাৰ হিতাধিকাৰী বিলাকৰ লগত আমি কল চেন্টাৰৰ লগত আমি যোগাযোগত থাকো। পানী পোৱা নাই, ৰিপিয়াৰিং ৰ ব্যৱস্থা থাকিলে সেইটোও কৰা হয়, আমি তেখেত সকলক সমাধান দিয়াৰ ব্যৱস্থা কৰি আছো। বিভাগটো আগতকৈ বহুত উন্নত হৈছে। মই ক্লেম কৰিব খোজা নাই। মই সেইটো আপোনালোকলৈ বিবেচনাৰ বাবে ৰাখিলো। লগতে আগন্তুক দিনত জিলা জলসিঞ্চনৰ মাষ্টাৰ প্লেন কৰাৰ কাৰণে আমি নিৰ্দেশ দিছো প্ৰায় ২৬ খন জিলাৰ পৰা আমাৰ জলসিঞ্চনৰ মাষ্টাৰ প্লেন আহিছে। ভৱিষ্যতে এই জিলাত জলসিঞ্চন কোন প্ৰকাৰে হ'ব তাৰ ব্যৱস্থা কৰাৰ বাবে আমি লাগি আছো। পইচাৰ কোনো অভাৱ নাই। কিন্তু আমি কাম কৰি কৃষকক পানী দিব পাৰিলেহে মুখ্যমন্ত্ৰীৰ যি সপোন দেখি আছে সেই সপোনটো আমি বাস্তৱত ৰূপায়ণ কৰিব পাৰিম। ১০ লাখ মেট্ৰিক টন ধান বছৰত মাননীয় মুখ্যমন্ত্ৰীয়ে লোৱাৰ যিটো সিদ্ধান্ত লৈছে সেই সিদ্ধান্তটো কৃষি বিভাগ আৰু জলসিঞ্চন বিভাগে ভালকৈ কাম কৰিলে হে বাস্তৱত পৰিণত হ'ব। অহা দিনবোৰত মই ভাবো যে, বিধায়ক ডাঙৰীয়াই পৰামৰ্শ দিছে তাৰ ওপৰত আমি কাম কৰিম।

**শ্ৰী ৰেকিবুদ্দিন আহমেদ (ছয়গাঁও)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা সৰু অনুৰোধ আছে। ছয়গাওঁ, বকো আৰু পলাশবাৰী এই তিনিটা সমষ্টিৰ এটা লিংক হৈ আছে আৰু এই সমষ্টিৰ জনগাঠনিটো এনেকুৱা পাহাৰৰ ফালে ট্ৰাইবেল্ট বেল্ট হয় বড়ো, ৰাভা, গাৰো জনগোষ্ঠী বাস কৰে তাত ওখ ঠাই হয়। তাৰ খেতি বিলাক অলপ বেলেগ হয়, তলৰ ফালে খেতি বিলাক বেলেগ হয়। মই বিচাৰো যে মন্ত্ৰী মহোদয়ে যিহেতু বহুত প্ৰজেক্টৰ কথা কৈছে, দক্ষিণ কামৰূপৰ এই তিনিটা সমষ্টি বিশেষকৈ ইয়াৰ কাৰণে বিজ্ঞান সন্মত ভাবে কৃষক খিনিৰ কাৰণে ভাল কেইটামান প্ৰজেক্ট নিজে চৰজমিন তদন্ত কৰি এই তিনিটা সমষ্টিৰ বাবে ব্যৱস্থা কৰে। তাৰ কাৰণে অনুৰোধ জনালো।

**শ্ৰী অশোক সিংহল ( মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰত্যেকটো জিলাত জলসিঞ্চন বিভাগৰ

মাষ্টাৰ প্লেন ৰেডি হৈ আছে। ইতিমধ্যে ২৮ টা আহিছে আমি তাৰ ওপৰত মীমাংসা কৰা নাই। প্ৰত্যেকজন বিধায়কে নিজৰ নিজৰ সমষ্টিৰ মাষ্টাৰ প্লেন তেখেত সকলে বিচৰা ধৰণে আৰু কেনেকৈ তেখেত সকলে বিচাৰিছে এই কথাখিনি যদি অন্তৰ্ভূক্ত কৰি দিয়ে ভৱিষ্যতে এই মাষ্টাৰ প্লেনৰ ভিত্তিত আমি গোটেই জিলা বিলাকত কাম কৰিম। অসমত এটা সমস্যা হৈছে আপোনাৰ জৰিয়তে সদনক জনাব বিচাৰিছো বতৰ পৰিৱৰ্তনে আমাৰ প্ৰকল্পবোৰক বহুত ক্ষতি কৰে। এটা সময়ত বহুত বানপানী হয়, বানপানী হ'লে বহুত প্ৰজেক্ট বিনষ্ট হৈ যায়। এই ক্ষেত্ৰত আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়েও চিন্তা কৰি আছে। তেখেতে যিটো কথা ক'লে ছয়গাওঁ, বকো আৰু পলাশবাৰী মই তাত নিজে গৈ পৰিদৰ্শন কৰি কি কৰিব লাগে আমি কৰি লম।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আব্দুল ৰচিদ মণ্ডল।

**শ্ৰী আব্দুল ৰচিদ মণ্ডল (গোৱালপাৰা পশ্চিম)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিধায়কে সকলে যি আহবান জনাইছে ভাল লাগিছে কথা এই খিনিতে মই ক'ব বিচাৰিছো যে, ২০১৮ চনৰ পৰা এতিয়ালৈকে প্ৰত্যেকটো সমষ্টিত একাধিকবাৰ Shallow tube well, Power tube well, Solar tube well, দিয়াৰ কাৰণে চিঠি গ'ল। গোৱালপাৰৰ জলেশ্বৰ সমষ্টিত এটাও Shallow tube well, install হোৱা নাই। অসমৰ কিছু কিছু সমষ্টিত নোহোৱা নহয় হৈছে, কিন্তু কম। যিটো Discrimination এই Discrimination টো বন্ধ কৰিব লাগে। মোৰ তাতে কাৰ্য্যকাৰী হোৱা নাই। Shallow tube well সৰু সৰু কাম কিন্তু আপোনালোকে পেকেজ বনাই গুৱাহাটীৰ ঠিকাদাৰ দিয়ে। প্ৰাককলন সমিতৰ পৰা সদস্য হিচাবে যেতিয়া বহু ঠাইত গৈছিলো তাৰ মানুহ বিলাকে ক্ষোভ কৰিছে। মডেল আদৰ্শ প্ৰাককলন বিলাক কাৰ্য্যকাৰী কৰি আছে। গোটেই অসমত এটা লেভেলত নাই। মডেল আদৰ্শ প্ৰাককলন বিলাক কেনচেল কৰি site wise estimate প্ৰৱৰ্তন কৰিব লাগে।

**শ্ৰী অশোক সিংহল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী হৈ আছো তেখেতে মো ক গোৱালপাৰাত লগ পালে ক'লে মই কামখিনি কৰি দিলো হয়। যি কি নহওঁক বিধান সভাত আনিছে মই জনাব বিচাৰিছো যে, প্ৰধান মন্ত্ৰী কৃষি ফচল যোজনা ফেজ ১ ত ১০০ শতাংশ সম্পূৰ্ণ কৰিলো। ফেজ ২ তো মোটামুটি সম্পূৰ্ণ হোৱা পথত। আজি বিধান সভা শেষ হোৱাৰ পিছত আপুনি মোৰ চেম্বাৰলৈ আহিব মই গোটেই কথাখিনি চাই পেলাই কম। মডেল এষ্টিমেটৰ কথাটো কৈছে, সেইটোৰ বাহিৰে আমাৰ হাতত কোনো উপায় নাই কাৰণ ১০০০ যদি deep tube well লগাব লাগে ১০০০ টা এষ্টিমেট কৰিবলগীয়া হ'লে কামবিলাক কেতিয়াও হৈ নুঠিব। ভৱিষ্যতে আমি ব্যৱস্থা কৰি আছো। আমি বৰাক ভেলী, হাইলাকান্দি বা কৰিমগঞ্জ হওঁক গোটেই বৰাক ভেলীতে আমি কষ্ট পালো, পানীৰ লেভেলটো বহুত তলত আছিল। ভৰিষ্যত আপোনাৰ পৰামৰ্শকো আমি কনচিডাৰ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া ৰঞ্জিৎ দত্ত, প্ৰাক্তন মন্ত্ৰী ।

**শ্ৰী ৰঞ্জিৎ দত্ত, (বিধায়ক) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি জলসিঞ্চন বিভাগৰ যিটো আমাৰ ৰেকিবুদ্দিন আহমেদ ডাঙৰীয়াই প্ৰশ্ন উত্থাপন কৰিলে, মই আপোনাৰ যোগেদি মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, যে বৰো ই জলসিঞ্চন বিভাগৰ লিফ্‌ট জলসিঞ্চন এই প্ৰজেক্টটো হোৱাৰ এটা পথত আছে। ডাঙৰ এটা প্ৰজেক্ট বৰো ই দিপ্তী হিলচত ২য়তে যিটো আমাৰ প্ৰধান মন্ত্ৰী কৃষি সুচল যোজনা আঁচনিৰ যোগেদি যিবিলাক চেল' ফিল্টাৰ, পাৱাৰ প্ৰজেক্ট, বা পাৱাৰৰ পৰা চ'লাৰ দিয়াৰ ব্যৱস্থা আছে। কিছু কিছু ঠাইত আমি দেখা পাইছো যে এই চ'লাৰ পেনেল বিলাকে

কাম কৰা নাই। যাৰ কাৰণে খেতিয়কে এইবাৰ যেতিয়া খৰাং হৈছিল, সেই খৰাঙত খেতিয়ক সকলে পানীৰ ব্যৱস্থা কৰিব পৰা নাই কিছু কিছু ঠাইত। দ্বিতীয়তে বিশ্বনাথ জিলাত আমি নাবাৰ্ডৰ পৰা কিছুমান দীপটিউবৱেল ধৰিছিলো। চ'লাৰ আৰু Eletrical ,Eletrical খিনি সম্পূৰ্ণ হৈছে। চ'লাৰখিনি ব'ৰিং কৰি থৈছে। কিন্তু তাত যিটো চ'লাৰ পেনেল দিয়াৰ ব্যৱস্থা সেই ব্যৱস্থাটো নাই আৰু আমাৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰণে মাননীয় মন্ত্ৰী মহোদয়ে এখন পত্ৰ লিখিছিল যে অসমত ক্ষুদ্ৰ চাহ খেতিয়কৰ কাৰণে চ'লাৰ আৰু Eletrical ৰ যিবিলাক চেল' ফিল্টাৰ যিবিলাক প্ৰধান মন্ত্ৰীৰ কৃষি সিসাই যোজনা আঁচনিৰ অধীনত দিয়াৰ ব্যৱস্থা হৈছিল। এইখিনিৰ কিমানখিনি কাম আগবাঢ়িছে মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা আপোনাৰ জৰিয়তে জানিব বিচাৰিম।

**শ্ৰী অশোক সিংঘল (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, টিউবৱেল বিলাকে কাম কৰা নাই। যিটো আমাৰ সন্মানীয় বিধায়ক গৰাকীয়ে ক'লে, আমাক যদি লিষ্টখন দিয়ে, আমি মীমাংসা কৰি দিম, আৰু ইউন' এপ যিটো কথা আমাৰ আগৰ প্ৰশ্নত আহিছিল, আপোনালোকে যদি ইউন' এপ ডাউনলোড কৰি লয়, আৰু আপোনাৰ যিখিনি হিতাধিকাৰী সেইখিনিকো যদি ইউন' এপ ডাউনলোড কৰাই দিয়ে তেখেত সকলৰ মোবাইলত, যিটো টিউবৱেল নচলে, তেখেতে তাৰ পৰাই এপৰ জৰিয়তে গোচৰ দিলে আমাৰ মানুহে গৈ গোচৰটো মীমাংসা কৰি দিব আৰু যিটো প্ৰকল্পৰ কথা ক'লে, সেই প্ৰকল্পটো বন্ধ হৈ আছে। তাত বানপানী হৈছিল, আৰু সেই বানপানীৰ ফলত সেই প্ৰকল্পটোৰ কাম আগবঢ়া নাই। যিটো নতুন প্ৰকল্প বৰো আই বুলি যিটো আছে, যিটো তেখেতে কৈছে, ডিপিয়াৰটো প্ৰিপিয়াৰ হৈছে। টিমে ভিজিট কৰিছে, সোনকালে আমি CWC টেকনিকেল ইউ'লিউশ্যনৰ কাৰণে প্ৰকল্পটো আগবঢ়াই দিম সেইটো মই আপোনাৰ জৰিয়তে সন্মানীয় বিধায়ক ডাঙৰীয়াক জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং ৬৩ জাকিৰ হুছেইন লস্কৰ। মাননীয় মন্ত্ৰী,

**শ্ৰী উৰ্খাউ গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মেজত ৰখা আছে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ জনাইছো যে জমিৰ দালালৰ ওপৰত ইমানবোৰ এক্সন হৈছে, কিন্তু হাইলাকান্দি জিলাত এতিয়াও দেখা যায় এইবিলাক সক্ৰিয় হৈ আছে। ইয়াত মাননীয় মন্ত্ৰী মহোদয়ে এটা উত্তৰ দিছে, তাত লিখা আছে যে, চাৰিকোণাত নিচান লগাইছে। আজিলৈকে এই ঠাইত কাম আৰম্ভ হৈ আছে, ইমানদিনৰ পৰা আৰু চক্ৰবিষয়া আগতে যিজন আছিল, আৰু লালাৰ আই চি যিজন আছিল, তেখেতো এইটোত জড়িত হৈ আছে। এই বিলাকৰ ওপৰত এটা তদন্ত হ'ব নেকি আৰু এতিয়াযে কাম চলি আছে সেইটো বন্ধ হ'ব নেকি আৰু যিটো কাম কৰিলে সেইটো এভেকশ্যন হ'ব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী উৰ্খাউ গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ.** অধ্যক্ষ মহোদয়, সন্মানীয় সদস্যই হাইলাকান্দি জিলাৰ স্পেচিফিক প্ৰশ্ন আনিছে। তাৰ কাৰণে ধন্যবাদ দিছো। আৰু সন্মানীয় সদস্যই যিখিনি প্ৰশ্ন কৰিছে তাৰ উত্তৰ লিখিতভাবে দিয়া হৈছে আৰু কি কি একশ্যন লোৱা হ'ল সংক্ষিপ্তভাবে দিয়া হৈছে। হাইলাকান্দি জিলাত ৬ খন চৰকাৰী ৰ্ফাম আছে। ই চি চি মশনপুৰ, ই চি চি বালিকান্দি, ই চি চি বান্ডাবান্ডি, চি এম জি ৰ মাডৰি পাৰ্ক, চি এম জি কাড়িচেৰা, বি জি আৰ, অল দ্য বাৰ, যিটো encroachment ৰ ৰিপৰ্টি আহি আছে, এইটো হ'ল চি এম জি ৰ মাডাৰি পাৰ্ক । ইয়াত ইতিমধ্যে উত্তৰত কোৱা হ'ল যে কি কি এক্সশ্যন লোৱা হ'ল। মই জনাবলৈ পাই সুখী হ'ম যে

শেহতীয়াভাৱে আমাৰ বিভাগৰ তৰফৰ পৰা যিখিনি encroach মাটি আছে, সেইটো চিনাক্তকৰণ কৰি আমি নিচান পৰ্যন্ত লগাইছো। কিন্তু তাত যিটো ব্যৱস্থা আমাৰ ৰেচম ফাৰ্ম বিলাকৰ যিটো মাটি ৰাজহ বিভাগে আমাক দিয়ে, আমি ৰাজহ বিভাগে দিয়া মাটিৰ ওপৰত ফাৰ্ম বিলাক কৰো, আৰু যেতিয়া encroachment হয়, তাৰ একশ্যন লোৱাৰ যিটো পাৱাৰ সেইটো উপায়ুক্তক দিয়া হৈছে। উপায়ুক্তৰ যোগেদি একশ্যন বিলাক লয়। এতিয়া ৪ আগষ্টত আকৌ এবাৰ ২০২২ চনত উপায়ুক্তলৈ লিখিছিলো যে এইটো একশ্যন ল'ব লাগে। এতিয়ালৈকে উচ্ছেদ কৰাৰ যিটো একশ্যন সেইটো সম্পূৰ্ণ হোৱা নাই বুলি আমি জানো এই কাৰণে ইয়াৰ ওপৰত আমি ফাৰ্ডাৰ একশ্যনৰ বাবে গৈ আছো, আৰু আপোনালোকক জনাবলৈ পাই সুখী হ'ম যে আমি ইতিমধ্যে ৰেচম ফাৰ্ম বিলাকত নতুনকৈ গছ পুলি ৰোপনৰ কাৰণে আঁচনি লৈছো, আৰু প্ৰায় ২ হাজাৰতকৈ অধিক প্লেন অঞ্চলত ৰেচম ফাৰ্ম আছে তাৰ পৰা বহুতখিনি মাটি খালী হৈ আছিল। ইতিমধ্যে এই কেইমাহমানৰ ভিতৰতে প্ৰায় ৪ শ হেক্টৰ মাটি খালী মাটি ৰেচমৰ পুনৰ গছ পুলি ৰোপন কৰিছো। আৰু য'ত য'ত encroachment হৈছে সেইটো খালী কৰা হৈছে, আৰু যেৱা ১ এপ্ৰিলৰ পৰা ৩১ নবেম্বৰলৈকে ২ লাখ ৭৭ হাজাৰ ১শ ৬৮ টা গছ পুলি আমি ৰোপন কৰিছো ৰেচম ফাৰ্ম বিলাকত. মই এটা অনুৰোধ জনাম বিধায়ক সকলক যে আপোনালোকে আপোনালোকৰ এৰিয়াটোত তেনেকুৱা যদি ৰেচম ফাৰ্ম আছে, খালীমাটি যদি আছে, এম জি এনেৰেগাৰ অধীনত আপোনালোকে পদক্ষেপ লৈ গছপুলি ৰোপনৰ বাবে কাম হাতত ল'ব পাৰে। এতিয়া সন্মানীয় সদস্যই যিটো তথ্য ইয়াত কোৱাৰ পিছত যিখিনি একশ্যন লোৱাৰ কথা ইয়াত কৈছে, নিশ্চিতভাবে আমাৰ বিভাগে ফাৰ্মৰ ওপৰত encroachment হোৱাটো কোনোদিন কম্প্ৰমাইজ নকৰে। ফাৰ্ম বঢ়াই যাবৰ কাৰণে আমি আগবাঢ়ি গৈ আছো। তাত কিন্তু ডি চি ৰ একটিভ সহযোগীতাটো লাগে। তেওঁৰ তৰফৰ পৰা একশ্যনটো ল'ব লাগে।

**শ্ৰী জাকিৰ হুছেইন লস্কৰ, (হাইলাকান্দি)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উচ্ছেদটো বাদ দিয়ক গছপুলি যিমান আছিল, গোটেই বিলাক কাটিলে । এতিয়া construction হৈ আছে। মোৰ প্ৰশ্নটো হ'ল যে বিভাগৰ পৰা যিজন চক্ৰ বিষয়া আছিল আৰু লালাৰ যি জন আই চি আছিল এই বিলাকৰ ওপৰত কিবা এটা তদন্ত হ'ব নেকি ? যদি তদন্তত দোষী সাব্যস্ত হয়, এই বিলাকৰ ওপৰত একশ্যন হ'ব নেকি ? কাৰণ মই এটা দেখিছো, যে এই জামটোৰ অলপ দাম বেছি হ'ল কাষেৰে ৰাস্তা গৈছে গোটেই বিলাক encroach কৰি ৰাখিছে আৰু এটা চক্ৰই কৃষি বিভাগৰ কাৰ্য্যালয়ত ৰাখিছে, আৰু এটা দখল কৰিলে। ষ্টেটমেন্ট এটা দখল কৰি আছে, এইটো লাহে লাহে দখল কৰি আছে, হাইলাকান্দিৰ এইটো ডাঙৰ সমস্যা হৈছে। সেয়েহে এই বিলাকৰ ওপৰত তদন্ত হ'ব নেকি ? তদন্তত কোন কোন জড়িত এই বিলাকৰ ওপৰত একশ্যন হ'ব নে নাই ?

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী ।

**শ্ৰী উৰ্খাউ গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ তৰফৰ পৰা ইতিমধ্যে বিহীত ব্যৱস্থা গ্ৰহণ কৰা হৈছে, সন্মানীয় সদস্যই যিহেতু অভিযোগটো আনিছে, তাৰ ওপৰত আমাৰ বিভাগৰ তৰফৰ পৰা আকৌ এটা তদন্ত কৰা হ'ব। সচাঁকৈ আপুনি কোৱাৰ নিচিনাকৈ এইবিলাক ঘটনা যদি তাত ঘটি আছে, তাৰ ওপৰত বিহীত ব্যৱস্থা ল'বৰ কাৰণে আমি আগবাঢ়ি যাম।

**মাননীয় অধ্যক্ষ** ঃ আৰু যি আছে মাননীয় মন্ত্ৰীক লিখিত দিব। এতিয়া কমলাক্ষ দে

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,(উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে উচ্ছেদক লৈ বহু সচেতন।

**মাননীয় অধ্যক্ষ** ঃ এইটো কিহৰ লগত জড়িত বিষয়?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটোৰ লগতে জড়িত বিষয়,

**মাননীয় অধ্যক্ষ** ঃ এইটো হৈ গ'ল। প্ৰশ্ন নং ৬৪ । ড° পৰামানন্দ ৰাজবংশী

**ড° পৰমানন্দ ৰাজবংশী (ছিপাঝাৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি যিটো প্ৰশ্ন উত্থাপন কৰিছিলো সেই প্ৰশ্নটো অকল ৰাজহ বিভাগৰ নহয়। কাৰণ যিহেতু আমাৰ যশস্বী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া আৰু আমাৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই যিখিনি অমৃত সৰোবৰহ, সেই অমৃত সৰোবৰহ যেতিয়া আমি নিৰ্বাচন কৰিবলৈ যাওঁ এইবিলাক বিষয়া সকলৰ দ্বাৰা হোৱা নাই । তাত বিষয়া সকলৰ দ্বাৰা হ'লে বহুতো খেলিমেলি হয়। প্ৰশ্নটো শুধিছিলো যে অমৃত সৰোবৰহ সন্দৰ্ভত ৰাজহ বিভাগ আৰু গ্ৰামোন্নয়ন বিভাগে উত্তৰ দিব লাগিব । কাৰণ এটা বিভাগে উত্তৰ দিলে বিষয়টো আধৰুৱা হৈ যাব । কিন্তু প্ৰশ্ন সুধিলো, কিবা তেওঁলোকে উত্তৰ দিলে, মই নাচিব নাজানো চোতালখন বেঁকা । কাৰণ ৰজাৰ দিনৰ পুখুৰী বা পুৰণি পুখুৰী ইমানবোৰ পুখুৰী আছে প্ৰায় ৭০ শতাংশ মোৰ নিজৰ সমষ্টিৰ কথা কৈছো তাত বেদখল হৈ আছে । আৰু বেদখল কোনে কৰিছে খিলঞ্জীয়া সকলে কৰিছো। সেই বেদখল মুক্ত কৰি ইতিমধ্যে এনৰেগাৰ জৰিয়তে পাচটা পিতনি আছিল তাত আমি কাম কৰিছো । এই কথা আমাৰ সন্মানীয় উপায়ুক্ত ডাঙৰীয়াই নাজানে আৰু যিটো উত্তৰ দিছে মই ধিক্কাৰ দিছো । যদি নাজানে উত্তৰটো কিয় দিয়ে । অমৃত সৰোবৰ খন্দাৰ ক্ষেত্ৰত আমাৰ বিভাগীয় সকলোৰে লগত আলোচনা কৰিছো আৰু কৰাৰ পিছত তাত যিমানবোৰ পুখুৰী আছে, আপোনালোকে জানে যে আমাৰ ছিপাঝাৰ সমষ্টি খন পুখুৰী সংস্কৃতি। কিন্তু এই পুখুৰী সমূহ আমি অমৃত সৰোবৰলৈ ৰূপান্তৰ কৰাৰ ক্ষেত্ৰত কালি মই আমাৰ আয়ুক্ত ডাঙৰীয়াৰ লগত কথা পাতিছো । তেখেতে কৈছে যে এইটো কৰিব পাৰি কিন্তু ইয়াতে উত্তৰটো পালো যে এতিয়া পুৰাতত্ব বিভাগলৈ আহি গ'ল। গতিকে মই উত্তৰটোত সন্তুষ্ট নহয় । এটাই প্ৰশ্ন শুধিব বিচাৰিছো যে অমৃত সৰোবৰহ খন্দাৰ ক্ষেত্ৰত স্থানীয় যিগৰাকী ৰাজহ চক্ৰ বিষয়া তেখেতক মই কলো যে ৫০ বছৰ আগতে নথিত কি লিখা আছে যে এইটো পুখুৰী পোন্দ। এতিয়া আপুনি কৈ দিয়ক চিথা বহীত লিখা আছে আৰু এইটো পিতনি হৈ আছে । মই সেইটো শুধিবলৈ খুজিছো ।

মাননীয় অধ্যক্ষ ঃ সন্মানীয় মন্ত্ৰী ডাঙৰীয়া

**শ্ৰী যোগেন মোহন, (মন্ত্ৰী)** ঃ অধ্যক্ষ মহোদয়, আমাৰ সন্মানীয় বিধায়ক পৰমানন্দ ৰাজবংশীয়ে এটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আনিছে কিন্তু এই প্ৰশ্নটো কেইবাটাও বিভাগৰ লগত জড়িত আছে। মই প্ৰথমেও কৈছো যে ইয়াত বুৰঞ্জীৰ কথা আছে । পুখুৰী আমাৰ পি এন আৰ ডি ডিপাৰ্টমেন্টৰ । কিন্তু এটা কথা আছে , ২০১৯ ত আমাৰ এটা লেণ্ড পলিচি লিখা আছে যে ঐতিহাসিক এনেকুৱা কৃতিচিহ্ন থান, ঐতিহাসিক পুখুৰী আমি সংৰক্ষণ কৰিব লাগে আৰু সৌন্দৰ্য্য বৰ্দ্ধন কৰিব লাগে । এইখিনি কতো এলোটমেন্ট কৰিব নোৱাৰি আৰু চেটেলমেন্ট কৰিব নোৱাৰি । যিখিনি ৫০ বছৰৰ সেই খিনি ৰাজহ চক্ৰ বিষয়াৰ লগত আলোচনা কৰি চৰকাৰী কামত ব্যৱহাৰ কৰিব পাৰি । কিন্তু কাৰোবাক এলোটমেন্ট কৰিব নোৱাৰে । কাৰণ জলায়শয়ৰ ক্ষেত্ৰত চৰকাৰৰ এটা আইন আছে । এই খিনি জলাশয়ৰ চৰিত্ৰটো নাই তেতিয়াহ'লে ডি চি বা চাৰ্কোল অফিচাৰে এটা প্ৰপোজেল চৰকাৰলৈ পঠাব পাৰে । মৰানদী বা চৰকাৰী পুখুৰী হওঁক সেইবিলাক অমৃত সৰোবৰাহত ধুনীয়াকৈ পুখুৰী খান্দিব পাৰিব । এইটোত বাধা নাই । এতিয়া জিলা উপায়ুক্তকে ধৰি চৰকাৰী বিষয়া সকলে ভালকৈ বহি নিশ্চয় এইটো চৰকাৰৰ যি মহৎ উদ্দেশ্য আছে, অসমত ৩০০৭ টা পুখুৰী খন্দাৰ যি আঁচনি

আছে, আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে যিটো তৎপৰতা লৈছে গতিকে এই ক্ষেত্ৰত সফল হ'ব। আমাৰ ছিপাঝাৰ সমষ্টিৰ বিধায়ক জনে ডি চি ৰ লগত ভালদৰে বহিব, আমাৰ ফালৰ পৰা ইনষ্ট্ৰাকচন দিয়া হ'ব ।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং- ৬৫ । বিদ্যা সিং ইংলেং

**শ্ৰী বিদ্যা সিং ইংলেং, (ডিফু)**ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰটো মই ভালেই পাইছো যদিও দুই এটা কথা তাত যোগ দিব বিচাৰিছো। অসম চৰকাৰৰ ভূমি সংৰক্ষন বিভাগটোৱে এটা সময়ত অসমত পাহাৰীয়া এলেকা সমূহক যথেষ্ট গুৰত্ব দিছিল, কিয়নো সেই ঠাই সমূহত ঝুম খেতি কৰা হয়। অসম চৰকাৰৰ ভূমি সংৰক্ষণ বিভাগটোৱে অসমৰ পাহাৰীয়া এলেকা সমূহত প্ৰচলিত ঝুম খেতি কৰাৰ বাবে তাৰে জনজাতীয় লোক সকলক মোটিভেট কৰাৰ উদ্দেশ্যে এটা সময়ত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছিল আৰু দ্বিতীয়তে মন্ত্ৰী মহোদয়ে খেতিৰ ক্ষেত্ৰত যি কথা ডাঙি ধৰিছে সেই সম্পৰ্কত ক'ব বিচাৰো যে এটা সময়ত ৰাবাৰ প্লান্টেশ্যন ডেভেলপমেন্ট কৰপোৰেচন য়ে এন চি হিলচ্‌ত যথেষ্ট গুৰুত্ব দিছিল যদিও বৰ্তমান এইটো বিভাগৰ গুৰুত্ব নোহোৱা হৈ গ'ল । তৃতীয়তে আমাৰ যি সকল নিবনুৱা যুৱক-যুৱতী আছে তেখেত সকলে ৰবৰ খেতি, বাঁহ গছৰ খেতি আৰু ঝুম খেতিৰ দ্বাৰা যথেষ্ট উন্নতি কৰিব সক্ষম হ'ব । কিন্তু ইয়াৰ বাবে চৰকাৰে বাজেটত মাত্ৰ তিনি লাখ, পাচ লাখ, ন লাখ টকাৰহে অনুমোদন দিয়ে। সেয়েহে মই মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰো যে কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰি এই বাজেটৰ পৰিমান বৃদ্ধি কৰিব লাগে আৰু বিত্ত বিভাগৰ লগত আলোচনা কৰিব লাগে ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি পৰামৰ্শহে দিছে, আপোনাৰ প্ৰশ্নটো সোধক কাৰণ প্ৰশ্নোত্তৰ শিতান চলি আছে।

**শ্ৰী বিদ্যা সিং ইংলেং, (ডিফু)** ঃ অধ্যক্ষ মহোদয়, মই এই বিষয়টো মন্ত্ৰী ডাঙৰীয়াৰ মনোযোগ হে মাত্ৰ আকৰ্ষন কৰিব বিচাৰিছো ।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, আমাৰ সন্মীয় বিধায়ক বিদ্যা সিং ইংলেং ডাঙৰীয়াই পৰ্য্যায়ক্ৰমে প্ৰায় চাৰিটা প্ৰশ্ন কৰিছে আৰু সদনৰ মজিয়াত সামগ্ৰীক উত্তৰ খিনি দিয়া হৈছে । তেখেতে কোন কোন আঁচনিৰ কাম কোন কোন ঠিকাদাৰে কৰিছে সেইটো জানিব বিচৰাত আমি ঠিকাদাৰৰ নাম পৰ্য্যন্ত তথ্যত সন্নিবিষ্ট কৰি দিছো। আমাৰ কাউন্সিল হেডত যি বাজেট এলোকেচন হয় সেইটো কাউন্সিলৰ তৰফৰ পৰা নিজা ফাৰ্মৰ জৰিয়তে বিভিন্ন বিভাগলৈ আৱন্তন দিয়ে। দুই তিনি লাখ টকাৰ কাম বিলাক কাউন্সিল হেডৰ পৰা লোৱা আঁচনি। কাউন্সিলে নিজাববীয়াকৈ কোনটো বিভাগক কিমান টকা দিয়ে তাত আমি হাত দিব নোৱাৰো । বৰ্তমান বি টি চি ৰ পাচ খন জিলা আৰু কাৰ্বি আংলং জিলা তুলনা কৰিলে মাটি কালি মতে হিচাপত কাৰ্বি আংলংত কৈ যদিও বিটিচি এৰিয়াটো বহল, তথাপিও ভূমি সংৰক্ষন বিভাগত বেছিকৈ বাজেট এলোকেচন দিয়ে । সকলো পাহাৰীয় এলেকাটে বিশেষকৈ কাৰ্বি আংলং আৰু উত্তৰ কাছাৰ জিলাৰ পাহাৰীয় ঠাই সমূহত কেচ ক্ৰপৰ আঁচনি সমূহ হাতত লোৱা হৈছে । সেই অঞ্চলৰ নিবনুৱা যুবক-যুবতীক সংস্থাপন দিয়াৰ কাৰণে চৰকাৰে বহু আঁচনি গ্ৰহণ কৰা আমি দেখিবলৈ পাইছো । আপুনি যি ভূমি সংৰক্ষন বিভাগত বাজেট বৃদ্ধি কৰাৰ কথা কৈছে, এই সম্পৰ্কে অন্যান্য বিধায়কেও মোৰ লগত আলোচনাত বহিছে । যিবিলাক নিবনুৱা যুৱক-যুৱতী তেওঁলোকক সংস্থাপন দিবৰ কাৰণে বহুতখিনি স্কীম লোৱাটো আমি দেখিবলৈ পাইছো। কিন্তু আপুনি যিটো বিষয় ইয়াত উল্লেখ কৰিছে যে Soil Conservation বিভাগত বাজেট এলোকেশ্যন বঢ়াব লাগে এই বিষয়টো লৈ বহুত সদস্যই মোৰ লগত

আলোচনা নকৰা নহয়। কিন্তু এইটো বাজেটৰ ওপৰত নিৰ্ভৰ কৰে আৰু ৰাবাৰ প্লেনটেশ্যনটো বিগত কেইবা বছৰত বহু ক্ষেত্ৰত ফেইল মাৰিছে। তাৰ ওপৰত আমি বহুতখিনি ষ্টাডী কৰি চাইছো বহু ক্ষেত্ৰত ৰাবাৰ প্লেনটেশ্যনটোৱে ভালদৰে কাম কৰা নাই। তাৰ বাবে ৰাবাৰ প্লেনটেশ্যনৰ ক্ষেত্ৰত ফাণ্ড এলোকেশ্যন নহয়। যিয়ে নহওঁক সন্মানীয় সদস্য গৰাকীয়ে যিখিনি ভাৱ প্ৰকাশ কৰিছে মই নিশ্চয় মাননীয় মুখ্যমন্ত্ৰী মহোদয় আৰু বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ৰ লগত আলোচনা কৰিম আৰু বাজেট এলোকেশ্যন যেনেকৈ কৰে সেইমতে আমি কাম কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী ৰূপসিং টেৰণ।

**শ্ৰী ৰূপসিং টেৰণ (বৈঠালাংচু) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই সুযোগতে এটা কথা ক'ব বিচাৰো যে বেচিকেলী আমাৰ বোৰ্ডাৰ এলেকাৰ মাটি বিলাক যে পৰি আছে এই মাটি বিলাকৰ যদি আমি সৎ ব্যৱহাৰ কৰিব পাৰো ভাল হয়। তাত আমি ৰাবাৰ আৰু চাহ ৰোপণ কৰিব পাৰিলে সীমান্ত সমস্যাৰো কিছু সমাধান হ'ব বুলি ভাবিছো। সেইকাৰণে এই সুযোগতে মাননীয় মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো যে সীমান্ত অঞ্চলত বেচিকেলী ৰাবাৰ আৰু চাহ উৎপাদনৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সন্মানীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। তেখেতে যিটো অনুৰোধ মোক জনাইছে নিশ্চয় মই বিবেচনা কৰিম। আমাৰ মাননীয় বিধায়ক শ্ৰী বিদ্যা সিং ইংলেং ডাঙৰীয়াই যিখিনি বাজেট প্ৰভিজনৰ কথা কৈছে ইয়াৰ ওপৰত নিৰ্ভৰ কৰে কাৰণ Soil Conservation য়ে ইমান ডাঙৰ ডাঙৰ স্কীম ল'ব নোৱাৰে। সৰু সৰু স্কীম লোৱা হয় আৰু কিছুমান ডাঙৰ স্কীম আহিলে execeptionaly কেইটামান এলেকাত আমি convergence ত কাম কৰো। আপোনাৰ যিটো পৰামৰ্শ সেইটো মই নিশ্চয় বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। প্ৰশ্ন নং ৬৬। মাননীয় বিধায়ক শ্ৰী নজৰুল হক।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী নজৰুল হক, (ধুবুৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৩ নং ধুবুৰী বিধান সভা সমষ্টিৰ অন্তৰ্গত গাছপাৰা পঞ্চায়তত যোৱা ২০ বছৰ ধৰি এখন sluice Gate বিকল হৈ পৰি আছে। মই যি প্ৰশ্ন দিছিলো তাৰ যিখিনি উত্তৰ দিছে তাত মই সন্তুষ্ট হ'ব পৰা নাই। সেইকাৰণে ইমান এটা গুৰুত্বপূৰ্ণ কথা মোৰ ধুবুৰী সমষ্টিত প্ৰায় ৮-৯ খন পঞ্চায়তত ধানখেতি, মৰাপাট খেতিত বৰষুণৰ সময়ত মহাবাহু ব্ৰহ্মপুত্ৰৰ পানী সোমাই প্ৰতিবছৰে বিস্তৰ ক্ষতি সাধন কৰি আছে। ইয়াত দিছে যে ফিজিবিলিটি ষ্টাডী কৰি থকা হৈছে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব খুজিছো যিহেতু খেতিয়কৰ কথা সেয়েহে sluice Gate খন যিমান সোনাকালে পাৰি কৰাৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য গৰাকীয়ে ক'লে যে sluice Gate বন্ধ হৈ থকা সম্পৰ্কে বিভাগ অৱগত। তেনেকুৱা বহুত sluice Gate বিভিন্ন অঞ্চলত বন্ধ হৈ আছে। তাৰ মূল কাৰণটো হ'ল যে বানপানীৰ সময়ত যিটো চিল্ট আহে, এই চিল্ট ইমান বেছিকৈ আহি যায় যে পিছত sluice Gate টো উঠাব নোৱাৰে আৰু মই আপোনাক ক'লোৱেই যে অসমৰ জলসিঞ্চন বিভাগৰ বহুত প্ৰকল্প বানপানীৰ কাৰণে বিধ্বস্ত হৈছে আৰু এবাৰ বিধ্বস্ত হ'লে নতুনকৈ কৰাৰ যিটো ব্যৱস্থা, সেই ব্যৱস্থাটো আগতে বহুত লেহেমীয়া আছিল। এতিয়া

আমি বিভাগক নতুন এটা ৰূপ দি আছো আৰু মেইনটেনেঞ্চ এণ্ড ৰিপেয়াৰৰ কাৰণে এটা সুকীয়া ব্যৱস্থা হাতত লৈছো। তাৰ জৰিয়তে য'ত য'ত আমি ভাবিম ফিজিবিলিটি থাকিব যে এই প্ৰকল্পটো অলপ মেৰামতি কৰি দিলে আমি খেতিয়কক পানী যোগান ধৰিব পাৰিম তেনেকুৱা ব্যৱস্থা কৰাৰ বাবে অকল ধুবুৰী sluice Gate য়েই নহয় গোটেই অসমৰ যিবিলাক প্ৰকল্প বন্ধ হৈ আছে তাৰ টো ফিজিবিলিটি ৰিপোৰ্ট আমি অলৰেডী মাৰ্ক কৰিবলৈ দিছো। অহা দিনবোৰত য'ত য'ত ফিজিবিলিটি থাকিব প্ৰত্যেকটো কামেই আমি কৰি দিম আৰু কৰাৰ পিছত খেতিয়কক পানী দিয়াৰ ব্যৱস্থা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী নজৰুল হক, (ধুবুৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ক মই আৰু এটা অনুৰোধ কৰিছো। গোটেই অসমৰ কথা ঠিকে আছে কিন্তু ধুবুৰীৰ কথাটো হ'ল যে হাজাৰ হাজাৰ খেতি মাটি প্ৰত্যেক বছৰে নষ্ট হৈ আছে। প্ৰাক্তন মুখ্যমন্ত্ৰী মাননীয় শ্ৰী সৰ্ব্বানন্দ সোনোৱাল ডাঙৰীয়া চৰকাৰৰ দিনত ছয় লাখ টকা দিছিল। কিন্তু সেই ছয় লাখ টকাৰে মেৰামতি কৰা সম্ভৱ হোৱা নাই। মেৰামতি আৰু সম্প্ৰসাৰণৰ প্ৰয়োজন আছে। মই আকৌ এবাৰ আপোনাক অনুৰোধ কৰিছো যে ধুবুৰীক গুৰুত্ব সহকাৰে লৈ আপুনি এইটো কৰি দিব নে নাই এই কথাটো ক'লে মই সুখী হ'ম।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে দিয়া পৰামৰ্শটো আমি গ্ৰহণ কৰিলো আৰু বিবেচনা কৰি কি কৰিব পাৰি তাৰ ওপৰত আমি ব্যৱস্থা ল'ম। অকল ধুবুৰীয়ে নহয় মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে গোটেই অসমৰ জলসিঞ্চন ব্যৱস্থাটো ভাল কৰাৰ কাৰণে দায়িত্ব দিছে। সেইকাৰণে গোটেই অসমৰে আমি চিন্তা-চৰ্চা কৰি আছো। উজনিতো ভাল ভাল খেতিয়ক আছে। তেখেত সকলকো পানী দিয়াৰ ব্যৱস্থা কৰাৰ দায়িত্ব চৰকাৰৰ আছে। উজনি-নামনি নহয় আমি প্ৰত্যেক অঞ্চলতেই সমানে গুৰুত্ব দি এটা সমান ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী চামচুল হুডা।

**শ্ৰী চামচুল হুদা, (বিলাসীপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিলাসীপাৰাৰ পূব সমষ্টিত ২০২০-২১ চনত কিছুমান দীপ টিউবেল চেংচন হৈছিল। কিন্তু সেইটো এতিয়াও হৈ উঠা নাই। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে আমাৰ খেতিয়কসকলৰ তাত বিদ্যুতৰ কোনো ব্যৱস্থা নাই। গতিকে আমাৰ সেইবোৰ অঞ্চলত চ'লাৰ চীষ্টেম কৰি দিয়াৰ ব্যৱস্থা কৰে, তেতিয়াহ'লে আমাৰ খেতিয়কসকল যথেষ্ট উপকৃত হ'ব। এইটো মন্ত্ৰী মহোদয়ে কৰিব নে নাই এই বিষয়ে জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ।

**শ্ৰী অশোক সিংহল, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ বহু অঞ্চলৰ পৰা এই সমস্যাবোৰৰ ৰিপোৰ্ট আহি আছে যে ষ্টেবল পাৱাৰ নোপোৱাৰ বাবে খেতিয়ক সকলৰ যথেষ্ট অসুবিধা হৈছে। সেয়েহে আমি এই বিষয়ে বিদ্যুৎ বিভাগৰ লগত কথা পাতিছো আৰু এই বিষয়ৰ তালিকাখিনি বিদ্যুৎ বিভাগক দিয়া হৈছে। য'ত য'ত বিদ্যুতৰ কাৰণে দীপ টিউবেল বোৰ চলা নাই তাৰ বাবে আমি এ.পি.ডি.চি. এল ৰ জৰিয়তে কৰাৰ ব্যৱস্থা লৈছো। তেখেতক মই এটা পৰামৰ্শ দিব বিচাৰিছো যে INO Apps টো ডাউনলোড কৰক আৰু য'ত য'ত সমস্যাবোৰ আছে তাৰ বাবে INO Apps ত মাৰ্ক কৰক আৰু আমাৰ মানুহখিনি তাত গৈ সেই সমস্যাখিনি সমাধান কৰাৰ ব্যৱস্থা কৰিব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৬৭। মাননীয় সদস্য শ্ৰী ভৰত চন্দ্ৰ নৰহ।

**শ্ৰী পিয়ুষ হাজৰিকা , (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপুনি যিটো উত্তৰ দিছে তাত কোৱা হৈছে যে ৬২৩ জন মেডিকেল এণ্ড হেল্‌থ অফিচাৰ ওৱান নিযুক্তি দিবৰ কাৰণে বিজ্ঞাপন দিয়া হৈছে। কিন্তু এই বিজ্ঞাপন দি কেতিয়া ইণ্টাৰভিউ শেষ হ'ব আৰু কেতিয়া নিযুক্তি দিব তাৰ বাবে কোনো এটা টাৰ্গেট ডেট ইয়াত উল্লেখ নাই। ইয়াৰ উপৰিও Grade-III and Grade -IV ৰ ও আপোনালোকে বিজ্ঞাপন দিয়াৰ কথা উল্লেখ কৰিছে। গতিকে কেতিয়া এই ইণ্টাৰভিউ বোৰ হ'ব আৰু কেতিয়া নিযুক্তি হ'ব ইয়াৰ ওপৰত জানিব বিচাৰিছো।

**শ্ৰী পিয়ুষ হাজৰিকা , (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিখিনি ৬২৩ জন ডাক্তৰৰ কথা কৈছো অহা মাহৰ ভিতৰত নিযুক্তি প্ৰক্ৰিয়া শেষ কৰিম আৰু বাকী থকা যিখিনি পদ আছে সেইখিনি আমি দুমাহৰ ভিতৰত নিযুক্তি প্ৰক্ৰিয়া শেষ কৰিম। এই নিযুক্তি প্ৰক্ৰিয়া সম্পন্ন হ'ল তেখেতে উল্লেখ কৰা মেডিকেল হস্পিতালখনৰ ডাক্তৰ বা অন্য যিবোৰ অসুবিধা আছে সেইখিনি সামাধান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিৰোধী দলৰ দলপতি মহোদয়।

**শ্ৰী দেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিভাগীয় মন্ত্ৰীৰ হৈ প্ৰাক্তন স্বাস্থ্যমন্ত্ৰী মহোদয়ে উত্তৰ দি আছে। মডেল হস্পিতাল সমূহ বিভিন্ন জিলাৰ সমষ্টি সমূহত হৈ গ'ল আৰু মোৰ সমষ্টিতো হৈ গ'ল। এতিয়া মই দেখিবলৈ পাইছো যে মডেল হস্পিতাল সমূহত নিযুক্তি শেষ হোৱা নাই আৰু মোৰ সমষ্টিৰ মডেল হস্পিতালখনতো নিযুক্তি দি সোনকালে ওলাই দিব লাগে। এই বিষয়ে মই পূৰ্ব্বৰ চৰকাৰ সমূহতো উল্লেখ কৰিছিলো। মোৰ সমষ্টিৰ চণ্টক পি.এইচ, চি, গেলেকী পি.এইচ. চি আৰু নাজিৰা চাব-ডিভিজনৰ পি.এইচ.চি ত ডাক্তৰ নাই আৰু কোনোবাখনত এজনো ডাক্তৰ নাই। ফলত ৰাইজ যথেষ্ট অসুবিধাৰ সন্মূখীন হৈছে। চৰকাৰে এতিয়া কিছুমান নিযুক্তি দিছে তাৰ বাবে মই ধন্যবাদ দিছো। মোৰ চাব-ডিভিজন পি.এইচ.চি ত তিনিজন চাৰ্জন আছে, অৰ্থোপেডিকচ্ আছে, জেনেৰেল আছে, গাইন আছে। এনাস্থেচিয়াৰ ডাক্তৰ নাই কাৰণে তিনিওজনে অকামিলা হৈ বহি আছে। গতিকে এজন এনাস্থেচিয়াৰ ডাক্তৰ দিয়াৰ ব্যৱস্থা কৰিব নেকি? এই বিষয়ে মন্ত্ৰী মহোদয়ক ইতিমধ্যে অৱগত কৰিছো।

**শ্ৰী পিয়ুষ হাজৰিকা (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে কৈছো যে ডাক্তৰৰ অসুবিধা আছে এইটো মই অস্বীকাৰ কৰা নাই। আগতে মই হেলথ্ বিভাগৰ ৰাজ্যিক মন্ত্ৰী আছিলো যেতিয়া কথাখিনি অলপ জানো। কিন্তু আপোনালোকে সকলোৱে জানে যে মেডিকেল কলেজৰ সংখ্যাটো দ্ৰুতগতিত বাঢ়ি আছে। সন্মানীয় সদস্য গৰাকীৰ জিলাতো মেডিকেল কলেজ স্থাপন হ'বলৈ গৈ আছে। অতি কম সময়ৰ ভিতৰতে সেইখন মেডিকেল কলেজৰো কাম আৰম্ভ কৰিম। কিন্তু মই আকৌ কৈছো যে আমাৰ ডাক্তৰৰ যিটো সমস্যা হৈ আছে সেই সমস্যাটো হয়তো অহা তিনিবছৰত বহুখিনি নাইকিয়া হ'ব। ৬ বছৰতটো একেবাৰে নাইকিয়া হ'ব। তাৰ পিছতো নিশ্চয়কৈ অসমত আৰু তিনি চাৰিখন মেডিকেল কলেজ হ'ব। তেতিয়া অসমত ডাক্তৰৰ সমস্যা নাথাকিব।বৰ্তমান সময়ত অলপ কষ্ট হৈ আছে, সেইটো মই অস্বীকাৰ কেতিয়াও নকৰো। কিন্তু পৰ্য্যায়ক্ৰমে এই সমস্যাখিনিৰ সমাধান হৈ আছে।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া প্ৰশ্ন নং **৬৮**, সন্মানীয় সদস্যা শ্ৰীমতী শিৰামনি বৰা। তেখেত অনুপস্থিত। এতিয়া প্ৰশ্ন নং **৬৯,** সন্মানীয় সদস্য শ্ৰী মিছবাহুল ইছলাম লস্কৰ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী মিছবাহুল ইছলাম লস্কৰ, (বৰখলা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ উত্তৰটো পাইছোঁ। ইয়াতে দিয়া আছে যে preparation of plan and estimate is under process. আজি চাৰি বছৰ হৈ গ'ল plan and estimate টোৰে শেষ নহয়। এইটো যিমান সোনকালে পাৰি plan and estimate কৰি কামটো আৰম্ভ কৰিব লাগে, এইটোৰে মোৰ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ অনুৰোধ ।

**শ্ৰী পীযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী)**ঃ মাননীয় অধ্যক্ষ মহোদয়, তাত এটা বেলেগ সমস্যা আছে। স্বাস্থ্য বিভাগে CHC খনৰ কাৰণে ৩.৩০ কোটি টকা আজিৰ পৰা কেইবা বছৰ আগতে অনুমোদন দিছিল। অনুমোদন দিয়াৰ পিছত অলপ ৰাজনৈতিক পৰিবৰ্তন হোৱাৰ কাৰণে কোনখিনি মাটিত বনোৱা যাব, তাৰ কাৰণে এটা বেমিজালিৰ সৃষ্টি হৈছিল। তাৰ পিছত কোৰ্টলৈ গৈছিল। কোৰ্টে অৰ্ডাৰ দিয়াৰ পিছত PIL নহ'ল। গতিকে হস্পিতালখন বনোৱাটো বন্ধ হৈ গ'ল। কোৰ্টৰ PIL অৰ্ডাৰ মতে কামটো কৰিব লাগে। তেতিয়া ঠিকাদাৰজনে ক'লে চাৰি বছৰ আগত contract টো পাইছিলো। গতিকে এতিয়া মই সেই চাৰি বছৰৰ আগৰ plan & estimate ৰ মতে কৰিব নোৱাৰো। গতিকে কামটো নহ'ল। মই আকৌ কৈছো যে বৰখলা সমষ্টিৰ ৰাজনৈতিক পৰিবৰ্তনৰ কাৰণে, এজন বিধায়কে কৰি যোৱা কাম সেইজন বিধায়কে বাধা দিলে। বাধা দিয়াৰ কাৰণে PIL হ'ল। গতিকে সমস্যা এটাৰ সৃষ্টি হ'ল। তথাপিও আমি নতুনকৈ কৰিবলৈ প্ৰয়াস কৰিছো, যিমান সোনকালে কৰিব পাৰি কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ ঠিক আছে। এতিয়া প্ৰশ্ন নং ৭০, সন্মানীয় সদস্য ড° অমিয় কুমাৰ ভূঞা।

**শ্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, (ৰেচম বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া)**ঃ মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্ন যি সুধিছো, উত্তৰবিলাক যথাযথ নহয়। তেখেতে দায়িত্ব লোৱাৰ পিছত ৰেচম বিভাগৰ জৰিয়তে শিপিনী দক্ষতা বৃদ্ধিৰ বাবে আঁচনি ৰূপায়ণ কৰিবৰ বাবে কোনো উদ্যোগ নাই। মই শিপিনীসকলৰ বাবে সূতা ভঁৰাল, ব্লক ভিত্তিত পোৱাটো বিচাৰিছিলো আৰু সূতাৰ ৰেহাই মূল্য ৩০% ৰ বিপৰীতে ৫০% হোৱাটো বিচাৰিছিলো। সেই কাৰণে কভিড'ৰ সময়ত আছে বুলি কৈছে আৰু এই বিত্তীয় বৰ্ষত তেনেকুৱা কোনো আঁচনি নাই বুলি কৈছে। কেন্দ্ৰীয় চৰকাৰৰ ৩ খন আঁচনি আৰু ৰাজ্য চৰকাৰৰ ৫ খন আঁচনি দেখুৱাইছে। কিন্তু সেই বিলাক আঁচনি ৰূপায়ন হৈ থকা নাই। গতিকে মই সদনৰ জৰিয়তে ৰেচম বিভাগৰ মন্ত্ৰী আৰু চৰকাৰক আহ্বান জনাব বিচাৰিছোঁ, চৰকাৰে থলুৱা শিপিনীৰ পৰা কানি কাপোৰ কিনিবৰ কাৰণে বাজেটত পইচা আবণ্টন দিয়া বুলি কৈছে, একেলগতে তেওঁলোকৰ আধুনিক সা-সঁজুলি দিয়া বা তেওঁলোকৰ দক্ষতা বৃদ্ধি কৰা, তেওঁলোকৰ বাবে সুযোগ সুবিধা বিলাক ওচৰলৈ চপাই নিয়া, তেনেকুৱা কোনো ধৰণৰ বাস্তৱসন্মত আঁচনি ইয়াত প্ৰস্তুত কৰা হোৱা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে শিপিনী সকলৰ বাবে ৫০ শতাংশ subsidy দিয়া হৈছিল বুলি কৈছিল সূতা ক্ৰয় কৰিবৰ বাবে যিখন আঁচনি ৰূপায়ণ কৰা হৈছিল, সেই আঁচনিখন এই বিত্তীয় বৰ্ষত ৰূপায়ন কৰিবৰ বাবে SD অনা হৈছিল নে নাই, সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছিলো।

**শ্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, (ৰেচম বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক

ড০ অমিয় কুমাৰ ভূঞা, তেখেতে যিখিনি প্ৰশ্ন উত্থাপন কৰিছে, আমি সেইমতে উত্তৰটো দিয়া হৈছে। বৰ্তমান আমাৰ বিভাগৰ অধীনত যিবোৰ আঁচনি চলি আছে, সেই সম্পৰ্কে ইয়াত কোৱা হৈছে। বিশেষকৈ শিপিনী সকলৰ দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত । অসমত বৰ্তমান শিপিনী সকলৰ প্ৰশিক্ষণ কেন্দ্ৰ ১০২ টা আছে। Training Institute ৪ টা আছে। ১০২ টা প্ৰশিক্ষণ কেন্দ্ৰত শিপিনীসকলক প্ৰশিক্ষণ দিয়া হয়, ১৯৮৫ চনৰ পৰা শিপিনীসকলক মাত্ৰ ৮০ টকা stipend দিয়া হৈছিল। কিন্তু এইবাৰ ২০০০ টকালৈ stipend বৃদ্ধি কৰা হৈছে। এইটো শিপিনীসকলৰ কাৰণে খুব উৎসাহ জনক বুলি মই ভাৱো। আমাৰ বিভাগৰ পৰা দক্ষতা প্ৰদানৰ ক্ষেত্ৰত প্ৰশিক্ষণ বিলাক দি থকা হৈছে। যিটো subsidy ৰ কথা, এইটো established নীতি আছে, সেই নীতিৰ অধীনত দিয়া হয়। কিন্তু যোৱা কভিড কালত ৩০ শতাংশটো subsidy টো ৫০ শতাংশলৈ বৃদ্ধি কৰিছিলো। কভিডত ক্ষতিগ্ৰস্ত হোৱা শিপিনীসকলক সহায় কৰিবৰ কাৰণে। কিন্তু ৩১ মাৰ্চ, ২০২২ তাৰিখে এই subsidy টো বন্ধ কৰা হৈছে। কাৰণ subsidy টো এটা special period ৰ কাৰণে আছিল। যিটো চলিত subsidy সেইটো চলি আছে।

এতিয়া বিহপুৰীয়া অঞ্চলত কি কি কাম কৰা হৈছে, সেইটো ইয়াত স্পষ্টকৈ দিয়া হৈছে। মুঠ ৬ টা আত্মসহায়ক গোটৰ কাৰণে ৬০ গৰাকী শিপিনীক এমহীয়া প্ৰশিক্ষণৰ লগতে প্ৰতিটো গোটক ৫ খনকৈ উৰা -মাকোৰ তাঁতশাল আৰু ৩০,০০০ টকাৰ কাৰ্য্যকৰী মূলধন প্ৰদান কৰা হৈছে।

শিপিনীৰ আয় বৃদ্ধিৰ আঁচনিৰ যোগেদি ২০১৯-২০ বৰ্ষত মুঠ ৩২ গৰাকী শিপিনীক আৰু ২০২০-২১ বৰ্ষত ৫০ গৰাকী শিপিনীক উৰা-মাকোৰ তাঁতশাল যোগান ধৰা হয়। জিলা ভিত্তিত ৩৩ টা সূতা ভঁড়াল স্থাপন কৰা হৈছে, ব্লক ভিত্তিত স্থাপনৰ পৰিকল্পনা কৰা হোৱা নাই। চাহিদা অনুযায়ী ব্লক ভিত্তিত আমি সূতা ভঁৰালটো স্থাপন কৰো। যিটো stipend আমি বৃদ্ধি কৰিবলৈ গৈ আছোঁ, সেইটো শিপিনীসকলক সহায় কৰিব। লগতে স্ব-নিৰ্ভৰ নাৰী আঁচনিৰ ইতিমধ্যে portal launch কৰা হৈছে। আমি সদনত জনাবলৈ পাই সুখী হ'ম যে ৪,৮০,০৮০ জন শিপিনীয়ে স্ব-নিৰ্ভৰ নাৰী portal ত register হৈছে আৰু তেওঁলোকৰ পৰা গামোছা, আৰণাই, দুমুৰ, পাজৰ যিবিলাক পৰম্পৰাগত আমি বিভাগৰ তৰফৰ পৰা আৰ্টফেড আৰু AGMC মাধ্যমেদি দিম। সেইটো কিনা হ'ব আৰু আজি মই সদনত অৱগত কৰিব বিচাৰিছো যে অহা জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা গোটেই ৰাজ্যত একেদিনাই আনুষ্ঠানিকভাৱে আমি গামোচা, আৰণাই, দুমুৰ, পাজৰ কিনা আৰম্ভ কৰিম। ইয়াৰ দ্বাৰা প্ৰতিজন শিপিনীক direct benefit ৰ যোগেদি গামোচা, আৰণাই, দুমুৰ, পাজৰ ইত্যাদিৰ মূল্যটো দিয়া হ'ব আৰু তাৰ দ্বাৰা শিপিনীসকল যথেষ্ট লাভান্বিত হ'ব। সেইটো খুব ডাঙৰ এটা আঁচনি। অসমৰ শিপিনীসকলৰ কাৰণে গৌৰৱৰ দিন যে অসমীয়া গামোচাৰ GI Tag হৈ গ'ল। Geographical Indication Registry India য় প্ৰদান কৰিলে আৰু অনতি পলমে হয়তো Geographical Indication Registry ই আহি certificate টো আমাক অনুষ্ঠানিক ভাৱে প্ৰদান কৰিব। অসমৰ শিপিনীসকলৰ welfare ৰ কাৰণে যিখিনি আঁচনি আমি গ্ৰহণ কৰিছোঁ, সেইখিনি আঁচনি আমাৰ তৰফৰ পৰা আমি যিমান পাৰো সম্ভৱ কৰি আছোঁ।

**ড° অমিয় কুমাৰ ভূঞা, (বিহপুৰীয়া)** ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে বক্তৃতা দি আছে। মই যদি সুধো অসমৰ শিল্প আৰু শিপিনীসকলক উৎসাহিত কৰিবৰ বাবে আপুনি কি কি আঁচনি ৰূপায়ন কৰি আছে। যোৱা দুই বছৰত কি কি কৰিলে। যিকেইটা প্ৰশ্ন দিলো আপুনি যিকেইটা উত্তৰ দিছে, সেইকেইটা vague গতিকে অহা বিত্তীয় বৰ্ষত অসমৰ ৰেচম শিপিনীসকলৰ

সৰলীকৰণৰ বাবে আপুনি যাতে আঁচনি ৰাখে, Fund allocation ৰ প্ৰস্তাৱ ৰাখে, সেইটো অনুৰোধ কৰিলো।

**শ্ৰী উৰ্খাও গৌড়া ব্ৰহ্ম, (ৰেচম বিভাগৰ মন্ত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি কথাখিনি বিবেচনা কৰিম।

**মাননীয় অধ্যক্ষ** ঃ question hour over, এতিয়া item no. 2. Hon'ble LOP (Leader of the Opposition) Shri Debabrata Saikia, "The Chaolung Sukapha Skilling University Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব।

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ অনুমতি সাপেক্ষে "The Chaolung Sukapha Skilling University Bill, 2022" বিধেয়কখন বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষঃ** মই এতিয়া বিধেয়কখন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো, প্ৰশ্নটো হ'ল যে, যিসকল সদস্য/সদস্যা সপক্ষে আছে তেখেত সকলে কওক হয়, যিসকল বিপক্ষে তেখেতসকলে কওক নহয়, মই ভাৱো, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে, 'হয়'ৰ সপক্ষে বিবেচনাৰ বাবে লোৱা হ'ল. এতিয়া প্ৰথমে মই শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াক মন্তব্য ৰাখিবৰ কাৰণে অনুৰোধ জনালো।

**শ্ৰীদেৱব্ৰত শইকীয়া, (নাজিৰা বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, চাওলুং চুক্যাফাৰ বিষয়ে নতুন মই যদি এই সদনত কওঁ, তেতিয়াহ'লে আমি সদনকো অপমান কৰা হ'ব আৰু আমি সকলোৰে নিজৰ অতীতক পাহৰাৰ নিচিনা হ'ব। কাৰণ আমি যেতিয়া অসমীয়া জাতিৰ কথা কওঁ, বৃহত্তৰ অসমীয়া সমাজৰ কথা কওঁ তেতিয়া দুজনৰ আদৰ্শ লওঁ । এজন কওঁ আমি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু কওঁ যে, তেখেতৰ পূৰ্বে চাওলুং চুক্যাফাই অসমলৈ আহি বৃহত্তৰ অসমীয়া জাতি গঠন কৰিছিল। তেখেতে যেতিয়া অসমত প্ৰৱেশ কৰিছিল, তেখেতক প্ৰায় ১৩-১৪ বছৰ লাগিছিল আৰু লগত কিছু মানুহ লৈ আহিছিল। এটা দতাল হাতী, এটা মখনা হাতী, কেইজনমান পাৰিষদ, কিছু সৈন্য- সামন্ত আৰু কিছু দেওধাই পণ্ডিত। এইসকলক লগত লৈ তেখেতে আহোতে আমাৰ সেই সময়ৰ অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীক লগ পাইছিল আৰু তেখেত সকলৰ লগত যুদ্ধৰ পৰিৱৰ্তে আলোচনাৰ মাধ্যমেৰে সম্প্ৰীতিৰ মাধ্যমেৰে তেখেতে এখন বৃহত্তৰ অসম ৰাজ্য আৰু অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল আৰু সেই আদৰ্শ এতিয়াও অসমীয়া সমাজত বিদ্যমান। আজি আমি কওঁ যে, যোগ্য-ভোগ্য-বসুন্ধৰা, অৰ্থাৎ যিজন যোগ্য তেখেতক আমি পুৰস্কাৰ দিব লাগে, দায়িত্ব দিব লাগে। সেই সময়তেই আমাৰ অসমত তেনেকুৱা এটা ব্যৱস্থা শাসনৰ বাবে লৈ তেখেত সকলে বিভিন্ন জাতি-ধৰ্মাৱলম্বী মানুহকো জাতি-ভেদ পাহৰি আহোম ৰাজ শাসন ব্যৱস্থাৰ বৰা, শইকীয়া, হাজৰিকা ইত্যাদি উপাধি দিছিল আৰু এখন ধৰ্মনিৰপেক্ষ সমাজৰ ভেটি সেই সময়তে ঘোষণা কৰিছিল আৰু অসম চৰকাৰেও বিভিন্ন সময়ত আহোম আৰু চুক্যাফাক সন্মান জনোৱাৰ কথা ঘোষণা কৰিছে। আমাৰ মুখ্যমন্ত্ৰী মহোদয়ে কিছুদিন পূৰ্বে জনতা ভৱনৰ চৌহদত এটা বৃহৎ চুক্যাফাৰ মূৰ্তি স্থাপন কৰিব বুলি কৈছিল। ঠিক তেনেকৈ কিছুদিন পূৰ্বে তেখেতে যেতিয়া চৰাইদেউ জিলালৈ গৈছিল, চৰাইদেউ জিলাত তাৰ ৰাইজক কৈছিল যে এখন বিশ্ববিদ্যালয়-আমি চুক্যাফাৰ নামত কৰিম আৰু বিশ্ববিদ্যালয়খন চৰকাৰৰ য'তেই সুবিধা হয় শিৱসাগৰ হওঁক, চৰাইদেউ হওঁক কাৰণ প্ৰায় প্ৰতি জিলাতে যেনেকৈ এখনকৈ

মেডিকেল কলেজ চৰকাৰৰ প্ৰধান মন্ত্ৰীৰ ঘোষণা অনুসৰি কৰা হৈছে ভাৰতবৰ্ষতো শিক্ষা সংস্কাৰৰ ক্ষেত্ৰত প্ৰত্যেক জিলাতেই খুৱ সম্ভৱ এখনকৈ আগন্তুক সময়ত বিশ্ববিদ্যালয় হোৱাৰ এটা ব্যৱস্থা হৈছে। এই চুক্যাফা ইউনিভাৰচিটিৰ বাবে বৰলুইত একাডেমি ট্ৰাষ্ট ফাউণ্ডেশ্যন নামৰ এটা সংস্থাই প্ৰায় ৫-৬ শ বছৰ পূৰ্বৰ পৰাই কাম কৰি আছিল আৰু বিশিষ্ট অধিবক্তা কিৰণ গগৈ, নাগালেণ্ড ইউনিভাৰচিটিৰ প্ৰাক্তন ভাইচ চেঞ্চেলৰ বলিন কোঁৱৰ আৰু অন্যান্য ব্যক্তি সকলে এই দিশত চিন্তা-চৰ্চ্চা কৰি আছিল। কিন্তু ব্যক্তিগত ভাৱে এখন বিশ্ববিদ্যালয় কৰাতকৈ চৰকাৰীভাৱে যদি কৰা হয়, তেতিয়াহ'লে এই কামটো আৰু খৰতকীয়া হ'ব আৰু আমাৰ অসমৰ যিজনক আমি সকলোৱে যিকোনো ক্ষেত্ৰতে সশ্ৰদ্ধে সোঁৱৰণ কৰো, তেখেতৰ প্ৰতি সন্মান জনোৱা হ'ব। ইতিমধ্যে অসম চৰকাৰে মহাপুৰুষ শংকৰদেৱৰ নামত, মহাপুৰুষ মাধৱদেৱৰ নামত, শ্ৰীশ্ৰী অনিৰুদ্ধদেৱৰ নামত, সতীসাধনীৰ নামত, ৰবীন্দ্ৰ নাথ টেগুৰৰ নামত আৰু বিভিন্ন জনৰ নামত একোখনকৈ বিশ্ববিদ্যালয় ঘোষণা কৰিছে আৰু কামো আৰম্ভ কৰিছে। গতিকে যদিহে চাওলুং চ্যুকাফাৰ নামত এখন Skill University বিচৰা হৈছে যেনেকৈ এতিয়া মঙ্গলদৈত এখন Skill University কৰিছে বা চৰকাৰে যেনেধৰণে Skill University মঙ্গলদৈত কৰিলে , মঙ্গলদৈৰ ওচৰে-পাজৰে অন্য জিলাত আৰু কেবাখনো ইউনিভাৰচিটি হৈছে। কুমাৰ ভাস্কৰ বৰ্মা ইউনিভাৰচিটি অন্যান্য ঠিক তেনেকৈ শিৱসাগৰত বা উজনিৰ য'তেই চৰকাৰে বিবেচনা কৰে তাত যদি এখন ইউনিভাৰচিটি চ্যুকাফা যিজনক অসমীয়া জাতিৰ জনক বুলি কোৱা হয় তেখেতৰ নামত কৰে, তেতিয়াহ'লে নিশ্চিতভাৱে চৰকাৰে যিখিনি চিন্তা কৰিছে যে, চ্যুকাফাক সন্মান জনাব লাগে। প্ৰকৃত সন্মান হ'ব। যদিও এই বিলখন ব্যক্তিগত বিল, যদি কিবা ভুল আছে এইখিনি শুধৰণী কৰি চৰকাৰীভাৱে এনেকুৱা এটা প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ বিধান সভাৰ যোগেদি অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰীআমিনুল ইছলাম (জেষ্ঠ)।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ, ধিং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ দলপতি শ্ৰীদেৱব্ৰত শইকীয়া ডাঙৰীয়াৰ যিখন Private Members Bill উত্থাপন কৰিলে এই বিলখন যিহেতু Chaolung Sukapha Skill University Bill যিগৰাকী চাওলুং চ্যুকাফাক অসমীয়া জাতি গঠনৰ জনক বুলি কোৱা হয় আৰু তেখেতে বৃহত্তৰ অসমীয়া জাতি গঠন কৰাৰ কাৰণে বহুত সৰু সৰু ৰাজ্যবিলাক একত্ৰিত কৰি, বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি তেখেতে বৰ অসম গঢ়ি তুলিছিল. গতিকে এতিয়ালৈকে আমাৰ এই পবিত্ৰ সদনত যিমান ইউনিভাৰচিটিৰ বিল চৰকাৰে উত্থাপন কৰিছে তাতে আমি দেখা পাইছো যে কুমাৰ ভাস্কৰ বাৰ্মা ইউনিভাৰচিটি, ভট্টদেৱ ইউনিভাৰচিটি, ৰবীন্দ্ৰ নাথ ঠাকুৰ ইউনিভাৰচিটি বা মহীপুৰুষ শ্ৰীমন্ত শংকৰদেৱ ইউনিভাৰচিটি। এনেকে আমাৰ অসমৰ যিসকল পুৰুধা ব্যক্তি আছিল বা অসমৰ সমাজ জীৱনত, সাংস্কৃতিক জীৱনত যিসকলৰ অৱদান আছিল, মহাপুৰুষ সকলৰ নামত কেইবাখনো ইউনিভাৰচিটি অসমত কৰা হ'ল। গতিকে বৰ অসমৰ নিৰ্মাতা চাওলুং চ্যুকাফাৰ নামত এখন বিশ্ববিদ্যালয় হোৱাতো উচিত আৰু তেখেতৰ যিটো অৱদান বৰ অসম গঢ়াৰ ক্ষেত্ৰত বা অসমৰ আজি যিখন অসম ৰাজ্য আছে, এই ৰাজ্যখন সৰু সৰু ৰাজ্য একত্ৰিত কৰি তেখেতৰ যিটো অৱদান আছিল সেই কাৰণে বিলখনৰ প্ৰতি নৈতিক সমৰ্থন আগবঢ়াইছো যে, চাওলং চ্যুকাফাৰ নামত ইউনিভাৰচিটি হ'লে নিঃসন্দেহে এইটো অসমৰ কাৰণে এটা ভাল সংকেত হ'ব। তেখেতৰ নামটো উজলি থাকিব আৰু বিচাৰো যে, চ্যুকাফাৰ নিচিনা এগৰাকী মহান বৰ অসম নিৰ্মাতা তেখেতৰ নামত এখন বিশ্ববিদ্যালয় কৰাতো ৰাজ্য চৰকাৰৰ দায়িত্ব। গতিকে চৰকাৰে এই বিলখন গ্ৰহণ কৰিব আমি আশাবাদী আৰু

বিলৰ প্ৰতি সমৰ্থন জনাই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰীভাস্কৰজ্যোতি বৰুৱা ।

**শ্ৰীভাস্কৰজ্যোতি বৰুৱা, (তিতাবৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ Private Members যিখন বিল আহিছে চাওলুং চ্যুকাফাৰ স্মৃতিত Skill University এই সম্পৰ্কত মোৰ মতামত হৈছে যে পৰহি দিনাখন Skill University আমি চাব গৈছিলো। আমাৰ যিটো Skill development Center তাতে আমি গম পাইছো যে মঙ্গলদৈত এখন Skill University হ'ব আৰু তালৈ গৈ মোৰ খুব ভাল এটা অনুভৱ হ'ল যে এই Skill University বিলাকৰ জৰিয়তে আমাৰ নৱ প্ৰজন্ম বহুদূৰ আগুৱাই যাব পাৰিব. কাৰণ আমাৰ যিবিলাক ল'ৰা-ছোৱালী আছে, যিবিলাকে পঢ়া-শুনাত খুৱ ভাল নহয় কিন্তু টেকনিকেলি তেওঁলোকে ঈশ্বৰপ্ৰদত্ত এটা কোৱালিটি লৈ তেওঁলোকে এই পৃথিৱীলৈ আহিছে. গতিকে কম অৱস্থাৰ পৰাই Vocational Education দিয়াৰ পিছত এই Skill University ত যদি তেওঁলোকে পঢ়া-শুনা কৰে, এই Skill বিলাক Upskilling কৰি আমাৰ সমাজখনত যথেষ্ট আগুৱাই যাব পাৰিব আৰু চাওলুং চ্যুকাফাৰ বিষয়ে যিমানেই কওঁ, সিমানেই কম কিয়নো চাওলুং চ্যুকাফাই ১২২৮ খ্ৰীষ্টাব্দত অসমলৈ আহি সাতৰাজ মাৰি তেখেতে এখন ৰাজ্য কৰিছিল এই বহুধা বিভক্ত আমাৰ অসমৰ জনগোষ্ঠীবিলাকক তেখেতে একত্ৰিত কৰি আজিৰ এই অসমৰ ৰূপ পালো। পৰৱৰ্তী সময়ত আমাক গুৰুজনাই একত্ৰিত কৰিলে। গতিকে তেখেতৰ নামত আজি আমি যি বিল আনিছো, যিখন উপস্থাপন হৈছে ইয়াত। এই ইউনিভাৰচিটিখন সঁচা অৰ্থত হ'ব লাগে আৰু খুৱ সুন্দৰকৈ হ'ব লাগে, যিটো মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰো এটা সপোন, প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰো দেশখনক লৈ যোৱাৰ এটা সপোন আছে। এই গোটেইখিনি আমি সকলোৰে বিচাৰো। জৱাহৰলাল নেহেৰুৰ পৰা আৰম্ভ কৰি প্ৰত্যেক জন বৰেণ্য ব্যক্তিয়ে খুৱ ভাল আমাক ভাৰতবৰ্ষৰ কাৰণে আমি সকলোৰে চেষ্টা কৰিছো। গতিকে এই ইউনিভাৰচিটিখন হ'লে মই ভাৱো যে আমাৰ নৱপ্ৰজন্ম যথেষ্ট উপকৃত হ'ব আৰু এই বিলৰ সপক্ষে মই চৰকাৰে এটা বিহীত ব্যৱস্থা ল'ব। উত্তৰ পাৰৰো এখন হৈছে, দক্ষিণ পাৰৰো এখন হৈছে. ভৱিষ্যতে পাৰিলে এই ইউনিভাৰচিটিৰ সংখ্যা আৰু আগবঢ়াই আমাৰ এই Vocatioal আমাৰ যিটো study এইটোক আৰু আগুৱাই লৈ যোৱাৰ ক্ষেত্ৰত আমি সকলোৰে সহযোগ কৰি আমাৰ সমাজখন আগুৱাই নিয়াৰ ক্ষেত্ৰত আমি সহযোগীতা আগবঢ়াব লাগে। মোৰ মন্তব্য এয়াই।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়া কওঁক ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (কৰিমগঞ্জ, উত্তৰ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিলখনক পূৰ্ণ সমৰ্থন কৰিছো। বৰ্তমান টেক্‌নল'জিৰ যুগ। আমি বিধান সভাত বহি মোবাইলৰ জৰিয়তে ইণ্টাৰনেটত বিভিন্ন বস্তু চাই আছো। চাওলুং চুকাফাই আজিৰ পৰা ৮০০ বছৰ আগতে অসমত আহোম সম্ৰাজ্য গঠন কৰিছিল। তাৰ পিছত যিখিনি হৈছে যেনে-শৰাইঘাটৰ ৰণ, বীৰ লাচিতে দেখুওৱা তেওঁৰ বীৰত্ব আদি চাওলুং চুকাফা অসমত অহাৰ কাৰণে হৈছে। বিগত দিনত ৰবীন্দ্ৰ নাথ ইউনিভাৰ্চিটি, শংকৰদেৱ ইউনিভাৰ্চিটি, মাধৱদেৱ ইউনিভাৰ্চিটি আদি বহুখিনি ইউনিভাৰ্চিটি আমি হোৱা দেখিবলৈ পাইছো। মই ভাৱো যিজন মানুহে নতুন এটা দিগন্তৰ সৃষ্টি কৰিছে, বৰ অসম গঢ়াৰ বাবে তেওঁ বিৰল এটা ভূমিকা আছে। তেওঁৰ বাবে আজিৰ সমাজখন গঠন হৈছে। আজিৰ দিনত যদি চাওলুং চুকাফাৰ নামত ইউনিভাৰ্চিটিখন দিয়া নহয়, তেনেক্ষেত্ৰত গোটেই বিধান সভাখনৰ অপমান কৰা হ'ব। কিছুদিন আগতে মই কলিকতালৈ গৈছিলো। তাত বিশ্ব ভাৰতী ইউনিভাৰ্চিটি আছে ৰবীন্দ্ৰ নাথৰ ঠাকুৰবাৰী আছে। এইসমূহ অতি ভালকৈ বনোৱা হৈছে। বিশেষকৈ বৰ্তমান সময়ত আমি

যদি চাওলুং চুকাফাৰ নামত এখন ইউনিভাৰ্চিটি দিব নোৱাৰো তেনেক্ষেত্ৰত আমাৰ ফালৰ পৰা বেয়া এটা মেচেজ যাব। মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে চাওলুং চুকুফাৰ নামত ইউনিভাৰ্চিটি গঠন কৰা হওঁক আৰু গঠন কৰি এটা সুন্দৰ পৰিৱেশৰ সৃষ্টি কৰক। বিগত দিনত আমি দেখিছো যে আপোনালোকে এনেধৰণৰ বহুতো ইউনিভাৰ্চিটি কৰিছে। কিন্তু যিজনে বৰ অসম গঢ়িলে তেওঁৰ নামত আজিলৈকে এখন ইউনিভাৰ্চিটিও গঠন কৰিব পৰা নাই। তেওঁৰ জন্ম দিনত তেখেতক মনত পেলালেই নহ'ব, তেখেতৰ নামত ইউনিভাৰ্চিটি গঠন কৰি তেখেতৰ ওপৰত ৰিচাৰ্চ কৰিব লাগিব। আমি তেওঁৰ ওপৰত যিমানেই ৰিচাৰ্চ কৰিম সিমানেই এখন সু-দৃঢ় সমাজ হ'ব আৰু সুস্থ আৰু সুন্দৰ অসম গঠন হ'ব। মই এইখন বিলৰ পূৰ্ণ সমৰ্থন জনাইছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া ৰবিৰাম নাৰ্জাৰী ডাঙৰীয়াই কওঁক। তেখেত অনুপস্থিত। এতিয়া জাকিৰ হুছেইন শিকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী জাকিৰ হুছেইন শিকদাৰ, (সৰু ক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধী দলৰ দলপতি মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়াই চাওঁলুং চুকাফা স্কীলিং ইউনিভাৰ্চিটিৰ যি বিল উত্থাপন কৰিছে, তাৰ মই পূৰ্ণ সমৰ্থন জনাই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ৰ লগতে চৰকাৰক কিছু কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছো। চাওঁলুং চুকাফাৰ বিষয়ে আমি বহলাই আলোচনা নকৰিলেও হ'ব। কাৰণ প্ৰত্যেকজন অসমীয়াৰ মনত তেখেতৰ অৱদানৰ বিষয়ে সোণালী আখৰেৰে লিপিবদ্ধ হৈ আছে। আহি থকা দিনবোৰত তেখেতৰ অৱদান আৰু তেখেতে দেখুৱাই থৈ যোৱা বৃহত্তৰ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াৰ প্ৰতি আমি কি ধৰণে প্ৰতিজন অসমীয়াই কাম কৰিলে অসমীয়া জাতিটো আৰু বেছি শক্তিশালী হ'ব আৰু গোটেই ভাৰতবৰ্ষতেই নহয়, গোটেই বিশ্ব দৰবাৰত অসমীয়া জাতি জিলিকি থাকিব। তাৰ কাৰণে আমি সকলোৱে পদক্ষেপ ল'ব লাগিব। সেই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ দায়িত্ব আৰু কৰণীয় যথেষ্ট আছে। আজি আমাৰ বিৰোধী দলৰ দলপতি মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিখন বিল আনিছে মই ভাৱো বৰ্তমানৰ অসম চৰকাৰখনে তাৰ বিবেচনা কৰি তাক বাস্তৱ ৰূপ দিয়াৰ বাবে নিশ্চিতভাৱে পজিটিভ দিশত এটা সিদ্ধান্ত ল'ব। বৰ্তমান অসমৰ শিক্ষা ব্যৱস্থা আৰু নিবনুৱা সমস্যাৰ কথা আমি সকলোৱে জানো। দিনে দিনে নিবনুৱা সমস্যা বৃদ্ধি পাব ধৰিছে। নিবনুৱা সমস্যাৰ লগত ফেৰ মাৰিব পৰাকৈ অসমত চৰকাৰীভাৱে যিখিনি চাকৰিৰ পদ ওলায় সেই চাকৰিখিনি দিয়াৰ পিছতো অসমৰ নিবনুৱা সমস্যা কেতিয়াও সমাধান নহয়। সেই ক্ষেত্ৰত যদি আমি স্কীলিং ইউনিভাৰ্চিটি এখন কৰিব পাৰো, যি শিক্ষা দিলে সকলোৱে নিজে নিজে নিজৰ ভৰিত থিয় দিব পাৰিব আৰু শিক্ষাৰ দিশত আমি আগবাঢ়ি যাব পাৰিম, তেনেকুৱা ধৰণৰ শিক্ষা দিয়াৰ বাবে আমি যদি এখন ইউনিভাৰ্চিটি এজন বৰেণ্য ব্যক্তিৰ নামত খুলি গোটেইখিনি কাম আগুৱাই লৈ যাওঁ নিশ্চিতভাৱে তেখেতৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তি বেছিকৈ দিয়া হ'ব। আহি থকা যুগে যুগে যি নৱ প্ৰজন্মৰ জন্ম হ'ব তেখেতসকলেও তেখেতক মনত ৰাখিব। এই ইউনিভাৰ্চিটিৰ জৰিয়তে অসমৰ নিবনুৱা সমস্যা সমাধান হ'ব। অমসৰ মানুহে হাতে-কামে বহু কাম কৰিব পাৰিব, বহু কথা জানিব পাৰিব আৰু নিজৰ সমস্যা নিজে বহুখিনি সমাধান কৰিব পাৰিব। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিৰোধী দলৰ দলপতি মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিখন বিল আনিছে মই ভাৱো আজি চৰকাৰে নিশ্চিতভাৱে ইউনিভাৰ্চিটি গঠন কৰিবৰ বাবে আহ্বান জনাই, মোৰ বক্তব্য সামৰিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি মাননীয়

দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিখন বিল উত্থাপন কৰিছে আৰু স্কীলিং ইউনিভাৰ্চিটি ৰ কথা কৈছে তাৰ মই সমৰ্থন কৰিছো। কিন্তু মই ভাৱো স্কীলিঙৰ লগতে অসমৰ ইতিহাস, অসমৰ বুৰঞ্জী গভীৰভাৱে অধ্যয়ণ কৰাৰ বাবে চাওঁলুং চুকাফাৰ নামত এখন ইউনিভাৰ্চিটি নিশ্চিতভাৱে হ'ব লাগে। অসম নহয় উত্তৰ-পূৰ্বাঞ্চলৰ যি বৰ্ণাঢ্য ইতিহাস তাৰ অধ্যয়ণ এই ইউনিভাৰ্চিটিৰ জৰিয়তে যাতে হ'ব পাৰে তাৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰৰ ওচৰত অনুৰোধ জনাইছো। আমাৰ বিশ্ববিদ্যালয় সমূহত কিছু পৰিমাণে ইতিহাস চৰ্চা হয়। কিন্তু একেবাৰে কেন্দ্ৰীভূতভাৱে অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাস অধ্যয়ণ আৰু চৰ্চা কৰাৰ সুযোগ আমাৰ যথেষ্ট কম আছে। তেওঁ যদিও স্কীলিঙৰ কথা কৈছে, মই স্কীলিঙৰ কথা নকওঁ মই উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাস অধ্যয়ণ কৰাৰ বাবে চুকাফাৰ নামত এখন বিশ্ববিদ্যালয় স্থাপন কৰক যাৰ জৰিয়তে আমাৰ ইতিহাস ভালদৰে অধ্যয়ণ কৰাৰ সুযোগ পাম। এই ব্যৱস্থাটো চৰকাৰে কৰিব বুলি আশা কৰি যিখন বিল আনিছে, সেই বিলৰ মই সমৰ্থন কৰিছো। ইউনিভাৰ্চিটি খনৰ নাম স্কীলিং হ'ব নে ইতিহাস হ'ব সেইটো মোৰ ব্যক্তিগত মতামত। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ইতিহাস অধ্যয়ণ কৰাৰ কেন্দ্ৰৰূপে চুকাফাৰ নামত এখন ইউনিভাৰ্চিটি নিশ্চিতভাৱে স্থাপন কৰা উচিত। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া আব্দুৰ ৰছিদ মণ্ডল ডাঙৰীয়াই কওঁক।

**শ্ৰী আব্দুৰ ৰছিদ মণ্ডল, (পশ্চিম গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, বিৰোধী দলৰ দলপতি মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়াই চুকাফা স্কীলিং ইউনিভাৰ্চিটিৰ যিখন বিল উত্থাপন কৰিছে তাৰ মই পূৰ্ণ সমৰ্থন জনাইছো আৰু দুআষাৰ কথা ক'বলৈ ওলাইছো। অসমৰ আজিৰ যি মানচিত্ৰ, যাক লৈ আমি গৌৰৱ কৰো, ইয়াৰ নিৰ্মাতা চাওঁলুং চুকাফা আৰু তেওঁৰ নামত এনেকুৱা এখন ইউনিভাৰ্চিটি স্থাপন হোৱাটো মই ভাৱো, অসম চৰকাৰৰ ঘোষিত নীতি আছে যে যিসকল লোকে অসম গঠনত অৱদান আগবঢ়াইছে তেওঁলোকক আমি সন্মান জনাব লাগে। অধ্যক্ষ ডাঙৰীয়া, অসমৰ নিবনুৱা সমস্যাৰ কথাটো আমি সকলোৱে গুৰুত্বসহকাৰে উপলব্ধি কৰো। নিবনুৱা সমস্যা সমাধানৰ বাবে আমি বিভিন্ন উপায় অৱলম্বন কৰো। কিন্তু কেৱল চৰকাৰী চাকৰিৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান কৰা সম্ভৱ জানো? কেৱল চৰকাৰী চাকৰিৰ দ্বাৰা নিবনুৱা সমস্যা সমাধান কৰা সম্ভৱ নহয়। বিভিন্ন পাব্লিক বা প্ৰাইভেট চেক্টৰত বা অসমৰ তথা ভাৰতৰ বাহিৰত আমাৰ ল'ৰা-ছোৱালীসকলক কাম কৰাৰ সুযোগ দিয়াৰ বাবে স্কীল ডেভলপমেণ্ট কৰিবই লাগিব। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ নেতৃত্বত এই বিধান সভাৰ সৰ্বদলীয় গ্ৰুপ এটাই বাংলাদেশ ভ্ৰমণ কৰিছো। তাৰ অভিজ্ঞতাত দেখিছো যে ১৯ কোটিৰ জনসংখ্যাৰ দেশ এখনৰ ছয় কোটি মানুহ বিদেশত কাম কৰি আছে। আপোনাৰ নেতৃত্বত চৰকাৰৰ বিভিন্ন মন্ত্ৰালয়ৰ লগত যেতিয়া আমি বৈঠক কৰিছিলো তেতিয়া এই কথাটো জানিব পাৰিছিলো যে তেওঁলোকে মেন পাৱাৰ এক্সপ'ৰ্ট কৰি বিদেশী মুদ্ৰা আহৰণ কৰি আছে আৰু তেওঁলোকৰ গড় জনমুৰি আয় বৃদ্ধিত এইটো সহায় হৈছে। আমাৰ ভাৰতৰ কেৰেলাৰ কথা যদি চিন্তা কৰো দেখিবলৈ পাম যে ভাৰতবৰ্ষৰ বিভিন্ন চহৰত যিমান ডাঙৰ ডাঙৰ নৰ্চিংহোম আছে, আজি দিল্লীৰ নাৰ্চিংহোমত কেৰেলাৰ গোটেইখিনি ANM , GNM নাৰ্চ ভৰ্ত্তি হৈ আছে। কেৰেলাৰ ল'ৰা-ছোৱালী বিদেশত কাম কৰি আছে। তেওঁলোকৰ Skill build কৰা হৈছে। আমাৰ ল'ৰা-ছোৱালীৰ Skill Development ৰ বাবে Skill Development Department য়ে বিভিন্ন বেচৰকাৰী অনুষ্ঠানৰ জৰিয়তে ট্ৰেইনিং দি আছে। আমি বিভিন্ন সময়ত ইয়াৰ পজিটিভ, নিগেটিভ নিউজ পাই থাকো। এইবোৰত যথেষ্ট টকা ব্যয় কৰি আছে কিন্তু প্ৰকৃতাৰ্থত সেই ট্ৰেইনিং হৈছে নে নাই? এই ক্ষেত্ৰত

Regulatory Board বা Regulatory Authority গঠন কৰাৰ **কথা** চৰকাৰে এই বিধান সভাতেই ঘোষণা কৰিছিল। গতিকে, Skilling University যেতিয়া হ'ব, তেতিয়া এই Regulatory ৰ কথাবোৰো আহি পৰিব। আমি আমাৰ ল'ৰা-ছোৱালীক বিভিন্ন Tradeত train up কৰি তেওঁলোকক অসমতেই হওঁক বা অসমৰ বাহিৰত বা বিদেশত কৰ্ম সংস্থাপন দিব পৰাকৈ যাতে সাজু কৰিব পাৰো তেতিয়াহে আমাৰ নিবনুৱা সমস্যাৰ সমাধান হ'ব। বহুতে কৈ থাকে আমাৰ জি.ডি.পি. কম। গতিকে, ইয়াৰ দ্বাৰা আমাৰ জি.ডি.পি.ৰ growth ও বাঢ়িব। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যে যিজন ব্যক্তিৰ নামত বিশ্ববিদ্যালয় কৰিব বিচৰা হৈছে আৰু যি শিক্ষা আমি প্ৰদান কৰিবলগীয়া হৈছে, দুয়োটা অতিকৈ গুৰুত্বপূৰ্ণ। এই গুৰুত্বপূৰ্ণ ব্যক্তি আৰু বিষয়ৰ ওপৰত লক্ষ্য ৰাখি চৰকাৰে যাতে পজিটিভ দৃষ্টিভংগী লয় তাৰ প্ৰতি আশা ৰাখি মই মোৰ বক্তব্য ইমানতে সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। শ্ৰী সুশান্ত বৰগোঁহাই।

**শ্ৰী সুশান্ত বৰগোঁহাই (থাওৰা)ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বেচৰকাৰী দিনত বিৰোধী দলপতিয়ে যি বেচৰকাৰী বিলখন আনিছে সেই সম্পৰ্কত মই এটা কথা ক'বলৈ বিচাৰো যে অসমৰ ভৌগোলিক পৰিসীমা সৃষ্টিৰ ক্ষেত্ৰত মহান অসমীয়া চাওলুং চ্যুকাফা অন্যতম। আমাৰ তিতাবৰ সমষ্টিৰ সন্মানীয় বিধায়কে 'সাত ৰাজ মাৰি' কথাষাৰ কৈছে। আচলতে, 'সাত ৰাজ মাৰি' নহয়, সকলোকে সামৰি লৈ সেই সময়ত বৰ অসম গঢ় দিছিল। চাওলুং চ্যুকাফাই অসমখনক ভৌগোলিক ভাৱে স্বীকৃতি দিছিল আৰু আজি যে আমি অসমখনক ভাৰতৰ অংগ ৰাজ্য হিচাপে জানো, সেই সময়ত চাওলুং চ্যুকাফাই আহি সকলোকে লগত লৈ আহোমৰ ৰাজত্বৰ পৰাই অসম নামটো হৈছিল। এতিয়া কথাটো হ'ল যে, সেইজন মহান অসমীয়াক আমি এখন বিশ্ববিদ্যালয়তে সামৰি ৰাখিম নেকি? আমি যদি এখন বিশ্ববিদ্যালয়তে তেওঁৰ নাম সামৰি ৰাখো তেন্তে মই ভাৱো যে তেওঁক সঠিক সন্মান দিয়া নহ'ব। হয়, তেখেতৰ নামত বিশ্ববিদ্যালয়ো লাগিব। কিন্তু, অসমীয়া হিচাপে অসমখনক আমি শ্ৰেষ্ঠ প্ৰমাণিত কৰিব পাৰিলেহে তেখেতৰ প্ৰতি সন্মান জনোৱা হ'ব। যেতিয়ালৈকে অসমীয়া জাতি জীয়াই থাকিব, তেতিয়ালৈকে তেওঁৰ প্ৰাসংগিকতা থাকিব আৰু অনাগত দিনত তেওঁৰ কৰ্মৰাজি, তেখেতে সকলোকে মিলাই একেলগে বৰ অসম কৰাৰ যি চেষ্টা কৰিছিল, সেইখিনি আমি জীয়াই ৰখাৰ ক্ষেত্ৰত বেছিকৈ কাম কৰিব লাগিব। তেখেতক আমি যি ধৰণে শ্ৰেষ্ঠ অসমীয়া বুলি মানি লওঁ, সেই ক্ষেত্ৰত কেৱল এখন বিশ্ববিদ্যালয়ে তেওঁৰ নামত নামাকৰণ কৰি ৰাখিলে, মই ভাৱো যে সঠিক নহ'ব। সেই কাৰণে আমি 'সাত ৰাজ মাৰি' যিষাৰ কথা কৈ থাকো, এই কথাষাৰ উঠাই ল'ব লাগে। আচলতে, সাত ৰাজ মাৰি নহয় সকলোকে একেলগে লৈ সেই সময়ত বৰ অসম গঢ়া হৈছিল। বুৰঞ্জীয়ে যেতিয়া কয় যে চাওলুং চুকাফা অহাৰ প্ৰায় ডেৰশ-দুশ বছৰ পিছতহে যুদ্ধ হৈছিল, কিন্তু সেই ডেৰশ দুশ বছৰত সকলো জাতি-জনগোষ্ঠীক একেলগে লৈ অসমীয়া জাতি গঠনৰ প্ৰক্ৰিয়া আৰম্ভ কৰিছিল। চাওলুং চ্যুকাফা অহাৰ পিছত অসমখন অসম নামেৰে নামাকৰণ হোৱা বুলি বুৰঞ্জীয়ে কয়। বিশ্ববিদ্যালয় তেওঁৰ নামত নামাকৰণ হওঁক, তাত মোৰ কোনো আপত্তি নাই। কিন্তু মই ভাৱো যে কেৱল বিশ্ববিদ্যালয়তে আমাৰ এই মহান অসমীয়াজনক আমি সীমিত কৰিব নালাগে। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** শ্ৰী ৰকিবুল হুছেইন।

**শ্ৰী ৰকিবুল হুছেইন (চামগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই অনা 'The Chaolung Siukapha Skilling University Bill, 2022'

বিলখনৰ আমি পূৰ্ণ সমৰ্থন কৰিছো আৰু সংক্ষেপে যোগাত্মক দিশত দু-আষাৰ কোৱাৰ প্ৰয়াস কৰিছো। যিজন ব্যক্তিৰ নামত এই Skilling University কৰাৰ কথা কৈছে তেওঁৰ কথা ইতিমধ্যে আলোচনা হৈছে। Skilling University আৰু চাওলুং চ্যুকাফা- এই শব্দ দুটাৰ মিল আছে নে নাই মোৰ ওপৰোক্ত এজন বক্তাৰ লগত সংগতি ৰাখি ক'ব বিচাৰিছো। আমাৰ ভাগ ভাগ হৈ থকা বিভিন্ন জাতি-জনগোষ্ঠীক একত্ৰিত কৰি গোটেই অসমখনক গঢ় দিয়াৰ প্ৰক্ৰিয়া চাওলুং চুকাফা ডাঙৰীয়াই আৰম্ভ কৰিছিল। তাৰ পৰৱৰ্তী সময়ত অসমত ভাগ ভাগ হৈ থকা লোকসকলক কেৱল যে তেওঁ ৰাজত্ব কৰিছিল তেনে নহয়। তেওঁ আমাক থাকিবলৈ শিকাইছিল। আমি কেনেকৈ চলিব লাগে সেইয়া শিকাইছিল। প্ৰথমে এখন সংবিধান কৰি কেনেকৈ আমাৰ ৰাজ্যখন, দেশখন চলাব লাগে সেইক্ষেত্ৰত আমাক কৌটিল্যই যিদৰে শিকাইছিল, ঠিক তেনেদৰে চাওলুং চুকাফাইও আমাক কিদৰে জাতি গঠন কৰিব লাগে, হাজাৰ জনৰ এজনে নেতৃত্ব লোৱা জনক হাজৰিকা, শ জনৰ নেতৃত্ব লোৱা জনক শইকীয়া উপাধিৰে নামাকৰণ কৰি বিভিন্ন জনক একত্ৰিত কৰি থাকিবলৈ শিকাইছিল। মহাবীৰ লাচিত বৰফুকনৰ পিতৃ মোমাই তামুলী বৰবৰুৱাই আমাক বাৰী পাতি থাকিবলৈ শিকাইছিল। সেই Skilling টোৰ কথাই কৈছো। আজি আমাৰ ঘৰত তামোল-পাণ, চালত কোমোৰা, লাও, জিকা আৰু ভঁৰালত জহা ধান, এই কথাবোৰ মোমাই তামূলী বৰবৰুৱাৰ দিনৰ পৰাই আমাৰ ইয়াত আৰম্ভ হৈছে যে ঘৰৰ বাৰীখনত আমি কিছুমান তামোল গছ ৰুব লাগে, আমি তাত ৰান্ধনী ঘৰৰ প্ৰয়োজনীয় বস্তুবোৰ ৰুব লাগে। এই কথাবিলাকৰ কৃষিৰ লগত সম্বন্ধ থকা বাবেই তৰুণ গগৈ মুখ্যমন্ত্ৰী ডাঙৰীয়া মুখ্যমন্ত্ৰী থকা অৱস্থাত আমি যিখন কৃষি মেলা কৰিছিলো, সেইখনক মোমাই তামুলী বৰবৰুৱা কৃষি মেলা বুলি নামাকৰণ কৰিছিলো। গতিকে, গোটেই জাতিটোক কেৱল ৰাজত্বই যে কৰিছে তেনে নহয়। সকলোতকৈ ডাঙৰ কথা যে এই আহোম ৰজাবিলাকৰ পৰা শিকিবলগীয়া কথা পৃথিৱীত বিৰল। সাধাৰণতে দেখা যায় যে ৰজাই নিজৰ ধৰ্ম, নিজৰ ভাষা impose কৰে। কিন্তু, আহোম ৰজাই প্ৰজাৰ ধৰ্ম গ্ৰহণ কৰিছে। আহোম ৰজাই নিজৰ টাই ভাষা থকাৰ পিছতো প্ৰজাৰ সন্মিলিত ভাষা গ্ৰহণ কৰিছে। মই ভাৱো যে এই Skilling Development ৰ লগত তেওঁলোকৰ এটা সম্বন্ধ আছে। আমি কেনেকৈ থাকিব লাগে, কেনেকৈ খাব লাগে, কেনেকৈ সমাজ পাতি একত্ৰিত ভাৱে থাকিব লাগে, বিভিন্ন জাতি-জনগোষ্ঠী কেনেকৈ একত্ৰিত ভাৱে থাকিব লাগে, এই বৃহত্তৰ জাতি গঠনৰ প্ৰক্ৰিয়াটো চাওলুং চ্যুকাফাৰ দিনৰ পৰা আৰম্ভ হৈছে। Skill Development ত মই দেখিছো যে বিভিন্ন ক্ষেত্ৰত এই কথাবোৰো তাত পৰিস্ফু ট হ'ব। কেনেকৈ চাওলুং চ্যুকাফা আহিলে, কেনেকৈ সকলো একত্ৰিত হ'ল, বিভিন্ন জাতি জনগোষ্ঠী কেনেকৈ একত্ৰিত হ'ল, কেনেকৈ বাঘ হাজৰিকাৰ পৰা আৰম্ভ কৰি সকলোৱে একেলগে লগ হৈ মোগলক পৰাস্ত কৰিছিলো এই গোটেই কথাখিনি যেতিয়া একত্ৰিত হ'ব, মই ভাৱো যে তেখেতৰ প্ৰতি আমাৰ সন্মান জনোৱা হ'ব। আজি এখন কেৱল বিশ্ববিদ্যালয়েই যে হ'ব লাগে তেনে নহয়। বিভিন্ন ক্ষেত্ৰত, যেনে এতিয়া মহাবীৰ লাচিত বৰফুকনৰ ক্ষেত্ৰত আমি বিভিন্ন ধৰণৰ পাতিছো, তাৰ মাজত আমি ৰাস্তা এটাৰো নাম দিছো। উঠি অহা চামে সোধক যে ৰাস্তাটোৰ নাম কিয় দিলে? উঠি অহা চামে সেইটো দেখিও উদ্বুদ্ধ হ'ব। স্ব-জাতিৰ প্ৰতি তেওঁলোকৰ মৰম, প্ৰেৰণা বাঢ়িব। এই যি Private Bill খন অনা হৈছে, সেই ক্ষেত্ৰত মই দেৱব্ৰত শইকীয়াক ধন্যবাদ জনাম যে তেওঁ বহুত অধ্যয়ন কৰি, Chapter I, Chapter-II কৰি preliminary এখন বিল যিদৰে আনিব লাগে, তেনেকৈ এখন পূৰ্ণাংগ বিল আনিছে। তাত যদি কিবা যোগ-বিয়োগ কৰিব লাগে আৰু যদি নিয়মৰ কাৰণে আমাৰ Private Bill খন গ্ৰহণ

কৰিব নোৱাৰে, মই চৰকাৰক অনুৰোধ কৰিম যে চৰকাৰী পক্ষই এই কথাবিলাক যাতে চালি-জাৰি চাই তেওঁলোকে Skill Development ৰ ক্ষেত্ৰত এখন পূৰ্ণাংগ বিল আনক আৰু মই বিৰোধী পক্ষৰ পৰা কৈছো যে সেইখন আমি সমৰ্থন কৰিম। এইখন যদি গ্ৰহণ কৰে, ভাল হয়। কিবা কাৰণত যদি এইখন গ্ৰহণ কৰিব নোৱাৰে তেন্তে এই কথা-বতৰা বিলাকৰ কাৰণে, আমাৰ নতুন প্ৰজন্মৰ কাৰণে এই কথাবিলাক এটা যোগাত্মক দিশত যাবৰ কাৰণে, এটা পৰম্পৰা হ'বৰ কাৰণে মই ভাৱো যে আজি আমাৰ এই বিলখন in principle তেওঁলোকে গ্ৰহণ কৰক। চৰকাৰী পক্ষৰ পৰা বিলখন আনক, লাগিলে আমি সমৰ্থন কৰিম। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী ডাঙৰীয়াৰ উত্তৰ।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যি Chaolung Sukapha Skill University Bill উত্থাপন কৰিছে, সেই বিষয়ে সদনত সমৰ্থনও কৰিছে। এই বিষয়ে আমি কোনো বিৰোধিতা কৰা নাই বা নকৰো। কিন্তু সুশান্ত বুঢ়াগোঁহাঞি ডাঙৰীয়াই এটা গুৰুত্বপূৰ্ণ কথা কৈছে। অসমীয়া জাতিৰ জনক বুলি ক'লেও আমি ভুল কোৱা নহয়, বৰ অসম গঢ়াৰ মুখ্য ব্যক্তিজনে চাওলুং চুকাফা বুলি আমি সকলোৰে জানো। তেওঁৰ নামত আমি এটা দিন অসম দিৱস হিচাপে পালন কৰো, আমি সকলোৰে তেখেতক শ্ৰদ্ধা জনাওঁ, সন্মান জনাওঁ। গতিকে তেখেতৰ নামত কিবা এটা কৰাত আমাৰ আপত্তি থাকিব নালাগে। কিন্তু বুঢ়াগোঁহাঞি ডাঙৰীয়াই এটা কথা কৈছে যে তেখেতৰ নামটো আৰু অলপ ওপৰত। তেখেতৰ যিটো ব্যক্তিত্ব, তেখেতৰ যিটো গঢ়িমা বা যিটো নাম, সেই নামটোক আমি এটা University ত সীমাবদ্ধ কৰিব লাগে নে নালাগে এই বিষয়ে নিশ্চয় চিন্তা-চৰ্চা কৰিব লাগিব।

মাননীয় অধ্যক্ষ মহোদয়, এখন University বনাবলৈ যথেষ্ট টকা পইচাৰো প্ৰয়োজন হয়। গতিকে এক মূহুৰ্ততে প্ৰস্তাৱটো গ্ৰহণ কৰা বা ঘোষণা কৰাটো চৰকাৰৰ পক্ষে সহজ নহয়। কিন্তু তথাপিও মই আকৌ কৈছো যে আমি চাওলুং চুকাফাৰ নামটোক সন্মান জনাই তেখেতৰ নামত কিবা হোৱাটো যদি আপোনালোকে বিচাৰে, তেতিয়াহ'লে আমিও বিচাৰিম, যদিও আমি কৈছো যে তেখেতক আমি আৰু অলপ ওপৰত ৰাখিব খোজো। কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই এটা কথা কৈছে যে তেখেতে গোটেইখিনি কৰিছিলে। সেই কথাটো আমি সকলোৰে জানোৱেই, আমি তেখেতক কম নাজানো। তেখেতে হয়তো অসম বুৰঞ্জী পঢ়া নাই, আমি পঢ়িছো। আমি লাচিতক কলৈকে লৈ গৈছো আপোনালোকে জানে। আপোনালোকেও সমৰ্থন কৰিছিলে। গতিকে আমি কৰিবলগীয়াখিনি নিশ্চয়কৈ কৰিম।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ, (উত্তৰ কৰিমগঞ্জ) ঃ** মই যদি ভুল ক'লো, তেতিয়াহ'লে কওঁক।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** ভুল নহয়, আপুনি কথাবিলাক কেনেকৈ কয়, আপুনি নিজে জানে। কিন্তু আমিতো মনে মনে থাকিব নোৱাৰো। বাকী সন্মানীয় সদস্য সকলে যেনেকৈ কৈছে আপুনি তেনেকৈ কোৱা নাই।বাকী সন্মানীয় সদস্য সকলে গঠনমূলকভাৱে কৈছে, আপুনি কেনেকৈ কৈছে সেইটো সকলোৰে জানে। আপোনাৰ পৰা তাতকৈ বেলেগ আশা কৰি লাভ নাই।

মাননীয় অধ্যক্ষ মহোদয়, মই এটা কথা সদনক ক'ব বিচাৰিছো যে আমি কলেজবিলাকক University লৈ ৰূপান্তৰ কৰি আছো, Upgradation কৰি আছো। আমি আশা ৰাখিছো যে অনাগত দিনত শিৱসাগৰ কলেজখন বা শিৱসাগৰৰ কোনোবা এখন ঐতিহ্যমণ্ডিত কলেজক আমি University লৈ পৰ্য্যৱেশিত কৰিম। তেতিয়াও কলেজৰ যিখন Governning Body থাকে আৰু স্থানীয় ৰাইজে যদি বিচাৰে, তেতিয়াও আমি চাওলুং চুকাফাৰ নামত University

খন কৰিব পাৰিম। এখন Skill University আমি কেইদিনমানৰ আগতে আৰম্ভ কৰিছো। গতিকে আৰু এখন অতি সোনকালে কৰা আমাৰ পক্ষে সহজ সাধ্য নহয় বুলি মই ভাৱো। গতিকে তেখেতসকলৰ এই যিটো Private Members Bill মই একেমুখে অস্বীকাৰ নকৰি ভৱিষ্যতে এখন University যদি সকলোৱে বিচাৰে, কাৰণ তাতটো দুটা মতামত আছে, এটা হৈছে সুশান্ত বুঢ়াগোঁহাঞি দেৱে কোৱা মতামত আৰু এটা আপোনালোকে কোৱা মতামত। ইয়াৰ ওপৰত নিশ্চয় বিতৰ্ক হ'ব। যদি সকলোৱে বিচাৰে যে ভৱিষ্যতে চাওলুং চুকাফাৰ নামত University খন কৰিব লাগে, শিৱসাগৰত আমি কৰিবলগীয়া University খনক আমি চাওলুং চুকাফাৰ নামত কৰিব পাৰিম। মই সদনক প্ৰতিশ্ৰুতি দিছো। মই আকৌ কৈছো যে University এখন গঢ়িবলৈ যথেষ্ট টকা পইচাৰ প্ৰয়োজন, মাত্ৰ আজি এমাহৰ আগতে আমি এখন Skill University মঙলদৈত আৰম্ভ কৰিছো, গতিকে এই মুহূৰ্ততে আকৌ এখন Skill University কৰিবলৈ আমাৰ যথেষ্ট কষ্ট হ'ব। গতিকে তেখেত সকলৰ এই প্ৰস্তাৱটো যাতে উঠাই লয়, তাৰবাবে মই তেখেতসকলক অনুৰোধ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী ভৰত চন্দ্ৰ নৰহ, (নাওবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী ডাঙৰীয়াই যিটো কথা কৈছে আৰু সুশান্ত ডাঙৰীয়াই যিটো কৈছে, চুকাফাৰ নামত University কৰিলে তেখেতৰ নামটো অৱনমিত কৰা নুবুজায়। যেনেকৈ শংকৰদেৱৰ নামত বিশ্ববিদ্যালয় আছে, মাধৱদেৱৰ নামত বিশ্ববিদ্যালয় আছে, তেওঁলোকৰ নামত বিশ্ববিদ্যালয় কৰাৰ কাৰণে তেওঁলোকৰ নামটো অৱনমিত হোৱা নাই। সেইকাৰণে চুকাফাৰ নামতো এখন University আমাৰ অসম চৰকাৰে কৰিব লাগে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** আমি শিৱসাগৰত এখন University কৰি দিম।

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অকল শিৱসাগৰতে নহয়, আমি কৈছো যিকোনো স্থানতে কৰক, মাত্ৰ আমি কৰিবলৈ কৈছো। দ্বিতীয় কথাটো হ'ল - অসম চৰকাৰে ডাঙৰ মূৰ্তি এটা বনাব বুলি কৈছে। মূৰ্তি বনালে জানো সন্মান জনোৱা হয়? শিক্ষানুষ্ঠানখন কৰিলে জ্ঞানৰ পোহৰ বিলাব পাৰে। মূৰ্তিটো বহুতৰে বনায়। মই বিতৰ্কলৈ নাযাওঁ, নাথুৰাম গডছেৰো মূৰ্তি হৈছে।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** আপোনালোকে চুকাফা সমন্বয় সত্ৰ বনাইছে। আমি সন্মান কৰিছো। চুকাফা সমন্বয় ক্ষেত্ৰ বনালে একো নহয়, চুকাফা মূৰ্তি বনালে কিবা হ'ব নেকি? গতিকে আমি এইবিলাক বিতৰ্কত নাযাওঁ। আপোনালোকে তেতিয়াওতো চুকাফা বিশ্ববিদ্যালয় কৰিব পাৰিলেহয়। আপোনালোকে তেতিয়া চুকাফা সমন্বয় ক্ষেত্ৰ বনাইছে। আমি মূৰ্তি বনালে কিয় বেয়া পায়?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** আমি বেয়া পোৱা নাই।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** এতিয়া আমি সেইটো বাদ-অনুবাদত নাযাওঁ। আমি ভৱিষ্যতে তেখেতৰ নামত এখন বিশ্ববিদ্যালয় কৰিবলৈ চেষ্টা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আমাৰ চৰকাৰৰ তৰফৰ পৰা এটা কথা কৈছে যে exiting বা কৰিবলগীয়া বিশ্ববিদ্যালয়ত তেওঁলোকে নামটো দিব বুলি প্ৰতিশ্ৰুতি দিছে, গতিকে সেই অনুপাতে আপোনাক বিধেয়কখন উঠাই ল'বৰ কাৰণে অনুৰোধ কৰিছো। বিধেয়কখন আপুনি উঠাই ল'ব নেকি?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** এইক্ষেত্ৰত আমাৰ এটা অসুবিধা আছে।

অসমৰ চৰকাৰে দুখন University ক বৈষম্যমূলক আচৰণ কৰি আছে। এখন হ'ল অসমত হোৱা একমাত্ৰ মহিলা বিশ্ববিদ্যালয়, এই বিষয়ত আজি সদনত উপস্থিত নাই আমাৰ যোৰহাটৰ বিধায়ক, সেই সময়ত অধ্যক্ষ থকা আমাৰ হিতেন গোস্বামী ডাঙৰীয়াৰ সময়ত বিশেষ আলোচনা হৈছিল, আজিলৈকে তাত এপইচাও দিয়া হোৱা নাই। ঠিক তেনেকৈ ভাৰতবৰ্ষৰ গৃহ মন্ত্ৰী, শ্ৰদ্ধাৰ অমিত শ্বাহ ডাঙৰীয়াই যিটো দপ্তৰ লৈছে, যিটোক বহুতে নিম্নমানৰ দপ্তৰ বুলি ভাৱে, এইটো হৈছে সমবায় বিভাগ। সমবায় বিলাক ভালদৰে সু-সংগঠিত হ'ব লাগে বুলি আজি গৃহ মন্ত্ৰীৰ নিচিনা এজন মন্ত্ৰীক সমবায় বিভাগৰ দায়িত্ব ভাৰত চৰকাৰে দিছে। অসমত এখন সমবায় বিশ্ববিদ্যালয় হৈছিল, Rajiv Gandhi Co-operative Management, সেইখনকো যোৱা সময়ছোৱাত চৰকাৰে কোনো অনুদান দিয়া নাই। এতিয়া যদি এখন আহোম জনগোষ্ঠীৰ, মই কৈছোৱেই যে ব্যক্তিগত প্ৰচেষ্টা আছিল যোৱা ৫ বছৰ ধৰি, চৰকাৰী প্ৰচেষ্টা নহয়, এই প্ৰচেষ্টাটো কৰিবলৈ গৈ যদি অন্য এখনৰ নাম আতঁৰাই দিয়া হয়, সেইটো বৰ সন্মান জনক নহ'ব। সেইকাৰণে মই পুনৰ বিবেচনা কৰিবলৈ অনুৰোধ জনাইছো।

**শ্ৰী পীযুষ হাজৰিকা, (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মহিলা বিশ্ববিদ্যালয়খনৰ কাম আৰম্ভ গৈ গ'ল, ৫২ বিঘা মাটি লৈ মৰিয়নী সমষ্টিত কাম কৰা হৈছিলে। আগতে ভোকোভাওনা আছিলে, পদক্ষেপো লোৱা নাছিলে। যেনেকৈ গুৱাহাটীত মেট্ৰ ৰেলৰ আধাৰশিলা হৈ গৈছিলে,সেই অনুষ্ঠানটোত ৫ কোটি টকা খৰছ হৈছিলে, DPR য়ে বনোৱা নাছিলে, মেডিকেল কলেজৰো আধাৰশিলা হৈছিলে কিন্তু কতো পইচা sanction হোৱা নাছিলে। ঠিক তেনেকৈ মহিলা বিশ্ববিদ্যালয়ো হৈছিলে কিন্তু আমি সেই বিশ্ববিদ্যালয়ৰ কাম আৰম্ভ কৰিলো। মাননীয় বিৰোধী দলৰ দলপতি ডাঙৰীয়াই যেনেকৈ কৈছে যে আমি একো কৰা নাই সেইটো ভুল। ৫২ বিঘা মাটি লৈ আমি ইতিমধ্যে মৰিয়নী সমষ্টিত মহিলা বিশ্ববিদ্যালয়খনৰ কাম আৰম্ভ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় বিৰোধী দলৰ দলপতি। আপুনি উত্থাপন কৰিব, নে withdraw কৰিব ?

**শ্ৰী দেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মাননীয় অধ্যক্ষ মহোদয়,মই দুটা কথা উনুকিয়ালো। চৰকাৰে যিহেতু কৰিম বুলি এটা প্ৰতি শ্ৰুতি দিছে, ভৱিষ্যতে যাতে, শিৱসাগৰ কলেজখনৰ এটা অন্য মৰ্য্যাদা আছে, পৰাগ চলিহা দেৱে কেনেকৈ এইখন প্ৰতিষ্ঠা কৰিছিলে, প্ৰকৃততে চৰকাৰীকৰণ কৰাৰ আগতে প্ৰতিখন বিদ্যালয় বা অনুষ্ঠানৰ এটা ৰাজহুৱা স্বীকৃতি থাকে। যিহেতু তেওঁলোকে অশেষ কষ্ট কৰি, স্মৃতিগ্ৰন্থসমূহ পঢ়িলে গম পোৱা যায় যে সেই সময়ত তেওঁলোকে কেনেকৈ কান্ধত বাঁহ লৈ, ঘোঁৰাগাড়ীত উঠি বিহু মাৰি এই অনুষ্ঠানসমূহ গঢ় দিয়ে। তাৰপিছত আমি চৰকাৰীকৰণ কৰাৰ নামত কাৰোবাক ভাল পাওঁ বুলি যদি এই নামটো বদলাই দিওঁ, সেই অনুভূতিখিনিকো আঘাত কৰা হয়। সেই অনুভূতিখিনিক আঘাত নকৰাকৈ যদি নতুনকৈ এখন কৰে, তেতিয়া নিশ্চিতভাৱে এই প্ৰস্তাৱটো উঠাই লোৱাত কোনো আপত্তি নাই।

**মাননীয় অধ্যক্ষ ঃ** তেওঁলোকে নতুনকৈ কৰাৰ কথা কৈছে।

**শ্ৰীদেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** মই দুটা কথা উনুকিয়ালো চৰকাৰে নকৰো বুলি কোৱা নাই কৰিম বুলি যিহেতু প্ৰতিশ্ৰুতি দিছে । শিবসাগৰ কলেজখন পৰাগধৰ চলিহা দেৱে এনেকুৱা সময়ত প্ৰতিষ্ঠা কৰিছিল । প্ৰকৃততে চৰকাৰীকৰণ কৰাৰ আগতে প্ৰতিখন বিদ্যালয় বা যিকোনো অনুষ্ঠানৰ এটা ৰাজহুৱা স্বীকৃতি থাকে যিহেতু তেওঁলোকে অশেষ কষ্ট কৰি এইসমূহ প্ৰতিষ্ঠা কৰিছিলে। সেই সময়ৰ স্মৃতিগ্ৰন্থসমূহ পঢ়িলে বুজি পোৱা যায় কেনেকৈ কান্ধত বাঁহ লৈ ,

ঘোঁৰা গাড়ীত উঠি, বিহু মাৰি, অনুষ্ঠানবিলাক গঢ় দিছে। তাৰ পিচত আমি চৰকাৰীকৰণ কৰিলো বুলি, কাৰোবাক ভাল পাওঁ বুলি যদি সেই নামটো বদলাই দিওঁ তেন্তে সেই অনুভূতিটোক আঘাত কৰা হয় । অনুভূতি আঘাত নকৰাকৈ যদি এখন নতুনকৈ কৰে নিশ্চিতভাবে এইখন প্ৰত্যাহাৰ কৰাত কোনো আপত্তি নাই ।

**মাননীয় অধ্যক্ষ ঃ** নতুনকৈ কৰাৰ কথা কৈছে । মিনিষ্টাৰ ডাঙৰীয়াই কওঁক ।

**শ্ৰীপিযুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা ইত্যাদি) ঃ** ঠিক আছে, আপুনি ৰাইট কথা কৈছে যে কাৰোবাৰ নামত আছে । কেতিয়াবা ধৰক এনেকুৱা নামত থাকে, মাধবদেৱ বিশ্ববিদ্যালয়ৰ নামটো আগতে মাধবদেৱ মহাবিদ্যালয় আছিল, এইটো ঠিকে আছে । কিন্তু ক'বাত ক'বাত ধৰক ঠাইৰ নামত আছে । এজন ব্যাক্তিৰ নামত থকাটো চেঞ্জ কৰাটো আমিও নিবিচাৰো । কিন্তু কোনো ঠাইৰ নামত আছে যদি আমাক কয় তেন্তে আমি চেঞ্জ কৰিবলৈ সিদ্ধান্ত ল'ম। এটা কথা চাওল্যুং চুকাফাৰ প্ৰতি আমাৰ শ্ৰদ্ধা- সন্মান থাকিব । আপোনালোকে কোৱা কথাটোত আমি গুৰুত্ব দিছো । ভৱিষ্যতে আমি কৰিবলৈ চেষ্টা কৰিম ।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ এল ও পি ।

**শ্ৰীদেবব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি) ঃ** অধ্যক্ষ মহোদয় প্ৰত্যাহাৰ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** অনাৰেবল্ এল ও পিয়ে দ্যা চাওঁল্যুং চুকাফা স্কিলিং ইউনিৰ্ভাচিটি বিল ২০২২ যিখন আছিলে সেইটো উইড্ৰ' কৰিছে। গতিকে এইটো উইড্ৰ' কৰা হ'ল । এতিয়া আইটেম নং - ৩ , আমাৰ আগৰ এটা পেণ্ডিং বিল আছে । আজি আমি আকৌ এই পেণ্ডিং বিলটো টেক আপ কৰো। এইটো আছিলে বেচৰকাৰী সদস্যৰ কাৰ্য্যসূচী স্থগিত সংকল্প প্ৰস্তাৱ এটা মাননীয় সদস্য - হাফিজ বশিৰ আহমেদ ডাঙৰীয়া, আমিনুল ইছলাম (চিনিওৰ) ৰফিকুল ইছলাম (চিনিওৰ) তেখেতসকলে দিছিলে। ২০২২ চনৰ ১৩ চেপ্টেম্বৰত, আমিনুল ইছলাম ডাঙৰীয়াই বিষয়টোৰ ওপৰত বক্তব্য আগবঢ়াবলৈ লওঁতে সদনৰ কাৰ্য্যসূচী অন্ত পৰে । আজি প্ৰস্তাৱটো পুনৰ আলোচনাৰ বাবে লোৱা হৈছে। এতিয়া মাননীয় সদস্য শ্ৰীআমিনুল ইছলাম (চিনিওৰ) ডাঙৰীয়াক মই বক্তব্য ৰাখিবলৈ আহ্বান জনালো । যিসকলে ইয়াত বক্তব্য ৰাখিব বিচাৰে মোলৈ নামটো পঠিয়াই দিব, নহ'লে মই একেবাৰতে মোশ্যনটো আনিম।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা অধিবেশনত বিষয়টো জাষ্ট উত্থাপন কৰা হৈছিল আৰু সময় শেষ হোৱা কাৰণে আলোচনা কৰিব পৰা নগ'ল। আমি যিটো সংকল্প প্ৰস্তাৱ দিছিলো তাৰ বিষয়টো আছিল - অসমৰ চৰ -চাপৰিসমূহত দীৰ্ঘদিনধৰি বসবাস কৰি থকা লোকসকলে আধুনিক মানবীয় সা-সুবিধা পৰা বঞ্চিত হৈ এক দুৰ্ব্বিসহ পৰিস্থিতিত জীৱন যাপন কৰি আছে । অধিকাংশ ভূমিহীন আৰু গঢ়াখহনীয়া আক্ৰান্ত লোকে বিগত কেইবাটাও যুগ ধৰি চৰ চাপৰীসমূহত আশ্ৰয় লৈ আছে যদিও আধুনিক শিক্ষা, স্বাস্থ্য, যোগাযোগ, যাতায়ত আদি সা সুবিধাৰ পৰা বঞ্চিত হৈ আছে । চৰ -চাপৰীসমূহ জৰীপ কৰি তাত দীৰ্ঘদিনধৰি বসবাস কৰি থকা লোকসকলৰ সৰ্ব্বাঙ্গীন কল্যাণ আৰু আৰ্থসামাজিক উন্নয়ণ সুনিশ্চিত কৰাৰ স্বাৰ্থত চৰ অঞ্চলৰ বাবে সুকীয়া মন্ত্ৰালয় আৰু সচিবালয় স্থাপন কৰা হওঁক । এইটো আছিল আমাৰ সংকল্প প্ৰস্তাৱ। অধ্যক্ষ মহোদয়, আমি প্ৰস্তাৱটো উত্থাপন কৰাৰ কাৰণ হ'ল অসমৰ প্ৰায় ২৩০০ নোটিফাইড চৰ আৰু কেইবাশ আননোটিফাইড চৰ আছে । এই চৰ- চাপৰীত প্ৰায় ৩১ লাখ জনসাধাৰণে বসবাস কৰে । চৰ-চাপৰীত যিসকল লোকে বসবাস কৰে , অধ্যক্ষ মহোদয় চৰ চাপৰীত যদি কোনো নতুন মানুহ যায় তেনেহ'লে ভিতৰত কোনো যাতায়ত ব্যৱস্থা নাই , বিদ্যুতৰ ব্যৱস্থা নাই ।

মানুহৰ যিটো জীৱ যাপন পদ্ধতি এইটো দেখিলে এনেকুৱা লাগে যেন বহিৰ্বিশ্বৰ, অসমৰ বাকী অংশৰ জীৱন ধাৰণৰ মানদণ্ডৰ লগত আকাশ পাতাল প্ৰভেদ । অসমৰ বাকীসকলৰ লগত তেওলোকে সমানে আগবাঢ়ি যাব পৰা নাই । চৰ চাপৰিৰ লোকৰ এই দুৰাবস্থাৰ প্ৰধান কাৰণ হ'ল যে তাত পৰ্য্যাপ্ত শিক্ষানুষ্ঠানৰ অভাব । তাত হস্পিটেলৰ অভাব, বৈদ্যুতিকৰণৰ অভাব । যোগাযোগ ব্যৱস্থাৰ অভাৱ । তেওঁলোকে আধুনিক উপকৰণৰ পৰা মানবীয় উপকৰণৰ পৰা সম্পূৰ্ণ বঞ্চিত হৈ আছে। অধ্যক্ষ মহোদয়, এই চৰ চাপৰিৰ সংখ্যা স্বাধীনতাৰ পিচত বা যোৱা পঞ্চাশ বছৰৰ আগত অসমত যিমান আছিল বৰ্ত্তমান তাতকৈ প্ৰয়া পাঁচ গুন বৃদ্ধি পাইছে । ইয়াৰ কাৰণটো হ'ল যে স্বাধীনতাৰ পূৰ্ব্বে বা তাৰ ঠিক পিছ মূহুৰ্ত্ততে ব্ৰহ্মপুত্ৰ নদীখন যিমান বহল আছিল বৰ্ত্তমান ঠাইয়ে ঠাইয়ে এই ব্ৰহ্মপুত্ৰ নদীখন প্ৰায় পোন্ধৰ -বিশ কি.মি লৈকে বহল হৈ পৰিছে একমাত্ৰ গড়াখহনীয়াৰ বাবে গতিকে মই দেখিছো মোৰ ধিং সমষ্টিৰ লগতে নগাও আৰু শোনিতপুৰ জিলাৰ মাজত এই ব্ৰহ্মপুত্ৰ নদীখন মাত্ৰ তিনি কি.মি বহল আছিল । বৰ্ত্তমান এই নদীখন ১৯- ২০ কি.মি বহল হৈছে । ইয়াৰ ফলত নদীখনৰ কাষৰীয়া গাওঁসমূহ গড়াখহনীয়াই উটুৱাই লৈ গৈছে । ফলত নদীৰ তলভাগ বাম হৈ পৰিল আৰু তাত পলস আৰু মাটি পৰি পৰি চৰ- চাপৰীবিলাকৰ সৃষ্টি হৈছে ইয়াত যিমান গাওঁ নদীৰ বুকুত বিলীন হ'ল অসম বিধান সভাত চৰকাৰে দিয়া তথ্য অনুসৰি প্ৰায় তিনি হাজাৰ দুশ গাওঁ সম্পূৰ্ণ ৰূপে বিলীন হ'ল আৰু প্ৰায় সাতশ চল্লিশখন গাওঁ দুৰ্ভাগ্যজনক ভাবে জাহ গ'ল। এই তিনি হাজাৰ গাওঁৰ একোখনকৈ গাওত ঁ গঢ়ে দুই হাজাৰকৈ লোক ধৰা হয় তেনেহ'লে এই তিনি হাজাৰ দুশ গাওঁত প্ৰায় দহ- বাৰ লাখ মানুহ আছিল। যিসকল আজি ভেটীহীন আৰু ভূমিহীন হৈ পৰিছে । এই লোকসকলৰ বহুতে অনাই বনাই ঘুৰি ফুৰিছে। তাৰে কিছুমানে বহিঃ ৰাজ্যত আশ্ৰয় লৈছে আৰু কিছু লোকে এই নদীৰ বুকুতে নতুনকৈ গড় লোৱা চৰ -চাপৰিতে আশ্ৰয় লৈছে । এই চৰ-চাপৰীত লোকসকল বসবাস কৰাৰ পিচত অসমত বিগত যিমান চৰকাৰ গ'ল - এই চৰকাৰসমূহে প্ৰায় চল্লিশ- পঞ্চাশ বছৰ আগৰ পৰাই চৰ এলেকাত বসবাস কৰা লোকসকলক চৰ উন্নয়ণ বিভাগ এটাৰ নাম দি সংখ্যালঘু উন্নয়ণ বিভাগৰ পৰা কিছু ধন বয় বস্তু, সা সামগ্ৰী কেতিয়াবা চাইকেল - পাৱাৰটিলাৰ , টিউৱেল , চিলাইমেছিন এনেধৰনে চৰ উন্নয়ণ বিভাগৰ জৰিয়তে চৰকাৰে দি আহিছে । বিগত বিশ - ত্ৰিশ বছৰত এই চৰ-চাপৰীবিলাকত বহুকেইখন বিদ্যালয় যেনে- প্ৰথমে সৰ্ব্বশিক্ষা মিশ্যনৰ জৰিয়তে ' আমাৰ পঢ়াশালি ' তাৰ পিচতে কিছুমান ভেন্সাৰ স্কুলো হ'ল । আৰু এই ভেন্সাৰ স্কুলবিলাক প্ৰভিন্সিয়েলাইজেশ্যন কৰা হ'ল । দুই -চাৰিখন হস্পিটেলো দিয়া হ'ল। ঠাইয়ে ঠাইয়ে কিছু অংগণবাদী কেন্দ্ৰ দিয়া হ'ল লগতে বিদ্যুৎ সংযোগো দিলে কিন্তু বৰ্ত্তমানে আটাইতকৈ ডাঙৰ সমস্যাটো হ'ল যে, এই চৰ চাপৰী থকা লোকসকলক বাৰে বাৰে নোটিছ দিয়া হয় যে, তেওলোকে সেই স্থান এৰিব লাগে । এতিয়া লোকসকলে আৰ্ত্তনাদ কৰে যে আমাৰ যিবিলাক গাওঁ আছিল সেই গাওঁবিলাক নদীৰ বুকুত বিলীন হোৱাৰ পিচত ইয়াতে চৰ চাপৰীবিলাক গঢ় লৈ উঠিছে আৰু আমি ইয়াতে আশ্ৰয় লৈছো । ইয়াতে যদি আমাক এই স্থান ত্যাগ কৰি যাবলৈ কোৱা হয় আমি ক'ত আশ্ৰয় ল'ম আমি ক'ত যাম। আৰু এই কথাটো তেওলোকে বেছি আক্ষেপ কৰে যে আমাক বেদখলকাৰী বুলি কোৱা হয় । আমাৰ দুটা -তিনিটা চাৰিটা প্ৰজন্মলৈ এই চৰ চাপৰীতে বাস কৰি আহিছে । কিন্তু এতিয়া বহুতে তেওলোকক সন্দেহযুক্ত নাগৰিক , অবৈধ প্ৰবেশকাৰী , আৰু বেদখলকাৰী বুলি অপমান কৰে । আৰু চৰকাৰেও বাৰে বাৰে উচ্চেদ কৰাৰ বাবে ভাবুকি দিয়ে । কিন্তু কথা টো হ'ল যে তেওলোকৰ যিবিলাক ভূমি আছিল এই ভূমিৰ পট্টাবিলাকো ইনভেলিড হৈ গ'ল আৰু ৰেভিনিউ ভিলেজবিলাকৰো কোনো চিন চাব নাই । এতিয়া মোৰ প্ৰশ্নটো হ'ল যদি সেই লোকসকল অবৈধভাবে আছে তেনেহ'লে যোৱা বিগত কেইবাটাও চৰকাৰে কিয় বয় বস্তু দি আছিল,

সেই ঠাইত বিদ্যালয় স্থাপন কৰিছে, নানা সুবিধা দিয়া হৈছে ।

গতিকে নতুনকৈ চৰ-চাপৰি হৈছে আমাৰ আগৰ মাটি পট্টা বোৰ আছে। এতিয়া আমাক বে-দখলকাৰী বুলি কয়, ইয়াৰ পৰা গুচি যাবলৈ কয়। আমাৰ প্ৰশ্নটো হ'ল যদি লোক সকল অবৈধ আছিল তেনেহলে বিগত কেবাটাও চৰকাৰে এই লোক সকলক কিয় বয় বস্তু দিছিল, তাত স্কুল কিয় স্থাপন কৰা হৈছিল আৰু কিয় এই লোক সকলক অঙ্গনবাড়ী কেন্দ্ৰ, কিছুমান হাস্পতাল আৰু বিজুলীৰ কানেক্চন দিছিল? বা চৰ উন্নয়নৰ নামত তেওঁলোকক বেলেগ বেলেগে বস্তু কিয় দিয়া হৈছিল, এটা প্ৰশ্ন। দ্বিতীয় প্ৰশ্নটো হ'ল, সেই গাঁও বিলাক নদীৰ বুকুত বিলিন হৈ যোৱা কথাটো চৰকাৰৰ জ্ঞাত। গতিকে চৰকাৰে অন্তত এই লোক সকলক মৰম কৰি কব লাগিছিল যে আপোনালোকৰ ঘৰ-দুৱাৰ, মাটি-বাৰী সকলো নদীৰ বুকুত বিলিন হৈ গ'ল, ঠিক আছে সেই গাঁও বোৰৰ ঠাইত যেতিয়া চৰ চাপৰিৰ জন্ম হ'ল আপোনালোকে ইয়াতে থাকক, কোনোমতে জীয়াই থাকক, আপোনালোকে নিজৰ ল'ৰা-ছোৱালীক শিক্ষা দিয়ক আৰু আপোনালোকে জন্ম নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰক বা আধুনিক উপকৰণ বিলাক গ্ৰহণ কৰক আৰু আপোনালোকে অন্তত মানৱীয় মূল্য বোধৰ জীৱন নিৰ্বাহৰ কাৰণে অন্তত আপোনালোকে সচেষ্ট হওঁক, আপোনালোকক চৰকাৰে চাপোৰ্ট দিম। কাৰণ যিহেতু এই লোক সকলক যদি চৰ চাপৰিৰ পৰা আতৰাই দিয়া হয়, এই লোক সকল যদি চৰ চাপৰিৰ পৰা গুচি আহে, এই ২৫ লাখ, ৩০ লাখ মানুহক সংস্থাপন দিয়া কোনো ঠাই এইখন অসমত নাই। ক'তো এই লোক সকলক সংস্থাপিত কৰিব পৰা নাযাব, সাংঘাটিক এটা সামাজিক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হ'ব, আইন শৃংখলাৰ পৰিস্থিতিৰ অৱনতি ঘটিব আৰু এই লোক সকলে যেতিয়া আশ্ৰয়বিহীন হৈ অসমত অনাই বনাই ঘুৰি ফুৰিব হয়তো অপৰাধ প্ৰৱনতা বৃদ্ধি পাব বা অসমত সামাজিক সুস্থিৰতাত আঘাট কৰিব, যদি এই লোক সকলক চৰ চাপৰিৰ পৰা আঁতৰাই অনা হয়। কাৰণ চৰকাৰে এই লোক সকলক বিকল্প সংস্থাপন দিব পৰাকৈ ক'তো কোনো ধৰণৰ ভূমি বা মাটি নাই, এই কথাটো আমি জানো বা আমাৰ চৰকাৰে ভালকৈ জানে। গতিকে আমি ভাৱো এই লোক সকলক বাৰে বাৰে দাবী ধমকি দিয়াতকৈ চৰকাৰে এই লোক সকলক চৰৰ মাটি জৰীপ কৰি যি সকল লোক ভূমিহীন আছে তেওঁলোকক এটা নিৰ্দিষ্ট পৰিমাণৰ ভূমি দি ঘৰ বনোৱাৰ কাৰণে আৰু খেতি মাটি কৰাৰ কাৰণে এটা ব্যৱস্থা কৰক। এটা কথা মুখ্যমন্ত্ৰী মহোদয়ে কয়, চৰকাৰৰ অন্যান্য মন্ত্ৰী সকলে কয়, যে কিছুমান মানুহ আছে যি সকলে চৰত মাফিয়াগীৰি কৰে তেওঁলোকে গৈ তাতে ২০০ বিঘা, ৫০০ বিঘা, ১০০০ বিঘা মাটি দখল কৰি লয়। এই কথাটো সঁচা। আৰু এইটো কিয় কৰে যিহেতু চৰ চাপৰিত যি সকল কৃষক আছে, নিৰীহ যি সকল ভূমিহীন আছে তেওঁলোকৰ যিহেতু নিজৰ মাটিৰ পট্টা নাই, সেই কাৰণে কেতিয়াবা কিছুমান দেৱানী মাফিয়াগীৰিয়ে গৈ তাতে গুণ্ডাগীৰি কৰি সেই লোক সকলৰ পৰা কমিচন লয় বা মাটি যি সকল নিৰীহ পৰিয়ালৰ আছে তেওঁলোকক উচ্ছেদ কৰি তেওঁলোকক খেদি পঠিয়াই সেই মাটি কোনোবা বেলেগৰ হাতত বিক্ৰী কৰে। আকৌ এই চৰটো যদি নদীত বিলিন হৈ যায় নতুন চৰ উৎপন্ন হয়, সেই চৰটোত গৈ তেওঁলোকে দখল কৰি বেলেগৰ পৰা পইচা লৈ তেওঁলোকে সেই মাটি বিক্ৰী কৰে। এনেকুৱা ধৰণৰ কিছুমান মাতবগীৰি গুণ্ডাৰাজ চলাই আছে। এই কাৰণে চলাই আছে যিহেতু চৰ চাপৰিত জৰীপ কৰি যি সকল ভূমিহীন কৃষক আছে তেওঁলোকক মাটিৰ পট্টা দিয়া নাই। গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক এইটো আহ্বান জনাম যে আপুনি এইটো যদি বন্ধ কৰিব বিচাৰিছে, চৰ চাপৰিত কোনোবা দেৱানী মাতবৰে গৈ ২০০ বিঘা, ৫০০ বিঘা মাটি দখল কৰি গৰীব মানুহৰ ওচৰত বিক্ৰী কৰাতো বন্ধ কৰিব বিচাৰিছে, তেনেহলে চৰ চাপৰি জৰীপ কৰি যি সকল ভূমিহীন লোক আছে

আৰু গৰীব লোক আছে তেওঁলোকক মাটিৰ পট্টা দি দিয়ক, তেতিয়া আৰু কোনো দেৱানী মাতব্বৰে গৈ এই লোক সকলক দাবি ধম্‌কি দি উচ্ছেদ কৰি বা বলপূৰ্বক মাটি দখল কৰিব নোৱাৰিব। মুখ্যমন্ত্ৰী মহোদয়ক এইটো আমি আহ্বান জনাম। তাৰ লগে লগে আৰু এটা কথা আমি কব বিচাৰিছো যে চৰ চাপৰিৰ লোক সকল যিহেতু এই খন অসমৰে অংগ, আমাৰ বৃহত্তৰ অসমীয়া জাতিৰ অংগ, চৰ চাপৰিত যিমান স্কুল স্থাপন কৰিছে, চৰৰ মানুহে প্ৰত্যেক খন বিদ্যালয় তেওঁলোকে অসমীয়া মাধ্যমত কৰিছে। কিন্তু উপাধ্যক্ষ মহোদয়, চৰ চাপৰিত যদি তেওঁলোকে কিবা সভা সমিতিৰ মিটিং কৰে তেওঁলোকে যদি মছজিদ, মাদ্ৰাছা, পাঞ্জেকানা, হাফিচিয়া মাদ্ৰাছা, ইদ্‌ গাহ, কবৰ স্থান সমিতি বা সামাজিক যিমান অনুস্থান প্ৰতিস্থান আছে, তেওঁলোকে সেই সমিতি বিলাকক যদি মিটিং আহ্বান কৰা চিঠিখন অসমীয়া ভাষাত লিখে, মিটিং খনৰ proceeding অসমীয়া ভাষাত লিখে, তেওঁলোকৰ আৰাবী নামাজৰ কাৰণে মজিদত যিটো জাননী দিয়ে সেইটো অসমীয় ভাষাত জাননী লিখি দিয়ে বা তেওঁলোকৰ সামজিক সকলো কাম কাজ বিলাক অসমীয়া ভাষাত কৰে অৰ্থাৎ এই চৰ চাপৰিৰ লোক সকল অসমীয়া জাতিৰ এটা অংগ। আমাৰ অসমৰ লোক। অসমীয়াহে অসমীয়া জাতিৰ এটা অংগ। গতিকে আমি চৰকাৰে তেওঁলোকক অসমীয়া জাতিৰ এটা অংগ হিচাপে স্বীকৃতি দি অন্তত তেওঁলোকক কেনেকৈ আমি অসমীয়া জাতিৰ অন্যান্য অংগৰ সমানে তেওঁলোকক আগুৱাই আনিব পাৰিম, অসমীয়া জাতিৰ অন্যান্য অংশৰ লগত সামানুপতিক ভাৱে তেওঁলোকক কেনেকৈ উন্নয়ন কৰিব পাৰিম, এই ক্ষেত্ৰত চৰকাৰে কিছু বাস্তৱ সন্মত পদক্ষেপ লোৱাৰ প্ৰয়োজন আছে। সেই পদক্ষেপ লোৱাৰ কাৰণে চৰকাৰে গঠনমূলক এটা চিন্তা চৰ্চাৰে আগুৱাব লাগিব। সেই গঠনমূলক চিন্তা চৰ্চাৰে আগুৱাব গলে আমাৰ প্ৰস্তাৱত যিটো কথা উল্লেখ কৰিছোঁ যে চৰ চাপৰিত যিহেতু এটা বৃহৎ বা ৩১ লাখ জনসাধৰণে বসবাস কৰে, অসমত বহুত এনেকুৱা জনগোষ্ঠী আছে, যি জনগোষ্ঠীৰ ৩ লাখ, ৪ লাখ, ৫ লাখ, ৬ লাখ জনসংখ্যা আছে, তেওঁলোকৰ নামতো Development Council, Autonomous Council তেওঁলোকৰ নামত দিয়া হৈছে। তাতকৈও চৰ চাপৰিত প্ৰায় ৩১ লাখ লোক আছে। সেই ৩১ লাখৰ ভিতৰত প্ৰায় লাখ আছে ST বা অন্যান্য আৰু প্ৰায় ২৫ লাখ মান আছে সংখ্যলঘু সম্প্ৰদায়ৰ আৰু ৬ লাখ মান এচ টি বা অন্যান্য Committee ৰ মানুহ আছে। গতিকে চৰ চাপৰিৰ এই ৩১ লাখ জনসংখ্যাক উপেক্ষা কৰিব পৰা এটা সংখ্যা নহয়, গতিকে অসম চৰকাৰে এই চৰ চাপৰিৰ কাৰণে এটা সুকীয়া মন্ত্ৰালয়, এজন মন্ত্ৰীক এজন চৰ চাপৰিৰ উন্নয়ন মন্ত্ৰী হিচাপে দায়িত্ব দিব লাগে, এটা মন্ত্ৰালয় কৰিব লাগে আৰু সচিবালয় কৰিব লাগে। চৰ চাপৰিৰ কাৰণে সচিবালয় কৰিব লাগে, সচিব নিযুক্ত কৰিব লাগে, Commissioner Secretary থাকিব লাগে, চৰ চাপৰিৰ কাৰণে কেৱল এটা Directorate আছে, এটা ভাড়া ঘৰত সৰু কোঠাত চলাই আছে, সেইখিনি যথেষ্ট নহয়। আমাৰ দাবী হ'ল এটা separate Secretariat লাগে, এটা separate Ministry লাগে আৰু চৰ চাপৰিৰ লোকৰ কাৰণে separate budget allocation, department হিচাপে এটা separate allocation দিব লাগে। এতিয়া চৰ চাপৰিৰ লোকৰ কাৰণে যিখিনি পইচা দিয়া হয় চৰ চাপৰিৰ কাৰণে কোনো allotment budget ত নাথাকে। কেৱল Minority Welfare ৰ পৰা কিছু টকা নি চৰ চাপৰিৰ কাৰণে ছাতি, চাইকেল, চিলাইমেচিন এইবোৰ দিয়া হয়। কিন্তু ইয়াতে এটা আমাৰ আপত্তি জনক কথা হ'ল যে চৰ চাপৰিত কেৱল Minority মানুহ নাথাকে। কাৰণ Minority Welfare ৰ পৰা যে টকা কাটি নিয়ে বা ৬ লাখ মান তাত অন্যান্য জনগোষ্ঠী কিছু মিচিং জনগোষ্ঠীৰ লোক আছে, নেপালী সম্প্ৰদায়ৰ আছে আৰু ঠায়ে ঠায়ে কিছু দুই চাৰি ঘৰ বড়ো বা অন্যান্য জনগোষ্ঠীৰ লোক আছে। গতিকে Minority

Welfare Department ৰ পৰা পইচা কাটি নি চৰ চাপৰিত development ৰ কাৰণে কাম কৰাতকৈ চৰ চাপৰিৰ কাৰণে এটা separate budget allocation, separate Ministry যদি কৰা হয় তেনেহলে আমি ভাবো এটা গতিশীল উন্নয়নৰ প্ৰক্ৰিয়া নিশ্চয় হ'ব। চৰ চাপৰিৰ কাৰণে চৰ উন্নয়ন যিটো বিভাগ আছে , এই বিভাগৰ জৰিয়তে মাত্ৰ চাইকেল, চিলাই মেচিন, পাৱাৰ টিলাৰ, পাৱাৰ পাম্প আৰু স্প্ৰে-মেচিন, এই কেইটা বস্তুৱে দিয়া হয়। এই কেইটা উন্নয়নৰ কাৰণে প্ৰৰ্য্যাপ্ত নহয়।

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি চমুৱাব।

**শ্ৰীআমিনুল ইছলাম (জ্যেষ্ঠ) ঃ** উপাধ্যক্ষ মহোদয়, চৰ চাপৰিৰ আন্তঃগাঁথনি উন্নয়নৰ কাৰণে তাত যদি প্ৰৰ্য্যাপ্ত ৰাস্তা ঘাট নিৰ্মাণ কৰা নহয়, হাস্পতাল বা কিছুমান তাত প্ৰায় নতুন সুঁতি বোৰ থাকে , বিভিন্ন সুঁতিৰ মাজত চৰ চাপৰি বোৰ দ্বীপৰ নিচিনা আবদ্ধ হৈ থাকে। তাত প্ৰয়োজনীয় দলং বিলাক বনাই দিয়া, কৰবাত foot bridge হওঁক, কৰবাত যদি থেলা, ৰিক্সা, চাইকেল যাব পৰাকে দলং হওক সেইবোৰো বনাব লাগিব। গতিকে চৰ চাপৰিৰ আন্তঃগাথনিৰ উন্নয়ন যদি কৰা নহয়, কেৰল চিলাই মেচিন, স্প্ৰে-মেচিন দিলেই এই লোক সকলৰ উন্নয়ন নহয়। আৰু এটা কথা, চৰ চাপৰিৰ লোক সকলক যেতিয়া আধুনিক উপকৰন, আধুনিক সা-সুবিধা চৰকাৰে দিব আৰু সেই লোক সকলে যেতিয়া আধুনিক উপকৰনৰ জৰিয়তে তেওঁলোকে নিজৰ ল'ৰা-ছোৱালীক শিক্ষিত কৰিব পাৰিব আৰু বৃহত্তৰ অসমীয়া জাতিৰ সমানে তেওঁলোকে নিজকে পৰিচয় দিব পাৰিব, তেতিয়া চৰ চাপৰিৰ লোকৰ প্ৰতি যিটো অনাহক সন্দেহ, এটা অনাহক যিটো তেওঁলোকক ব্লেম দিয়া হয়, এই পৰিৱেশটো অসমৰ পৰা নোহোৱা হ'ব। এই পৰিৱেশ যেতিয়া নোহোৱা হ'ব এই বৃহত্তৰ অসমীয়া জাতিত এই চৰ চাপৰিৰ লোক সকল বিলীন হ'ব পাৰিব। আৰু যেতিয়া চৰ চাপৰিৰ লোক বৃহত্তৰ অসমীয়া জাতিত বিলীন হৈ যাব তেতিয়া কিন্তু এই অনাহক সন্দেহ বা এই বিলাক বিভিন্ন ধৰণৰ অপযশ বিলাক নোহোৱা হ'ব। তেতিয়া অসমৰ সামাজিক বাতাবৰনতো ভাল হ'ব, উন্নত হ'ব। গতিকে উপাধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই পুনৰ বাৰ চৰকাৰক এইটো দাবী জনাইছো যে চৰ চাপৰিৰ লোক সকলক উপকৰণ দিয়াৰ স্বাৰ্থত separate Ministry, separate budget আৰু separate Secretariat চৰকাৰে কৰিবনে নাই সেই কথাটো কওঁক। আৰু এটা কথা, চৰ চাপৰিৰ লোক সকলে কৃষি অৰ্থনীতিৰ জৰিয়তে সমগ্ৰ অসমত কৃষি অৰ্থনীতিৰ প্ৰায় ৬০ শতাংশ অৰিহনা যোগাই আছে। চৰ চাপৰিৰ লোক সকলে যদি আজি বিভিন্ন শাক-পাচলি, কৃষি সামগ্ৰী উৎপন্ন নকৰে আজি এই খন গুৱাহাটীত ২০০ টকা কেজিত বিলাহী মানুহে খাব নোৱাৰিব। বান্ধা কবি, অন্যান্য পাঁচলি, বেঙেনা, জলকীয়া এইবোৰ ৩০০ টকা কেজি। মাননীয় অধ্যক্ষ মহোদয়, অন্যান্য শাক-পাচলি ৪০০ পৰা ৫০০ টকা কেজি হ'ব, যদি চৰ চাপৰিৰ লোক সকলে এই বিলাক উৎপাদন বন্ধ কৰি দিয়ে। গতিকে আজি তেখেত সকলৰ কৃষি ক্ষেত্ৰত যিখিনি অৰিহণা আছে তাৰ কাৰণে কৃষি বিভাগে কিন্তু MSP ৰ ৰেট চৰ চাপৰিৰ লোকে কেতিয়াও নাপায়। যদি চৰ চাপৰিৰ লোকে বিলাহী কেজি স্থানীয় বজাৰত ৫০ পইচা কেজি, ১ টকা কেজি বিক্ৰী কৰে, গুৱাহাটীত আহি ৩০ পৰা ৪০ টকা পায়। মধ্যভোগীয়ে মাজতে ইমান টকা পাই যায়। তেখেত সকলে কৃষিত ইমান অৰিহণা যোগাই আছে, তাৰো কিন্তু সমৰ্থনটো পোৱা নাই। সকলো বিভাগে চৰ এলেকাৰ বাবে দৃষ্টি দিব বুলি আশা ৰাখিছো। পুনৰবাৰ মই চৰ উন্নয়ন সঞ্চালকালয় আৰু চৰ উন্নয়ন মন্ত্ৰণালয় সচিবালয় স্থাপন কৰি বৃহত্তৰ স্বাৰ্থত জড়িত কৰিবলৈ দাবী জনাই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধীৰ তৰফৰ পৰা যি সুকীয়া চৰ এলেকাৰ বাবে সচিবালয় লাগে, এই সন্দৰ্ভত প্ৰস্তাৱ আগবঢ়াইছো। এই প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছো। মই শদিয়াত ১৯৯৪ ত ফুটবল খেলিবলৈ ব্ৰহ্মপুত্ৰ পাৰ হৈ যোৱাত চৰ সমূহ দেখা পাইছিলো। আমাৰ NGO আছিল, ১৯৯৮ ৰ পৰা মাজুলিলৈ বানপানী সাহায্য ৰ কাৰণে আহতগুৰিৰ পৰা চৰ অঞ্চলসমূহ পৰিদৰ্শন কৰাৰ সৌভাগ্য হৈছিল। এবাৰ মোৰ চিনাকী বন্ধুৰ এজনৰ যোগেদি ডিব্ৰুগড়ৰ ভিতৰৰ মাজৰ চৰলৈ গৈছিলো তাতে যোৱাৰ সৌভাগ্য হৈছিল। মই ভাবিছিলো, চৰ অঞ্চল বিলাকত মিচিং, দেউৰী, বড়ো লোক সকল থাকে, কিন্তু সপোনতো ভবা নাছিলো চাহ জনগোষ্ঠী আদিবাসী লোক সকলো চৰত আছে। নামনি অসমৰ ধুবুৰী লৈকে বিভিন্ন কাৰণত বাঘবৰ, জলেশ্বৰ আদিত যাবৰ সৌভাগ্য হৈছে। বিগত ভালে কেইটামান বৰ্ষৰ পৰা অসম চৰকাৰৰ সুকীয়াকৈ Directorate of Minority Development Affairs বুলি এটা বিভাগ আছে, এই বিভাগৰ লগতে Directorate of Char বুলি বিভাগ এটা আছে। তেখেত সকলে সুন্দৰ কাম কৰি গৈ আছে। আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত বৰ্তমান চৰকাৰখনেও আজি বহুখিনি কাম কৰিবলৈ লৈছে। আজি যদি আমি চাও শদিয়াৰ পৰা ধুবুৰীলৈকে যি বিলাক খিলঞ্জীয়ামূলৰ লোক বা যি বিলাক আমাৰ ভূমিপুত্ৰ তেওঁলোকে এনেকুৱা দাবী কেতিয়াও কৰা নাই। আজিৰ তাৰিখত যিখিনি ব্যৱস্থা থাকিব লাগে বৃহত্তৰ চৰ অঞ্চলৰ লোক সকলৰ বাবে। আজি বিদ্যালয়, স্বাস্থ্য বিভাগৰ ফালৰ পৰা সুবিধা, বিদ্যুৎ পৰা সুবিধা, কৃষি বিভাগৰ, যোগেদি তাত বিভিন্ন শস্য যোগান ধৰাৰ পৰা আদি কৰি সকলোখিনি ইয়াত থকা দেখা পাই আহিছো। চৰ অঞ্চলৰ কথা মনলৈ আহিলে এটা কথা মনত পৰে চুৰি, ডকাইতি কৰি চৰ অঞ্চলত গৈ লুকাই থাকে। উজনি অসমৰ ফালে আমি ইমান দেখা নাই বা শুনাও নাই। নামনি অসমত এইটোৰ যিটো ভয়াবহ ৰূপ লৈছে, এই যিটো সুযোগ লৈছে, সন্দেহ যুক্ত নাগৰিক ভয়াৱহ পৰিস্থিতি অসমৰ বাবে আহি পৰিছে। এইটো কিন্তু চিন্তা কৰিবলগীয়া বিষয়। এইটো জৰীপ হ'ব লাগে আৰু আমি প্ৰস্তাৱ এটা ল'ব লাগে যে চুৰ, ডকাইতৰ সৈতে লিংক থকা পৰিয়ালৰ সন্ধান উলিয়াব লাগে। আজি মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমাৰ বিশ্ববিদ্যালয় সমূহ বাঢ়িবলৈ লৈছে, আমাৰ যি সমূহ মেডিকেল কলেজ আছে আৰু বঢ়াব লাগিব। চৰৰ কাৰণে যদি মন্ত্ৰাণালয় খুলিবলগীয়া হয়, তাত আকৌ খিলঞ্জীয়া লোক সকলৰ দাবী নাই। আমাৰ ব্ৰহ্মপুত্ৰৰ ওপৰত অতিৰিক্ত দলং প্ৰয়োজন, চাহ বাগান অঞ্চল সমূহত বিদ্যালয়ৰ প্ৰয়োজন যি আমাৰ চৰকাৰে ১০০ খন বনালে আকৌ ১০০ খন নতুন পৰিকল্পনা আমি কৰিছো, নিবনুৱা সমস্যা কমাব লাগে । আমাৰ এই বিলাকৰ প্ৰয়োজন। আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে উদ্যোগ লৈছে। নামনি অসমখন যদি ভালধৰণে চাই বেছি বানপানী হোৱাত অন্যতম কাৰণ হ'ল চৰ অঞ্চলত বসবাস কৰা লোকসকল যেন মোৰ অনুভৱ হয়। এই কাৰণে কৈছো যে, ব্ৰহ্মপুত্ৰৰ পানী আহি আছে তাতে যদি ভেটা মাৰি দিয়ে তেতিয়া হৈ নদীয়ে গতি পথটো সলনি কৰে। সেই কাৰণে চাইট বিলাক ভাঙি ভাঙি গৈ পেলাই ব্ৰহ্মপুত্ৰ বহল হৈ গৈ আছে। সেই কাৰণে এই বিলাক ক্ষেত্ৰত এটা অধ্যায়ণৰ খুবেই দৰকাৰ। আমাৰ যেতিয়া পালছাৰ মটৰ চাইকেল উজনী অসমত চুৰ হয়, আমি পুলিচক সোধা যায় যে চুৰ কেনেকৈ কৰিলে। চুৰ এটাক মাতি দিছো আপুনি নিজে প্ৰশ্ন কৰক। চুৰটোক সুধিলে কয় এইটো নাওঁ ভুটভূটিৰ কাৰণে পালছাৰ বাইক চোৰ হোৱাৰ উজনী অসমত চুৰ হোৱা অন্যতম কাৰণ। ভুটভুটি বিলাক ক'ত চলে নামনি অসমত চলে। সেই কাৰণে মাননীয় উপাধ্যক্ষ মহোদয় বহুত চিন্তা কৰিবলগীয়া আছে। মই মাননীয় উপাধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী

মহোদয়ক অনুৰোধ জনাম সদনক এই বিষয়টো প্ৰশ্ন নুঠে। অসমৰ বহুত বিষয় চিন্তা কৰিবলগীয়া আছে। অসম নাগালেণ্ড সীমা সমস্যা সমাধানৰ প্ৰসংগ আছে। অসম মেঘালয় সমাধানৰ পথত। অসম অৰুণাচল সমাধান হ'বলৈ গৈ আছে। এই যিটো বিষয় আলোচনাৰ বিষয় নহয় বুলি বিৰোধীয়ে যি প্ৰস্তাৱ আনিছে, এইটো মই বিৰোধীতা কৰি পেলাই মই মোৰ বক্তব্যৰ সাঁমৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী জাকিৰ হুছেইন সিকদাৰ।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসম বিধাৰ মাননীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়াৰ লগতে আমিনুল ইছলাম আৰু ৰফিকুল ইছলাম ডাঙৰীয়াই যি সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছে তাৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাই দুষাৰ কবলৈ আৰু চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰাৰ বাবে আৰু সুযোগ দিয়া বাবে আপোনাক ধন্যবাদ জনাইছো। অলপ আগতে মাননীয় সদস্য ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই সংকল্প প্ৰস্তাৱৰ বিষয়বস্তুৰ ওপৰত বক্তব্য দিবলৈ গৈ তেখেতে যিখিনি বক্তব্য দিলে সেই বক্তব্যখিনি শুনাৰ পিছত উপাধ্যক্ষ মহোদয়, এটা কথা মনলৈ আহিছে, আমি সকলোৰে জানো অসমখন ভ্ৰাম্যমান জগতৰ কাৰণে আমাৰ এটা সুনাম আছে আৰু ভ্ৰাম্যমানক আমি সকলোৰে ভাল পাওঁ। সেই ভ্ৰাম্যমান থিয়েটাৰৰ জৰিয়তে নাটক নেদেখা মানুহ হয়টো অসমত এজনো নাই। যেতিয়া থিয়েটাৰ সমূহত ২,৩,৪, খনকৈ নাটক থাকে, অভিনেতা- অভিনেত্ৰী একে থাকে। প্ৰথমদিনাৰ নাটকত যদি কোনোবা অভিনেতা বা অভিনেত্ৰীয়ে ৰজাৰ অভিনয় কৰে, পিছৰ নাটকখনত আকৌ কোনেবাই চোৰৰো অভিনয় কৰে, ডকাইতৰো অভিনয় কৰে। গতিকে ৰূপজ্যোতি ডাঙৰীয়া, তেখেতক মই জ্যেষ্ঠ ভাতৃ হিচাপে সন্মান কৰো বা বিধান সভাত প্ৰথম আহি বহুত কথা তেখেতৰ পৰা শিকিব পাৰিছিলো। তেখেতে যেতিয়া ইয়াত আছিল আমি যেতিয়া যোৰাবাৰ একেলগে বহিছিলো কথা-বতৰা পাতিছিলো , আৰু এই যে তেখেতে চৰত যোৱাৰ সৌভাগ্যৰ কথা কৈছে, আলহী হিচাপে বিভিন্ন চৰত গৈছে। সেই সময়খিনিত আলহী হিচাপে বিভিন্ন চৰত গৈ তেখেতৰ যিখিনি বক্তব্য সেই কথাবিলাকো দুই এটা আমাৰ মনত আছে। কিন্তু আজি তেখেতে চৰ সম্পৰ্কে, চৰৰ মানুহৰ সম্পৰ্কে এইখিনিত তেখেতক মই বেয়া পোৱা নাই । তেখেতে চোলাটো সলনি কৰিছে। ক'ৰবাত ৰজাৰ চোলা পিন্ধিছিল এতিয়া ক'ৰবাত চোৰ, ডকাইতৰ চোলা পিন্ধিব লগা হৈছে।

**মাননীয় উপাধ্যক্ষ ঃ** প্লিজ, আপুনি আপোনাৰ বক্তব্য ৰাখক। ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই তেখেতৰ বক্তব্য দিলে এতিয়া আপোনাৰখিনি দিয়ক।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** আমি নিয়ম ভঙ্গ নকৰো । ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই যিখিনি বক্তব্য দিলে, সেই বক্তব্যখিনি মই তীব্ৰ বিৰোধিতা কৰিছো আৰু আশা কৰিছো এইখন অসমৰ শান্তিৰ বাবে আৰু মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ ভিতৰত অসমক এখন কৰাৰ যিটো সপোন দেখিছে, বা বিধান সভাত বাৰে বাৰে বা বিধান সভাৰ বাহিৰত তেখেতে কথাখিনি কৈ আছে, ভাৰতবৰ্ষৰ শ্ৰেষ্ঠ ৫ খন ৰাজ্যৰ এখন ৰাজ্য কৰিবলৈ মাননীয় ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াৰো ভূমিকা লাগিব, আৰু জাকিৰ হুছেইন সিকদাৰৰো লাগিব, আৰু সকলোৰে লাগিব। তেখেতে যদি এনেকুৱা নিগেটিভ চৰিত্ৰৰ ভূমিকা পালন কৰে অসম কেতিয়াও আগুৱাই নাযায়। সকলো জাতি জনগোষ্ঠী মিলি অসমখন আগুৱাই যাব লাগিব। উপাধ্যক্ষ ডাঙৰীয়া ইতিমধ্যে আমিনুল ইছলাম ডাঙৰীয়াই তেখেতৰ বক্তব্যত চৰৰ জনসংখ্যাৰ, চৰ সম্পৰ্কে গোটেই কথাখিনি কৈছে। মই সেইখিনি আৰু পুনৰাবৃত্তি কৰিব নিবিচাৰো। চলিত বিধান সভাত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এযাৰ কথা কৈছিল, যে জনসংখ্যা যদি আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰো, অসমলৈ

ভৱিষ্যতে ভাবুকি আহিব। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সেই বক্তব্যৰ প্ৰতি সহাৰি জনাই একমত পোষণ কৰি আহি থকা সময়ত সেই জনসংখ্যা নিয়ন্ত্ৰণ কৰিবলৈ এই ৰাজ্য চৰকাৰখনে, বিভাগে কি ধৰণে ব্যৱস্থা ল'ব লাগিব, সেই বিষয়েও চৰকাৰে পদক্ষেপ ল'ব লাগিব। মই চৰ-চাপৰিৰ বিষয়ে সৰুৰ পৰাই দেখি আহিছো, জানি আহিছো, মাননীয় বিধায়ক ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কোৱাৰ দৰে বিভিন্ন আঁচনি তাত লৈছে। গোটেই অসমৰ কাৰণে যিখিনি আঁচনি লোৱা হয়, চৰ চাপৰিৰ কাৰণেও প্ৰযোজ্য হয়, কিন্তু এটা কথা স্বীকাৰ কৰিব লাগিব, উপাধ্যক্ষ ডাঙৰীয়া, যে চৰ চাপৰিৰ ক্ষেত্ৰত অসমৰ বিভিন্ন আঁচনিয়ে যিমানখিনি উপকৃত কৰে যেতিয়া বিভিন্ন আঁচনি চৰ চাপৰিলৈ যায়, বেলেগ চৰ চাপৰিৰ বাদে অসমৰ বেলেগ ঠাইত যিমান যায়, তাতকৈ চৰ চাপৰিত বহুত কম প্ৰভাৱ পৰে। এই কথা বিভাগীয় মন্ত্ৰী ডাঙৰীয়াই কিন্তু স্বীকাৰ কৰিব লাগিব। এই গোটেই কথাখিনি এই কাৰণে হৈছে যে এটা অঞ্চল যদি আগুৱাই যাব লগা হয়, বিভিন্ন ক্ষেত্ৰত তাত যাতায়ত ব্যৱস্থা উন্নত কৰাৰ প্ৰয়োজন। চৰ চাপৰিত যাতায়ত ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত ৰাস্তা-ঘাট দলং এই সমূহ কৰাৰ ক্ষেত্ৰত একে সাধাৰণ অঞ্চলৰ লগত তুলনা কৰিলে যাতায়ত ব্যৱস্থা উন্নত কৰাৰ বাবে বিভাগে যিধৰণে পদক্ষেপ ল'ব লাগে, মই নাই লোৱা বুলি কোৱা নাই লৈছে, সেই পদক্ষেপেই সেই চৰ অঞ্চলত যাতায়ত ব্যৱস্থা উন্নত কৰিব নোৱাৰে। ভূটভূটীৰে যাতায়ত কৰা, য'ত ৰাস্তা-ঘাট নাই দলং নাই তাতে যদি ভূটভূটী, নাও চলে তাৰ কাৰণে যদি কোনোবাই বেয়া পায় সেই সকলৰ প্ৰতি আহ্বান জনাম যে তেখেত সকলে চৰ অঞ্চলৰ দলংৰ ব্যৱস্থা কৰাৰ কাৰণে ৰাস্তা-ঘাট ভাল কৰাৰ কাৰণে তেখেত সকলেও দাবী উত্থাপন কৰিব লাগে তেতিয়া ভূটভূটী নাও বন্ধ হৈ যাব। গতিকে চৰ অঞ্চলৰ প্ৰায় ৩১ লাখ জনসংখ্যাৰ জীৱন যাপনৰ যিটো শৈলী সেইটো উন্নত কৰাৰ কাৰণে অসমৰ অন্যপ্ৰান্তৰ লগত একেলগে ফেৰ মাৰি সেই মানুহখিনিক বা একেলগে সমব্যৱস্থাৰে সেই মানু হখিনিক আগুৱাই লৈ যোৱাৰ কাৰণে চৰ অঞ্চলৰ ক্ষেত্ৰত প্ৰশাসনিক যিটো ব্যৱস্থা সেই ব্যৱস্থাৰ কিছু পৰিবৰ্তন কৰিব লাগিব। আজি মাইনৰিটি বিভাগৰ জৰিয়তে চৰ অঞ্চলৰ কাৰণে বিভিন্ন আঁচনি লোৱা হয়, মই ভাবো সেই আঁচনি খিনি পৰ্য্যাপ্ত নহয়। আৰু মই মাত্ৰ এটা উদাহৰণ দিব বিচাৰিছো. আমি বৰপেটা জিলাৰ পৰা প্ৰতিনিধিত্ব কৰো, বৰপেটা জিলাত চেঙা বিধান সভা সমষ্টি, বাঘবৰ বিধান সভা সমষ্টি, জনীয়া বিধান সভা সমষ্টিত চৰ অঞ্চল আছে। ব্ৰহ্মপুত্ৰ নদী বৰপেটা জিলাখনৰ মাজেৰে বৈ গৈছে। তাতে বৰপেটা জিলাৰ একাংশ অঞ্চল ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰে আছে। সেই দক্ষিণ পাৰে থকা বৰপেটা জিলাৰ সেই মানুহখিনিয়ে বিভিন্ন সা-সুবিধা বা স্বাস্থ্যৰ ক্ষেত্ৰতে হওঁক, শিক্ষাৰ ক্ষেত্ৰতেই হওঁক বা বেলেগ বেলেগ বিষয়ৰ ক্ষেত্ৰত যেতিয়া সুবিধা লাভ কৰিব লাগে বৰপেটা জিলাৰ ব্ৰহ্মপুত্ৰ নদীৰ উত্তৰ পাৰৰ মানুহখিনিতকৈ তেওঁলোকে কিছু সুবিধা কমকৈ লাভ কৰে, নাইবা তেওঁলোকে অফিচিয়েলভাৱে যিখিনি যোগাযোগ কৰিব লাগে, যোগাযোগ কৰাৰ ক্ষেত্ৰটো যথেষ্ট অসুবিধাৰ সন্মুখীন হয়। মাইনৰিটি বিভাগত যেতিয়া কেইবাটাও বিভাগ চৰ ডেভেলপমেন্টৰ পৰা আৰম্ভ কৰি মাইনৰিটি বিভাগ গোটেইখিনি চোৱাচিতা কৰে। নিশ্চিতভাৱে তাত যিমান বিষয়া কৰ্মচাৰী থাকিব লাগে, যিমান মেনপাৱাৰ নাই, বিষয়া কৰ্মচাৰী নাই যাৰ কাৰণে চৰ অঞ্চলৰ কথা ভাবিবলৈ চৰ অঞ্চলৰ বিভিন্ন আঁচনি নিশ্চিতভাৱে তাত গৈ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হয়, আৰু ইয়াক লৈ আমি ভাবো কোনো ৰাজনীতি কৰিব নালাগে। চৰ অঞ্চলত যদি আজি প্ৰসূতিৰ মৃত্যুৰ হাৰ আপুনি কয়, যদি শিক্ষাৰ হাৰ আপুনি কয়, বিভিন্ন শিক্ষানুষ্ঠানৰ কথা আপুনি কয়, বা সেই অঞ্চলত শিক্ষানুষ্ঠান, স্বাস্থ্য খণ্ড বা বিভিন্ন খণ্ডত, বিভিন্ন চাকৰি বাকৰিৰ ক্ষেত্ৰত যিখিনি আমাৰ সন্মানীয় ব্যক্তি সকল আছে, বিষয়া

সকল আছে, তেওঁলোকক যদি সেই অঞ্চলত পোষ্টিং দিয়ে, বেছিভাগেই আপত্তি জনায় আৰু যাব নিবিচাৰে। গতিকে এই কথাবিলাক একেবাৰে ওচৰৰ পৰা চৰত থাকি ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া আলহী হৈ নহয়, চৰত থাকি চৰৰ মানুহৰ কাষত থাকি সেই মানুহখিনিক ওচৰৰ পৰা সু-শাসন দিয়াৰ কাৰণে সেই মানুহখিনিৰ জীৱন যাপন কেনেকৈ আমি উন্নীত কৰিব পাৰো, কেনেকৈ অসমৰ বা ভাৰতবৰ্ষৰ অন্য প্ৰান্তৰ মানুহৰ লগত সমানে সমানে সেই মানুহখিনিক সুবিধা প্ৰদান কৰিব পাৰো তাৰ কাৰণে অসম চৰকাৰক অনুৰোধ জনাইছো। হাফিজ বছিৰ আহমেদ ডাঙৰীয়া আৰু তেওঁৰ লগৰ সন্মানীয় দুজন সদস্যই চৰ উন্নয়ন বিভাগক সুকীয়া মন্ত্ৰনালয় বা সচিবালয় স্থাপন কৰাৰ যি প্ৰস্তাৱ দিছে সেইটো অতিকৈ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ আৰু চৰকাৰে তাক গৃহীত কৰিব লাগে । গতিকে উপাধ্যক্ষ ডাঙৰীয়া, মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ ওপৰতো বিশ্বাস আছে, তেখেত নামনি অসমৰ পৰাই প্ৰতিনিধিত্ব কৰিছে গতিকে তেওঁ চৰৰ পৰা বহুত দূৰত নাই । আমি যি সকলে চৰত যোৱা নাই আৰু চৰৰ কথা বিলাক ইকান সিকানকৈ শুনি থাকো সেই সকলৰ চৰৰ বিষয়ে সম্যক জ্ঞান নাই । চৰত গৈ যেতিয়ালৈকে গোটেই পৰিস্থিতি অধ্যয়ন নকৰে বা নিজ চকুৰে নেদেখে, যেতিয়ালৈকে চৰৰ মানুহৰ লগত আন্তৰিকতাৰে কথা নাপাতে, তেতিয়ালৈকে চৰৰ মানুহৰ সমস্যা, তেওঁলোকৰ মনৰ ভিতৰৰ কান্দোন কেতিয়াও উপলব্ধি কৰিব নোৱাৰিব । উপাধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে অতি সোনকালে সেই সকল লোক চৰ অঞ্চলত পৰিদৰ্শন কৰিব লাগে । এতিয়াও চৰ সম্পৰ্কে যি সকলৰ ভুল ধাৰণা আছে, যি সকলে এতিয়াও চৰত সন্দেহ জনক মানুহ থকা বুলি ক'ব খোজে, যি সকলে এতিয়াও ক'ব খোজে চোৰ ডকাইতৰ আড্ডাৰ ঘাটি হ'ল চৰ সেই সকল লোকক লৈ চৰ অঞ্চলত পৰিদৰ্শন কৰিব লাগে । তাৰ বাবে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক প্ৰস্তাৱ আগবঢ়াইছো । গতিকে আহি থকা দিনত মাননয়ী মুখ্যমন্ত্ৰীৰ সপোনৰ পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ এখন অসম কৰিবলৈ অসমত জনসংখ্যা নিয়ন্ত্ৰন কৰিবলৈ, এশ শতাংশ মানুহক শিক্ষিত কৰিবলৈ নিশ্চিত ভাবে চৰ অঞ্চলত সুকীয়া মন্ত্ৰনালয় গঠন কৰাৰ আৱশ্যক । এই খিনি চৰকাৰে কৰিব বুলি আশা ৰাখি আৰু মোক এই খিনি কবলৈ দিয়াৰ বাবে ধন্যবাদ জনাই মই মোৰ বক্তব্য সামৰণি মাৰিছো ।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া গণেশ কুমাৰ লিম্বু।

**শ্ৰী গণেশ কুমাৰ লিম্বু, (বৰছলা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই বিৰোধী পক্ষই সদনত যি প্ৰস্তাৱ আনিছে তাৰ বিৰুদ্ধে ক'ব বিচাৰিছো যে মই চৰ অঞ্চলৰ বিষয়ে যিমান কথা শুনিছো কিন্তু আজি পৱিত্ৰ সদনত মই জনাব বিচাৰো যে মোৰ চকুৰে যি দেখিছো সেইটো সম্পূৰ্ণ বিপৰীত। এটা সময়ত ধিংলৈকে বৰছলা সমষ্টিটো বিস্তাৰ হৈ আছিলে আৰু আজি যদি আমি কঁও ব্ৰহ্মপুত্ৰৰ গৰাখহীয়াৰ বাবে মানুহ বিলাক চৰ অঞ্চলত আছে কিন্তু বাস্তৱত তাত গোৰ্খা মানুহ আছিলে , বড়ো মানুহ আছিলে, যি সকলৰ ঘৰ মাটিবাৰী ব্ৰহ্মপুত্ৰই লৈ গৈছিল । কিন্তু আজি সেই সকল মানুহ তাত নাই । আজি তাত যি ২০, ২৫ কিলোমিটাৰৰ চৰ অঞ্চল আছে তাত বেলেগ মানুহ বহি আছে গতিকে মই ক'ব বিচাৰো যে ব্ৰহ্মপুত্ৰই প্ৰতিবছৰে নতুন নতুন চৰ অঞ্চল বনাই থাকে আৰু সেই অঞ্চল বিলাক দখল কৰাৰ কাৰণে সংগঠিত ভাবে পৰিকল্পনাৰে দখল কৰাৰ কাৰণে বাহিৰত থাকি মাতব্বৰ শ্ৰেণীৰ এচাম মানুহে কিছুমান মানুহক লৈ তিনি চাৰি খন গাঁও বনাই দিয়ে, যাৰ ফলত চৰ অঞ্চলত কাজিয়া, পুলিচ কেচ আদি হৈয়ে থাকে । গতিকে আমি যদি চৰ অঞ্চলৰ উন্নয়ন বিচাৰো, তেতিয়াহ'লে এই বিলাক অঞ্চলত পি ডব্লিউ ডি (ৰ'ডচ), ইলেকট্ৰিফিকেশ্যন আদিৰ ব্যৱস্থা কি দৰে কৰিব পৰা যাব । এই বিলাক কথা কিছুমান মানুহে জানিব নিবিচাৰে ।

পইচাৰ বিনিময়ত তাত কিছুমান নতুন মানুহ যেনে তেনে সংস্থাপন কৰে । এইচাম মানুহে বাহিৰৰ পৰা চৰ অঞ্চল বা বনাঞ্চলত এই শ্ৰেণীৰ মানুহক বসতি বিস্তাৰ কৰিবলৈ সহায় কৰে । অলপতে মোৰ আঞ্চলিক পঞ্চায়তত পুলিচে এজন মানুহ এৰেষ্ট কৰিছিল যিজন মানুহে এনেদৰে গাঁও পাতি বহাৰ বিৰোধীতা কৰিছিল । পিছত বাহিৰৰ মানুহে পুলিচ লগাই তেওঁক এৰেষ্ট কৰিছিল । যেতিয়া চৰজমিন তদন্ত কৰা গ'ল তেতিয়া দেখা গ'ল যে তেতিয়া মানুহ জনে জনালে যে আমি নিজে তাত খেতি কৰিম বাহিৰৰ পৰা মানুহ আনি তাত খেতি কৰিব নালাগে । আজি চৰৰ যিটো পৰিকল্পনা কোৰা হয় বা যিটো মানচিত্ৰ দিয়া হয়, মই ভাবো আচলতে তেওঁলোকে সেই অঞ্চলৰ মানুহৰ উন্নয়ন নিবিচাৰে । সেই অঞ্চলৰ উন্নয়ন বিচৰা হ'লে এই বিশেষ অঞ্চল সমূহত বাহিৰৰ পৰা মানুহ আনি নবহালে হেঁতেন । উপাধ্যক্ষ মহোদয়, মই দেখিবলৈ পাইছো তেওঁলোকে প্ৰি-প্ৰাইমাৰী স্কুলত নগৈ পঞ্চাচতকৈ অধিক শিশু এটা হোষ্টেলৰ নিচিনা বনাই য'ত খোৱা লোৱাৰ সুবিধা নাই , থকাৰ সুবিধা নাই। আজিৰ যুগত কোনোবা অভিভাৱকে শিশু বিলাকক এনেকুৱাকৈ পঠাই দিয়ে তেতিয়াহ'লে এই শিশু সকলে বৰ্তমান যুগৰ লগত কিদৰে ফেৰ মাৰিব পাৰিব । মই অনুভৱ কৰো যে এচাম মানুহে খুব পৰিকল্পনাৰে এই সকল মানুহক তাত বহুওৱাৰ পোষকতা কৰে ।

মই ক'ব বিচাৰো যে ১৯৭৮ চনত খোচমাৰা আৰি চাপৰিত ২১.৫৫ বৰ্গ কিলোমিটাৰ বনাঞ্চল আছিলে। বৰ্তমান সেই বনাঞ্চলৰ এশ শতাংশই নোহোৱা হৈ গৈছে। ১৯৯৩ চনত খোচমাৰা চাপৰিত বন বিষয়া সকলক আক্ৰমন কৰা হৈছিল। তেওঁলোকৰ পৰা ন টা ৰাইফল আৰু এটা ষ্টেণ্ডগান চোৰ কৰি লৈ গৈছিল তাৰ পিছত এজন হাবিলদাৰ আৰু এজন কনিষ্ঠবলক হত্যা কৰা হ'ল । ১৯৯৯ চনত কোচমাৰাত অফিচটো জ্বলাই দিয়া হ'ল । এনেস্থলত কোনো বিট অফিচাৰে তাত গৈ পেট্ৰলিং কৰাটো অসুবিধা জনক কথা কাৰণ তেওঁলোক ক্ৰিমিনেল টাইপৰ মানুহ, তেওঁলোকৰ ওচৰত চোকা অস্ত্ৰ থাকে। গতিকে প্ৰশাসনে তেওঁলোকক নিয়ন্ত্ৰন কৰিব নোৱাৰে । সেইবাবে এই অঞ্চল সমূহত লাহে লাহে এই শ্ৰেণীৰ মানুহ বিলাক বহি গৈছে। এই মানুহখিনিকলৈয়ে আজি মাননীয় বিধায়ক মহোদয়ে বিষয়টো সদনত উপস্থাপন কৰিছে । মই ভাবো তাত যি মাতব্বৰী ব্যৱস্থা আছে সেইটোৱে তেওঁলোকৰ চৰকাৰ । যিহেতুকে বাহিৰৰ মানুহে তেওঁলোকক বহাইছে গতিকে পুলিচ প্ৰশাসনৰ কথা নাই। কেতিয়াবা কেতিয়াবা আমাৰ ওচৰত আহি পায়। তাত ইমান বেয়া কাম হয়। ক্ৰিমিনেল মানুহৰ কাৰণে এইটো চেফ হেভেন। তাত আগত যিমান গড় হত্যা হৈছিল, যিমান ট্ৰেফিকিং হৈছিল, এই মানুহবিলাক গৈ যদি থাকিব লাগে তেনেহ'লে এই অঞ্চলত গৈ মানুহ থাকিছিল। মই আমাৰ চৰকাৰক অনুৰোধ কৰো যে অতি শীঘ্ৰে তাত জৰীপ কৰিব লাগে। এতিয়া ওৰাঙক দ্বিতীয় বাৰৰ বাবে extention কৰা হৈছে। Extention কৰাৰ লগে লগে আগৰ পৰাই ফৰেষ্ট আছিল, সেই সকলো অঞ্চল ফৰেষ্টত আহি যায়। এই ফৰেষ্ট অঞ্চল বিলাকত যিমান মানুহ আছে সেই মানুহবিলাকৰ ৫ শতাংশ মানুহেই কিন্তু মোৰ সমষ্টিৰ ভোটাৰ হয়। ৯৫ শতাংশ মানুহ যিবোৰ তাত বহি আছে তেওঁলোক মোৰ সমষ্টিৰ ভোটৰ নহয়। সেইকাৰণে সেই অঞ্চলসমূহ যিহেতু ফৰেষ্টত পৰে, ফৰেষ্টত তেওঁলোক বহি আছে সেইকাৰণে মই চৰকাৰক অনুৰোধ জনাওঁ যে অতি শীঘ্ৰে উচ্ছেদ কৰি তেওঁলোকক ভাল ঠাইত যেনে যি ঠাইত তেওঁলোক আছিল, যি ঠাইৰ পৰা তেওঁলোক আহিছে তাত বহাৰ ব্যৱস্থা কৰিহে তেওঁলোকক আমি উচ্ছেদ কৰিব লাগে। তেওঁলোকে যাতে আমাৰ সকলোৰে দৰে শিক্ষা, অৰ্থনীতি আদি সকলো ক্ষেত্ৰতে যাব পাৰে। যি অঞ্চলত তেওঁলোক আজি বহিছে সেই অঞ্চল এনেকুৱা হয় যে আজি আছে কালি নাই। তাত যদি পৰিকল্পনা কৰি আমি মেডিকেল দিবলৈ যাওঁ, কোনোবাই যদি ৰাস্তা বনাব বিচাৰো

সেইটো কল্পনাৰ বাহিৰত। মই কিছুদিন আগতে চ'লাৰ দিছো। চ'লাৰ ঘৰ হিচাপে নহয় ইনডিভিজিৱেলী দিয়া হৈছে। ইমান বেছি চ'লাৰ আহিছে যে মই বিচাৰি হাউচ হোল্ড হিচাপে নহয় ভোটাৰ হিচাপে দিছো। মানুহ বহুত আছে কিন্তু ভোটাৰ কম আছে। সেইকাৰণে বিষয়টো খুবেই গুৰুত্বপূৰ্ণ। মই ভাবো আমাৰ চৰকাৰে চিন্তা-চৰ্চা কৰি যিহেতু তেওঁলোক তাত টেম্পৰাৰি খেতি-বাতি কৰিবৰ কাৰণে আহে আৰু টেম্পৰাৰি খেতি-বাতি কৰি কৰি এচাম মানুহে তেওঁলোকে তাত বহাই দিয়ে। পিছত তেওঁলোকৰ অৱস্থা এনেকুৱা হয় যে য'ৰ পৰা আহিছে তাতো যাব নোৱাৰে। মই দেখিছো বাৰিষাৰ সময়ত তেওঁলোক সকলো নিজৰ নিজৰ ঠাইলৈ গুছি যায়। যেতিয়া বাৰিষা নাথাকে তেতিয়া আকৌ আগৰ ঠাইলৈ আহি যায়। মোৰ যিটো অভিজ্ঞতা, মই যিটো ফিল্ডত দেখিছো সেইটো মই পবিত্ৰ সদনত অৱগত কৰাইছো। মই আশা কৰো এই বিষয়টো গুৰুত্ব সহকাৰে বিবেচনা কৰি চৰকাৰে সেই মানুহখিনি তাৰ পৰা সংস্থাপন হে কৰিব লাগে যাতে তেওঁলোকৰ জীৱনৰ মানদণ্ড ভাল হয়, তেওঁলোকেও যাতে শিক্ষা পায়, তেওঁলোকেও যাতে সকলোৰে লগত সমানে আগবাঢ়ি যাব পাৰে, এইখিনি কৈ মোৰ ক'বলগীয়াখিনি সমাপ্ত কৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য আব্দুল ৰছিদ মণ্ডল। তেখেত অনুপস্থিত। এতিয়া মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন(চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই ৰিজ'লিউশ্যনৰ সপক্ষে কিছু কথা দাঙি ধৰিব বিচাৰিছো। ইয়াত চৰ অঞ্চলৰ কাৰণে বিভাগৰ সুকীয়া মন্ত্ৰালয় আৰু সচিবালয় স্থাপনৰ যি প্ৰস্তাৱ সেই প্ৰস্তাৱত আমি যদি চাওঁ চৰ অঞ্চল উন্নয়ণ কতৃপক্ষ ১৯৮৪ চনত গঠন হৈছিল আৰু ১৯৯৬ চনত চৰ এলেকা উন্নয়ন কতৃপক্ষই অসম চৰকাৰৰ সংখ্যালঘু উন্নয়ণ আৰু কল্যাণ বিভাগৰ অধীনত চৰ এলেকা উন্নয়ন সঞ্চালকালয় হিচাপে ঘোষণা কৰা হৈছিল বা সেই হিচাপে চলিছিল। কিন্তু অতি দুখ আৰু পৰিতাপৰ বিষয় যে এই সঞ্চালকালয়তো কেৱল ছাত্ৰ-ছাত্ৰীক চিলাই মেছিন আৰু চাইকেল দিয়া এটা বিভাগহে হৈ থাকিল। যদি এওঁলোকৰ এক্টিভিটি লক্ষ্য কৰা যায় দেখা যাব যে ২০০৩ চনত Socio Economic Survey যিটো কৰিছিল সেইটো এটা ভাল কাম আছিল। তাৰপিছত তেনেকুৱা কোনো চকুত লগা ধৰণৰ কাম এই বিভাগত হোৱা নাই। বহুত দুখ আৰু পৰিতাপৰ বিষয় এইয়া যে চৰ অঞ্চলত আঁচলতে কিমান মানুহ বসবাস কৰি আছে, কিমান মাটি কালি আৰু কিমান মানুহে শিক্ষা-দীক্ষাৰ পোহৰ পাইছে, কিমান শিক্ষানুষ্ঠান আছে, কিমান স্বাস্থ্য অনুষ্ঠান আছে, কিমান কৃষি উপযোগী মাটি আছে ইত্যাদি বিষয় সমূহৰ জৰীপ শেহতীয়াকৈ হোৱা নাই। যদিওৱা ১৯৯৩ চনত এই সঞ্চালকালয়ৰ অধীনত এটি জৰীপ হৈছিল তাৰ পৰৱৰ্ত্তী সময়ত আৰু দহ বছৰ পিছত ২০০৩ চনত Socio Economic Survey Report 2003 বুলি এই সঞ্চালকালয়ে প্ৰকাশ কৰিছিল। তাৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখি ২০১৩ চনত ও এটা জৰীপ হ'ব লাগিছিল। কিন্তু সেই জৰীপ আজিলৈকে হোৱা নাই। গতিকে মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই প্ৰস্তাৱৰ সৈতে আমি আশা কৰিম যে চৰ অঞ্চলৰ প্ৰকৃত এটি জৰীপ হোৱাতো প্ৰয়োজন। যি জৰীপৰ জৰিয়তে পৰিস্ফুট হ'ব যে চৰ অঞ্চলৰ মানুহে শিক্ষা-দীক্ষা বা অন্যান্য সা-সুবিধাখিনি কেনেধৰণে পাইছে? যদি আমি ২০০৩ চনৰ ৰিপোৰ্টক লক্ষ্য কৰো মাজুলীক বাদ দি বাকী যিসমূহ চৰাঞ্চল আছে, এই চৰাঞ্চল সমূহত শিক্ষাৰ হাৰ মাত্ৰ ১৭ শতাংশ আছিল। উপাধ্যক্ষ মহোদয়, অতি দুখ আৰু পৰিতাপৰ বিষয় যে মোৰ সমষ্টিৰ এখন চৰ অঞ্চলৰ গাওঁ যাৰ নাম উত্তৰ কোদনিত ২০১১ চনৰ চেনচাচৰ ৰিপোৰ্ট চাওঁ তেতিয়া আমি

দেখিবলৈ পাওঁ যে মহিলাৰ সাক্ষৰতাৰ হাৰ ভাৰতৰ ভিতৰতে আটাইতকৈ কম মাত্ৰ ৬ শতাংশ। গতিকে চৰাঞ্চলৰ বাস্তৱ ছবি এইয়া। মোৰ সমষ্টিৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণপাৰ মিলি প্ৰায় ৪০ খনতকৈ অধিক গাওঁ আছে। এই ৪০ গাওঁৰ ভিতৰত এখনো উচ্চতৰ মাধ্যমিক স্কুল নাই। প্ৰায় ৩৫-৪০ হাজাৰ ভোটাৰ আমাৰ এই অঞ্চলটোত আছে, লগতে তেওঁলোকৰ ল'ৰা-ছোৱালী বিলাককো হিচাপ কৰক। এই গোটেই অঞ্চলবোৰৰ ভিতৰত মাত্ৰ তিনিখন হাইস্কুলহে আছে। কিন্তু এই চৰ অঞ্চলখিনিৰ নামত এখনো হায়াৰ চেকেণ্ডাৰী স্কুল গঢ়ি উঠা নাই কাৰণে দ্ৰপ আউটৰ ৰেটটো বেছি। বহুত অঞ্চল এনেকুৱা আছে যে তাত নেশ্যনেল বেৰিয়াৰ আছে যাৰ কাৰণে তাৰ সৰু সৰু ল'ৰা-ছোৱালীবোৰে প্ৰাথমিক স্কুল শেষ কৰি মাধ্যমিক স্কুললৈ যাবলৈ নাপায়। ব্ৰহ্মপুত্ৰৰ ইপাৰে সিপাৰে যি ৰেচিডেঞ্চিয়েল স্কুল গঢ়ি উঠিব লাগিছিল আৰু য'ত এই চৰ অঞ্চলৰ ল'ৰা-ছোৱালীবোৰে পঢ়াৰ সুবিধা পাব লাগিছিল সেই ৰেচিডেঞ্চিয়েল স্কুল সমূহ চৰ অঞ্চল সমূহত পৰ্য্যাপ্ত পৰিমাণে গঢ়ি নুঠিল। যদিও হোষ্টেল আদি বনোৱা হৈছিল সেইবোৰ কাৰ্যকৰী নহ'ল। যাৰবাবে আজিৰ দিনতো আমাৰ অৱস্থাটোৰ বিশেষ পৰিবৰ্তন হোৱা দেখা নগ'ল। চৰ অঞ্চলত বসবাস কৰা লোক সকল প্ৰকৃততে কোন, তেওঁলোকৰ ইতিহাসেই বা কি এই কথা-বতৰা বিলাকলৈ অসমৰ সুদীৰ্ঘ দিন ধৰি এক ৰাজনীতি চলি আহিছে। বিভিন্ন বাদানুবাদ, বিভিন্ন সংঘাত আৰু সমন্বয়ৰ মাজেৰে আজিৰ অসমখন যি ঠাইত উপনীত হৈছে আৰু আজিৰ অসমৰ শ্লোগান হৈছে, দেশৰ শ্লোগান হৈছে 'সবকা সাথ, সবকা বিকাশ', আমিও বিশ্বাস কৰো যে সকলোৰে লগত সকলোকে আগুৱাই লৈ যাব লাগে। আমিও ভাৱো যে অসমক শ্ৰেষ্ঠ পাঁচখন ৰাজ্যৰ তালিকাত নিব লাগিব। আজি অসমৰ যি ২২৫১ খন চৰ অঞ্চল, যি চৰ অঞ্চল উন্নয়ণ সঞ্চালকালয়ে প্ৰকাশ কৰিছিল আৰু যদি সেই ২২৫১ খন চৰ অঞ্চলক বাদ দি অসমক আগুৱাই লৈ যাব বিচাৰে আৰু ২৬ হাজাৰ গাওঁৰ দুই হাজাৰ, আঢ়ৈ হাজাৰ গাওঁক বাদ দি আগুৱাই লৈ যাব বিচাৰে তেতিয়াহ'লে তেনেকুৱা কৰাতো যদি সম্ভৱ তেতিয়াহ'লে আমাৰ ক'বলগীয়া একো নাই। চৰ অঞ্চলত কোনো উন্নয়ন নাথাকে, চৰ অঞ্চলত কোনো আঁচনি যাব নালাগে আৰু যদি ভাবে এই মানুহখিনিক আগুৱাই লৈ যাব লাগিব তেতিয়াহ'লে এই অঞ্চল সমূহৰ ওপৰত অলপ স্পেচিয়েল কেয়াৰ লোৱাতো আৱশ্যক। আজি হয়তো ক'ব যে সমগ্ৰ অসমত যি সমূহ আঁচনি লৈছে, চৰ অঞ্চলতো গৈছে। কিন্তু কওঁকচোন চৰ অঞ্চলৰ কোনতো ৰাস্তা বনাই আছে, কোনখন বিশ্ববিদ্যালয় বনালে, কোনখন মেডিকেল কলেজ হৈ আছে, এইবোৰ হৈ থকা নাই। তাৰ মানে আমি বহুত কিবা কিবিৰ পৰা বঞ্চিত হৈ আছো। চৰ অঞ্চলত বিশুদ্ধ খোৱা পানী সম্ভৱ নহয় এই কথা আমি বুজি পাওঁ। কিন্তু তাত অন্ততঃ আমি নুন্যতম খিনি বিচাৰিছো। যিখিনি আজিলৈকে সম্ভৱ হৈ উঠা নাই। আমি আশা কৰিম যদি সদয় দৃষ্টি হয় আৰু তেওঁলোকৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয় আৰু যদি চেপাৰেট বিভাগ তেওঁলোকৰ নামত খোলা হয় আৰু তেওঁলোকৰ নামত যদি ফাণ্ড অনুমোদন থাকে, তেওঁলোকক যদি বিভিন্ন ধৰণৰ অনুদান আদি আগবঢ়ায় আৰু যদি তেওঁলোকক ভাল ভাল কাম-কাজ কৰাৰ কাৰণে আগবঢ়ায় দিয়া হয় তেতিয়াহ'লে মই ভাবিম যে উন্নয়ণৰ দিশত লৈ যাব পাৰিম। আজি চাওঁক শেহতীয়াকৈ যি জৰীপ হৈছিল সেই জৰীপত দেখা গৈছিল যে চৰাঞ্চলত ৩.৬০ লাখ হেক্টৰ ভূমি আছে আৰু তেতিয়াই প্ৰায় ২৫ লাখ জনসংখ্যাৰ কথা কোৱা হৈছিল। আজি প্ৰায় ৩০-৩৫ লাখ জনসংখ্যা তাত হ'ব আৰু এই বৃহৎ ভূমিত তেওঁলোকে খেতি কৰে। তেওঁলোকে ভাল পাওঁক বা বেয়া পাওঁক, অসমৰ কৃষি অৰ্থনীতিত চৰ অঞ্চলৰ জনতাই যি ভূমিকা আগবঢ়াইছে সেই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। অসম এখন কৃষি প্ৰধান ৰাজ্য হিচাপে যিখিনি কেঁচামাল উৎপাদন আজি

চৰ অঞ্চলৰ মানুহে কৰিছে আৰু তাৰ বাবে তেওঁলোকে যিখিনি সা-সুবিধা পাব লাগিছিল সেইখিনি আমি দিছো বুলি বুকুত সাবটি আমি কোনেও ক'ব নোৱাৰিম। স্বাধীনতাৰ ৭৫ বছৰত কোনো চৰকাৰে ক'ব নোৱোৰে যে আমি সেইখিনি কৰিছো বুলি। গতিকে মই আশা কৰিছো যে যি চৰ অঞ্চলৰ কৃষক সকলে প্ৰতিদিনে ৰাতিপুৱা আমি খোৱা চাহকাপৰ যোগান ধৰিছে, তৰকাৰী-সবজি তেওঁলোকে দিছে, চাউল আদি তেওঁলোকে উৎপাদন কৰিছে। তেওঁলোকক কৃষিৰ কাৰণে যিখিনি সা-সুবিধা লাগিছিল সেইখিনি আমি দিব পৰা নাই। কিহৰ কাৰণে, তেওঁলোকৰ মাটিৰ বন্দবস্তিখিনি আজিলৈকে সঠিক হোৱা নাই। মোৰ সমষ্টিটো প্ৰায় কুৰিখন গাওঁ হ'ব, যিসমূহ non-cadestrial village হৈ আছে। non-cadestrial village ত যদি survey কৰা হয়, যদি সেই কৃষকসকলে যিখিনি আইন মাফিক মাটি পাব লাগে, সেইখিনি মাটি যদি তেওঁলোকক বন্দবস্তি কৰি দিয়া হয়, তেনেহ'লে দাওনিগিৰি, মাতবৰগিৰি ইত্যাদি ইত্যাদি যি অভিযোগসমূহ শুনা যায়, সেইসমূহ কিন্তু সমাধান হৈ যাব আৰু তেওঁলোকে সেই মাটিৰ খাজনাও আদায় দি থাকিব। দখলকাৰীৰ পৰা আমি তেওঁলোকক settler বনাই দিম, তেতিয়া তেওঁলোকে খাজনাও আদায় দিব আৰু ৰাজহো আহিব, একেটা সময়তে ভূমিকেন্দ্ৰীক যিসমূহ বিবাদ হৈ থাকে, সেইবিলাকৰো অন্ত পৰিব। যাৰ কাৰণে আমি আশা ৰাখিছো এইবাৰ চৰকাৰে এইটো ভাল পদক্ষেপ লৈছে।

মাটিৰ ক্ষেত্ৰত মিছন বসুন্ধৰাৰ জৰিয়তে বিভিন্ন ঠাইত মাটিৰ পট্টা আদি বিতৰণ কৰা হৈ আছে। মই আশা কৰিম অসমত যিসমূহ permanent চৰ আছে, যিসমূহ ঠাইত ৫০, ১০০ বছৰ ধৰি মানুহ বসবাস কৰি আছে। সেইসমূহ ঠাইৰ জনগণক, সেইসমূহ ঠাইৰ কৃষক, সেইসমূহ ঠাইৰ লোকক মাটি পট্টাৰো ব্যৱস্থা কৰিব লাগে। ইয়াৰ জৰিয়তে এটা দীৰ্ঘদিনীয়া সমস্যা, যিসমস্যা আজি ৭৫ বছৰতে শেষ হ'ব লাগিছিল, সেই সমস্যা যদি আজিৰ সময়ত সমাধান হয়, তেনেহ'লে অন্তত চৰবাসীয়ে চৰকাৰখনক আশীৰ্বাদ দিব, চৰকাৰখনেও ভাল পাব। গতিকে আমি আশা কৰিম যে মাটিৰ ক্ষেত্ৰত আপোনালোকে চাব, আমাক যাতে বঞ্চিত কৰা নহয়, চৰবাসী জনগণক যাতে ভূমি পট্টাৰ পৰা বঞ্চিত কৰা নহয় আৰু তেওঁলোকৰ এই সমস্যাটো সমাধান কৰিলে বেঙ্কৰ লগতে অন্যান্য চৰকাৰী সা-সুবিধা ইত্যাদি সমূহ গ্ৰহণ কৰিব পাৰিব। আজি চৰকাৰে শেহতীয়াকৈ ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰিছে। মোৰ সমষ্টিত এটা ধান ক্ৰয় কেন্দ্ৰ স্থাপন হৈছে। ধান কেন্দ্ৰ যিসমূহ স্থাপন কৰিছে, সেই ধান ক্ৰয় কেন্দ্ৰটো দেখিবলৈ পোৱা গৈছে যে ধান বিক্ৰী কৰিবলৈ হলে কৃষকে মাটিৰ কাগজ আদি লৈ যাব লাগে। আজি যিসকলে চৰকাৰৰ খাজ ভূমিত খেতি কৰিছে, যিসমূহ non-cadestrial village ত খেতিবাতি কৰিছে, তেওঁলোকৰ কাৰণে কিন্তু অসুবিধা হৈছে। তেওঁলোক বহু বছৰ ধৰি তাত বসবাস কৰিখেতিবাতি কৰি আছে, সেই মাটিখিনি তেওঁলোকৰ অধীনত আছিল। গতিকে ভূমিৰ ক্ষেত্ৰত এই বন্দবস্তিৰ সমস্যাটো সমাধান হ'লে, আমি ভাৱো চৰ অঞ্চলৰ মানুহৰ এটা ডাঙৰ সমস্যা সমাধান হ'ব। বাকী শিক্ষা, স্বাস্থ্যৰ ক্ষেত্ৰত অন্তত এটা বিশেষ নজৰ দিয়াৰ কাৰণে এজন মন্ত্ৰী সহকাৰে এটা বিভাগৰ প্ৰয়োজনীয়তা আছে আৰু আমি আশা কৰিম চৰকাৰে এই বিষয়টো গুৰুত্বসহকাৰে লৈ অনাগত সময়ত ব্যৱস্থা গ্ৰহণ কৰিব। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী মনোৰঞ্জন তালুকদাৰ।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, চৰৰ সম্পৰ্কত যিটো প্ৰস্তাৱ আহিছে, সেইটো মই সমৰ্থন কৰি দুটামান কথা ক'বলৈ খুজিছো।

মোৰ জিলা বৰপেটা। বৰপেটা জিলাৰ দুটা সমষ্টিত বিশাল চৰ অঞ্চল আছে। চেঙা সমষ্টিত প্ৰায় ৩৫ হাজাৰ ভোটাৰ চৰ অঞ্চলত বসবাস কৰে আৰু বাঘবৰ সমষ্টিত প্ৰায় ৬৫ হাজাৰ ভোটাৰে

বসবাস কৰে। আজি চৰ সম্পৰ্কত বা চৰত বসবাস কৰা মানুহৰ সম্পৰ্কত এটা নতুন ভাৱধাৰা, সাংঘাটিক ভাৱে প্ৰচাৰ হৈ আছে যে চৰ অঞ্চল চোৰ ডকাইত এইবিলাকেৰে ভৰ্তি হৈ আছে আৰু অসমত যিবিলাক অপৰাধমূলক কাম কাজ হয়, সেইবোৰ চৰৰ মানুহে কৰে। কিন্তু বাস্তৱ চিত্ৰত সেইটো নহয়। চৰত বসবাস কৰা কৃষক সকলক যি অৱস্থাত আছে, আমি স্বাধীনতাৰ পিছতো অনুধাৱন কৰিব নোৱাৰিলো। উদাহৰণ হিচাপে কৈছো যে ৬৫ হাজাৰ ভোটাৰ থাকে বাঘবৰ সমষ্টিৰ চৰ অঞ্চলত, ৩৫ হাজাৰ ভোটাৰ থাকে চেঙা সমষ্টিৰ চৰ অঞ্চলত। আলুকুটিৰ পৰা কাছুমাৰীৰ ওচৰলৈকে যদি আমি লক্ষ্য কৰো, চাৰি পাঁচ লক্ষ্য মানুহ বসবাস কৰে। তাত মাত্ৰ এখন কলেজ আছে আলুকুটি অঞ্চলত। এই বিশাল অঞ্চলটোত হায়াৰ চেকেণ্ডাৰী নাই। যিটো শিক্ষাৰ চিত্ৰ মাননীয় সদস্য আশ্ৰাফুল হুছেইনে দাঙি ধৰিছে, এইটো চিত্ৰই বাহাল থাকিব যে কলেজ নিৰ্মাণ নহ'ল স্বাধীনতাৰ ৭৫ বছৰ পিছতো। তাত শিক্ষাৰ বিস্তাৰ কেনেকৈ হ'ব, মই বুজি পোৱা নাই। য'ত হায়াৰ চেকেণ্ডাৰী নাই, দুই চাৰিখন এম ই স্কুল আছে। এতিয়া Nationalisation ৰ কথা কৈছে, শিক্ষক থাকিলে ছাত্ৰ নাথাকে। চৰ অঞ্চলত যাব, যিসকলে চৰৰ সম্পৰ্কত এটা বখৰা হিচাপত চলাই আছে যে চৰত চুৰ ডকাইত থাকে, চৰ অঞ্চল ভ্ৰমণ কৰিব। মই নিজেও গৈছো, এখন এম ই স্কুলত তিনিশ চাৰিশ ছাত্ৰ ছাত্ৰীয়ে পঢ়ে, শিক্ষক মাত্ৰ দুইজন। কেনেকৈ তাত শিক্ষা বিস্তাৰ হ'ব। আজি নতুন কলেজ পাতো, নতুন স্কুল পাতো, শিক্ষক যাব নোখোজে চৰলৈকে। চহৰ বিলাকত আহি শিক্ষক ভিৰ হৈছে। তাত দেখুৱাই থকা হয় যে শিক্ষক আছে, ছাত্ৰ নাই। সকলোবোৰ ব্যক্তিগত স্কুলত গৈছে। এইটো প্ৰচাৰ সংগঠিত হয়। কিন্তু চৰ অঞ্চললৈ গ'লে তাৰ ওলোটা চিত্ৰ দেখা পাব।

যোগাযোগৰ ক্ষেত্ৰত, ৰাস্তাঘাট কি ভাৱে ব্যাহত হৈ আছে। আমি বাৰে বাৰে অনুভৱ কৰো। আজি যিসকলে চৰত বসবাস কৰে, এই চৰত বসবাস কৰা মানুহ এজনে এখন বেংকৰ চেক ভঙাৰৰ কাৰণে তিনিটা দিন খৰছ কৰি বৰপেটা বা মণ্ডিয়ালৈকে আহিব লাগে। কাৰণ তাত কোনো ৰাষ্ট্ৰীয় বেংকৰ আজিলৈকে এটা শাখা নাই। য'ত প্ৰায় চাৰি লাখ মানুহে বসবাস কৰে, তাত ৰাষ্ট্ৰীয় বেংকৰ কোনো শাখা নাই। এইটো ভাবিৰ পৰা কথা নেকি স্বাধীনতাৰ ৭৫ বছৰ পিছত। আজিকালি বিভিন্ন আঁচনিৰ ধন চেকত দিয়ে, এই চেক ভঙোৱাৰ বাবে তেওঁলোকে আগদিনাখন বৰপেটালৈ আহিব লাগিব, ৰাতি থাকিব লাগিব, পিছদিনা চেক ভঙাৰ, তাৰ পিছদিনাখন যাব ব্ৰহ্মপুত্ৰ আৰু তাৰ উপ-নদী পাৰ হৈ। এনেকুৱা এটা ভঙ্কৰ অৱস্থাত মানুহে তাত বসবাস কৰে। সেই মানুহৰ উন্নতিৰ কাৰণে আমি একো নকৰো। এটা ৰাষ্ট্ৰীয় বেংকৰ শাখা বঢ়াব নোৱাৰিলো। কেইবাটাও ৰাষ্ট্ৰীয় বেংক আছে, সেই বেংকৰ শাখা থাকিব লাগিছিল তাত। আজিলৈকে নহ'ল। এইবিষয়ত কাৰো দৃষ্টিগোচৰ কৰা নহয় আৰু এই চৰত বসবাস কৰা মানুহখিনিৰ বিৰুদ্ধে এটা প্ৰচাৰ সংগঠিত কৰা হয়। সেই কাৰণে মই আজি ক'ব বিচাৰিছো যে কিয় নহ'ল ৰাষ্ট্ৰীয় বেংকৰ শাখা। কিয় আজি বাঘবৰৰ পৰা বাঘমৰা চৰলৈকে ব্ৰহ্মপুত্ৰৰ ওপৰত দলং নহ'ল। আমি ব্ৰহ্মপুত্ৰৰ ওপৰত বিভিন্ন দলঙৰ কথা কৈছো। কিন্তু বাঘবৰ সমষ্টি বা চেঙা সমষ্টিত চৰৰ লগত সংযুক্ত কৰা য'ত ৬৫ হাজাৰ ভোটাৰ থাকে, আনফালে ৩৫ হাজাৰ ভোটাৰ থাকে, প্ৰায় ১ লাখ ওচৰা ওচৰি ভোটাৰ থাকে, এই মানুহখিনি যাতায়তৰ ব্যৱস্থা দিয়াৰ কাৰণে ব্ৰহ্মপুত্ৰৰ ওপৰত এখন দলং কৰাৰ কথা পাতি আছো, কিন্তু দলং আমি কৰা নাই। তাৰ ভিতৰত যি উপ-নদী আছে, যি ভয়ংকৰ অৱস্থাত খহাইছে। আজি সেই মানুহবিলাক যাব যে, ক'ত যাব। চৰত মানুহ থাকিব পৰা অৱস্থা নাই। কিন্তু মানুহ চৰৰ পৰা উঠি বেলেগ ঠাইত বসবাস কৰিলে, তেওঁলোকক আমি কেতিয়াবা অনুপ্ৰৱেশকাৰী

কৈছো, কেতিয়াবা বিদেশী কৈছো, কেতিয়াবা দখলদাৰ কৈছো আৰু তেওঁলোকক উচ্ছেদো কৰিছোঁ। কিন্তু এই মানুহখিনিক চৰতে মাটিৰ জৰিপ আজিলৈকে কিয় দিয়া নাই। এই চৰৰ মাটি জৰিপ কৰি, তেওঁলোকক পট্টা দিয়াৰ ব্যৱস্থা যদি কৰা হ'লহেতেন। এই মানুহখিনি ক'ত যাব, য'ত খেতিবাতি কৰে, সমস্ত শস্য তেওঁলোকে উৎপাদন কৰে, শাক পাচলি ইত্যাদি। ইদৰ বন্ধৰ সময়ত বৰপেটা বজাৰ বন্ধ হৈ যায়, মণ্ডিয়া বজাৰ বন্ধ হৈ যায়। এই মানুহখিনিয়ে বজাৰসমূহত শাক - পাচলি, গাখীৰ ইত্যাদি দিয়ে। কিন্তু সেই উৎপাদিত ফচল চহৰলৈকে অনাৰ কোনো যাতায়তৰ ব্যৱস্থা নাই। বহুতো কষ্ট কৰি নাওৰে তেওঁলোকে আনে। তেওঁলোকে ভুটভুটী চলাই বুলি, তেওঁলোকক যদি তাচ্ছিল্য কৰা যায়, তেতিয়া হ'লে, স্বাভাৱিক এই মানুহখিনিৰ প্ৰতি এটা অন্যায় কৰি আছো আৰু সেই কাৰণে মই বেছি কথা কব নোখোজো, চৰ অঞ্চলৰ এই সমস্যাটোৰ প্ৰতি দৃষ্টিগোচৰ কৰি, চৰত যাতায়ত ব্যৱস্থা উন্নত কৰা, বিশেষকৈ চৰ অঞ্চলত শিক্ষাৰ ব্যৱস্থা কৰা, ৰাষ্ট্ৰীয় বেংকৰ শাখা পাতিবলৈ চৰকাৰে বাধ্য কৰা, এই চৰ অঞ্চলত বসবাস কৰা মানুহবিলাকৰ যি উপহাস কৰা হৈছে, সেইটো যদি অন্ত নকৰে, এই অসম ৰাজ্য য'ত ৩০, ৩১ লাখ মানুহ চৰত বসবাস কৰে, এই মানুহখিনিৰ উন্নতি নহলে, অসমৰ উন্নতি নিশ্চিতভাৱে নহ'ব। এই কথাটো মই দৃঢ়তাৰে বিশ্বাস কৰো। চৰৰ প্ৰতি দৃষ্টিগোচৰ কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলোঁ।

**माননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী ৰফিকুল ইছলাম।

**শ্ৰী ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চৰ চাপৰিত বসবাস কৰা মানুহখিনিৰ শিক্ষা, স্বাস্থ্য, যোগাযোগ ইত্যাদি, এই সকলো সুবিধাৰ কিছু কথা আমি উত্থাপন কৰিছোঁ আৰু প্ৰস্তাৱ আনিছোঁ।

ইয়াৰ ওপৰত আলোচনাও হৈ আছে, সপক্ষে বিপক্ষে। মাননীয় উপাধ্যক্ষ মহোদয়, এই চৰ চাপৰি অঞ্চল লগতে মাজুলীত ৩০, ৩৫ লাখ জনগনে বসবাস কৰে। আমি অকল বৰখলা এখন গাওঁৰ কথা কোৱা নাই। ৩০,৩৫ লাখ শদিয়াৰ পৰা ধুবুৰীলৈকে বসবাস কৰা চৰ চাপৰিত যি জনগোষ্ঠী, যি জাতিৰে নহওঁক কিয়, সকলোৰে কথা, সকলোৰে উন্নতিৰ কাৰণে প্ৰস্তাৱ আনিছিলো। গতিকে চৰ অঞ্চলবিলাক যদি আমি categorize কৰো, কিছুমান permanent চৰ আছে। যেনেকৈ মাজুলী আমাৰ গৌৰৱ ঐতিহ্য permanent, ঠিক মাজুলীৰ দৰে নহ'লেও আৰু কিছু চৰ আছে বাঘবৰৰ ৰামাপৰা চৰ ১শ বছৰ পুৰণি প্ৰাইমেৰী বিদ্যালয় আছে চৰকাৰী স্বীকৃতি প্ৰাপ্ত। আলুপতিত ৭৫ বছৰ হোৱা বিদ্যালয় আছে , এই অঞ্চলবিলাক এতিয়াও আছে। আমাৰ কাছমাৰা আছে, জনীয়াৰ কিছু চৰ, জলেশ্বৰ, ধুবুৰী আদি কৰি অসমত বিভিন্ন চৰ আছে যিবিলাক ৩০-৪০-৫০ বছৰে এই চৰ বিলাক জাগাতে আছে। গতিকে এইখিনি atleast আমি survey কৰি তাৰ মাটি কিন্তু allot কৰিব পাৰো আৰু এইখিনি মাটি যদি আমি চৰবাসীৰ হাতত তুলি দিওঁ, আজি যি মাটি হাজাৰৰ মূল্যত তেখেত সকলে এজনে আনজনৰ ওচৰত বিক্ৰী কৰিছে যিহেতু তেওঁলোক মাটিৰ মালিক নহয় এই সকলোকো যদি আমি মাটিৰ মালিক বনাই দিওঁ, এই সকলে সেই মাটিৰ গৰাকী হ'ব, মাটি প্ৰয়োজনত তেখেত সকলে বিক্ৰী কৰিলেও লাখৰ হাৰত তেখেত সকলে দান পাব। আজি সেই সকল মানুহ কিন্তু ইয়াৰ পৰা বঞ্চিত হৈ আছে আৰু যিখিনি most temporary চৰ প্ৰত্যেক বছৰে ভাঙে, সেইখিনি কিন্তু জৰীপ কৰাৰ সমস্যা আছে। আমি সেইখিনি ক'ব যোৱা নাই। কিন্তু যিখিনি permanent, semi permanent মাজুলীৰ লগত অসমৰ সেই গোটেইখিনি চৰ জৰীপ কৰি মাটিখিনি allot কৰিব লাগে প্ৰথম দাবী হ'ল আমাৰ এইটো। দ্বিতীয়তে আমি এইটো লক্ষ্য কৰিছো কিছুমান চৰ PRF বুলি প্ৰস্তাৱ দিয়া হৈছে। চৰত মেকুৰী এটা পাবলৈ

নাই। শিয়াল এটাই হুৱা দিবলৈ নাই। এনেকুৱা এটা অৱস্থা। বানপানী হ'লে থাকিব নোৱাৰি। তাতে ৰিজাৰ্ভ ফৰেষ্টৰ কাৰণে প্ৰস্তাৱবোৰ মই ভাৱো বিশেষ অৰ্থ নাথাকে। গতিকে যদি চৰৰ মাটিত ৰিজাৰ্ভ ফৰেষ্ট হিচাপে প্ৰস্তাৱ দিয়া হৈছে এই প্ৰস্তাৱখিনি বাতিল কৰি এই কৃষক সকলৰ হাতত এই মাটিখিনি থাকিব দিব লাগে। স্কুল শিক্ষাৰ কথা আমি কৈছো। চৰত যদি literarcy rate এইবিলাকতো survey নহয়েই। Char Area Development Board ৰ পৰা ২০০২-০৩ চনত যিটো জৰীপ হৈছিল, সেই হিচাপে মাত্ৰ 15.16 percent হ'ল শিক্ষাৰ হাৰ অসমৰ এই চৰ অঞ্চলবিলাকত। ২০২২-২৩ চনত যদি আপুনি যায়, ১৫ ৰ পৰা ৩০ শতাংশ হ'ব। নহ'বই কিজানি। মানি ললো ৩০ শতাংশ হ'ল. অসমৰ শিক্ষাৰ হাৰ ৮০-৮২ শতাংশ। তাতে যদি এই ৩২ লাখ জনগণ বসবাস কৰা অঞ্চলত ২৫-৩০ শতাংশ শিক্ষাৰ হাৰ হয়, সেই সকলৰ কাৰণে অসমখন পিছুৱাই থাকিল। য'ত আমাৰ শ্লো'গান আমাৰ ৰাজ্যখনক আমি ৫ খন develop state ৰ ভিতৰত লৈ যাম তেতিয়া one third population ৰ এটা গ্ৰুপ ৩২ লাখ জনসংখ্যা বসবাস কৰা এটা অঞ্চল, সেই অঞ্চলত যদি শিক্ষাৰ হাৰৰ দুৰবস্থাৰ বাবে, ৰাজ্যখন আমি কেতিয়াও top five ৰ ভিতৰত আমি লৈ যাব নোৱাৰিম। গতিকে এই অঞ্চল বিলাকত বহুত ভেঞ্চাৰ স্কুল আছে। শিক্ষক বন্ধু সকলে ২০-২৫ বছৰে কাম কৰিছে গোটেই অসমৰ লগত। গতিকে আমাৰ চৰকাৰে কৰিব পাৰে। আইনখন এমেণ্ড কৰি ভেঞ্চাৰ স্কুলৰ ২০-২৫ বছৰ কাম কৰা এই শিক্ষক সকল তেখেত সকলৰ স্কুলসমূহ যদি লৈ লোৱা হয়, চাহ বাগান অঞ্চল বা চৰ চাপৰি অঞ্চলৰ বিদ্যালয়খিনিক প্ৰায়োৰিটি দি গোটেই অসমৰ কথা কৈছো। যিসমূহ ভেঞ্চাৰ স্কুল আছে, যিহেতু চৰৰ ওপৰত আজি আলোচনা হৈছে, বাগান আৰু চৰ বা পাহাৰ আৰু যি deprived area আছে, সেই অঞ্চলৰ স্কুল বিলাকত আইনখন amend কৰি সেই বিদ্যালয়সমূহ যদি আমি phaeswise লৈ লওঁ, তেতিয়াহ'লে শিক্ষাৰ হাৰ বাঢ়িব আৰু যদি আমি সন্তুষ্ট থাকো যে, চৰকাৰে নহয় সেই অঞ্চল বিলাকত ২০,২২, ২৫ শতাংশ শিক্ষাৰ হাৰ থাকক, তেতিয়াহ'লে আমাৰ top ten ৰ ভিতৰত লৈ যোৱাই হৈ থাকিব, বাস্তৱত কিন্তু নহয়।

**মাননীয় উপাধ্যক্ষঃ** এটা কথা চৰ অঞ্চলতো বাৰিষা আহে তেতিয়াতো গুচি যায়। স্কুল নাথাকে।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মই permanent চৰৰ কথা কৈছো।

**মাননীয় উপাধ্যক্ষঃ** স্কুলতো নাথাকে।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** থাকে।

**মাননীয় উপাধ্যক্ষঃ** তাত আপোনাৰ education ৰ কিবা idea আছে নেকি? literacy টো খুৱ বেলেগ ধৰণে চৰ অঞ্চলত পাম। Literacy rate টো। গতিকে কাৰণে আপোনাৰ idea টো দিয়ক।

**ড° ৰফিকুল ইছলাম, (জনীয়া) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, চেঙাৰ যিখন গাওঁ পঞ্চায়ত, কাচমাৰা, মহচৰা, খুলাবন্দা, বাঘবৰৰ আলোপতি, বাঘমৰা চৰ কদমতল চৰ, ৰামাপাৰা চৰ, মোৰ জনীয়াৰ গোবিন্দপুৰ, শিতুলী, কাদম এই সকলো চৰ এলেকা আছে আৰু এইবিলাক ইমান temporary নহয়। তাতে স্কুল আছে, মানুহে প্ৰাইভেট স্কুল কৰিছে। চৰৰ পৰা ডাক্তৰ হয়, চৰৰ পৰা assistant professor হৈ আহিছে। চৰৰো এনেকুৱা আছে এটা ঘৰত দুজন তিনিজনকৈ ডাক্তৰ হৈছে. তেখেত সকলৰ কষ্ট হৈছে। আমি এই কাৰণে কথা কৈছো মোৰ কলগাছিয়া একেবাৰে চৰৰ লগত।

**মাননীয় উপাধ্যক্ষঃ** আপুনি idea টোৱেই দিয়ক যে তাৰ পৰা কেনেকৈ ডাক্তৰ হৈছে। চৰকাৰে

কিবা কৰিব পাৰে নেকি?

**ড° ৰফিকুল ইছলাম, (জনীয়া)ঃ** হয়, তেখেত সকলক সুবিধা দিব পৰা নাই। আজি চৰৰ ল'ৰা-ছোৱালীয়ে চেষ্টা কৰি আছে। তেখেতসকল IIT, UPSC qualified কৰিব। ACS ত বহিব। সেই চিন্তা-চৰ্চা কৰি তেখেতসকলে আমাক কৈ আছে, আমিও সেই প্ৰচেষ্টা কৰি আছো। কিন্তু অকলে নোৱাৰিম। ১২৬ জন বিধায়ক positively এই কথাটো চিন্তা কৰিব লাগিব যে, চাহ জনগোষ্ঠী, চৰ চাপৰিত বসবাস কৰা এই সকলক আমি আগুৱাই লৈ যাব লাগিব। যিবিলাক permanent চৰ আছে সেইবিলাকত স্কুল আছে তাত অনায়াসে provincialise কৰিব পাৰো। সেই বিদ্যালয় কোনো অসুবিধা নহয়। যোগাযোগৰ ব্যৱস্থাত চৰত বহুত গেপ, আজি গোৱালপাৰাৰ পৰা গুৱাহাটী লৈকে ব্ৰহ্মপুত্ৰৰ মাজত ব্ৰীজ নাই। আজি গুৱাহাটীৰ পৰা তিনিচুকীয়ালৈকে কিছু ব্ৰীজ হৈছে আৰু যদি কৰোবাত প্ৰয়োজন হয়, ইয়াৰ আমি বিৰোধিতা নকৰো। গোৱালপাৰাৰ পৰা গুৱাহাটীলৈকে প্ৰায় দুইশ কিলোমিটাৰ দূৰত্ব শৰাইঘাটৰ পৰা গোৱালপাৰাৰ ব্ৰীজ ইয়াৰ মাজত বহৰীৰ পৰা কাচুমাৰা বা বাঘবৰৰ পৰা আলোপতিৰ পৰা দুই ঠাইৰ যিকোনো এখন ঠাইত বাচনি কৰি ব্ৰহ্মপুত্ৰৰ ওপৰত যদি ব্ৰীজ কৰিব পৰা যায়, এই বৃহত্তৰ গোৱালপাৰা বৰপেটা আৰু কামৰূপৰ চৰ অঞ্চলৰ মানুহ উপকৃত হ'ব আৰু বহুত আগবাঢ়ি যাব। মাননীয় উপাধ্যক্ষ মহোদয়, স্বাস্থ্যৰ কথা riverine hospital আছে চৰ এলেকা সমূহত। ডাক্তৰে থাকিব নিবিচাৰে, চৰকাৰে পাৰে তেখেতসকলক অলপ বেছিকৈ সুবিধা দি, এইটো provision আছে। পাহাৰত হওঁক, চৰত হওঁক, চাহ বাগান অঞ্চলত হওঁক, ডাক্তৰ সকলক অলপ বেছিকৈ সুবিধা দি এই চৰ অঞ্চলবিলাকত পঠিয়াই নিশ্চয় স্বাস্থ্যৰ ক্ষেত্ৰত তেখেত সকলে ভাল কাম কৰিব। আজি জনসংখ্যাৰ কথা কৈছো। আমিও বিচাৰো কণ্ট্ৰোল হ'ব লাগে। আমি আঠ ভাই-ককাই আছিলো। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ আঠ জন ভাই ককাই আছিল। আমি আঠজন ভাই ককাই মুঠ পোন্ধৰ জন। যোল্লজনো নহয়। আমাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী সোনোৱাল ডাঙৰীয়াও আঠ ভাই ককাই আছিল। তেখেত সকলৰ ল'ৰা-ছোৱালী কম। গতিকে চৰৰ মানুহে বিচাৰে যে জনসংখ্যা কণ্ট্ৰোল কৰিব। কিন্তু তেখেত সকলক শিক্ষা-দীক্ষা, সুবিধাখিনি দিব লাগিব, চাকৰি-বাকৰিত সুবিধা দিব লাগিব। চাহ বাগিচা, চৰ এলেকা সমূহত বিশেষ সুবিধা দিব লাগিব। তেতিয়াহ'লে মানুহখিনি উঠি আহিব। যি নহওঁক মই শেষ কৰিছো। গতিকে আমি যিটো প্ৰস্তাৱ আনিছো মই ভাৱো চৰকাৰে এইটো গ্ৰহণ কৰি শিক্ষা, স্বাস্থ্য, যোগাযোগ আৰু মাটিৰ এলোটমেণ্ট গ্ৰহণ কৰি চৰকাৰে কৰিব বুলি অনুৰোধ কৰিছো।

**মাননীয় উপাধ্যক্ষঃ** এতিয়া চাৰি মিনিট আছে। শ্ৰীকমলাক্ষ দে পুৰকায়স্থ আৰু নুৰুল হুদা, আপেনালোকৰ দুইজনৰ ভিতৰত এজনে ক'ব।

**শ্ৰীনুৰুল হুদা, (ৰূপহী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই চৰৰ মানুহৰ ওপৰত তিৰস্কাৰ কৰা হৈছে, নিন্দা কৰা হৈছে, চোৰ ডকাইতৰ লগত তুলনা কৰা হৈছে, ধমকি মাৰি দখল দিয়াৰ কথা কৈছে। এই মানুহখিনি যে চৰত আছে, তেওঁলোক আহিল ক'ৰপৰা। এই কথাটো যদি আমি সুস্থভাৱে সকলোৱে পৰ্য্যালোচনা কৰো, যোৱা বিশটা বছৰত চৰকাৰী তথ্য মতে অসমৰ ব্ৰহ্মপুত্ৰ নদী- উপনদী গড়াখহনীয়াত তিনি লাখ চৌত্ৰিছ হাজাৰ তিনিশ আঠাইছ বিঘা মাটি গড়াখহনীয়াই খহাই লৈ গৈছে. এই যে তিনি লাখ চৌত্ৰিছ হাজাৰ তিনিশ আঠাইছ বিঘা মাটি গড়াখহনীয়া গ্ৰস্ত হৈছে, তাতো মানুহ আছিল। সেই মানুহখিনি ক'ত গৈছে। সেই মানুহখিনি নিশ্চয় চৰ চাপৰিতে আছে বা চৰকাৰী ভূমি কৰবাত দখল কৰি লৈছে। গতিকে এই লোকসকল ভাৰতীয় নাগৰিক।

গতিকে চৰকাৰী ভাৱে এই কথাটো ক'ব লাগে তেওঁলোক ভাৰতীয় নাগৰিক হয়নে নহয়। যদি তেওঁলোক ভাৰতীয় নাগৰিক, তেতিয়াহ'লে ভাৰতীয় নাগৰিকৰ অধিকাৰ আছে। চৰকাৰে তেওঁলোকক ৰক্ষণাবেক্ষণ দিব লাগিব। ভূমিৰ অধিকাৰ দিব লাগিব। তেওঁলোকৰ জীৱনৰ নিৰাপত্তা দিব লাগিব, তেওঁলোকৰ উন্নয়নৰ কথা চিন্তা কৰিব লাগিব। তেওঁলোকৰ শিক্ষা-দীক্ষাৰ কথা চিন্তা কৰিব লাগিব। কিন্তু তাকে নকৰি তেওঁলোকক অৱজ্ঞা কৰা হৈছে। মাননীয় উপাধ্যক্ষ মহোদয়, এই যে অৱজ্ঞা তেওঁলোকক কৰিছো, তেওঁলোকতো ভাৰতীয় নাগৰিক। তেওঁলোকৰ যি অধিকাৰ খৰ্ব কৰা হৈছে, এইটো গণতন্ত্ৰই কৈছে নেকি তেওঁলোকৰ অধিকাৰ খৰ্ব কৰাৰ কাৰণে। তেওঁলোকৰ কিন্তু গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰা হৈছে। আজি চৰ চাপৰিত চোৰ ডকাইতৰ কথা কোৱা হৈছে। চৰত গৈ ডাক্তৰ পাব, চৰৰ পৰা আজি ইঞ্জিনীয়াৰ হৈছে, চৰৰ পৰা প্ৰফেচাৰ হৈছে, শিক্ষক হৈছে। চৰৰ মানুহে বহুত কষ্ট কৰে। আজি আমাৰ অঞ্চলৰ মানুহে খুব সহজে শিক্ষা গ্ৰহণ কৰে। চৰৰ মানুহে বহুত কষ্ট কৰি নদীত নাৱেৰে আহি খোজকাঢ়ি বোকাপানী গচকি তেওঁলোকে শিক্ষা গ্ৰহণ কৰে। গতিকে চৰত শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিব লাগে। আজি আমি অসমীয়া বুলি কওঁ, কিন্তু প্ৰকৃত অসমীয়া চৰ অঞ্চলৰ মানুহ এইকাৰণে প্ৰকৃত অসমীয়া। অসমত যিমান বিদ্যালয় আছে প্ৰাথমিক বিদ্যালয়ে কওঁক যিমান বিদ্যালয় আছে, চৰত সকলো অসমীয়া মাধ্যমৰ বিদ্যালয় চৰত কোনো ধৰণৰ, কোনো অন্য ধৰণৰ বিদ্যালয় নাই। ইংৰাজী মাধ্যমৰ বিদ্যালয় নাই। চৰত গোটেই মানহখিনি অসমীয়া মাধ্যমৰ বিদ্যালয়ত পঢ়ে আৰু অসমীয়া ভাষা কয় আৰু অসমৰ অসমীয়া। এই অসমীয়া সকলক তেওঁলোকৰ যিখিনি প্ৰাপ্য, সেই প্ৰাপ্যৰ পৰা বঞ্চিত কৰা হৈছে। এইটো কিন্তু খুব অন্যায় প্ৰয়োগ কৰি থকা হৈছে। চৰৰ এটা জৰীপ হ'ব লাগে। জৰীপ কৰি যিসকল চৰত মানুহ আছে, ভাৰতীয় নাগৰিক, তেওঁলোকক স্থায়ীভাৱে সংস্থাপন দিব লাগে। মাটিৰ পট্টা দি তেওঁলোকক সংস্থাপনৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে আমাৰ গণতন্ত্ৰ ৰক্ষা পৰিব। গতিকে অসমীয়া মাধ্যমৰ বিদ্যালয় সমূহ থকা অসমীয়া মাধ্যমত লিখা-পঢ়া কৰা চৰবাসীক যাতে অৱজ্ঞা কৰা নহয় তাৰ কাৰণে মই অনুৰোধ জনাইছো।

**মাননীয় উপাধ্যক্ষঃ** The House is adjourned till 2 p.m.

**(সদন বিয়লি ২ বজাত পুনৰ মিলিত হয়)**

**মাননীয় অধ্যক্ষ ঃ** কাৰ্য্যসূচী নং-৭। ২০২২-২৩ বৰ্ষৰ মঞ্জুৰীৰ ওপৰত ভোটদান। আমাৰ BAC Meeting ত এই দাবী মঞ্জুৰীসমূহৰ ভিতৰত মঞ্জুৰী নং-৩০, 'পানী যোগান আৰু অনাময়' আৰু মঞ্জুৰী নং-৩৯ 'সামাজিক নিৰাপত্তা কল্যাণ আৰু পোষণ' দুয়োটা বিভাগৰ ওপৰত আলোচনা কৰিবৰ বাবে সিদ্ধান্ত লোৱা হৈছে। সেইকাৰণে প্ৰথমে 'পানী যোগান আৰু অনাময়' বিভাগীয় মন্ত্ৰী জয়ন্ত মল্ল ডাঙৰীয়াক প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী,পানী যোগান, পৰ্য্যটন ইত্যাদি বিভাগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় ৰাজ্যপালৰ অনুমোদন মৰ্ম্মে মই প্ৰস্তাৱ কৰিব খোজো যে ২০২৩ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত কেতবোৰ ব্যয় বহন কৰিবলৈ মঞ্জুৰী নং-৩০, 'পানী যোগান আৰু অনাময়'ৰ ক্ষেত্ৰত অতিৰিক্ত ৪১,৬১৮.২৪ লাখ টকা মঞ্জুৰ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ ৩০ নং মঞ্জুৰীৰ ওপৰত তলত উল্লেখ কৰা মাননীয় সদস্য সকলৰ নামত ৪ টা কৰ্তন প্ৰস্তাৱ। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াদেৱৰ লগতে অন্যান্য সহযোগী সদস্য সকলক Move কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ , (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২-২৩ চনৰ

মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ১২৫ আৰু ১২৮ পৃষ্ঠাত থকা পানী যোগান আঁচনিৰ শিতানত **৩০** নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা ৪১,৬১৮.২৪ লাখ টকাৰ পৰা ১ টকা হ্ৰাস কৰিব লগা বিষয়টো আমি সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই হাফিজ বচিৰ আহমেদ ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়াৰ লগতে তেখেতসকলৰ সহযোগীক প্ৰস্তাৱটো Move কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২-২৩ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ১২৫ আৰু ১২৮ পৃষ্ঠাত থকা পানী যোগান আঁচনিৰ শিতানত ৩০ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা ৪১,৬১৮.২৪ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওক। অৰ্থাৎ সমুদায় দাবী মঞ্জুৰী ৪১,৬১৮.২৪ লাখ টকাক ১০০ টকাৰে হ্ৰাস কৰা হওক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই মনোৰঞ্জন তালুকদাৰ ডাঙৰীয়াক মহোদয়, প্ৰস্তাৱটো উত্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী মনোৰঞ্জন তালুকদাৰ, (সৰভোগ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০২২-২৩ চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ ১২৫ আৰু ১২৮ পৃষ্ঠাত থকা পানী যোগান আঁচনিৰ শিতানত ৩০ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা ৪১,৬১৮.২৪ লাখ টকাৰ পৰা ১০০ টকা হ্ৰাস কৰা হওক। অৰ্থাৎ সমুদায় দাবী মঞ্জুৰী ৪১,৬১৮.২৪ লাখ টকাক ১০০ টকাৰে হ্ৰাস কৰা হওক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই অখিল গগৈ ডাঙৰীয়াক, প্ৰস্তাৱটো Move কৰাৰ বাবে অনুৰোধ জনালো।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, **২০২২-২৩** চনৰ মঞ্জুৰীৰ বাবে পৰিপূৰক দাবী সমূহৰ তালিকাৰ **১২৫ আৰু ১২৮** পৃষ্ঠাত থকা পানী যোগান আঁচনিৰ শিতানত ৩০ নং পৰিপূৰক দাবী মঞ্জুৰীৰ বাবে ধাৰ্য্য কৰা **৪১,৬১৮.২৪** লাখ টকাৰ পৰা **১০০** টকা হ্ৰাস কৰা হওঁক। অৰ্থাৎ সমুদায় দাবী মঞ্জুৰী **৪১,৬১৮.২৪ লাখ টকাক ১০০** টকাৰে হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মই দাবী মঞ্জুৰীৰ ওপৰত আলোচনা কৰিবলৈ লৈছো। কমলাক্ষ্য দে ডাঙৰীয়াই কওঁক।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, (উত্তর করিমগঞ্জ) :-** মাননীয় অধ্যক্ষ মহোদয়,আমি কর্তন প্রস্তাবের পূর্ণ সমর্থন জানিয়ে আমার বক্তব্য তুলে ধরছি। অধ্যক্ষ মহোদয়, জল জীবন মিশনের উদ্দেশ্য ছিল ‘হর ঘর পানী।’কিন্তু বর্তমানে দেখা যাচ্ছে কিসি ঘর ম্যা নল,কিসি ঘর ম্যা পানি। জল জীবন মিশন শুরু হয়েছিল ২০১৯সনের ১৫ আগষ্ট। আমাদের মাননীয় প্রধান মন্ত্রীর ফ্লেগসিপ প্রোগ্রাম ছিল এবং উদ্দেশ্য ছিল ২০২৪ এর ভিতরে ভারতবর্ষের প্রতিটি মানুষের ঘরে ঘরে জল পৌছে দেওয়া। কিন্তু অধ্যক্ষ মহোদয়, বাস্তব সত্যটি হচ্ছে ভয়াবহ। অসমের অবস্থা তো খুবই ভয়াবহ। সেদিকে আমি পরে যাচ্ছি।

অধ্যক্ষ মহোদয়, গোয়া, তেলেঙ্গানা, হরিয়ানা, আন্দামান নিকোবর, পণ্ডিচেড়ি সেই রাজ্যগুলোর ১০০শতাংশ কাজ সম্পূর্ণ হয়ে গিয়েছে। তাছাড়াও পাঞ্জাব, গুজরাট, হিমাচলপ্রদেশ, বিহাড় এই রাজ্যগুলো আমাদের থেকে অনেক পিছিয়ে যদিও আছে ,সেই রাজ্যগুলোতেও ৯০ শতাংশ কাজ সম্পূর্ণ হয়ে গিয়েছে। কিন্তু অসমের দিকে লক্ষ্য করলে দেখা যায় যে নর্থ-ইষ্টের মনিপুরের ৬৪.৪৫ এবং অরুনাচল প্রদেশের ৬০.৭৫ শতাংশ কাজ ইতিমধ্যে সম্পূর্ণ হয়েছে। এবং সেই মর্মে সমগ্র ভারতবর্ষের প্রেক্ষাপটে দেখা যায় যদি তাহলে অসমের স্থান হচ্ছে ২৮ নম্বর। অর্থাৎ ইনডেক্সে আমাদের অসমের স্থান হচ্ছে ২৮ নং। আমাদের টার্গেট ছিল ৪৬ লক্ষ ৩৫

হাজার। তারমধ্যে ২০২১র আগষ্ট মাসে ১১ লক্ষ ৮ হাজার টার্গেট ফুলফিল হয়েছে। এবং ইতিমধ্যে দেখতে পেয়েছি ২৩ মার্চ ২০২২এ ৩৪ শতাংশ কাজ সম্পূর্ণ হয়েছে। আমাদের অবস্থা ভয়াবহ। অধ্যক্ষ মহোদয়, আমি ব্যক্তিগত ভাবে সমালোচনা করার জন্য সমালোচনা করছিনা। সমস্ত ভারতবর্ষের প্রেক্ষাপটে যদি অসমের জল জীবন মিশনের অ বস্থা দেখা যায় তাহলে ভয়ঙ্কর অবস্থা। এবং সেই কথা আমি বলছিনা। কদিন আগে আমি দেখেছি আমাদের মাননীয় মন্ত্রী কয়েকটি জায়গায় গিয়েছেন এবং উনি বিভাগের অফিসারকে সাসপেণ্ড করেছেন। এই জন্য সাসপেণ্ড করেছেন কারন, কোন জায়গায় নল আছে জল যাচ্ছে না। কোন জায়গায় দেখা যাচ্ছে পাইপ যেগুলো আছে ৩ ফুট নীচে যাওয়া দরকার সেগুলো ১ফুট নীচে ঢুকিয়ে দিয়েছে। কোন জায়গায় গাড়ী যাচ্ছে সে অঞ্চলের পাইপ ফেটে যাচ্ছে। আমি সেগুলো বলিনি। আমাদের মন্ত্রীর তৎপরতা দেখেছি। মন্ত্রী সে ব্যপারে একসন নিয়েছেন। কিন্তু বাস্তব সত্য হচ্ছে যে আপনি যে জায়গায় গিয়েছেন হয়তো সেখানে কাউকে সাসপেণ্ড করেছেন। কিন্ত সমস্ত অসমে জল জীবনের যে অবস্থা সেই অবস্থায় যদি জল জীবন মিশনের কাজ চলে তাহলে সেখানে একটি ল্যাণ্ড মার্ক থাকা উচিৎ ছিল । আপনি আজ মন্ত্রী আছেন কাল হয়তো থাকবেন না।২০ বছর আরোও হয়তো মন্ত্রী থাকবেন। কিন্তু আপনি যে সময় মন্ত্রী ছিলেন এইসময় জল জীবনের কাজ হল ।সেটা ল্যাণ্ড মার্ক থাকা উচিৎ। আমরা এখনও কয়েকজন মন্ত্রীর কথা স্মরণ করি যারা অসমের মন্ত্রী ছিলেন এবং তাদের কার্যকালে যে কাজ করে গিয়েছেন। আমরা এখনও বিধানসভায় শ্রদ্ধার সঙ্গে স্মরণ করি। কিন্তু আপনার কাছে বিশেষ করে জল জীবন মিশনের গুরু দায়িত্ব পড়েছে। কিন্তু সেই জল জীবন মিশনের কাজ যদি পর্যবেক্ষন করি তাহলে তার একটি ভয়ঙ্কর অবস্থা। আমি বিধান সভায় আসার সময় দেখেছিলাম প্লেন্টগুলো, সেগুলো দেখতে মন্দিরের মত। অনেক সুন্দর রং করা হয়েছে। এবং সেই প্লেন্টে গিয়ে দেখলাম যে কত হাউসহোল্ডারকে জল দেওয়া হবে। ওনারা বললেন যে ৫৪০টি হাউসহোল্ডারকে জল দেওয়া হবে। আমি যখন কয়েকজনের ঘরে গিয়ে দেখি সেই প্লেন্টে ২৫ শতাংশ মানুষের ঘরে পানি যাচ্ছে। বাকী ঘরে পানি যাচ্ছেনা। তারজন্য হয়তো টেকনিক্যাল অনেক কারণ থাকতে পারে। সেই ব্যপারগুলো অধ্যয়ন করতে হবে। অধ্যয়ন করে অন্তত আগামী দিনে সেগুলো যদি সংশোধন করা যায় তাহলে আমি মনে করি জল জীবন মিশন সাফল্য হবে। নাহলে জল জীবন মিশন সাফল্য করা সম্ভব না। এবং আমরা জানি হর ঘর পানি, জলের অপর নাম জীবন, জল ছাড়া আমরা বাঁচতে পারি না। সেই সময় আমাদের টাকার অনুমোদন থাকা সত্যেও, যদি আমাদের সেই কাজগুলো নাহয় আমি মনে করি আমাদের জন্য দুর্ভাগ্য জনক ব্যপার হয়ে থাকবে।

অধ্যক্ষ মহোদয়, আমি দেখেছি মাননীয় মন্ত্রী কদিন আগে জল মিত্র নিযুক্ত করে ওদেরকে এঙ্গেজমেন্ট লেটার দেওয়া হয়েছিল। কিন্তু ওদের সাথে আলোচনা করায় ওরা বলল আমাদেরকে এঙ্গেজমেন্ট লেটার দেওয়া হয়েছে। কিন্তু আমরা যারা বিগত ৫-১০ বছর থেকে কাজ করছি আমাদের এই সরকারের কাছে দাবী ছিল যে আমাদের এঙ্গেজমেন্ট লেটার না অন্তত আমাদেরকে কন্টাকচুয়েল স্টাফ হিসাবে নেওয়া হবে। ওনারা কাজ করছেন, ওদের দাবী ছিল যে ওদের টাকা যাতে অ্যাকাউন্ট ট্রান্সফার হয়। অতএব গভর্ণমেন্ট লেভেল ট্রেন্সফার হয় যাতে। কিন্তু দেখা যাচ্ছে পঞ্চায়েতের তরফ থেকে অর্থাৎ টাইড-আনটাইড ফাণ্ড থেকে ওদেরকে টাকা দেওয়া হচ্ছে। তাতে কিন্তু অনেকগুলি সমস্যা আছে। আমি অনেকগুলো ইউসারস্ কমিটির সাথে যোগাযোগ করেছি। আমি মনে করি সেই প্লেন্টগুলো চালানোর জন্য সবচেয়ে বড় ভূমিকা ওদের। ওদের জন্য অন্তত আপনার কাছে অনুরোধ থাকল যাতে সরাসরি অ্যাকাউন্ট ট্রেন্সফার করা হয়। যে মানুষগুলো

কাজ করবে ওদের যদি উৎসাহিত করা নাহয় তাহলে আমি মনে করি আগামী দিনে ভিবিষীকাময় পরিবেশ সৃষ্টি হবে। মাননীয় অধ্যক্ষ মহোদয়, জেজেএম র যেগুলো স্কিম আছে সেগুলো গ্রাউন্ড লেভেল পর্যালোচনার জন্য ইস্টিমেট বানানো দরকার। যে জায়গায় হয়তো একটু বেশি গভীর করা দরকার সেই জায়গায় করা হয়না। অর্থাৎ টেকনিক্যাল ডিফেক্টের জন্য আজ জেজেএম র টাকাগুলো মার খাচ্ছে। মন্ত্রী মহোদয়কে আমি অনুরোধ করব, যখন ডিপিআর বানানো হয় আপনি বিভাগকে বলুন যখন ডিপিআর বানানো হবে, যে জায়গায় যে প্রয়োজনীয়তা দরকার, যে জায়গায় টাকা দরকার আছে সে অনুযায়ী বানানো হোক। নাহলে মডেল ইস্টিমেট যদি হয়ে যায় এবং ঠিকাদারের জন্য যদি সেই প্লেন্টগুলো বানানো হয় বা ঠিকাদারী করার জন্য যদি বানানো হয় তাহলে সেটা দুর্ভাগ্য জনক হবে। আপনাকে দায়িত্ব দেওয়া হয়েছে। আপনি মন্ত্রী হয়েছেন এবং এই সময় আপনার গুরুদায়িত্ব আছে। আমি বিধায়ক হিসাবে বলছি যে গতবার যাদেরকে কাজ দেওয়া হয়েছিল, অনেককে পেকেজ সিস্টেম করা হয়েছিল, অনেককে অন্য জেলা থেকে এনে কাজ দেওয়া হয়েছিল তারফলে অনেক সমস্যা হয়েছিল। আমি মনে করি, শুধু আমার সমষ্টি নয়, প্রত্যেকটি সমষ্টিতে এরকম হয়েছে। যেমন আমার সমষ্টিতে ৫০ শতাংশ কাজ হয়েছে বাকিগুলো কাজ হয়নি কারণ ঠিকাদার বিগত ৪-৫ মাস থেকে কাজ করছেনা। আমি দায়িত্ব সহকারে একটি কথা বলতে চাই, যাদেরকে কাজ দেওয়া হবে ধরুন, ৪-৫ জনকে কাজ দেওয়া হবে আমি বিধায়ক হিসাবে আমি ৪-৫ জনের নাম আপনাকে দিয়েছি । তাদের দিতে হবে আমি বলছি না। কিন্তু আমি দায়িত্ব হিসাবে বলছি, যাদেরকে আমি রিকোমেন্ড করেছি ওদেরকে যদি কাজে লাগানো যায় আপনার সময়ের আগে কাজ সমাপ্ত হবে। তাই আমি মনে করি,সব বিধায়ককে কনফিডেন্সে নিয়ে কাজগুলো করা হোক। নাহলে জল জীবন মিশনে যে টাকা আপনারা খরচ করছেন তার সার্থকতা আসবেনা। যদি সার্থকতা আসতে হয় তাহলে আমি মনে করি, সব বিধায়ককে নিয়ে মনিটারিং কমিটি বানানো হোক এবং তার সাথে প্রত্যেকটি স্কিমে মনিটরিং করে মানুষ জল পাচ্ছে কি না। জলের পাইপ লাইন করা হচ্ছে, টাকা খরচ করা হচ্ছে কিন্তু মানুষ জল পাচ্ছেনা। তাই এবিষয়ে দৃষ্টি আকর্ষন করে আজকের দিনে জল জীবন মিশনের স্বার্থকতা কামনা করে আমি আমার বক্তব্য শেষ করছি। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া শ্ৰী অমিয় কুমাৰ ভূঞা।

**ড° অমিয় কুমাৰ ভূঞা (বিহপুৰীয়া)ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিশ্বৰ জনপ্ৰিয় নেতা মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই গোটেই দেশৰ গ্ৰামাঞ্চলৰ ৰাইজক বিশুদ্ধ খোৱা পানী যোগান ধৰিবলৈ জলজীৱন মিছনৰ যি কাৰ্য্যক্ৰম গ্ৰহণ কৰিছে আৰু এই কাৰ্য্যক্ৰমে জনাধাৰণৰ মাজলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। আমি ৮ বছৰ আগলৈ যদি ঘূৰি যাওঁ, তেতিয়া দেখিবলৈ পাওঁ যে আমাৰ পানী যোগান আঁচনিবোৰ গোটেই defunct হৈ গৈছিল। পানীৰ কাৰণে মানুহে হাহাকাৰ কৰিবলগীয়া হৈছিল। মানুহে খালৰ পানী, নৈৰ পানী খাবলগীয়া হৈছিল আৰু পানী আনিবলৈ বহু দূৰ বাট কুৰি যাবলগীয়া হৈছিল। কিন্তু, আজি এই মিছনৰ যোগেৰে ৰাইজৰ মাজলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। আমি কম দিনৰ ভিতৰত স্থানীয় ভাৱে নিজৰ সমষ্টিত ২১ খনলৈকে আঁচনি ৰাইজৰ বাবে উছৰ্গা কৰিব পাৰিছো। ৰাইজে নিয়মীয়াকৈ পৰ্যাপ্ত পৰিমাণৰ বিশুদ্ধ খোৱাপানী পাইছে। আমাৰ চৰকাৰে এতিয়ালৈকে যিমান ধন আৱন্টন পাইছে, তাৰ ৬৫% ধন এতিয়ালৈকে ব্যয় কৰিব পাৰিছে। অসমৰ প্ৰতিকূল পৰিস্থিতি বা অসমৰ কিছুমান ভৌগোলিক অৱস্থানৰ বাবে কিছুমান অঞ্চলত সময় সাপেক্ষিক ভাৱে কাম কৰিবলৈ চৰকাৰে লক্ষ্য থিৰ কৰিছে যদিও সেই

কামখিনি কৰিবলৈ যাওঁতে বহুখিনি সমস্যাৰ সন্মুখীন হৈছে। একেদৰে, বিভাগৰ তৰফৰ পৰা এই শৃংখলা আনিবৰ কাৰণে, বিশেষকৈ মই মোৰ সমষ্টিৰ কথা ক'ব পাৰো, যিসকল ঠিকাদাৰে গাফিলতি কৰিছিল তেনেকুৱা ১৮ জন ঠিকাদাৰৰ কাম বাতিল কৰা হৈছিল। কাম আগবঢ়াই নিয়াৰ ক্ষেত্ৰত চৰকাৰে যাতে কাৰো লগত আপোচ নকৰে তাৰ এইটো এটা উৎকৃষ্ট উদাহৰণ। স্থানীয় ভাৱে আমিও এই কাম ক্ষীপ্ৰতাৰে আগবঢ়াই নিয়াৰ বাবে যিখিনি পৰ্যালোচনা সভা কৰিব লাগে, ক্ষেত্ৰ মিটিং যিখিনি পৰিদৰ্শন কৰিব লাগে সেই পৰিদৰ্শন আমি যথা সম্ভৱ আগবঢ়াই নিছো যাৰ জৰিয়তে লখিমপুৰ জিলাত ৫০% তকৈ অধিক কাম আগবঢ়াই নিবলৈ সক্ষম হৈছো। আমি সকলোৱে এই আঁচনিখন Mission mode ত ঘৰে ঘৰে পানী লৈ যোৱাৰ বাবে যদি কাম কৰো তেন্তে নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত এই আঁচনিৰ জৰিয়তে জন জীৱনলৈ পৰিৱৰ্তন কঢ়িয়াই আনিব পাৰিম। গুণগত আৰু নিয়মীয়া পানী যোগানে মানুহৰ দৈনন্দিন স্বাস্থ্যলৈ যি পৰিৱৰ্তন আনিব, উপযুক্ত মানৱ সম্পদ হিচাপে আগবঢ়াৰ ক্ষেত্ৰত যি পৰিৱৰ্তন আনিব, যি মহান লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি এই কাম কৰা হৈছে, এনে কামে আজি অংগনবাড়ী কেন্দ্ৰসমূহলৈ, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে। এই কাম সঠিক ভাৱে কৰিবৰ বাবে জলমিত্ৰ সকলক প্ৰশিক্ষণৰ যোগেৰে তাত কাম কৰিবলৈ কোৱা হৈছে। পানী ইউজাৰ কমিটিবোৰক শক্তিশালী ভাৱে গঠন কৰা হৈছে। Stakeholder ৰ participation ৰ কথা ইয়াত ensure কৰা হৈছে। এই গোটেই কামখিনিৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলক, SHG বোৰক জড়িত কৰি এই ক্ষেত্ৰত আমি সকলোৱে যাতে দায়িত্ব ল'ব পাৰো আৰু সকলোৱে দায়িত্ব লৈ যাতে সকলোৰে বাবে পানী উপলব্ধ কৰিব পাৰো সেই পৰিৱেশ ৰাজ্যখনত শক্তিশালী ভাৱে নিৰ্মাণ হৈছে। এই আঁচনিত প্ৰতিটো স্থানত যাতে আমি প্ৰতিনিধি সকলে গৈ ইয়াৰ নিৰীক্ষণ কৰি সময়মতে থিৰ কৰাৰ ক্ষেত্ৰত আমাৰ ৰাইজৰ জনপ্ৰিয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই শেহতীয়াভাৱে প্ৰতিটো উপদেশৰ ওপৰত পৰ্যালোচনা কৰি আছে আৰু প্ৰতিটো ক্ষেত্ৰতে সময় নিৰ্ধাৰিত ভাৱে কাম কৰিবলৈ কৈ আছে। আমাৰ নৱাগত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী হিচাপে যিগৰাকীয়ে দায়িত্ব লৈছে, তেওঁ ইতিমধ্যে নতুন mechanism থিৰ কৰি লৈছে, যাৰ যোগেদি এই জলজীৱনৰ প্ৰতিখন আঁচনিক সময়মতে যাতে কাৰ্য্যক্ষম কৰিব পাৰো, সময়মতে যাতে ঘৰে ঘৰে পানী লৈ যাব পাৰো সেই লক্ষ্য থিৰ কৰা হৈছে। গতিকে, ইয়াত আলোচনা কৰাৰ দৰে এই আঁচনিবোৰে ভয়াৱহ নহয়, বৰঞ্চ আশাৰ বতৰা কঢ়িয়াই আনিছে। মোৰ সমষ্টিত পোটাবোধ বুলি অঞ্চল আছিল, ২০০৬ চনত মই যেতিয়া সমাজৰ ইটো সিটো কামৰ বাবে তাত গৈ থাকো, পানীৰ কাৰণে ৰাইজে তাত খাদ্যৰ যোগান ধৰিব নোৱাৰা হৈছিল। এতিয়া যদি সেই অঞ্চললৈ যাওঁ তাত পাইপৰ যোগেৰে পানী পায়। তাত জলজীৱনৰ পানী আজি উপলব্ধ হৈছে। গতিকে, এই জলজীৱনৰ পানীয়ে স্থানীয় ভাৱে থকা আমাৰ উদ্যোগীসকললৈও আশাৰ বতৰা কঢ়িয়াই আনিছে। ৰাজ্যখনত ১৬ টাকৈ নতুন উদ্যোগ গঢ়ি উঠিছে। স্থানীয় ভাৱে ইয়াত কৰ্ম ক্ষেত্ৰৰ সৃষ্টি হৈছে। স্থানীয় উদ্যোগীকৰণ হৈছে। গতিকে, এই আঁচনিখনে আমাৰ সমাজত সুদূৰ প্ৰসাৰী প্ৰভাৱ পেলাব যাৰ জৰিয়তে আমি এটা সুস্থ মন, সু-স্বাস্থ্য, সুস্থ্য শৰীৰৰ যোগেদি আমি আমাৰ কৰ্মক্ষেত্ৰত আগুৱাই যাবৰ কাৰণে সময়মতে পাবলগীয়া যি পানী, সেই পানী আজি গাঁৱতো উপলব্ধ হৈছে। এই আঁচনিৰ আমি ২০২৪ চনলৈ যি লক্ষ্য স্থিৰ কৰিছো, মই ভাৱো যে ২০২৪ আহিবলৈ আৰু বহুত সময় সন্মুখত আছে। গতিকে, আমি যিটো ক্ষীপ্ৰতাৰে আমাৰ আঁচনিখন ৰূপায়ণ কৰিবলৈ শেহতীয়াকৈ যি যুদ্ধকালীনভাৱে কাম-কাজ আগবঢ়াই নিয়া পৰিলক্ষিত হৈছে, সেই কাম কাজে এই আঁচনি ১০০

শতাংশ সফল ৰূপ দিয়াৰ ক্ষেত্ৰত যে আগবাঢ়িব তাৰ কোনো সন্দেহ নাই। এই আঁচনিত সকলো stakeholderয়ে sincerely চৰকাৰখনৰ এই আঁচনি সফল কৰাৰ ক্ষেত্ৰত এজন নাগৰিক হিচাপে যিখিনি দায়িত্ব আৰু কৰ্তব্য পালন কৰিছে, নাগৰিক সমাজেও এই দায়িত্ব পালন কৰাৰ বাবে, ৰাইজৰ মাজৰ এগৰাকী হিচাপে এই কাম কৰাৰ ক্ষেত্ৰত আগৰণুৱা হৈ কাম কৰিব লাগিব। পানীয়ে প্ৰাণীৰ প্ৰাণ। আমাৰ সকলোকে পানী লাগে। চৰকাৰী পক্ষ বা বিৰোধী পক্ষ নহয়, সকলো অঞ্চলত পানী লাগে আৰু সেই পানী দিব পাৰিব কেৱল মাত্ৰ এই জলজীৱন মিছনে। গতিকে এনেকুৱা এটা মহান পদক্ষেপৰ যোগেদি গোটেই দেশবাসীক এইটো এটা আশাৰ বতৰা আৰু পৰিৱৰ্তনৰ মাজেৰে বিশুদ্ধ আৰু নিয়মীয়া পানী যোগানৰ যোগেদি জনজীৱনলৈ যি পৰিৱৰ্তন, ঐতিহাসিক যি পদক্ষেপ লৈছে তাৰবাবে মই মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক এই সদনৰ পৰাই অলেখ শুভকামনা, ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। আমি আশা ৰাখিছো এই আঁচনিৰ যোগেদি স্থানীয়ভাৱে বহু নিৱনুৱা যুৱকে কৰ্ম সংস্থাপন পাইছে। ৰাজ্যখনত কাম কৰাৰ সুযোগ পাইছে। কোনোবাই যোগনীয়া হিচাপে, কোনোবাই নিৰ্মাণ কৰ্মী হিচাপে, কোনোবাই সজাগতা সভা পতাৰ বাবে সুযোগ পাইছে, কোনোবাই Users Committee ৰ সভাপতি হিচাপে দায়িত্ব লোৱাৰ সুযোগ পাইছে। গতিকে সমাজলৈ বিভিন্ন ধৰণে এই আঁচনিৰ যোগেদি পৰিৱৰ্তন অনাৰ পদক্ষেপ হাতত লৈছে। গতিকে আজি যি দাবী মঞ্জুৰীৰ প্ৰস্তাৱ ইয়াত মাননীয় পানী যোগান আৰু অনাময়ৰ মন্ত্ৰী ডাঙৰীয়াই ইয়াত দিছে, আমি এইটো সমৰ্থন কৰিছো আৰু এই আঁচনি আমি সুদূৰ প্ৰসাৰী কৰিবৰ কাৰণে সকলোৱে যাতে আগবাঢ়ি আহো এই গোহাৰি ৰাখি মোৰ দু-আষাৰ ইয়াতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী নুৰুল হুদা। তেখেত অনুপস্থিত। শ্ৰী আব্দুৰ ৰছিদ মণ্ডল। আপোনাক ৫ মিনিট সময় দিয়া হৈছে।

**শ্ৰী আব্দুৰ ৰশিদ মণ্ডল, (পশ্চিম গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ধন্যবাদ। আমাৰ দলৰ পৰা যি কৰ্তন প্ৰস্তাৱ অনা হৈছে, মই তাৰ সমৰ্থন কৰি দু-আষাৰ মান ক'ব বিচাৰিছো। প্ৰথমতে মই clarify কৰি লওঁ যে মই ক'ব খোজা নাই যে PHE Department ত টকা অতিৰিক্ত হৈ গৈছে আৰু আমি টকা কাটিব বিচাৰিছো। আমি এই কথাৰ দ্বাৰা PHE Department ৰে কৰা কিছুমান ভুল বা কৰণীয় কিছুমান কথা আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী বা চৰকাৰৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো। ইতিমধ্যে আমাৰ দলৰ পৰা কমলাক্ষ দে' পুৰকায়স্থ ডাঙৰীয়াই ধুনীয়াকৈ কৈ গৈছে যে আমাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই ২০২৪ চনৰ সকলোকে পানী দিয়াৰ যিটো লক্ষ্য, এইটোত হয়তো আমি failure হ'বলৈ গৈ আছো। গোটেই ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ ভিতৰত আমাৰ achievement ত সকলোতকৈ পিছত আছো। এই ক্ষেত্ৰত মই প্ৰথমতে জগৰীয়া কৰিম যে কেবিনেটে যেতিয়া সিদ্ধান্ত লৈছিল, মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া SOP ঘোষণা কৰিছিল, দেখা গৈছিল যে বিভাগীয় মন্ত্ৰী আৰু একাংশ ঠিকাদাৰে মিলি সেই সময়ত মুখ্যমন্ত্ৰী ডাঙৰীয়াক যিটো পৰিকল্পনা, তাত বাধাৰ সৃষ্টি কৰি পেকেজ সৃষ্টি কৰি এটা পৰিৱেশ ৰচনা কৰিলে, যাৰ কাৰণে কাম allotment কৰোতে অতিৰিক্ত সময় ব্যয় হয়, যাৰদ্বাৰা গোটেই বিভাগত আজিৰ এই পৰিস্থিতি হৈছে। বৰ্তমান মন্ত্ৰী ডাঙৰীয়াক মই দোষাৰোপ কৰিব বিচৰা নাই। তেখেতে যথেষ্ট তৎপৰতাৰে কাম কৰি আছে সকলোকে বিশ্বাসত লৈ। কিন্তু পেকেজ সৃষ্টিৰ ফলত এনেকুৱা হৈছে যে কিছুমান অনভিজ্ঞ মানুহ, যিসকলে কেতিয়াও জীৱনত PHE বিভাগত কাম কৰা নাই, হয়তো দিছপুৰত কাৰোবাৰ ঘনিষ্ট হোৱা বাবেই ডাঙৰ ডাঙৰ কাম লৈ গৈছে। গোৱালপাৰা জিলাতে প্ৰায় এহাজাৰ

কোটি টকাৰ কাম আছিল। তাৰে প্ৰায় ৭০০-৮০০ কোটি টকাৰ কাম এনেকুৱা মানুহে কৰিছে যিসকল এদিনো গোৱালপাৰা জিলাত যোৱা নাই। কোনোবা 3rd party বা 4th party engage কৰি কামবিলাক কৰিছে।

আৰু এটা defect আছিল যে DPR বনাওঁতে তেওঁলোকে যিবিলাক consultant ব্যৱহাৰ কৰিলে, মই ভাৱো consultant engagement টো এটা ভুল ধাৰণা আছিল। আমাৰ Engineer সকল যথেষ্ঠ সক্ষম আছিল। আমাৰ বিভাগৰ Engineer বা Assistant Engineer বা Juniour Engineer সকল elligible. কি কাৰণত consultant ব্যৱহাৰ কৰিবলগা হ'ল যি consultant য়ে এদিনো field ত নোযোৱাকৈ data কিছুমান আনি estimate বনালে, যি estimate repeatedly change কৰিবলগা হৈছে। যাৰফলত এইটো অত্যাধিক time consuming হ'ল, কামো ঠিক নহ'ল আৰু খৰছো হ'ল। এইটো এটা defect থাকি গ'ল, যিটো মই ভাৱো correction ৰ প্ৰয়োজন আছে।

Next, যিটো 3rd party inspection ৰ কাৰণে যি team বনোৱা হৈছে, আমাৰ Engineer সকলক সন্দেহ কৰাৰ কি প্ৰয়োজন আছে? কিছুমান IAS Officer য়ে বিভাগৰ Principal Secretary বা Secretary পৰ্য্যয়ত কাম কৰি আছে। তেওঁলোকৰ দ্বাৰায়ো inspection কৰিব পাৰিহেঁতেন বা DC বা ADC ৰ জৰিয়তেও inspection কৰিব পাৰিহেঁতেন। কিন্তু এই ক্ষেত্ৰত 3rd party inspection ৰ সিদ্ধান্তটো মই ভাৱো বিভাগে ভুল সিদ্ধান্ত লৈছে।

তাৰোপৰি ইতিমধ্যে এজনে কৈছেও যে আমি অভিজ্ঞতা নোহোৱা পেকেজ আৰম্ভ কৰাৰ কাৰণে স্থানীয় কিছুমান ঠিকাদাৰক বঞ্চিত কৰিলো। আমাৰ চৰকাৰে বিভিন্ন সময়ত নিয়োগৰ কথা চিন্তা কৰে যে আমি শিক্ষিত নিৰনুৱা যুৱক-যুৱতী সকলক চাকৰি দিম। কিন্তু চাকৰিটো সকলোকে দিব নোৱাৰে। তেওঁলোকক কৰ্ম সংস্থাপন দিয়া ই এটা সুবিধা আছিল যে JJM ত যিমান টকা আহিছিল, হাজাৰ হাজাৰ শিক্ষিত লৰা-ছোৱালী empanelment ত গুছি গ'ল। কিন্তু তেওঁলোক সকলোৱে কাম পোৱা নাই। এই সময়ত মন্ত্ৰী ডাঙৰীয়াই সকলোকে engage কৰিছে, সেইটো মই ভাল পাইছো। কিন্তু আগত দেখা গ'ল যে একেলগে ৬০-৭০ কোটি টকাৰ কাম দি সেইবিলাক আকৌ sub ঠিকাদাৰক বিক্ৰী কৰিছিল। ইয়াৰ দ্বাৰা শিক্ষিত নিৰনুৱা যুৱক-যুৱতী সকলকো অন্যায় কৰা হৈছে আৰু গোটেই system টোৰ কামটো বৰ লেহেমীয়া হৈছে। Progress held up হৈছে, যাৰ বাবে আজি অসমে বদনাম ভুগিবলগীয়া হৈছে। সেয়েহে ইয়াৰ পৰা পৰিত্ৰাণ পা বলৈ হ'লে মন্ত্ৰী মহোদয়ে বিশেষ তৎপৰতাৰে এইখিনি আৰু গতিশীল কৰিব বুলি আশা কৰি মই মোৰ বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী বিশ্বজিৎ ফুকন।

**শ্ৰী বিশ্বজিৎ ফুকন, সৰুপথাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি বিধান সভাত যি আলোচনা হৈছে জলজীৱন মিছনৰ বাজেটৰ কৰ্তন প্ৰস্তাৱৰ সম্পৰ্কত, বিৰোধী দলে এনে এটা গুৰুত্বপূৰ্ণ বিষয়ত কৰ্তন প্ৰস্তাৱ আনি যিসকল দুখীয়া ৰাইজে বা আৰ্তজনে এই আঁচনিৰ জৰিয়তে বিশুদ্ধ খোৱাপানী পাবলৈ গৈ আছে, মই ভাৱো যে তেখেত সকলৰ প্ৰতি চূড়ান্ত অন্যায় কৰিছে। কাৰণ স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাক যদি আমি চাওঁ, চৰকাৰৰ প্ৰথম দায়িত্বটোৱে আছিল যে প্ৰতিটো পৰিয়ালক বিশুদ্ধ খোৱাপানী যোগান ধৰিব লাগে, প্ৰতিটো পৰিয়ালক স্বাস্থ্যসন্মতভাৱে ৰাখিব লাগে কিন্তু যোৱা ৭০ টা বছৰ দিল্লীত যিসকল লোকে শাসন কৰিছিল, তেওঁলোকৰ দিনত গ্ৰাম্যাঞ্চলৰ ৫

শতাংশ লোকেও নল যোগেদি বিশুদ্ধ খোৱাপানী পাবলৈ সক্ষম নহ'ল। জনসাধাৰণৰ খোৱাপানী যোগান ধৰাৰ পৰিৱৰ্তে তেওঁলোক ব্যস্ত থাকিল এটা পৰিয়ালক তোষামোদ কৰাত, এটা পৰিয়ালক ৰাজকীয় ভাৱে স্বীকৃতি প্ৰদান কৰাত আৰু জনসাধাৰণৰ যি মূল সমস্যা, সেই সমস্যা সমস্যা হৈয়ে থাকিল। ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ এক যুগান্তকাৰী সিদ্ধান্তৰ ফলস্বৰূপে প্ৰতিখন গাওঁৰ প্ৰতিটো পৰিয়ালত প্ৰতিজন সদস্যৰ বিপৰীতে ৫৫ লিটাৰকৈ পানী প্ৰতিদিনে দিয়াৰ যি সিদ্ধান্ত গ্ৰহণ কৰিছে, মই ভাৱো যে পৃথিৱীৰ ইতিহাসত এনেধৰণৰ এক বিৰল সিদ্ধান্ত কোনেও ল'ব পৰা নাছিল। এনে ধৰণৰ যুগান্তকাৰী সিদ্ধান্তই আমাৰ সমাজ ব্যৱস্থাৰ আমূল পৰিৱৰ্তন কৰিব। কাৰণ আমি সকলোৱে জানো যে পানীয়ে বিভিন্ন ৰোগৰ সৃষ্টি কৰিব পাৰে আৰু বিশুদ্ধ পানীয়ে আমাক সুস্থ ভাৱে ৰাখিব পাৰে। অসমত ২৫ হাজাৰতকৈও অধিক গাঁও আছে। সেই গাওঁ বিলাকৰ জনসাধাৰণে খোৱাপানী সম্পৰ্কত, বিগত সময়ছোৱাত যদি আমি বাতৰিকাকত মেলি চাওঁ, তেতিয়াহ'লে দেখো যে কোনোবাই হয়তো নলাৰ বেয়া পানী খাইছে, কোনোবাই পথাৰৰ পানী খাইছে যাৰ ফলস্বৰূপে ৰোগে আমাৰ সমাজখনক আক্ৰান্ত কৰিছিল। জলজীৱন মিছনৰ জৰিয়তে ২৫ হাজাৰতকৈও অধিক গাওঁত বিশুদ্ধ খোৱাপানী যোগান ধৰা যি আঁচনি, এই আঁচনিয়ে আমাক প্ৰথমতে সকলোকে নিৰোগী হোৱাৰ দিশত এটা খোজ আগবাঢ়ি যোৱাত সুবিধা কৰি দিব।

দ্বিতীয়তে, ২৫ হাজাৰ গাঁৱত যেতিয়া ২৫ হাজাৰ আঁচনি হৈছে আৰু প্ৰত্যেক আঁচনিৰ জৰিয়তে একোজনকৈ যুৱকে ৭০০০ টকা পাব জল মিত্ৰৰ জৰিয়তে, আঁচনি ৰূপায়ণ কৰিবৰ বাবে, গতিকে এই ২৫ হাজাৰ যুৱকৰ সংস্থাপন দিশতো এই আঁচনি আগবাঢ়িছে।

অসম চৰকাৰে যি ১ লাখ নিবনুৱা সংস্থাপনৰ কথা কৈছিল সেই নিবনুৱা সংস্থাপনৰ ১ লাখৰ উপৰিও আৰু ২৫ হাজাৰ নিবনুৱাই তেওঁলোকৰ কাম-কাজ কৰিব পাৰিব। দ্বিতীয়তে, তেওঁলোকে সেই অঞ্চলত Skill Development Department ৰ পৰা training দিয়া হ'ব আৰু তেওঁলোকে পাইপ লাইনৰ ত্ৰুটিহে হওঁক বা সৰু -সুৰা electrical problem হওঁক সেইবিলাক ক্ষেত্ৰতো তেওঁলোকে কাম কৰিব পাৰিব। গতিকে এনেধৰণৰ এখন যুগান্তকাৰী আঁচনিৰ বিৰুদ্ধে আমি যদি ক'বলৈ যাওঁ তেতিয়াহ'লে নিসন্দেহে আৰ্তজনৰ বিৰুদ্ধে বা দুখীয়া লোকৰ বিৰুদ্ধে ক'বলৈ যোৱা হ'ব। মোৰ এইখিনি কথা কৈ থাকোতে এটা কথা মনত পৰিছে, আমাৰ অসমৰ পৰা গৈ ভাৰতবৰ্ষৰ গৌৰৱ কঢ়িয়াই অনা লাভলিনা বৰগোঁহাঞিৰ কথা। এই পবিত্ৰ সদনত লাভলিনা বৰগোঁহাঞিৰ কথা ইতিমধ্যে আলোচনা হৈছে। লাভলিনা যেতিয়া স্কুলত আছিল, class-vi ত, তাই ঘৰত নিজে এটা পুখুৰী খন্দাৰ কাম কৰিছিল।

দ্বিতীয়তে কিছুসংখ্যক সন্মানীয় বিৰোধী সদস্যই ক'ব বিচাৰিব যে এই আঁচনি ৰূপায়ণ ভাল হোৱা নাই। কিন্তু মই ভাবো যে আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত আটাইতকৈ আটাইতকৈ গধুৰ গুৰুত্বপূৰ্ণ দায়িত্ব হ'ল স্থানীয় বিধায়কৰ । মোৰ সমষ্টিত কোনোবাই যদি এক মিটাৰ গভীৰতাৰ সলনি ছয় ইঞ্চি গভীৰতাত পাইপ পুতিছে সেইটো চোৱাৰ দায়িত্ব ইয়াৰ পৰা গৈ মন্ত্ৰী মহোদয়ে পালন কৰিব নোৱাৰিব। মই বিধায়ক হিচাপে সেইবিলাক চকু দিব লাগিব। মোৰ লগত যিবিলাক মানুহ , দলৰ মানুহ বা যিবিলাক সমাজৰ মানুহ আছে মই তেওঁলোকক নজৰ দিব ক'ব লাগিব। মোৰ নেতৃত্বত মোৰ সমষ্টিত বিভাগৰ কাম কাজ যাতে ভাল হয় সেই ক্ষেত্ৰত কঠোৰ নীতি নিয়মমতে কাম কৰাৰ বাবে মই বাধ্য কৰিব লাগিব। যাতে চৰকাৰৰ নীতি নিৰ্দ্দেশনাৰ বিপৰীতে গৈ কোনেও আঁচনিৰ কাম বেয়া কৰিব নোৱাৰে । এতিয়া অসম চৰকাৰে দহ শতাংশ দিয়াৰ ফলত চাৰিশ যোল্ল কোটিৰ বিপৰীতে চাৰি হাজাৰ কোটি টকাৰ আঁচনি হ'ব । এই আঁচনি কেৱল শাসক দলৰ বাবেই

নহয় , এই আঁচনি বিৰোধী দলকো উপকৃত কৰিব । বিৰোধী দলৰ বিধায়কৰ সমষ্টিতো যাতে এশ শতাংশ কাম হয় চৰকাৰে এই কথাটো বিশেষভাৱে মন কৰিছে। আৰু প্ৰতিগৰাকী ব্যক্তিৰ বিপৰীতে যাতে ৫৫ লিটাৰকৈ পানী পায় তাৰ প্ৰতি লক্ষ্য ৰাখিছে । ইয়াৰ লগতে আঁচনি স্বচ্ছতাৰ বাবে থাৰ্ড পাৰ্টি ইন্সপেকশ্যনৰ ব্যৱস্থা আছে । ইয়াৰ জৰিয়তে ক'ৰবাত যদি ত্ৰুটি থাকি গৈছে- ত্ৰুটি থাকি যাব পাৰে কাৰণ এই ব্যৱস্থা একেদিনত সৃষ্টি হোৱা ব্যৱস্থা নহয় যদি ত্ৰুটি থাকি গৈছে তেন্তে থাৰ্ড পাৰ্টি ইন্সপেকশ্যনৰ জৰিয়তে সমাধান কৰাৰ ব্যৱস্থা কৰা হ'ব । ইয়াৰ লগতে আঁচনিৰ যিবিলাক ডি পি আৰ বনোৱা হৈছে সেইবিলাক কেৱল জনস্বাস্থ্য বিভাগৰ ইঞ্জিনিয়াৰ সকলৰ দ্বাৰাই বনোৱা নাই ইয়াৰ বাবে বেলেগ বেলেগ এজেন্সিক দায়িত্ব দিয়া হৈছে । ২৫ হাজাৰ আঁচনিৰ বিপৰীতে ২৫ হাজাৰ এষ্টিমেট বা ডিপিআৰ বনাব পৰাকৈ হয়তো আমাৰ ইনফ্ৰাষ্ট্ৰাকচাৰ নাই ক'ৰবাত কপি পেষ্ট হোৱাৰ ভয় আছিল। সেই কাৰণে টেকনিকেলী এক্সপাৰ্ট নিউট্ৰেল এজেন্সীৰ দ্বাৰা ডি পি আৰ বনোৱা হৈছে । আৰু ডি পি আৰ ষ্টেট লেভেল চিলেকশ্যন কমিটিয়ে এপ্ৰোভ কৰিছে। মই ভাবো আজি বিৰোধী দলৰ প্ৰস্তাৱ হ'ব লাগিছিল যে ইয়াতকৈ অধিক টকা ইয়াত সংযোগ কৰিব লাগে , এই বিভাগক আৰু অধিক শক্তিশালী কৰিব লাগে । মই আজি এই খিনি কথা কৈ এই কৰ্তন প্ৰস্তাৱ একেবাৰে ভিত্তিহীন বুলি মত আগবঢ়াই এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্যৰ সামৰণি পেলালো । ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ । এতিয়া শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ)

**শ্ৰীআমিনুল ইছলাম, (মানকাছাৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি আমাৰ দলে যি কৰ্তন প্ৰস্তাৱ আনিছে , এই কৰ্তন প্ৰস্তাৱক সমৰ্থন কৰি দুআষাৰ ক'বলৈ দিয়াৰ বাবে আপোনাক ধন্যবাদ জ্ঞাপন কৰিলো। মই বেছি টেকনিকেল পইন্টত যাব খোজা নাই । বেচিকেলী জল জীৱন মিছনৰ জৰিয়তে বৰ্তমান যিখিনি আমাৰ তাত ঘটি আছে বা আমি ফিল্ডত ডিফিকাল্টিছৰ সন্মুখীন হৈছো সেইখিনিৰ ওপৰত কিছু কথা আগ বঢ়াব খুজিছো । মুল কথাটো হ'ল প্ৰেক্টিকেলী যিটো কথা যে আমাৰ অসমত পানীত আৰ্চেনিক আৰু ফ্ল'ৰাইড থকা বুলি বিভিন্ন সময়ত উত্থাপিত হৈ আহিছে লগতে বিশেষকৈ মানকাছাৰ জিলাৰ দক্ষিণ শালমাৰাত ফ্ল'ৰাইড আৰু আৰ্চেনিক পানী বহু ঠাইত ধৰা পৰিছে আৰু যাৰ ফলত আমাৰ গোটেই ভাৰতবৰ্ষৰ ভিতৰত ইয়াৰ ফলত হোৱা দিব্যাঙ্গ জন মানকাছাৰ জিলাৰ দক্ষিন শালমাৰাত ধৰা পৰিছে । সেই কাৰণে মই উৎসাহিত হৈছিলো যে অন্তত জলজীৱন মিশ্যনৰ জৰিয়তে বিশুদ্ধ খোৱা পানী পাব আৰু মানুহখিনি উপকৃত হ'ব । কাৰণ আমি জানো যে সকলো বেমাৰ পানীৰ কাৰণে হয়। কিন্তু আমি প্ৰেক্টিকেলী দেখিলো যে বৰ্তমান যিবিলাক কাম সম্পূৰ্ণ হৈছে তাৰ ভিতৰত পানীৰ যিবোৰ পাইপ ৰাস্তাৰ কাষে কাষে দিয়া হৈছে । আমাৰ সেই অঞ্চলবিলাকৰ ৰাস্তা ঘাটবিলাক বহল কৰিব লগা হয় তেন্তে এই পাইপবোৰ আকৌ উঠাব লাগিব। তাৰ ফলত আকৌ এই প্ৰজেক্টটো ফেইল হৈ যাব । কাৰণ ষ্টেট হাইৱেৰ ৰাস্তাবিলাক যিহেতু বহল কৰি থকা হৈছে । আৰু ২০০-৩০০ পৰিয়ালৰ পানী পোৱাৰ বাবে যি পাইপৰ ব্যৱস্থা কৰিছে সেই পাইপবিলাক মাত্ৰ দুই ইঞ্চি । এই বিলাক আমট্ৰ'ন আৰু কিছুমান কোম্পানীৰ জৰিয়তে বহুওৱা হৈছে । কিন্তু পৰৱৰ্ত্তী সময়ত দেখিছো যে, দুই ইঞ্চি পাইপেৰে ২০০-২৫০ পৰিয়ালে পানী পাব লগা হয় সেইখিনি কিমানখিনি সমীচিন আৰু এই পাইপৰ লগত যিবিলাক টেপ দিছে এইবিলাকৰ কোনো প্ৰটেকশ্যন নাই । তাৰ ওপৰিও এই যিটো ৫৬ লিটাৰ পানী দিব সেইটো এই ৫৬ লিটাৰ পানী আমাৰ এটা পৰিয়ালৰ বাবে চাফিচিয়েন্ট হয়নে নহয় । কেৱল খোৱা আৰু ৰন্ধা বঢ়া কৰাৰ বাবে পানীখিনি দিয়া হ'ব । এই পানীখিনি দিয়াৰ বাবে যিখিনি বিদ্যুতৰ প্ৰয়োজন হ'ব

সেইখিনি বিদ্যুত যোগান আমাৰ তাত নাই । মোৰ সমষ্টিত দিনটোত ৩-৪ ঘন্টাহে কাৰেন্ট থাকে । কাৰেন্ট নাথাকিলে যিটো জেনেৰেটৰৰ ব্যৱস্থা কৰা হৈছে এই চিষ্টেমত মটৰটো মেক্সিমাম পাঁচ হৰ্চ পাৱাৰ টু নাইন হৰ্চ পাৱাৰ লাগে। যথেষ্ট কমপ্লেইন কৰা হৈছে কিন্তু এতিয়াও এই বিলাকৰ কোনো সংশোধন হৈ উঠা নাই । এই কাৰেন্টৰ ব্যয় কোনে বহন কৰিব ? প্ৰতিটো ফেমিলিয়ে এটা টকা ফিক্সড কৰি ৰাখিব লাগিব। আমাৰ তাত য'ত ১৫ ফুট-২০ ফুট তলত টিউৱেলৰ দ্বাৰা পানী পাওঁ তাত পইচা দি পানী খোৱা কনচেপ্টটো এষ্টাব্লিচমেন্ট কৰিব পাৰিম নে সন্দেহ আছে। আমাৰ তাত চৰকাৰী মাটি পোৱাটো সমস্যা। প্ৰাইভেট লেণ্ড দিয়া যিখিনি মানুহ আছিল তেওঁলোকৰ ঘৰত এটা চাকৰি দিয়াৰ কথা কোৱা হৈছিল আৰু মাহে ছয় হাজাৰকৈ টকা দিয়াৰ কথা কোৱা হৈছিল। দুশ- তিনিশ ফেমিলি হ'লে তিনি - চাৰিটা পাইপৰ আৰ্ম হয় । পাইপ চেঞ্জ কৰাৰ বাবে এজন মানুহে তাত দিনটোৰ বাবে লাগি থাকিব লাগিব আৰু তেওঁক যিটো ছয় হাজাৰ টকা দিব এইটো চাফিচিয়েন্ট হ'বনে ? আৰু লেণ্ডটো যদি চৰকাৰী লেণ্ড হয় তেন্তে এই কেয়াৰ টেকাৰ জনক চিলেকশ্যন কৰাৰ দায়িত্বটো কোনে ল'ব ? এইবিলাক সমস্যা আমাৰ তাত যথেষ্ট আছে । আমাৰ মানকাছাৰ জিলাৰ দক্ষিণ শালমাৰা এখন উৎকৰ্ষ ডিষ্ট্ৰিক্ট হিচাপে ডিক্লিয়েৰ কৰা হৈছে । ভাৰতবৰ্ষৰ জলজীৱন মিশ্যনৰ জৰিয়তে গোটেই ভাৰতবৰ্ষৰ ১০ খন জিলাক-উৎকৰ্ষ জিলা হিচাপে ডিক্লিয়েৰ কৰিছে। উত্তৰ পূৰ্ব্বাঞ্চলত দুইখন জিলা, নাগালেণ্ডৰ এখন জিলা আৰু অসমৰ একমাত্ৰ জিলা মানকাছাৰৰ দক্ষিণ শালমাৰা উৎকৰ্ষ জিলা হোৱাৰ পিচত আমি প্ৰতিঘৰে পানী পাব বুলি যিটো কনচেপ্ট পাইছো কিন্তু তাৰ বিপৰীতে আমাৰ তাত পাহাৰ য'ত পানীৰ অভাৱ, আমাৰ যিখিনি পৰ্ব্বতীয়া অঞ্চল আছে তাত কেৱল তিনিটা প্ৰজেক্ট মাত্ৰ এতিয়ালৈ ভাইয়েবল্ হৈ আছে আৰু কোনো প্ৰজেক্টত তাত পানী দি থকা নাই । এই কথাটো আমি যদি আমি চিন্তা কৰো যে তাত পানী কেনেকৈ সম্ভৱ হ'ব, কেনেকৈ পানী দিয়া হ'ব , এতিয়ালৈকে বিভাগে মোক কিন্তু কোনো ধৰণৰ উত্তৰ দিব পৰা নাই । থাৰ্ড পাৰ্টিৰ জৰিয়তে যিটো ইন্সপেকশ্যনৰ কথা কোৱা হৈছে । থাৰ্ড পাৰ্টি যিটো ইন্সপেকশ্যন কৰে তাৰ লগত লোকেল ৰিপ্ৰেজেন্টেটিভক লৈ ৰিভিউ কৰাৰ বাবে আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই নিৰ্দ্দেশ দিছিল । কিন্তু আজিলৈকে কোনো (DC)য়ে অসমত বোধ হয় লোকেল এম এল এক লৈ ৰিভিউ মিটিঙ কৰা নাই । আমাৰ তাতো কোনো ৰিভিউ মিটিঙ হোৱা নাই । বা কোনো মিটিঙৰ ইনভাইটেশ্যনো পোৱা নাই । আজি নতুনকৈ যিটো পেকেজ চিষ্টেম কৰিছে আমি দেখিছো যে কিছু ডাঙৰ ডাঙৰ কোম্পানীয়ে পাইছে, লাষ্ট যিটো আগতে দিয়া হৈছিল আমি দেখিছো যে ত্ৰিশটা - চল্লিশটা প্ৰজেক্ট এজন এজন কনট্ৰেক্টৰে লৈছিল । সেই কনট্ৰেক্টৰসকলে এদিনো গ্ৰাউণ্ডত যোৱা নাই । মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ দিম যে, মোৰ জিলাত ৪৬ টা স্কীম আগৰ কনট্ৰেক্টৰৰ পৰা কেনচেল কৰিছে । আমাৰ কথা হ'ল আমাৰ ইণ্ডিভিজুৱেল যিখিনি সৰু সুৰা আমাৰ লোকেল কনট্ৰেক্টৰে কাম কৰিছে - তাত দুটা কথা থাকে আমি লোকেল ল'ৰাক কনট্ৰেক্ট দিব পাৰিছো এটা এটাকৈ হ'লেও কাৰণ লোকেল ল'ৰাৰ প্ৰতি, ঠাইৰ প্ৰতি আমাৰ দায়িত্ব আছে । আৰু পানী ওলাইছে নে ওলোৱা নাই সেই লোকেল কনট্ৰেক্টৰক ৰাইজে ধৰিব পাৰে। কিন্তু ডাঙৰ ডাঙৰ কনট্ৰেক্টৰে এদিনো ফিল্ডত নাযায়। তাত কিছুমান ল'ৰাক দায়িত্ব দিয়া হয়। তেখেত সকলে কাম কৰে কোনো অভিযোগ দিব নোৱাৰে। যিয়ে অভিযোগ দিয়ে তেওঁৰে উল্টা সিকনি খাই আহে। এনেকুৱা আমি দেখিছো ডাঙৰ ডাঙৰ ঠিকাদাৰৰ জৰিয়তে কাম কৰাৰ বাবে এইটো অৱস্থা হৈছে। সেই কাৰণে তাৰ যদি লোকেল ল'ৰাক, যিখন গাঁৱৰ বা যিটো অঞ্চলৰ বা যি সমষ্টিৰ কাম হ'ব সেই সমষ্টিৰ যদি লোকেল ল'ৰাই কাম কৰে তেতিয়াহলে যথেষ্টখিনি

ফলৱতী হ'ব বুলি মই ভাৱো। এতিয়া আমি দেখিছো যে আমাৰ GST ৰ ক্ষেত্ৰত, তেতিয়া দিয়া হৈছে ১২ শতাংশ জি এচ টি ৰ কথা কোৱা হৈছে। এতিয়া দেখিছো লোৱাৰ সময়ত ১৮ শতাংশ জি এচ টি লৈ আছে। এই remaining 6% GST যিটো থাকিব, এই 6% GST টো কোনে দিব সেই কথাটো আমাক ঠিকাদাৰ সকলে সোধে। আমি কওঁ যে এইটো matter নহয়। আমি এইটোৰ সিদ্ধান্ত ল'ব পৰা নাই। এই ক্ষেত্ৰত দেখিছো যথেষ্ট খেলি-মেলিৰ সৃষ্টি হৈ আছে যে 6% GST টো কোনে এইটো কৰিব। আমি উত্তৰ পাৰৰ জিলা হিচাপে দক্ষিণ শালমাৰা, মানকাছাৰ জিলাত এতিয়ালৈকে যিখিনি কাম চলি আছে, কামৰ মানদণ্ড অত্যন্ত নিম্ন আমি দেখা পাইছোঁ। একেদিনাই আমাৰ জৰিয়তে ১৩ টা, ১৪ টা programme তেখেত সকলে inauguration কৰিব লৈ যায়, আগৰ যিখিনি rectrofit ৰ কাম আছিল, আমি সুধিলো ১৩ টা, ১৪ টা কিয় একেদিনাই লৈ গৈছে? তেখেতে কৈছে যে আপোনাৰ সময় বচাইছোঁ। পিছত মই চিন্তা কৰিলো যে নহয় আগতে মোক সম্পূৰ্ণ দুটা দেখাওক। এটা Programmeও মোক সম্পূৰ্ণ পানী first ৰ পৰা last লৈকে এটা programmeতো পানী দেখুৱাব পৰা নাই। লাষ্টলৈকে এটা প্ৰগ্ৰেমতো নল বিলাকত পানী ওলাই যাব পৰা নাই। আমাৰ কথাটো হৈছে যে আজি যদি এনেকুৱা এটা অৱস্থা জি জি এম ৰ যিটো purpose যে প্ৰতি ঘৰে ঘৰে পানী দিয়া আমি এই mission ক ধন্যবাদ জনাইছোঁ। কিন্তু practically আমাৰ অসমত আমি কিমান খিনি মানুহক পানী দিব পাৰিম, কিমান ঘৰ মানুহে পানী পাব আৰু বিকল্প যিখিনি পানীৰ ব্যৱস্থা সেই বাকী খিনি পানী ক'ৰ পৰা পাব আকৌ টিউবেল থাকিব লাগিল, তাৰমানে এটা sufficient পানী দিয়াৰ কোনো ব্যৱস্থা ইয়াত আমি দেখা নাই। জি জি এম ত আমি যিটো দেখিছো আজি 3rd party inspection ত গৈছে, তাৰ পিছত তেখেত সকলে যদি inspection কৰিছে, ইয়াত কেনেকৈ তেখেত সকলে green signal দি আছে, কেনেকৈ তেখেত সকলে bill pass ৰ কাৰণে দি আছে? মই যোৱা প্ৰায় পাঁচ, ছয় মাহ আগত কৈ গৈছিলো এই তিনি চাৰিটাত পানী দিব পৰা নাই আপোনালোকে দুই ঘন্টা চলাওক, তিনি ঘন্টা চলাওক, কিন্তু মোক দেখাওক যে last moment য়ে পানী পাইছে। নেদেখাৰ কাৰণে মই তেখেতসকলক ক'লো যে এইটোৰ bill আপোনালোকে নিদিব, যেতিয়ালৈকে পানীটো লাষ্ট মানুহ ঘৰলৈকে নাপায় প্ৰতি ঘৰে ঘৰে পানী নাপায় তেতিয়ালৈ বিল ৰিলিজ নকৰিব। এতিয়া তেখেত সকলে কৈ আছে যে বিলটো হৈয়ে গ'ল এইটোৰ। মই ক'লো যে কেনেকৈ হ'ল, মইটো না ক'লো আপোনালোকক? তেতিয়া ক'লে যে ছাৰ 3rd party inspection কৰি দি গৈছে। 3rd party য়ে যদি এনেকুৱাকৈ inspection কৰি তেখেত সকলক green signal দি দিয়ে তেতিয়াহলে পানী কেনেকৈ পাব আৰু purposeটো কেনেকৈ চাৰ্ফ হ'ব? আমি দেখিছো যে ইয়াৰ আগতেও অঙ্গনবাড়ী আৰু স্কুল বিলাকৰ যি বোৰ সৰু সৰু এক লাখ ৬৫ হাজাৰ, এক লাখ টকীয়া যিবোৰ scheme আছিল প্ৰায় দুই বছৰ হৈ গ'ল, তেখেত সকল সৰু Contractor, local contractor যিবোৰ আছে, প্ৰতিটো সমষ্টিত আছে। সেই মানুহ সকলে আজিলৈকে bill পোৱা নাই। আৰু এটা কথা আমি দেখিছো যে আমাৰ Honorarium আঁচনিৰ ক্ষেত্ৰত।

**মাননীয় অধ্যক্ষ ঃ** এক মিনিট আছে।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ)(মানকাচাৰ) ঃ** Honorarium আঁচনিত দেখিছো যে আটাইতকৈ বেয়া অৱস্থা, Honorarium আঁচনিৰ যিটো অৱস্থা এই কথা কব খুজিছোঁ। Practically যিমান খিনি Honorarium আঁচনি হ'ব লাগে, মোৰ দক্ষিন শালমাৰা মানকাছাৰ জিলাৰ কথা কৈছো যেতিয়া ধুবুৰী জিলাত আছিল তেতিয়াও আমি এই ভিজিলেন্স এণ্ড মনিটৰিং কমিটীয়ে এই কথাটো

কৈ আহিছিলো যে তাত instruction দিব লাগে। ১২ হাজাৰ honorarium আঁচনি হৈ গৈছে, ইমান আঁচনি হোৱাৰ পিছতো তাৰ quality ইমান নিম্ন, মানে দৰ্জাটো গজালেৰে মাৰে, এটা ক ব্জা নলগায়। টিন বিলাক কাগজৰ নিচিনা পাতল। আজিৰ দিনত কোনো তেনে ঘৰৰ ওপৰত টিন নাই। যিখিনি কৰা হৈছে সেইখিনিতকৈ তিনিগুণ প্ৰায় কাম দেখুৱা হৈছে। সৰু সৰু স্কুলৰ ল'ৰা-ছোৱলী লৈ বিভিন্ন এঙ্গেলৰ পৰা ফটো সলনি কৰি কৰি মাৰি সেই বিলাক কৰা হৈছে। এইবিলাকৰ ক্ষেত্ৰত যদি এটা উপযুক্ত তদন্তৰ ব্যৱস্থা কৰা নহয় মই ভাৱো সেই সমষ্টি, যিবোৰ NGO ক দিয়া আছে, সেই এন জি অ' বিলাকক দিয়া অধিকাৰ তেখেত সকলৰ, কাম দিয়াৰ অধিকাৰো সেই বিষয়া সকলৰ।

**মাননীয় অধ্যক্ষ ঃ** হ'ব, ধন্যবাদ। এতিয়া শ্ৰীহেমাঙ্গ ঠাকুৰীয়া।

**শ্ৰীআমিনুল ইছলাম (কনিষ্ঠ, মানকাচাৰ) ঃ** Instruction কৰাৰ অধিকাৰো তেখেত সকলৰ, ক্লিয়াৰেন্স certificate দিয়া অধিকাৰো তেখেত সকলৰ, পইচা দিয়াৰ অধিকাৰো তেখেত সকলৰ। সেই কাৰণে মই কব বিচাৰিছো যে এই যিটো ব্যৱস্থাৰ সৃষ্টি কৰিছে, সেই ব্যৱস্থাৰ এটা আমোল পৰিবৰ্তনৰ প্ৰয়োজন আছে, otherwise যিটো ক্ষেত্ৰত আমাৰ honorarium আঁচনি আৰু পানী যোগান আঁচনি এইটো কিন্তু ব্যৰ্থ হ'ব, তাৰ আমি পৰিকল্পনা দেখা পাইছো, এই ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱাৰ প্ৰয়োজন আছে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰীহেমাঙ্গ ঠাকুৰীয়া।

**শ্ৰীহেমাঙ্গ ঠাকুৰীয়া (পলাশবাৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, জল জীৱন মিছন আঁচনি এখন অত্যন্ত গুৰুত্বপূৰ্ণ আঁচনি। আমাৰ দেশৰ মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এটা সপোন দেখিছিল, যে যিদৰে ভাৰতবৰ্ষৰ গাঁও অঞ্চলত ৰাইজে বিশুদ্ধ পানী পোৱাৰ কাৰণে হাঁহাকাৰ কৰি আছিল, সেই সময়ত তেখেতে এখন আঁচনিৰ কথা ভাৱিছিল, জল জীৱন মিছন আঁচনি। যি খন আঁচনিৰ জৰিয়তে তেওঁ ভাৰতবৰ্ষৰ সকলো ৰাইজক বিশুদ্ধ খোৱা পানী যোগানৰ ব্যৱস্থা কৰাৰ পৰিকল্পনা হাতত লৈছিল আৰু সেইটোৰ কাৰণে তেখেতে জল জীৱন আঁচনিখন অত্যন্ত গুৰুত্ব সহকাৰে লৈছিল আৰু implementation ৰ কাৰণে অত্যন্ত গুৰুত্বসহকাৰে লৈছে। ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময় চোৱাত, সেইটো নকলেও হ'ব, স্বাধীনতাৰ বেছি সময়চোৱাত কোন আছিল দেশত, কোন চৰকাৰ আছিল এইটো নক'লেও হ'ব। কোনো চৰকাৰে আগতে তেনেকুৱা ধৰণৰ আঁচনি গ্ৰহণ কৰা নাছিল। মাননীয় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই প্ৰথম বাৰৰ কাৰণে, বিশ্বত তেনে ধৰণৰ পানীক লৈ ইমান ডাঙৰ আঁচনি কেতিয়াও গ্ৰহণ কৰা নাছিল। মাননীয় দেশৰ প্ৰধান মন্ত্ৰীয়ে এনেকুৱা ধৰণৰ এখন আঁচনি আনিছিল যি আঁচনিৰ জৰিয়তে ভাৰতবৰ্ষত বসবাস কৰা ১৯ কোটি ৩৬ লাখ family ক পানী দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে তেওঁ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু সেই মৰ্মে আজি যি দৰে implementation কৰিছে, আজি বৰ্তমান দেখা গৈছে যে ২০২২ চনৰ বৰ্তমান দেশত ১০ কোটি ৭৮ লাখ ৫১ হাজাৰ ১৯ টা পৰিয়ালক ইতিমধ্যে পানী দিয়াৰ ব্যৱস্থা হৈছে। অসমৰ ক্ষেত্ৰতো মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াৰ নেতৃত্বত আমাৰ বিভাগীয় মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত যথেষ্ট তৎপৰতাৰে ইতিমধ্যে জল জীৱন মিছনৰ কাম আৰম্ভ হৈছে আৰু আমি জানো অসমত যি ২৬ হাজাৰ ৩ শ ৯৫ খন যি গাঁও আছে, তাত বসবাস কৰা ৬৫ লাখ পৰিয়ালক ইতিমধ্যে জল জীৱন মিছনৰ জৰিয়তে পানী দিয়াৰ ব্যৱস্থা কৰাৰ কাৰণে আমাৰ চৰকাৰ খনে মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যথেষ্ট তৎপৰতাৰে কাম ইতিমধ্যে আগবঢ়াইছে। দেখা যায় যেতিয়ালৈকে জল জীৱন মিছন হোৱা নাছিল সেই আগমুহূৰ্তত ১৫ আগষ্ট, ২০১৯ চনত তেতিয়া ১ লাখ ১১ হাজাৰ মানুহৰে মাত্ৰ পানীৰ সংযোগ আছিল। বৰ্তমান দেখা গৈছে যে এতিয়া ২০২২ চনত ২৭ লাখ ৫২ হাজাৰ

পৰিয়ালক ইতিমধে সংযোগ দিয়া হৈছে আৰু প্ৰায় 41% মানুহ ইতিমধ্যে ক'ভাৰ কৰা হৈছে। মই নিজৰ অঞ্চলৰ কথা কব লাগিব, কামৰূপৰ উদাহৰণে দিও, অন্য সমষ্টিৰ কথা নাজানো, নিজৰ আমাৰ যি দক্ষিণ কামৰূপ অঞ্চল আছে সেই অঞ্চলতো মানুহে এটা সময়ত বিশুদ্ধ খোৱা পানীৰ কাৰণে যথেষ্ট সমস্যাৰ সন্মুখীন হৈছিল আমি নিজেও ভুক্তভোগী। মানুহে খোৱা পানী বিচাৰি এক কি.মিটাৰ, দুই কি. মিটাৰ তেনেকুৱা পৰ্য্যন্ত যাব লগীয়া হৈছিল। মহিলা সকলে কলহ লৈ দূৰলৈ যাব লাগিছিল পানী বিচাৰি। তেনেকৈ বিভিন্ন সমস্যা আছে। নদীৰ পানী খাব লাগিছিল, পুখুৰীৰ পানী খাব লাগিছিল আৰু নাদ বহোৱাৰ ব্যৱস্থা কৰিব লাগিছিল। বিভিন্ন জন ব্যক্তি নাদ বহোৱাৰ ক্ষেত্ৰত মৃত্যুবৰণ কৰিব লগীয়া হৈছিল। তেনেকুৱা বিভিন্ন জলন্ত সমস্য আমাৰ দক্ষিণ কামৰূপ অঞ্চলতো মই নিজে দেখিছোঁ আৰু সেই দক্ষিণ কামৰূপৰ ৰাইজে যেতিয়া জল জীৱন মিছন আঁচনিৰ কাম আৰম্ভ কৰা দেখিছে ৰাইজ উৎফুল্লিত হৈছে। মই এটা সৰু উদাহৰণ দিওঁ, প্ৰকৃত তথ্যখিনি কৈছো, আমাৰ বকো, ছয়গাওঁ আৰু পলাশবাৰী তিনিটা অঞ্চল আছে দক্ষিণ কামৰূপত। বকো অঞ্চলত যোৱা ফেজত ৯৯ টা আঁচনি ইতিমধ্যে দিয়া হৈছিল আৰু ৭৪ টা কাম সম্পূৰ্ণ হৈছে। ছয়গাঁৱত ৯৭ টা আঁচনি দিয়া হৈছে তাৰে ৭৬ টা ইতিমধ্যে সম্পূৰ্ণ হৈছে, পলাশবাৰীত ৯১ টা কাম দিয়া হৈছিল তাৰে ৭৫ টা কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। ইয়াৰ অৰ্থ এইটো যে, মই ৰুলিং পাৰ্টিৰ বিধায়ক আছো, পলাশবাৰীত ক'ত বেছিকৈ পাইছে বিৰোধী বুলি কাকো আমাৰ চৰকাৰে ভবা নাই। ইতিমধ্যে ২৬৭ টা যি অনুমোদন হৈছিলে তাৰে ২২৫ টা সম্পূৰ্ণ হৈছে, তাত ভালদৰে ঠিকাদাৰ সকলে কাম কৰিছে। মাননীয় মন্ত্ৰী মহোদয়ৰ নেতৃত্বত তাৰে যি SDO, কাৰ্য্যবাহী অভিযন্তা আছে আজি নিজে নিজে গৈ পৰিভ্ৰমন কৰি আছে। গোটেই কাম বিলাক তদাৰক কৰি আছে। বৰ্তমান যি নতুন আঁচনি দিয়া হৈছে, ইয়াতো ৰুলিং পাৰ্টিৰ বিধায়কে ক'ম পাইছে, পলাশবাৰী ৫০ টা, বকোত ১৬১ টা আৰু ছয়গাঁৱত ১৩০ দিয়া হৈছে। চব কা চাথ চব কা বিকাশ যিটো আমাৰ মাননীয় মোডী ডাঙৰীয়াৰ শ্লোগান, মাননীয় মুখ্যমন্ত্ৰীৰ শ্লোগান তাৰে বাস্তৱত এইটো এটা বাস্তৱৰ প্ৰেকটিকেল উদাহৰণ। ইয়াৰ উপৰিও এটা সময়ত আমি যেতিয়া পঢ়িছিলো সেই সময়ত আমি প্ৰায় স্কুল বিলাকত দেখা পাইছিলো দমকল আছিল, দমকলত পানী আছিলে এটা সময়ত। যিহেতু গোটেই পৃথিৱীতে পানীৰ লেভেলটো কমি গৈছে, দমকলত আজিকালি পানী নোলায়। আগৰ যি ১৫ বছৰীয়া চৰকাৰ দেখিছিলো, সেই সময়ত কিন্তু যথেষ্ট খোৱা পানী ১ কিঃমিঃ বাদ খোজ কাঢ়ি গৈ পানী খাবলগীয়া হৈছিল। বৰ্তমান যি দেখা যায় অসমৰ ৪৫৭৯০ খন স্কুল যি আছে, বৰ্তমান আজি তাৰিখত ৩৭৮২৯ খন স্কুলত ইতিমধ্যে running water ৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও এটা সময়ত অংগনবাদী চেন্টাৰ বুলি ক'লে কোনো চৰকাৰে নাচাইছিল, এনেই থাকিব লাগে আছে। তাত কি ধৰণে কেনে পৰিবেশত লৰা-ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিছিল কোনেও চাব নগৈছিল। মাননীয় মুখ্যমন্ত্ৰীৰ যি মডেল অংগনবাদী চেন্টাৰ লগতে running water ৰ ব্যৱস্থাও কৰা হৈছে। ইতিমধ্যে অসমত যি ৩৯২৩৬ টা আমাৰ অংগনবাদী চেন্টাৰ আছে, সেই ৩৯২৩৬ টা ৰ ভিতৰত ২৬৯৪০ টাত ইতিমধ্যে running water ৰ ব্যৱস্থাও কৰা হৈছে। এইখিনি কাম ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী, মাননীয় মন্ত্ৰী ডাঙৰীয়া অসমৰ ক্ষেত্ৰত কৰিছে। ১২৬ টা সমষ্টিতে মাননীয় মন্ত্ৰী ডাঙৰীয়াই বিভাগীয় কৰ্তৃপক্ষৰ জৰিয়তে ইতিমধ্যে সঠিকভাৱে চাৰ্ভে ৰিপোৰ্ট তৈয়াৰ কৰি যি আঁচনি বিলাক তৈয়াৰ কৰিছে, আমি নিশ্চয়কৈ সুখী। অতি সোনকালে অসমত পানীৰ সমস্যাও নাইকীয়া হ'ব। এইটো আমিও অনুধাবন কৰিব পাৰিছো। ইতিমধ্যে অসমত মুঠ ২৪১৫১ টা আঁচনি অনুমোদন হৈছে, ইতিমধ্যে ফাচনেল হাউচ হ'ল টেপ কানেকশ্যন ইতিমধ্যে ৫৭ লাখ ২১ হাজাৰ ৫৩১ টা হৈছে। ইয়াৰ লগে লগে যি আমাৰ

ঘৰ ঘৰ জল যিটো ইতিমধ্যে ৩৪০৩ টা গাওঁ ডিক্লেয়াৰ হৈছে আৰু ২৪০ খন গাঁও সম্পূৰ্ণভাৱে চাৰ্টিফাই পাইছে। সম্পূৰ্ণভাৱে পানী যোগান দিয়া হৈছে। মাননীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ যিটো সপোন আছিল যে, ২০২৪ চনৰ ভিতৰত সকলোৱে যাতে বিশুদ্ধ পানী পাই। তেখেতৰ সেই সপোন বাস্তৱত ৰূপায়ণ কৰাৰ বাবে প্ৰত্যকখন ৰাজ্যই, অসমৰ মাননীয় মুখ্যমন্ত্ৰী, মন্ত্ৰী ডাঙৰীয়াই কাম কৰি আছে। যি জলজীৱন মিশ্যন লৈ অসমৰ সমূহ ৰাইজ উৎসাহিত হৈ আছে, সেই এটা আঁচনিৰ বিৰোধী পক্ষই কৰ্তন প্ৰস্তাৱ অনাটো অতন্ত্য দুৰ্ভাগ্যজনক। মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি কথাখিনি কৈছো, এইখিনি কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য, শ্ৰীনুৰুল হুদা।

**শ্ৰী নুৰুল হুদা (ৰূপহী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, ক্ষন্তেক আগতে আমাৰ সন্মানীয় সদস্য বিশ্বজিৎ ফুকন ডাঙৰীয়াই তেওঁৰ বক্তব্যত এটা কথা আনিছিল। বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ আনি অপমান কৰিছে। এই শব্দটো ডিলেট হ'ব লাগে। জলে জীৱন, জল অৰ্থাৎ পানী, পানীৰ অবিহনে আমি কোনেও জীয়াই থাকিব নোৱাৰো। পানী মানৱ জীৱনৰ কাৰণে এক অপৰিহাৰ্য্য পদাৰ্থ। মানুহ জীয়াই থকালৈকে পানী লাগিবই। এই বিশুদ্ধ খোৱা পানী আমি ভূ গৰ্ভৰ পৰা পাওঁ। ভূ গৰ্ভৰ যি জলভাণ্ডাৰ আছে, সেই জলভাণ্ডাৰৰ পৰা আমি পানী পাওঁ। এই ভূ গৰ্ভৰ জলভাণ্ডাৰ কিমান সুৰক্ষিত, তাত কিমান বিশুদ্ধ খোৱা পানী আছে। আমাৰ কৃষি বা উদ্যোগীকৰণ কীটনাশক দৰব, ৰাসায়নিক সাৰ এইবোৰৰ ব্যৱহাৰৰ ফলত সিমানেই ভূগৰ্ভৰ পানীত সংক্ৰমন মিহলি হৈ আছে। যাৰ কাৰণে আৰ্চেনিক যুক্ত, ফ্লৰাইড পোৱা যায়। পানীৰ পৰাই ৯৯ শতাংশ বেমাৰ হয়। এইটো কেনেকৈ সুৰক্ষিত কৰিব পাৰি। জৈৱিক সাৰ কেনেকৈ প্ৰয়োগ কৰি কীটনাষক দৰব ব্যৱহাৰ নকৰাকৈ কৃষি কাৰ্য্যৰ উন্নতি কৰিব পৰা যায়, কৃষি বিভাগৰ লগত কথা পাতি যদি এইটো এটা ব্যৱস্থা কৰা হয়, তেতিয়া হ'লে মানৱ জীৱনৰ কাৰণে ভাল হ'ব। আমাৰ ঘৰ ঘৰ নল হ'লে নহ'ব, ঘৰ ঘৰ পানী লাগিব। মোৰ ৰূপহী বিধান সভা সমষ্টিত ৬৪ খন পুৰণা পানী যোগান আঁচনি আছে। তাৰ ভিতৰত ২৪ খন আঁচনি হে কাৰ্য্যক্ষম হৈ আছে। বাকী আঁচনি বিলাক বিকল হৈ আছে। নতুনকৈ জলজীৱন মিশ্যনত ৭২ টা আঁচনি প্ৰপোজ কৰা হৈছে, সেইখিনি এপ্ৰোভ হ'লে ধন্যবাদ জনাম চৰকাৰক। এই যে ৬৪ ভিতৰত ২৪ টা পানী যোগান আঁচনি চলি আছে , বাকী ৪০ টাৰে পানী দিব পৰা অৱস্থাত নাই। পুৰণা আঁচনি বিলাক অতি সোনকালে যদি মেৰামতি কৰা নহয় তেতিয়া হ'লে আঁচনিখিনি কৰি থোৱাৰ কি কাৰণ আছে। এই আঁচনি বিলাক কৰিছে মানৱ শক্তি নাই। মেচিন চলোৱাৰ বাবে খালাচী নাই। মোৰ কলিয়াবৰ চাব ডিভিজনত মোৰ সমষ্টিত ২৬ টা আঁচনি আছে, এজনো এছ এ নাই। বৰ্তমান এনেকুৱা এটা সিদ্ধান্ত লৈছে চৰকাৰে যে এই আঁচনি বিলাকত জলমিত্ৰ নিয়োগ কৰি আছে। এই আঁচনিখিনি চলাওঁতে কাৰেন্ট লাগে। কাৰেন্টৰ বিল, জলমিত্ৰৰ যিটো পাৰিতোষিক সেইটো দিব দিছে Finance Commission ৰ যিটো পইচা পঞ্চায়তত যায়, পঞ্চায়তৰ সেই পইচাৰ পৰা দিব দিয়া হৈছে। Finance Commission ৰ এই পইচাখিনি পঞ্চায়তৰ উন্নয়নৰ কাৰণে যায়। সেইখিনি তাৰ পৰা কাটি আনি ইয়াত ব্যৱহাৰ কৰা হৈ আছে। হয় এতিয়া 15th Finance ৰ পইচা গৈ আছে, এতিয়া দিব পাৰিব কিন্তু 15th Finance শেষ হোৱাৰ লগে লগে কি কৰিব? তেতিয়া আঁচনি বিলাক বন্ধ হৈ যাব নেকি? আঁচনিবিলাক নচলিব নেকি? গতিকে এইটোৰ কাৰণে চৰকাৰে এটা স্থায়ী ব্যৱস্থা ল'ব লাগে। পঞ্চায়তৰ ওপৰত নিৰ্ভৰ নকৰি চৰকাৰে এটা স্থায়ী ভাবে ব্যৱস্থা ল'ব লাগে, যাতে বিদ্যুতৰ কাৰণে প্ৰতিখন আঁচনি যাতে এনেকুৱা অৱস্থা নহয় যে এটা ট্ৰেন্সফৰ্মাৰৰ পৰা এটা স্কীমত লাইন গৈছে আৰু consumer ১০০ গৰাকী। সেই consumer

সকলে কোনোবা বিল পৰিশোধ নকৰাৰ কাৰণে ট্ৰেন্সফৰ্মাৰ লাইনটো কাটি দিলে। ট্ৰেন্সফৰ্মাৰৰ লাইনটো কাটি দিয়াৰ লগে লগে সেই আঁচনি খনত পানী দিব নোৱাৰে। আঁচনিখনৰ লাইন কটা যায়। গতিকে প্ৰতিখন আঁচনিত সুকীয়াকৈ এটা এটা ট্ৰেন্সফৰ্মাৰ দিয়াৰ ব্যৱস্থা কৰিলে ভাল হয়। আমাৰ যিখিনি উপভোক্তা সমিতি, উপভোক্তা সমিতি বিলাক এতিয়লৈকে হৈ নুঠিল। মই যিটো দেখা পাইছো উপভোক্তা সমিতি যদি থাকে প্ৰতিখন আঁচনিত, আমাৰ শিঙিয়াত এখন আঁচনি আছে, সেই শিঙিয়া আঁচনিত চৰকাৰে পইচা দিব নালাগে। কাৰেন্টৰ বিলত চৰকাৰে পইচা দিব নালাগে। মেৰামতিৰ কাৰণে চৰকাৰে পইচা দিব নালাগে। এনেকুৱা টাউন কমিটিত যিখিনি কনজিউমাৰ আছে, সেই কনজিউমাৰ খিনিয়ে মাহে মাহে পইচা দিয়ে। মাহে মাহে পইচা দি তেওঁলোকে এটা ফাণ্ড খুলি লৈছে, প্ৰত্যেক মাহে পইচা দিবই। কাৰেন্টৰ বিল তেওঁলোকে ৰীতিমতে দি আছে। মেৰামতিৰ প্ৰয়োজন হওঁতে মেৰামতিখিনি তেওঁলোকে নিজে কৰি আছে। কিন্তু উপভোক্তা সমিতি বিলাক সকলো স্কীমতে গঠন কৰাৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে। উপভোক্তা সমিতি বিলাক সকলোতে হোৱা নাই এই ক্ষেত্ৰত অলপ মনোযোগ দিলে ভাল হয়। উপভোক্তা সমিতি যদি ভাল হয়, তেওঁলোকে যদি কনজিউমাৰ সকলৰ পৰা পইচাখিনি লয়, তেতিয়া হলে স্কীমটো চলাওঁতে খুব ভাল হ'ব। যিহেতু সময় কমি গৈছে, মই আৰু বিশেষ নকওঁ। মই এইটোৰে অনুৰোধ জনাম হৰ ঘৰ নল যিটো আঁচনি সেই আঁচনি হৰ ঘৰ নল হলে ন'হব হৰ ঘৰ পানী লাগিব। হৰ ঘৰ নল যিটো কৰিছে আপোনালোকে যদি চাই তেতিয়া দেখা পাব ৫০ শতাংশ নলেই ব্যৱহাৰযোগ্য নহয়। য'ত ত'ত বহুৱাই থৈছে, একেবাৰে নিম্নমানৰ কাম হৈছে। এইখিনি যি সকল ঠিকাদাৰে কৰিছে এইটো এটা বিভাগীয় তদন্ত হ'ব লাগে, আৰু তদন্ত কৰি এটা ব্যৱস্থা ল'ব লাগে যি সকলে বেয়া কাম কৰিছে, সিহতে পুনৰবাৰ সেই কামখিনি কৰাৰ ব্যৱস্থা কৰাৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া ভৰেন ভড়ালী, ৭ মিনিট দি থৈছে আপোনাক।

**শ্ৰী ভৰেন ভড়ালী, (দেৰগাঁৱ)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আজিPublic Helth Engineering ত JJM সম্পৰ্কত বিৰোধী পক্ষই আমাৰ যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক মই বিৰোধিতা কৰি এটা কথা ক'ব খুজিছো, অসমত যথেষ্ট বানপানী হয়। ব্ৰহ্মপুত্ৰ নদী আৰু ইয়াৰ উপনৈ সমূহত যথেষ্ট পানী আছে। কিন্তু ভাৰত স্বাধীন হোৱাৰ আজি ৭৫ বছৰ অতিক্ৰম হৈ গ'ল খোৱাপানীৰ ক্ষেত্ৰত অসম কিন্তু এতিয়াও বহুত পিছ পৰি আছে। সৌভাগ্য ক্ৰমে আমাৰ শ্ৰদ্ধাৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ জলজীৱন মিছন, এই মিছনটোৰে অসমৰ জনসাধাৰণক বিশুদ্ধ খোৱা পানী যি আঁচনিৰ জৰিয়তে দিয়াৰ ব্যৱস্থা কৰিছে, সেইটোত ভাৰতবৰ্ষৰ সকলো জনসাধাৰণৰ লগতে অসমেও অতি সুন্দৰ ভাবে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা এটা লৈ আমি গৈ আছো। এই ক্ষেত্ৰত অসমত, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্ম্মা দেৱে খুব ক্ষীপ্ৰতাৰে সৈতে আমাৰ মাননীয় মন্ত্ৰীৰ সহযোগত প্ৰত্যেকখন জিলাতে যাতে বিশুদ্ধ খোৱা পানী পায়, এই জলজীৱন মিচনৰ অধীনত, ঘৰে ঘৰে যাতে বিশুদ্ধ খোৱা পানী পায়, তাৰ ব্যৱস্থাৰে আগবাঢ়ি গৈ আছে। এইক্ষেত্ৰত আমি দেখা পাইছো। এই জলজীৱন আঁচনিৰ ঘৰে ঘৰে দিব লগা যিটো সংযোগ, বৰ্তমান পৰ্য্যায়ত যি কাম চলি আছে, এই চলি থকা কামবিলাকত আমি দেখা পাইছো, ঠিকাদাৰ সকলে বা চৰকাৰী ভাৱে নিযুক্তি দিয়া লোক সকলে ইতিমধ্যে ভূ-গৰ্ভৰ পানী আনি ৰাইজক বিশুদ্ধ খোৱাপানী দিয়াৰ ব্যৱস্থা কৰিছে। কিন্তু ইয়াত কিছু সৰু সৰু কথা ৰৈ গৈছে। আমি দেখা পাইছো যে ঘৰে ঘৰে নল দি আমি টেপৰ জৰিয়তে পানী পাব লাগে। কিন্তু সেই পানী দিয়া টেপৰ তলত এখন প্লেটফৰ্ম

বনাই দিব লাগে যিটো হিতাধিকাৰীৰো এক অংশ থাকে, আৰু সেই চৰকাৰী ভাবে নিযুক্তি দিয়া সেই ঠিকাদাৰ সকলৰো থাকে। কিন্তু এইটোৰ ক্ষেত্ৰত দেখা গৈছে, ঘৰে ঘৰে সংযোগ দিয়া লোক সকলে তলৰ প্লেটখন তৈয়াৰ কৰি লোৱা নাই, বা তেওঁলোকক এৱাৰনেচ কৰা হোৱা নাই। এই ক্ষেত্ৰত চৰকাৰী ভাবে কিন্তু এৱাৰনেচ দিয়াৰ এটা গ্ৰুপ বা এটা পাৰ্টী, ঠিকাদাৰ সকলৰ জৰিয়তে দিয়া হয়, কিন্তু আজিলৈকে আমি দেখা পাইছো, এইক্ষেত্ৰত কোনোৱে এই এৱাৰনেচ প্ৰগ্ৰেমটো কৰা নাই। আমি বিভিন্ন সমষ্টিৰ বিভিন্ন অঞ্চলত গৈছো, এই সম্পৰ্কত ৰাইজক অৱগত কৰা হোৱা নাই আৰু দ্বিতীয়তে স্কীমটো সম্পুৰ্ণ হোৱাৰ পিছত ৰাইজৰ হাতত অৰ্পণ কৰা হয়, আৰু ৰাইজে নিজৰ ভিতৰত মাহেকীয়া বৰঙণি হিচাপে তুলি কাৰেন্টৰ ব্যৱস্থাটো কৰা হয়। আৰু ইয়াৰ বাবে চৰকাৰী ভাবে এজন ব্যক্তি মাত্ৰ ৬ হাজাৰ টকাত তেওঁক নিযুক্তি দিয়া হ'ল । কিন্তু এইক্ষেত্ৰত আমি দেখা পাইছো, যি কেইখন আঁচনি সম্পূৰ্ণ হৈছে, সেই আঁচনি কেইখনত এনেধৰণে উপভোক্তা কমিটি গঠন কৰি দিয়া হৈছে। আৰু আমি ভাবিছো ৰাইজৰ হাতত যেতিয়া অৰ্পণ কৰি দিয়া যায়, বৰ্তমান মোৰ সমষ্টিত যিখিনি উপভোক্তা কমিটিত দিয়া হৈছে, তেওঁলোকক দেখা পাইছো, খুব সুন্দৰ ভাবে নিজৰ দায়িত্ব পালন কৰি তেওঁলোকে কাৰেন্টৰ বা আঁচনিখনৰ সম্পৰ্কত কিবা অসুবিধা হৈছে সেইবিলাক নিজাববীয়াকৈ তেওঁলোকে ঠিক কৰি লৈছে। আমি এই দুমাহ তিনি মাহতে যিটো দেখিছো অতি সুন্দৰ ভাবে তেওঁলোকে আগবঢ়াই লৈ যাবলৈ সক্ষম হৈছে। অৰ্থাৎ আমি এই আঁচনি বিলাক চলাবলৈ ৰাইজৰ হাতত যে দায়িত্ব অৰ্পণ কৰিছো, সেই উপভোক্তা সমিতি আৰু পঞ্চায়তৰ দায়িত্বত অৰ্থাৎ ৰাইজে তেতিয়া নিজে বুজিছে যে আমাক খোৱা পানীখিনি লাগে তেতিয়া আমি অলপ কষ্ট কৰিব লাগিব। যিটো চিন্তা অসমৰ ৰাইজৰ অসমৰ মানুহৰ আগতে কিন্তু হোৱা নাছিল, চৰকাৰীভাবে দায়িত্ব দি হোৱা নাছিল। এতিয়া যিহেতু সৰ্বসাধাৰণ ৰাইজৰ মাজত এই দায়িত্বটো দিয়া হ'ল তেওঁলোকে নিজাববীয়া প্ৰচেষ্টাৰে সৰু সুৰা কাম বিলাক নিজে কৰিব পৰা হৈছে বা নিজে আগভাগ লৈছে। এইটো চৰকাৰৰ এটা ভাল লক্ষণ। অসমীয়া মানুহখিনিয়ে নিজৰ খোৱা পানীখিনি নিজে ঠিক কৰি লোৱাৰ এই চিন্তাটো আগত কিন্তু নাছিল, এতিয়া আহিছে। ঠিক এনেধৰণে আমাৰ যি ২৬ হাজাৰ ৰেভিনিউ ভিলেজ আছে অসমত এই ২৬ হাজাৰ ৰেভিনিউ ভিলেজত প্ৰায় বিলাক গাৱঁতেই আমি ভ্ৰমণ কৰোতে দেখিছো এই নিৰ্মাণ কাৰ্য্য হৈছে, বিশুদ্ধ খোৱা পানী সম্পৰ্কত, কিন্তু কিছুমান অঞ্চলত বিভাগীয় বিষয়াৰ অলপ অলপ হেমাহি ইয়াত থাকে। আঁচনিখনৰ কাম আৰম্ভ হোৱাৰ পিছত বহু সময়ত কিবাকিবি টেকনিকেল প্ৰব্লেম আদি দেখুৱাই কিছু পিছ পৰি যায়। এই ক্ষেত্ৰত মই অনুৰোধ জনাইছো, যাতে মাননীয় মন্ত্ৰী মহোদয়ৰ নেতৃত্বত অলপমান খৰতকীয়াকৈ ব্যৱস্থা কৰিব বুলি আশা কৰিছো । কাৰণ এই আঁচনিখন ২০২৪ চনৰ ভিতৰত ৰাইজক বিশুদ্ধ খোৱা পানী দিয়াৰ যি চিন্তা ইয়াত আৰু মাত্ৰ ২ বছৰ আছে। এই ২ বছৰৰ ভিতৰত আমি শেষ কৰিব লাগিব। মই আশা কৰিছো, আমাৰ বিভাগে অতি তৎপৰতাৰে কাম কৰি আছে আৰু অলপ খৰতকীয়া হ'লে, আমাৰ কাৰণে ভাল হয়, আৰু এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ক মই এটা অনুৰোধ জনাব খুজিছো, যিবিলাক আঁচনি বৰ্তমান পৰ্য্যায়ত অলপ লেহেমীয়া হৈছে সেইখিনি খৰতকীয়া কৰিবৰ কাৰণে, ইতিমধ্যে মন্ত্ৰী মহোদয়ে যথেষ্ট আগবাঢ়ি গৈছে। কিন্তু আমি দেখা পাইছো, ইয়াৰ মাজতে কিছু কাম ৰৈ যায়। গতিকে সেইখিনি খৰতকীয়া কৰি আগুৱাই লৈ গ'লে আমাৰ ভাল হ'ব বুলি আশা কৰি মই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া সন্মানীয় বিধায়ক উৎপল বৰা।

**শ্ৰী উৎপল বৰা, (গহপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ কৰ্তন প্ৰস্তাৱৰ ওপৰত আমাক দুআষাৰ ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো । আজি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই ৪১, ৬১৮.২৪ লাখ টকা লাগে বুলি যি প্ৰস্তাৱ আগবঢ়াইছে, সেই প্ৰস্তাৱৰ বিপৰীতে বিৰোধী দলে এশ টকা হ্ৰাস কৰি যি কৰ্তন প্ৰস্তাৱ আনিছে মই তাৰ তীব্ৰ বিৰোধিতা কৰিছো ।

অধ্যক্ষ ডাঙৰীয়া অন্ন, বস্ত্ৰ আৰু বাসস্থানৰ পিছত সকলোতকৈ প্ৰয়োজনীয় বস্তুটো হৈছে পানী । যেতিয়া বিশুদ্ধ পানী সমাজখনে খাবলৈ নাপায় তেতিয়া সমাজত স্বাস্থ্যৰ ক্ষেত্ৰত যথেষ্ট ক্ষতি হয় । সেই কাৰণে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া জল জীৱন নামৰ আভিলাষী আঁচনি প্ৰৱৰ্তন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু তাৰ কাৰণে সদনৰ পৰাই আজি প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো, লগতে মুখ্যমন্ত্ৰী আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো । আমাৰ চৰকাৰে বিগত কাৰ্য্যকালত জল জীৱন আঁচনিৰ ক্ষেত্ৰত যি পদক্ষেপ হাতত লৈছে, এই পদক্ষেপে অসমৰ ১২৬ টা সমষ্টিত জল জীৱন আঁচনিৰ দ্বাৰা বিশুদ্ধ পানী খোৱাবৰ বাবে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগে যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছে । গতিকে ইয়াত আৰু পুঁজিৰ প্ৰয়োজন আছে । এই আঁচনিখনৰ সফল ৰূপায়ণৰ বাবে বিভিন্ন পদ্ধতি গ্ৰহণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ পুজিৰ প্ৰয়োজনীয়তা আছে আৰু আজি যি প্ৰস্তাৱ দিছে এই প্ৰস্তাৱৰ প্ৰয়োজনীয়তা আছে আৰু বিৰোধীয়ে ইয়াৰ ওপৰত কৰ্তন প্ৰস্তাৱ আনিব নালাগিছিল ।

জল জীৱন আঁচনিৰ ওপৰত বহুতো বিষয়াকে সজাগতা কম হোৱা বুলি কৈছে আৰু আমিও দেখিছো জাগৰণটো কিছু কম হৈছে । আজি ইউজাৰ কমিটিয়ে হওঁক বা আমাৰ যি প্লেটফৰ্ম নিৰ্মাণ কৰা, টেপ বিলাক ভাঙি দিয়াৰ কাৰণে যিটো এজেঞ্চিক সজাগতা কৰিবলৈ দিয়া হৈছিল সেই এজেঞ্চি খিনিয়ে বিগত সময়ত কাম কিছু কমকৈ কৰিছে আৰু তাৰ পৰিপ্ৰেক্ষিতত অসম চৰকাৰে আত্ম সহায়ক গোট বিলাক আৰু বে-চৰকাৰী সংস্থা সমূহক সজাগতা আনিবলৈ বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে । আমাৰ এগৰাকী সদস্যই কৈছে পঞ্চদশ বিত্তীয় আয়োগৰ পইচাৰে এই কাম বিলাক কিমান দিনলৈ কৰিব । টাইড ফাণ্ডৰ পৰা কিছু পইচা আমাৰ প্ৰত্যেক খন পঞ্চায়ত, জিলা পৰিষদত এটা পুজি ৰিজাৰ্ভ কৰি ৰখা হৈছে । যদিহে সজাগতাটো সামঞ্জস্য ৰাখি কৰা হয় । ইউজাৰচ্ কমিটিয়ে দহ টকা বা বিশ টকাৰ যি পুজি ফিক্স কৰা হৈছে সেই পুজিটো প্ৰত্যেকটো ইউনিটৰ পৰা যদি জলমিত্ৰ সকলে উলিয়াব পাৰে তেতিয়া আমাৰ এই আঁচনি বিলাক চলাই নিবলৈ যথেষ্ট সুবিধা হ'ব । আনহাতে দুই তিনি বছৰলৈ যি পুজি আহি থাকিব সেই পুজি বিলাক আমাৰ পঞ্চায়ত প্ৰতিনিধি বিলাকে বা জিলা পৰিষদৰ পৰা মনিটৰিং কৰি ৰিপিয়াৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব । গতিকে মই ভাবো এই স্কীমটোত সজাগতাৰ যথেষ্ট প্ৰয়োজনীয়তা আছে । কেৱল প্ৰপাৰ মনিটৰিং হ'ব লাগে । জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগে যথেষ্ট মনিটৰিং কৰি আছে যদিও মোৰ সমষ্টিতে যে বৰ্তমান এই বিভাগটোত যথেষ্ট কৰ্মচাৰীৰ অভাৱ ঘটিছে। জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কিছু নিযুক্তিৰ ব্যৱস্থা কৰিছে যদিও বহু মানুহ অৱসৰ গ্ৰহণ কৰিছে যাৰ বাবে এজন চেকচনেল অফিচাৰে পোন্ধৰ বিশটাকৈ আঁচনি চাব লগীয়া হৈছে, যাৰ বাবে প্ৰপাৰ মনিটৰিংৰ অভাৱ ঘটিছে আৰু ঠিকাদাৰ সকলেও কিছু বেমেজালিৰ সৃষ্টি কৰিছে । যদি অৱসৰত যোৱা কোনোবা এক্সপাৰ্ট অভিযন্তা আছে তেওঁলোকক উপযুক্ত মাননী দি দুটা তিনিটা আঁচনি মনিটৰিং কৰাৰ বাবে দায়িত্ব দিয়া হয় তেতিয়াহ'লে এই আঁচনি বেছি ফলপ্ৰসু হ'ব ।

আমাৰ বহু কেইজন সন্মানীয় সদস্যই কৈছে যে শেষ পইন্টলৈকে পানীটো পোৱা নাযায়।

ধৰি লওঁক এক কিলোমিটাৰ পানীটো যোৱাৰ পিছত পানীটো কমি যায়। জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগত এক্সপার্ট অভিযন্তা আছে তেখেত সকলে পানীৰ প্ৰেচাৰটো মেইন্টেইন কৰাৰ বাবে প্ৰযুক্তিটো উলিয়াব লাগে যাতে লাষ্ট পইন্টলৈকে পানীৰ স্থিৰতাটো প্ৰতিটো ঘৰে নিৰন্তৰ ভাবে পোৱা যায় তাৰ বাবে মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰে তাৰ বাবে আশা ৰাখিলো। জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগৰ কাম বিলাক দেৰি হোৱা বুলি মই নাভবো । মাত্ৰ কাৰ্য্যকাৰী পদ্ধতি আৰু পইচা দিয়া প্ৰক্ৰিয়াটো দীঘলীয়া হৈছে । সেয়েহে আমাৰ জিলা বিলাকত যেতিয়া কাম বিলাক সম্পূৰ্ণ কৰা হয় আৰু ঠিকাদাৰে বিল দাখিল কৰে তেতিয়া উপায়ুক্ত বা অধীক্ষকে তদাৰক কৰে, কাৰ্য্যবাহী অভিযন্তাই মনিটৰ কৰে। এইদৰে বিলবিলাক ডেৰ দুমাহলৈকে বিল বিলাক ঠিকাদাৰে নাপায় । তেতিয়া কামবোৰ লেহেমীয়া কৰি দিয়ে । আৰু ৰানিং বিল বিলাকৰ ক্ষেত্ৰত যদি সৰলতা আনে আৰু কাৰ্য্যবাহী অভিযন্তা বিলাকে যদি ভালকৈ বিল বিলাক তদাৰক কৰি উপায়ুক্তলৈ পঠিয়াই দিয়ে তেতিয়াহ'লে বিল আদায় দিয়া কাম বিলাক খৰতকীয়া হ'ব আৰু তেতিয়া জিলা ভিত্তিক উন্নয়নৰ কাম বিলাক খৰতকীয়া হ'ব বুলি মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো ।

স্কুল আৰু অংগনবাড়ী কেন্দ্ৰ বিলাকৰ কানেকচনটো হৈ গৈছে কিন্তু কোনো কোনো ঠাইত বিল্ডিং নথকা ঠাইতো আঁচনি খন অনুমোদন হৈ গৈছে । হয়তো কোনোবা বিল্ডিং থকা ঠাইতো আঁচনি খনে ঢুকি পোৱা নাই । বিল্ডিং থকা যিবিলাক ঠাইত আঁচনি খন ড্ৰপ হৈ গৈছে সেই ড্ৰপ আঁচনি বিলাক বিল্ডিং থকা ঠাইলৈ স্থানান্তৰ কৰাৰ কাৰণে উপায়ুক্তক দায়িত্ব দি কাম খিনি কৰিব পাৰিলে এই সমস্যাটো নোহোৱা হৈ যাব । মই আৰু বিশেষ কথা নকওঁ, মই বিচাৰিছো জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগত আৰু অনুমোদন দি সমাজ ব্যৱস্থাত স্বাস্থ্যৰ উত্তৰণৰ ক্ষেত্ৰত স্বাস্থ্য খণ্ডত এক অভিলেখ সৃষ্টি কৰিবৰ কাৰণে সুস্বাস্থ্যৰ অধিকাৰী কৰিবলৈ আমাক বিশুদ্ধ খোৱাপানী লাগিব আৰু বিশুদ্ধ খোৱা পানীৰ জৰিয়তে যাতে আমি সুস্বাস্থ্যৰ অধিকাৰী হব পাৰো তাৰ কাৰণে জল জীৱন মিচনৰ জৰিয়তে বিভিন্ন ধৰণৰ যি আঁচনি থাকে সেই আঁচনি বিলাকত আৰু অলপ টকা দি যাতে জনস্বাস্থ্য আৰু কাৰিকৰী বিভাগটো আৰু সবল কৰিব পাৰি তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু পঞ্চায়তৰ যোগেদি আমাৰ গাৰ্বেজ মেনেজমেন্ট বা যি খিনি চলিড ৱেষ্ট মেনেজমেন্টৰ কাৰণে পি এন আৰ ডি বিভাগ আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাজত এটা স্কীম কৰি আছে। এই বিলাকৰ কাৰণে চ'কপিট বিলাক নিৰ্মাণ কৰা হৈছে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটা শতাংশ ৯০-১০ এনেকুৱা এটা ইতিমধ্যে চ'কপিট বিলাক নিৰ্মাণ কৰিছো সেই বিলাকত যিখিনি চাইকেল দিছে সেইবিলাকত প্ৰপাৰ ফাংচনিং কৰি এটা এটা সমষ্টিত অন্ততঃ চাৰি পাচ খন ৰেভিনিউ ভিলেজক যদি চিলেক্ট কৰি লয় যাতে প্ৰপাৰলি আমি স্বচ্ছ ভাৰত অভিযানতো কৰি থাকিব পাৰো তাৰ কাৰণে মন্ত্ৰী ডাঙৰীয়াই পদক্ষেপ গ্ৰহণ কৰে এই খিনিকে আহ্বান জনায় পুনৰবাৰ অধ্যক্ষ ডাঙৰীয়াক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো মোক দুআষাৰ ক'বলৈ দিয়াৰ কাৰণে। আজি বিৰোধীয়ে অনা কৰ্তন প্ৰস্তাৱৰ তীব্ৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী মিছবাহুল ইছলাম লস্কৰ।

**শ্ৰী মিসবাহুল ইসলাম লস্কৰ, (বৰখলা):- ধন্যবাদ** মাননীয় অধ্যক্ষ মহোদয়,জল জীবন মিশন আসামে একটি সুন্দর পদক্ষেপ। এটার উদ্দেশ্য খুব ভালো ছিল, যে আসামে যত মানুষ আছে প্রত্যেককে জল খাওয়ানো হবে। কিন্তু বিগত কিছুদিন থেকে আমার দেখছি, যে উদ্দেশ্যে শুরু হয়েছিল কাজটি ততোধিক চলছে না। কেমন জানি কোথাও কাজটি আটকে গিয়েছে। যেমন আমার সমষ্টির কথা বলি, আমার সমষ্টিতে একজন ঠিকাদারে **২৪**টি ওয়াটার সাপ্লাই স্কিমের কাজ

পেয়েছে। যার ফলে, সে কোন কাজই শেষ করতে পারেনি। অবশ্য যেগুলো কাজ শেষ করেছে কিন্তু মানুষ সেই অনুযায়ী জল পায়নি। আর কিছু ক্ষেত্রে দেখা গিয়েছে সাবলাইনে এমন পাইপ দেওয়া হয়েছে যেগুলো শেষ বাড়িতে গিয়ে জল পৌছেনা। দেড়-দু ইঞ্চি পাইপ লাগায় যার ফলে জল পৌছায় না। অথচ বাড়ি বেশি এখানে। এই কিছু সমস্যা আছে এখানে। তারফলে যে ঠিকাদার একসঙ্গে বেশি কাজ পেয়েছে সে তো যায়নি স্পটে আমি তাকে কোনদিন দেখি নাই। সে তার এজেন্ট লাগিয়ে কাজ করায়, যারা কাজে এত পরিপক্ক না। ফলে কাজে এত ভুল হয়, হুলস্থুল হয়, কেয়স হয়। সেগুলো আবার সমষ্টির বিধায়ককে সামাল দিতে হয়। আমাদের কাছে আসে এই ঝামেলাগুলো। এই ব্যবস্থায় একজন ঠিকাদারে অন্তত একটি কাজ পাওয়া উচিৎ। একসঙ্গে বেশি কাজ পেলে কোন কাজই কমপ্লিট করা সম্ভব না। আমার সমষ্টিতে যেসব কাজ হয়েছে ধরুন **৪০** শতাংশ লোক জল পাচ্ছে বা পাবে। কিন্তু একটি বড় অংশ বাকি রয়ে গিয়েছে। এই বড় অংশে বড় বড় কয়েকটি স্কিম করলে আমার মনে হয় সুবিধা হবে। কারণ আমার সমষ্টিতে কিছু জায়গা আছে যেখানে জলের সোর্স নেই। একটি ডিপ টিউব ওয়েল থেকেও জল পাওয়া যায়না। **৩-৪** কিমি দূরে নদী থেকে জলের সোর্স আনতে হয়। সেটা আমার এলাকার একটি বড় সমস্যা। এছাড়া আমার সমষ্টিতে পাহাড়ী অঞ্চলে কিছু গ্রাম আছে। সেই গ্রামগুলোতে কোনদিন মেইন পাইপ লাইনে জল যাবে না। সেখানে তাদের নিজস্ব ওয়াটার সোর্স আছে। সেই সোর্সগুলোতে কিছু লাগবেনা শুধু যদি টেঙ্ক বানিয়ে পাইপ লাগিয়ে দেওয়া যায় তাহলে তারা প্রত্যেকে ঘরে ঘরে জল পাবে। এবং এই ব্যাপারে আমি **১৬, ১৭**টি এরকম গ্রামের নাম দিয়েছিলাম আমাদের ইঞ্জিনিয়ারের কাছে। জানিনা আজ পর্যন্ত সেগুলোর কি গতি হয়েছে , আমাকে জানানোও হয়নি। আমি বুঝতেও পারি নি। এছাড়া আরেকটি সমস্যা হল আমাদের শিলচর পিএইচই ডিভিশন **১**এ বিগত **৬** মাস থেকে শুধু ইঞ্জিনিয়ার বদলাচ্ছে। একজন অবসর হচ্ছে তো আরেকজন আসছে ওনার **২**মাস আছে অবসরের ।এখন একজন সুপারিনটেন্ডেন্ট ইঞ্জিনিয়ার আছেন, উনিও **৩১** ডিসেম্বর অবসর পাচ্ছেন। এরফলে একজন উপযুক্ত ভালো ইঞ্জিনিয়ার যদি দেওয়া নাহয় এবং বেশি সময় থাকা, তাহলে ঠিকমত প্লেন মাফিক কাজ হবে না। আমি প্রথম যখন বিধায়ক হয়েছিলাম তখন দেখেছিলাম একদিনে **৬**টি **৭**টি উদ্বোধন করা হয়েছিল। তখন অন্তত জায়গায় গিয়ে কিছু লোক পাওয়া যেত যে এটার অবস্থা কি আছে না আছে। কিন্তু এখন আমাদেরকে ডাকাও হয়না ইনোগুরেশনে। না ফাউন্ডেশনে ডাকা হয়। সেজন্য আমরা ইন্টারঅ্যাক্ট করতে পারি না। আমি আশা করি এখন যিনি মন্ত্রী আছেন ওনার উদ্যোগে এই বিভাগটি আরো বেশি বাড়বে এবং এটি সবচেয়ে গুরুত্বপূর্ণ বিভাগ। জল মানুষের জীবন, জল না হলে মানুষ বাঁচবে না। এই আশা রেখে কর্তন প্রস্তাবের পক্ষে আমি আমার বক্তব্য এখান শেষ করছি।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী।

**শ্ৰী গোবিন্দ চন্দ্ৰ বসুমতাৰী(ওদালগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি Water Supply and Senitation শিতানত মাননীয় মন্ত্ৰী মহোদয়ে ৪১,৬১৮.২৪ লাখ যি অতিৰিক্ত মঞ্জুৰীৰ দাবী কৰিছে তাৰ বিৰুদ্ধে বিৰোধী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ মই বিৰোধীতা কৰিছো। বিশেষকৈ আমি জানো যে পানী আমাৰ কাৰণে কিমান অপৰিহাৰ্য্য। গোটেই ভাৰতত যি খোৱা পানীৰ সমস্যা আছে সেই সমস্যাটো সমাধানৰ কাৰণে ভাৰতৰ মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই আঁচনিটো আনিছে আৰু ইয়াৰ জৰিয়তে যাতে গোটেই ভাৰতবৰ্ষৰ য'ত য'ত খোৱা পানীৰ সমস্যা আছে সেই সমস্যা সমূহৰ ৰাইজে বিশুদ্ধ খোৱা পানী পাব পাৰে তাৰ কাৰণে অনা হৈছে। ২০২৪

চনৰ ভিতৰত এই আঁচনি সম্পূৰ্ণ কৰিব তেখেতে বিচাৰিছে। আমি তেখেতক ধন্যবাদ দিছো যে ভাৰতে আজি স্বাধীনতাৰ ৭৫ বছৰ পিছতো বিশুদ্ধ খোৱাপানীৰ প্ৰয়োজনীয়তাৰ কথাটো আমাৰ আগৰ চৰকাৰৰ সময়ত কোনেও উপলব্ধি কৰিব পৰা নাছিল। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এই কথাটো উপলব্ধি কৰি ভাৰতৰ নাগৰিক সকলৰ সুস্বাস্থ্যৰ কথা চিন্তা কৰি এই আঁচনিটো অনাৰ বাবে তেখেতক মই ধন্যবাদ দিছো। আমি অসমত বিশেষকৈ পানীৰ কাৰণে অসুবিধাত পৰিব লগীয়া নহয় কিন্তু তথাপিও যদিও আমাৰ ইয়াত অসংখ্য নদ-নদী আছে, বাৰিষা বানপানীৰ সন্মুখীন হ'ব লগীয়া হয়। বহু সময়ত আমাৰ খেতি-বাতি ইত্যাদি নষ্ট হয়। তথাপিও খোৱা ক্ষেত্ৰত আমাৰ যথেষ্ট সমস্যা আছে। অসমৰ অন্যান্য জিলাৰ কথা মই বিশেষকৈ নকওঁ। কিন্তু আমাৰ বি.টি. আৰ অঞ্চলৰ যি পাঁচখন জিলা আছে এই পাঁচখন জিলাৰ উত্তৰ অঞ্চল ভূটান সীমান্ত অঞ্চলৰ যিখিনি গাঁও আছে, যিখিনি এলেকা আছে তাত ৰাইজে খোৱাপানীৰ যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব লগীয়া হয় আৰু প্ৰায় বিলাক গাঁৱৰ মানুহে এতিয়াও নদীৰ পানী খাবলগীয়া হয়। কাৰণ কিছুমান অঞ্চলত কুঁৱা খান্দিব নোৱাৰে, দমকল বনাই ল'ব নোৱাৰে আৰু একো একোটা নলী-নাদ বনাই ল'বৰ কাৰণে কমেও তিনিশ-চাৰিশ ফুট দ' নলী বহুৱাব লগীয়া হয়। সকলো মানুহৰ কাৰণে এইখিনিৰ ব্যৱস্থা কৰি লোৱাতো সহজ নহয়। সেই কাৰণে আমাৰ ভূটানৰ বোৰ্ডাৰ অঞ্চলত যিখিনি ৰাইজ বসবাস কৰে তেওঁলোকৰ কাৰণে জল জীৱন মিশ্যন এটা আৰ্শীবাদ স্বৰূপ। আজি এই আঁচনি আমাৰ অঞ্চলত যথেষ্ট হৈ আছে আৰু এই অঞ্চলৰ বিশেষকৈ বি.টি. আৰ অঞ্চলৰ মুঠ তিনি লাখ পৰিয়ালক সংযোগ কৰাৰ এটা টাৰ্গেট লৈছিল। তাৰ ভিতৰত এতিয়ালৈকে মাত্ৰ ৪৬ হাজাৰ সম্পূৰ্ণ কৰিব পাৰিছো। বাকীখিনি এতিয়াও আছে। আমাৰ যোৱা বছৰলৈকে retrofitting ৰ টাৰ্গেট আছিল ১,১২২ টা। তাৰ ভিতৰত মাত্ৰ ৫৯৩ টা হে সম্পূৰ্ণ কৰিব পাৰিছে। বাকী এতিয়াও আছে। নতুন স্কীম আমাৰ ১,০৩৪ টাৰ টাৰ্গেট লোৱা হৈছে। তাৰ ভিতৰত আমাৰ বি.টি.আৰ অঞ্চলত মাত্ৰ ৫০ শতাংশ সম্পূৰ্ণ কৰা হৈছে। বাকীখিনি এতিয়াও বাকী আছে। আমি আশা কৰো সময়মতে কামখিনি সম্পূৰ্ণ কৰিব পৰা যাব আৰু ইয়াৰ জৰিয়তে আমাৰ বি.টি.আৰ অঞ্চলৰ যিখিনি খোৱাপানীৰ সমস্যা সেইখিনি সমাধান কৰিব পৰা যাব। বৰ্তমান চৰকাৰে খোৱাপানীৰ ক্ষেত্ৰত যিখিনি গুৰুত্ব দিছে তাৰ পৰা আমাৰ স্বাস্থ্য ক্ষেত্ৰত উপকৃত হ'ব পৰা যাব। বেমাৰ ইত্যাদিৰ পৰা হাত সাৰিব পৰা ব্যৱস্থা কৰা হৈছে কাৰণ আমি দেখিছো বহু ঠাইত দমকলৰ পানী বা নদ-নদীৰ পানী খোৱাৰ ফলত বিভিন্ন বেমাৰৰ সন্মুখীন হ'ব লগীয়া হৈছিল। আমি ভাগ্যবান যে বিশেষকৈ বি.টি. আৰ অঞ্চলত আৰ্চেনিক বা তেনেকুৱা বিষাক্ত দ্ৰব্য পানীত পোৱা নাযায়। যিখিনি পানী খাব পাৰি আমাৰ স্বাস্থ্যৰ পৰিপন্থী নহয়। কিন্তু তথাপিও তাত বিভিন্ন বেমাৰৰ বিজাণু আছে, সেইখিনিৰ পৰা হাত সাৰিবৰ কাৰণে জল জীৱন মিছনৰ জৰিয়তে যি পানীৰ যোগান ধৰা হ'ব, সেইখিনি আমাৰ কাৰণে খুব ভাল হ'ব।

ইতিমধ্যে যিখিনি আঁচনি সম্পূৰ্ণ কৰা হ'ল, যিবিলাকৰ গাওঁৰ ঘৰলৈকে খোৱা পানী যোগান ধৰা হ'ল, সেই গাওঁবিলাকত Water Users Committee গঠন কৰা হৈছে। Water Users Committee সমূহক চৰকাৰৰ ফালৰ পৰা 15th Finance ৰ Fund দিয়াৰ ব্যৱস্থা আছে, সেইখিনি অন্তত ৰাইজক যথেষ্ট সকাহ দিছে। কাৰণ আমাৰ গাওঁ অঞ্চলত বসবাস কৰা ৰাইজে চহৰ অঞ্চলৰ ৰাইজৰ নিচিনাকৈ পানীৰ কাৰণে tax দি খোৱাপানী পোৱাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধা ভূগ কৰি আহিছে। সেই কাৰণে বহুতো ঠাইত য'ত 15th Finance ৰ Fund দিয়াৰ ব্যৱস্থা হোৱা নাছিল, তেতিয়ালৈকে ৰাইজে খোৱা পানী পালেও ৰাইজে সেইখিনি গ্ৰহণ কৰাৰ

কাৰণে ইচ্ছা প্ৰকাশ কৰা নাছিল। সেই কাৰণে চৰকাৰৰ ফালৰ পৰা অন্তত ৰাইজে জল জীৱন মিছনৰ জৰিয়তে যিখিনি পানী যোগান ধৰা হৈছে, সেইখিনি খুব আনন্দ মনেৰে গ্ৰহণ কৰিছে।

যিখিনি Water Users Committee গঠন কৰা হ'ল, তাত জলমিত্ৰ নিযুক্তি দিয়া হৈছে, কিছুমানত অৱশ্যে এতিয়ালৈকে দিয়া হোৱা নাই। আশা কৰো এইখিনি কিছুদিনৰ পিছত সম্পূৰ্ণ হ'ব। আমাৰ যিহেতু PHE transfer council ৰ কাম খিনি BTR ৰ EM য়ে গোটেই কামখিনি তদাৰক কৰি আছে। কিন্তু কামৰ ক্ষেত্ৰত কিছু লেহেম দেখা গৈছে। সেই কাৰণে মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে দৃষ্টিগোচৰ কৰিব বিচাৰিছোঁ যাতে কামখিনি তৎপৰত হয় আৰু লগতে BTR ৰ যিজন departmental EM তেখেতৰ লগত যোগাযোগ ৰাখি কামখিনি যাতে তৎপৰতাৰে কৰিব পৰা যায়, সেই বিষয়খিনি অলপ দৃষ্টি ৰাখি কাম কৰিব।

বিশেষকৈ ভূটান বোৰ্ডাৰ এলেকাত যিহেতু বহুতো শিলাময়, তাত বোৰিং বহোৱাতে যথেষ্ট cost হয়, বহুতো ঠাইত কৰিব পৰা নাযায়। সেই কাৰণে মোৰ এটা অনুৰোধ আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ, জল জীৱন মিছন অকল under ground water ৰ কাৰণে নে surface water সৈতে কৰিব পৰা যায়। যদি surface water ৰ কাৰণে আঁচনি ল'ব পৰা যায়, তেতিয়া হলে যিহেতু বি টি আৰ এলেকাত যথেষ্ট ন-নদী আছে। আমি সেই ন-নদীৰ পৰা surface water ৰ জৰিয়তে আঁচনি ল'ব পৰা যায়। তেতিয়া হ'লে আমাৰ কাৰণে হয়তো cost টো কম হ'ব। যদি এই ব্যৱস্থা নাই, তেতিয়া হ'লে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আঁচনি আনিব পৰা যায় নেকি, তাৰ কাৰণে মই অনুৰোধ কৰিছোঁ।

কাৰ্য্যক্ষেত্ৰত লেহেমীয়া হোৱাৰ কাৰণ কিছুমান বক্তাই দাঙি ধৰিছে। তাৰে ভিতৰত এটা হ'ল staff যথেষ্ট কম। বি টি আৰ অঞ্চলত কেইবাটাও অঞ্চলত মই গৈছো, বিশেষকৈ PHE, তাত দেখিছো বহুত staff নাই। কিছুমান ঠাইত sub-division অফিচ নাই। খুব কষ্টৰে তেওঁলোকে কাম কৰিবলগীয়া হৈছে। সেই কাৰণে এই বিষয়টো দৃষ্টি দিবলগীয়া বিষয় হৈ আছে। লগতে বিভাগীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যে staff ৰ ক্ষেত্ৰত যথেষ্ট নতুনকৈ নিযুক্তি দিয়ে। staff ৰ অভাৱৰ কাৰণে যিহেতু কাম পৰি আছে, এই ক্ষেত্ৰত নজৰ দিব।

আন এটা কাৰণ হ'ল, জল জীৱন মিছন সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত ঠিকাদাৰ সকলৰ পৰা কিছুমান আপত্তি আমি পাইছোঁ। সেইটো হ'ল যে তাত যিখিনি মেটেৰিয়েল ব্যৱহাৰ কৰা হয় পাইপ ইত্যাদি, specified কেইটামান কোম্পানীৰ পৰা ব্যৱহাৰ কৰিবলৈ দিয়া হোৱাৰ কাৰণে কেতিয়াবা আহি পাওতে পলম হয় আৰু কাম বিলাক লেহেমীয়া হয়। মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিব বিচাৰিছো যে যদি পাৰে যি available materials আছে, quality compromise নকৰাকৈ any company ৰ materials যদি ব্যৱহাৰ কৰা যায়, হয়তো আমাৰ কাম যথেষ্ট তৎপৰতাৰে আগবাঢ়িব পাৰিব। আমি যিহেতু গাওঁ অঞ্চলত বসবাস কৰো, জল জীৱন মিছনৰ target সেই গাওঁ অঞ্চলত সংযোগ কৰাত কিন্তু এতিয়াও বহুত গাওঁ বাকী আছে সংযোগ কৰিবৰ কাৰণে। মোৰ সমষ্টিত এতিয়াও বহুত pin point ঠিক কৰি থোৱা আছে। কিন্তু কাম আৰম্ভ কৰিব পৰা নাই। আমাৰ বিভাগীয় বিষয়া সকলক লগ ধৰি সুধিলে, যে কিয় কাম কৰা নাই। দেখা পালে কয় যে ঠিকাদাৰ পোৱা নাই বা কোনেও tender দিয়া নাই। কি কাৰণে এনেকুৱা হৈছে নাজানো। এই বিলাকত অলপ নজৰ দিব লাগে যাতে ২০২৪ চনলৈকে যিখিনি target ৰখা হৈছে, সেইখিনি যাতে সম্পূৰ্ণ হয় আৰু ৰাজ্যত যাতে খোৱা পানীৰ ব্যৱস্থাখিনি হয়। চৰকাৰে আঁচনি লোৱাৰ পিছত যদি implement কৰোতে পলম হয়, তেতিয়া হলে আঁচনি লৈ

একো লাভ নহয়। তাৰ কাৰণে বিভাগীয় বিষয়া সকল, বিভাগীয় মন্ত্ৰী আৰু চৰকাৰৰ সহযোগত এই কাম আগবঢ়াব পাৰো, তাৰ কাৰণে সকলো পক্ষক অনুৰোধ কৰিছোঁ।

এই আঁচনি গাঁও অঞ্চলৰ ওপৰিও বিশেষকৈ কিছুমান social organization, social institution বিলাকত দিয়াৰ ব্যৱস্থা থকাটো মই উচিত বুলি ভাৱো। এল পি স্কুলবিলাকত দিয়া দেখিছোঁ, কিন্তু হাইস্কুল, কলেজ বিলাকত বা অন্যান্য social institution বিলাকত দিয়া নাই। সেই বিলাকত দিয়াৰ কিবা বাধা আছে নেকি, মই জানিব বিচাৰিছোঁ। মই বিচাৰো যে গাঁও বিলাকত সংযোগ কৰাৰ উপৰিও গাঁও অঞ্চলৰ সৰু সুৰা বজাৰ এলেকাত কিছুমান social institution থাকে। এই institution বিলাকত পানী প্ৰয়োজন হয়। কাৰণ তাত বিভিন্ন সমাগম হৈ থাকে। তেনেকুৱা সময়ত বিভিন্ন কাৰ্য্যসূচী লোৱাৰ পিছত ৰাইজে যাতে খোৱা পানীৰ পৰা বঞ্চিত নহয়। তেনেকৈ social institution ত জল জীৱন মিছন ল'ব পৰা যায়, সেই অনুৰোধ ৰাখি আজি এই কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য সমাপ্ত কৰিছোঁ। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য শ্ৰীৰূপজ্যোতি কুৰ্মী।

**শ্ৰীৰূপজ্যোতি কুৰ্মী, (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি তাৰ ওপৰত মোৰ বক্তব্য দাঙি ধৰিব বিচাৰিছোঁ। আজি খুব মনত পৰিছে, এজন প্ৰাক্তন দেশৰ প্ৰধানমন্ত্ৰী ড০ মনমোহন সিং ডাঙৰীয়ালৈ। ৰাজ্য সভাত ১৯৯১ চনৰ পৰা প্ৰায় ৩০ বছৰতকৈ অধিক কাল অসমৰ পৰা প্ৰতিনিধিত্ব কৰি তেখেতে সদস্য হৈ আছিল। অসমৰ বিভিন্ন সমস্যাৰ লগত নিশ্চয় তেখেতে জড়িত হৈ আছিল। তেওঁৰ লগত তেওঁৰ ৰাজনৈতিক দলটোৰ দীৰ্ঘদিনৰ বাবে তেওঁলোকৰ চৰকাৰ আছিল কেন্দ্ৰত আৰু ৰাজ্যত। সেই কংগ্ৰেছ দলৰ পৰাই তেওঁ দেশৰ প্ৰধানমন্ত্ৰী হৈ আছিল। আজি তেওঁলৈ খুব মনত পৰিছে, কাৰণ তেওঁ থকা সময়ত বিশেষকৈ ৰুতি কপৰা মকান আমি যি কৈ আহো আৰু চৰক , বিজুলি, পানী লৈ সাধাৰণতে আমাৰ মুখত চৰ্চা চলি থাকে, বিশেষকৈ সেই সময়ত পানীয়ে প্ৰাণ আমি যি কৈ আহিছিলো, ইয়াক লৈ পেলাই ড০ মনমোহন সিং ডাঙৰীয়া নেতৃত্বধীন সেই সময়ৰ চৰকাৰে কেন্দ্ৰৰ পৰা ৰাজ্যই নিম্নতম যিখিনি কৰিব লাগিছিল, আজি নকৰাৰ ফলত ক'ত মানুহ হেৰুৱাব লগীয়া হ'ল বা বহু মানুহখিনিক ৰোগৰ পিনে ঠিলি দিবলগীয়া হ'ল, এই কথাবোৰ বহুত মনত পৰিছে। বিশেষকৈ বিৰোধী পক্ষই কৰ্তন প্ৰস্তাৱটো অনাৰ কাৰণে বেছি মনত পৰিছে। আজি পানী লৈ পেলাই মাননীয় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই যেনে ধৰণে উদ্বিগ্ন প্ৰকাশ কৰিছে, ঠিক অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও উদ্বিগ্ন প্ৰকাশ কৰিছে আৰু সচাঁ অৰ্থাৎ কোৱা হৈছে where there is a will, there is a way, নিশ্চয় আজি এই প্ৰসঙ্গটো আমি ভাৱিবলৈ বাধ্য হৈছোঁ। সেই সময়ৰ বোধহয় ৰাজনীতি কৰিব লাগে। ৰাজনীতিৰ নামত ভাষণ দখল কৰিব লাগে। তেনে এটা ৰাজনীতি নিশ্চয় পাৰ কৰিছে। আজি সঁচা অৰ্থত মাননীয় দেশৰ প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়াই অথবা মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই লৈ আজি ড্ৰাগছৰ বিৰূদ্ধে অভিযানেই হওঁক, আজি চাহ বাগানৰ শ্ৰমিকৰ মজুৰি আজি ক'ত আছিল ১৩৬ টকা, লাহে লাহে আজি ২৩৫ টকালৈ বৃদ্ধি কৰা হ'ল । আজি আমি যদি চাওঁ, মাইক্ৰ ফাইনেঞ্চৰ পৰা আজি কিমান মানুহে আত্মহত্যা কৰিছে। আজি এই আত্মহত্যা, আজি শোষণৰ বলী হ'বলৈ তেনেকুৱা নীতি মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে বাৰম্বাৰ স্বীকাৰ কৰি আহিছে যে মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যদি সাহস নিদিয়াহেঁতেন আজি আমি এই মাইক্ৰ ফাইনেঞ্চৰ ঋণ মাফ কৰিব নোৱাৰিলোহেঁতেন। আজি এইক্ষেত্ৰত সমগ্ৰ APSC কেলেংকাৰীৰ সন্দৰ্ভত যদি চাও কেনে এটা পৰিৱেশ। টি.ভিত আমি বেলেগ নাচাও

এমাহ-দুমাহমান APSC কেলেংকাৰী এজন বোলে জেলত এনেকুৱা এটা পৰিৱেশ। কিন্তু আজি টি. ভিত APSC কেলেংকাৰীৰ বাতৰি পৰিৱেশন নহয়। এটা সময়ত আছিল যে, চাকৰি ক্ষেত্ৰত আমি যদি চাওঁ, কৰবাত টকা দিব লগা হৈছিল, কৰবাত আবেদন কৰিবলগীয়া হৈছিল। আজি স্বচ্ছতাৰে  যি নিযুক্তি প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই কেনেকৈ ইমান কাম কৰিব পাৰিছে। সেইদিনা যোৰহাটত যেতিয়া আমাৰ বিকাশৰ বাবে এটা পযেক কাৰ্যসূচীত  প্ৰথমে তেওঁ কৈছে যে যোৰহাটবাসী ৰাইজক আমি ধন্যবাদ জনাও আহক মাননীয় দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াক। কিয়নো তেখেতে যদি সাহস নিদিয়াহেঁতেন আজি আমি কৰিব নোৱাৰিলোহেঁতেন। মই মুখ্যমন্ত্ৰী ডাঙৰীয়াক সুধিলো যে আপুনি এনেকৈ কেনেকৈ কাম কৰিছে। তেখেতে মোক এটাই কথা ক'লে যে, তেলৰ যিটো royalty আগৰ যিটো তেলৰ royalty  আগৰ ড° মনমোহন সিং ডাঙৰীয়াই নিদিয়াৰ বাবে বা অসমৰ পৰাই তেলৰ royalty বিশেষকৈ আহে আৰু এইটো অসমত নিদিয়া বাবে আমি বিফল হৈছিলো কিন্তু আজি মোদী ডাঙৰীয়াই দিয়াৰ কাৰণে সফল হৈছো। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই সাহস কেনেকৈ কৰিলে এই কামবোৰ ৰাইজৰ সেৱাৰ অৰ্থে কৰিববলৈ কাৰণ মোদী ডাঙৰীয়াই সহায় কৰিছে। ১৫ আগষ্ট, ২০১৯ চনৰ আগতে জলজীৱন মিছনৰ আৰম্ভণি হৈছিল। তেতিয়া গোটেই ভাৰতবৰ্ষত আমি যদি চাও ১৬.১২ কোটি মানুহৰ টেপ সংযোগ নাছিল। আজি যদি আমি তিনি বছৰতে চাওঁ ক্ৰমান্বয়ে ইয়াৰ শতাংশও ১০.৭৮ কোটি অৰ্থাৎ ৫৬ শতাংশ আজি মানুহে টেপৰ পৰা পানী পাইছে। অসমত যদি চাও ৬৪.৫৬ লাখ মানুহৰ tap connection নাছিল আজিৰ তাৰিখত ২৭.৫২ লাখ অৰ্থাৎ ৪১.৯০ শতাংশ  হৈছে। কিন্তু ভাৰতবৰ্ষৰ স্বাধীনতাৰ পাছত সকলোতকৈ যদি ডাঙৰ মেগা স্কীম আজি জলজীৱন মিছন। বিৰোধীয়ে তালি নামাৰে, আমি কিন্তু তালি মাৰিবই লাগিব। এবাৰ নহয়, তিনিবাৰকৈ। আজি মাননীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ এই জলজীৱন আঁচনি এইটো কেৱল মেগা আঁচনিয়েই নহয়, আজি আমাৰ সমগ্ৰ দেশবাসী ৰাইজক আৰ্চেনিকৰ পৰা ফ্লৰাইডৰ পৰা ৰক্ষা কৰিবৰ কাৰণে এটা ডাঙৰ পদক্ষেপ। এই পদক্ষেপৰে সুদূৰ ভৱিষ্যতে আমাৰ বিশেষকৈ দেশৰ অৰ্থনীতিয়েই হওঁক, সমাজৰ উন্নয়নেই হওঁক বহুখিনি সকাহ প্ৰদান কৰিব। আজি যদি চাওঁ,  মাননীয় দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াই যেনেধৰণে চিৰিয়াচ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়াই আজি উদ্যোগ লৈছে। আমি দেখা পাইছো মাননীয় মন্ত্ৰী শ্ৰীজয়ন্ত মল্ল ডাঙৰীয়াইও  অশেষ কষ্ট কৰিছে। সমগ্ৰ ৰাজ্যখনতে আমি দেখা পাইছো, তেখেতৰ টুইটাৰ আমি follow কৰি আছো। আজি নতুন নতুন পদক্ষেপ লৈছে। Second Party য়েই হওঁক  third party দি আজি inspection কৰি যি ঠিকাদাৰক টকা দিয়া বিষয়টো সঁচাকৈ আমি শলাগ লবই লাগিব। মই একমিনিটত সামৰি দিম। আজি আত্মসহায়ক গোটক বিশেষকৈ আইসকলক মহিলা সকলক অন্তৰ্ভূক্ত কৰিছে। টেপ লগাইছে নে নাই, পানী ওলাইছে নে নাই, তাৰপাছতহে টকাটো দিয়া। আগৰ যি কেলেংকাৰী জনস্বাস্থ্য কাৰিকৰী বিভাগক মানুহে পানী নোপোৱা মোৰ মৰিয়নী সমষ্টিৰ কাষতে অসমত প্ৰথমটো পূৰ্বৰ কংগ্ৰেছ চৰকাৰে দাম বঢ়াইছিল ১শ কোটি টকাৰ যিটো flop show ত পৰিণত হ'ল। কিন্তু আজি আমাৰ চৰকাৰে seriously কলেজৰ শিক্ষাৰ্থী সকলকো অন্তৰ্ভূক্ত কৰিব বিচাৰিছে. Plantation ৰ কথায়েই হওঁক, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ CSR Project ৰ অধীনত individual house or latrine অনাময় ক্ষেত্ৰতে হওঁক, মোদী ডাঙৰীয়াৰ স্বচ্ছ ভাৰতৰ পিছতে আজি বিভিন্ন ৰাজনীতি দলৰ চৰকাৰে হওঁক, আমি যদি চাও আগতে চাহ বাগান এলেকাত লেট্ৰিনৰ অভাৱত  পৰিয়াল

সমূহৰ অসুবিধা হৈছিল। এনে এটা দৃশ্য আছিল. আজি প্ৰত্যেকৰ ঘৰে ঘৰে লেট্ৰিন। শাসকীয় দলৰ বিধায়ক হিচাপে এইটো স্বীকাৰ কৰিম। মন্ত্ৰী মহোদয়ে নিশ্চয় স্বীকাৰ কৰিব এতিয়াও এটা শতাংশ মানুহে লেট্ৰিন পোৱা নাই। সেইক্ষেত্ৰত আপুনি ব্যৱস্থা ল'ব লাগিব। আজি পৰ্য্যন্ত ভাৰতৰ স্বাধীনতালৈকে বহু অঙ্গনবাড়ী কেন্দ্ৰত টেপৰ পানীৰ ব্যৱস্থা পোৱা নাছিল, বিদ্যালয়ত পোৱা নাছিল মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় স্বীকাৰ কৰিব হয়তো পূৰ্বৰ চৰকাৰৰ দিনত কৰি দিয়াহেঁতেন আজি এইখিনি সমস্যা নহ'লহেঁতেন। আজি মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি অনুৰোধ জনাম CSR ৰ অধীনত ONGC ৰ লগত আমি কথা পাতিছো। মোৰ বিশেষকৈ চিনামৰাত থকা ONGC ৰ ED ৰ লগত তেওঁলোকে কৈছে আমি ৰেডি চৰকাৰৰ ফালৰ পৰা যদি আহ্বান জনাই CSR ত আমি লেট্ৰিন আৰু য'ত আছে, individual household লেট্ৰিন আৰু য'ত য'ত অঙ্গনবাড়ী কেন্দ্ৰ বা বিদ্যালয়ত প্ৰচাৰগাৰৰ প্ৰয়োজন তাত নিৰ্মাণ কৰাৰ কথা প্ৰকাশ কৰিছে। মই মাননীয় উপাধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াক, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু বিশেষভাৱে বন্ধু মন্ত্ৰী শ্ৰীজয়ন্ত মল্ল বৰুৱা ডাঙৰীয়াক বহুত ধন্যবাদ জনাইছো। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ জৰিয়তে অসমৰ ৰাইজক সন্মান জনাব বিচাৰিছো। ভাৰতৰ স্বাধীনতাৰ ৭৫ বছৰৰ এইক্ষণত মই বিৰোধীয়ে অনা এই কৰ্তন প্ৰস্তাৱৰ ঘোৰ বিৰোধিতা কৰি মোৰ বক্তব্য সামৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** শ্ৰীজাকিৰ হুছেইন সিকদাৰ।

**শ্ৰীকমলাক্ষ দে পুৰকায়স্থ ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, point of order.

**মাননীয় উপাধ্যক্ষ ঃ** Point of order নাইয়ে। Point of order য'তে-ততে নহয়। বহক। এনেকে কোৱাৰ কোনো provision নাই।

**শ্ৰীজাকিৰ হুছেইন সিকদাৰ, (সৰুক্ষেত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ ডাঙৰীয়া, আমাৰ বিধায়িনী দলে অনা কৰ্তন প্ৰস্তাৱৰ সপক্ষে দু-আষাৰ ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। পানীয়ে প্ৰানীৰ প্ৰাণ। এজন সুস্থ মানুহৰ ক্ষেত্ৰত বিশুদ্ধ খোৱাপানীৰ কিমান ভূমিকা, নিশ্চিতভাৱে তাক লৈ আমি বেছিকৈ আলোচনা কৰাৰ দৰকাৰ নাই বুলি মই অনুভৱ কৰো। আজি কৰ্তন প্ৰস্তাৱত বিৰোধী দলৰ ফালৰ পৰা জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু অনাময় ব্যৱস্থাৰ ওপৰত যি আলোচনা কৰাৰ কাৰণে সিদ্ধান্ত লোৱা হৈছিল। মাননীয় অধ্যক্ষ ডাঙৰীয়াৰ লগত মাননীয় উপাধ্যক্ষ ডাঙৰীয়া আপুনি আৰু চৰকাৰৰ ফালৰ পৰা সন্মতি দি এই বিভাগৰ ওপৰত যিখিনি ইয়াত আলোচনা-পৰ্য্যালোচনা হৈ আছে সমালোচনা হৈ আছে নিশ্চিতভাৱে পৰৱৰ্তী সময়খিনিত অসমৰ মানুহৰ কল্যানৰ কাৰণে গোটেই কথাবিলাক এটা দিশত গতি কৰি আছে। এই বিভাগৰ বিভিন্ন বিভাগ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, আমি যেনেকৈ সদায় সততে কওঁ নামেই পৰিচয়, ঠিক তেনেকৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এইটো নাম কিয় দিলে, জনস্বাস্থ্য কাৰিকৰী বিভাগ কিয় হ'ল, এই কথাখিনি যদি আমি ভালদৰে উপলব্ধি কৰো, জনতাৰ স্বাস্থ্য আৰু তাৰ লগত কাৰিকৰী এই দুটা দিশ লৈ এই বিভাগৰ নাম হৈছে। এই বিভাগৰ ওপৰত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই বিভিন্ন ধৰণৰ পৰ্য্যলোচনা, তেওঁৰ বিভিন্ন সিদ্ধান্ত, বিভাগীয় মন্ত্ৰী ডাঙৰীয়াৰ চোৱা-চিতাৰ গধুৰ দায়িত্ব আৰু এই বিভাগত কৰ্মৰত বিষয়া সকলৰ তেওঁলোকৰ কিমান গধুৰ দায়িত্ব আছে এই বিভাগৰ নামৰ মাজতে সকলো সোমাই আছে। আমাৰ বিধায়ক সকলৰ কিমান দায়িত্ব আছে, তাৰ বাবে আমি যদি এই নামৰ পৰ্য্যালোচনা কৰো নিশ্চিতভাৱে উপলব্ধি কৰিব পাৰিম। আজি কৰা কৰ্তন প্ৰস্তাৱত মই দেখিছো শাসকীয় দলৰ সন্মানীয় দুই এজন সদস্যই বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ নো কিয় আনিলে, তাৰ কাৰণে কটাক্ষ কৰিছে। সকলো ক্ষেত্ৰতে সমালোচনা কৰিব লাগে বুলি সমালোচনা কৰা হয়,

তেনেহ'লে সমাজৰ কাৰণে এইয়া স্বাস্থ্যকৰ নহয়। মই দেখিছো মাননীয় মন্ত্ৰী মহোদয়ে এই কৰ্তন প্ৰস্তাৱ আলোচনা হোৱাৰ প্ৰথমৰ পৰাই মনোযোগেৰে শুনি আছে আৰু কিবা-কিবি নোট কৰি আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই শাসক আৰু বিৰোধী দলৰ আলোচনা-সমালোচনা মনোযোগেৰে শুনিছে। মনোযোগেৰে এই কাৰণেই শুনিছে কাৰণ তেখেতে দায়িত্ব লোৱাৰে পিছৰে পৰাই জলজীৱন মিশ্যনৰ পৰা আৰম্ভ কৰি জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিভিন্ন কাম-কাজৰ মাজত কিমান আসোঁৱাহ তেওঁ পাইছে তেওঁ মুকলিকৈ নক'লেও তেওঁৰ মনৰ মাজত আছে। শাসকীয় পক্ষৰ মাননীয় বিধায়ক সকলক আহ্বান জনাম যে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ  কৰ্তন প্ৰস্তাৱ আপোনালোকে আলোচনা কৰি ক্ষান্ত নাথাকে। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ কথা আপোনালোকে কৈছে। তেখেতে বিচাৰিছে যে জলজীৱন মিশ্যনত  সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰো প্ৰত্যেকটো পৰিয়ালে যাতে বিশুদ্ধ খোৱা পানী পায় আৰু সু-স্বাস্থ্যৰ অধিকাৰী হৈ নিজৰ দেশৰ কাৰণে সেৱা আগবঢ়াব পাৰে। এই উদ্দেশ্য সফল হোৱাৰ বাবে জনস্বাস্থ্য কাৰিকৰী বিভাগ আৰু জলজীৱনৰ কথা কেৱল কৰ্তন প্ৰস্তাৱতে নহয় পৰৱৰ্তী বিধান সভাতো সময়ে সময়ে আমি আলোচনা-বিলোচনা কৰিলেহে সফল ৰূপ পাব। কিছুদিন আগতে মাননীয় মন্ত্ৰী ডাঙৰীয়াই যেতিয়া এই বিভাগৰ দায়িত্ব পালে ছিপাঝাৰ বিধান সভা সমষ্টিত দেখিছিলো তেখেতে চাডেন ভিজিট কৰিছে আৰু তাত দেখা পাইছিল যে  এটা স্কীমৰ কামত যি ধৰণে কাম কৰিব লাগে, যেনেধৰণৰ এষ্টিমেট আছিল এষ্টিমেট মতে কাম কৰা নাই। তেখেতে লগে লগে তাৎক্ষণিক ব্যৱস্থা লৈছে আৰু অসমৰ ৰাইজেও দেখিছে। মই মাননীয় মন্ত্ৰী মহোদয়ক এই ভুল কামখিনি উদঙাই দিয়াৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। ইয়াৰ পৰা বুজা যায় যে যোৱা চৰকাৰৰ দিনৰ পৰাই  জলজীৱন মিশ্যনৰ যি কাম আৰম্ভ হৈছে তাত নিশ্চিতভাবে ভুল আছে। এষ্টিমেটত যিধৰণে কাম কৰিবলৈ কৈছে, সেই ধৰণে কাম কৰা নাই। ইয়াৰ লগত ঠিকাদাৰ আৰু বহু বিভাগীয় মানুহ জড়িত হৈ আছে। আহি থকা দিনত জলজীৱন মিশ্যনে যিমান টকা খৰচ কৰিব সেইবোৰ দেশৰ জনতাৰ টকা। দেশৰ জনতাৰ টকাৰে চৰকাৰে আঁচনি লৈছে আৰু সেই আঁচনিবোৰ যাতে ফলপ্ৰসু হয়, সেই আঁচনিৰ জৰিয়তে যাতে জনতাই ঘৰে ঘৰে পানী পায়। তাৰ কাৰণে আমি বিধায়কসকলে, বিভাগে, গাওঁৰ ৰাইজে, পঞ্চায়ত ব্যৱস্থাই কি কি দায়িত্ব কৰ্তব্য পালন কৰিবলগীয়া আছে আৰু লগতে জলজীৱন মিশ্যনৰ আঁচনি তৈয়াৰ কৰা নীতি-নিয়ম বোৰত কিবা যদি সংস্কাৰ কৰিবলগীয়া আছে, নিশ্চিতভাৱে আমি এই কথাখিনি মুকলিভাৱে আলোচনা কৰিব লাগিব। পানীৰ কথা যেতিয়া আহে, মই ভাৱো শাসক-বিৰোধী কোনো কথা নাথাকে আৰু আমিও চৰকাৰৰ লগত মিলি সকলোৰে খোৱা পানী পোৱাৰ বাবে চেষ্টা কৰিম। মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে এটা কথা ক'ব বিচাৰিছো যে আমি সৰুৰ পৰাই জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিভিন্ন পানী যোগান আঁচনি দেখিছো। মই ইয়াতে শাসক-বিৰোধী বা সেই সময়ত কোন চৰকাৰ আছিল, মই নকওঁ কিন্তু বিভাগৰ এনেকুৱা কি  ভুল নীতি, যাৰ কাৰণে জনস্বাস্থ্য কাৰিকৰী বিভাগে যিমান আঁচনি বনাইছিল তাৰে বেছিভাগেই পানী যোগান আঁচনি বন্ধ হৈ পৰিছিল। গতিকে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ  বিষয়াসকলে নিজৰ এই অভিজ্ঞতাৰ পৰা শিক্ষা লওঁক যাতে আহি থকা দিনত জলজীৱন মিশ্যন যাতে ব্যৰ্থ নহয়। ইয়াৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ক কঠোৰ পদক্ষেপ লোৱাৰ বাবে অনুৰোধ কৰিলো। বিৰোধী দলৰ সদস্যসকলেও মাননীয় মন্ত্ৰী মহোদয়ৰ লগত একেলগে থাকে যাতে আগন্তুক দিনত গাওঁ-ভুঁইৰ সকলো লোকে বিশুদ্ধ খোৱা পানী পায়। মাননীয় মন্ত্ৰী মহোদয়ৰ পৰৱৰ্তী পদক্ষেপ যাতে  কেৱল ছিপাঝাৰতে সীমাবদ্ধ নাৰাখে আৰু  অসমৰ ১২৬ টা বিধান সভা সমষ্টিত  মাননীয় মন্ত্ৰী ডাঙৰীয়া যাওঁক আৰু

এখন এখন স্কীম তেওঁ বাচনি কৰি পৰ্য্যৱেক্ষণ কৰক। বিধায়কসকলক একত্ৰিত কৰাৰ কাৰণে বিভাগক তেওঁ নিৰ্দেশ দিয়ক আৰু জলজীৱন মিশ্যনৰ পানী যাতে ঘৰে ঘৰে পায় সেই আশাৰে মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ** ঃ এতিয়া মাননীয় সদস্য ধৰ্মেশ্বৰ কোঁৱৰৰ ডাঙৰীয়াই কওঁক।

**শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, (চৰাইদেও)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী দলে যি জলজীৱন মিশ্যনৰ কৰ্তন প্ৰস্তাৱ আনিছে, তাৰ সম্পূৰ্ণ বিৰোধিতা কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। যিহেতু জলজীৱন মিশ্যনখন এখন অভিলাসী আঁচনি, ভাৰতৰ মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সপোনৰ আঁচনি। এই আঁচনিখনৰ জৰিয়তে সমগ্ৰ ভাৰতবৰ্ষৰ ১৯, ৩৬, ০৬,৪৬৪ টা পৰিয়ালক বিশুদ্ধ খোৱা পানী দিয়াৰ যি পৰিকল্পনা তাৰ বাবে এই আঁচনিখনক গুৰুত্ব দিয়া হৈছে। গতিকে এই আঁচনিখনৰ জৰিয়তে ভাৰতবৰ্ষৰ লগতে অসমতো অন্ততঃ ৬৫ লাখতকৈও অধিক পৰিয়ালে এই আঁচনিত অন্তৰ্ভুক্ত হৈছে আৰু এই আঁচনিৰ জৰিয়তে উপকৃত হ'ব বুলি আশা কৰিছো। এই আঁচনিখন ২০২৪চনৰ ৩১মাৰ্চ পৰ্য্যন্ত সম্পূৰ্ণ সফল ৰূপায়ণ কৰিব লাগিব। তাৰ উদ্দেশ্যে আমাৰ বৰ্তমান মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত খুব তৎপৰতাৰে এই কামখিনি আগুৱাই লৈ যোৱা হৈছে। লগতে আমাৰ মাননীয় বিভাগৰ মন্ত্ৰী মহোদয়েও এই আঁচনিৰ জৰিয়তে যিখিনি কাম যেনেধৰণে কৰিব লাগে তাৰ ওপৰত যি গুৰুত্ব দিছে , তাৰ বাবে আমি অসমত প্ৰায় ৪২ শতাংশ কাম সম্পূৰ্ণ কৰিবলৈ সক্ষম হৈছো। বাকী কামখিনি যাতে আমি দ্ৰুত গতিত সম্পূৰ্ণ কৰিব পাৰো তাৰ প্ৰতি লক্ষ্য ৰাখি আগুৱাই যোৱাত আমি সক্ষম হৈছো। ক'ত কেনেধৰণে কাম হৈছে, সেই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ৰ লগতে আমাৰ জনপ্ৰতিনিধিসকলেও যি ধৰণে তদাৰক কৰিছে, বিশেষকৈ মই আমাৰ চৰাইদেও জিলাৰ কথা কম। চৰাইদেও জিলাৰ উপায়ুক্ত মহোদয়ৰ কাৰ্য্যালয়ত যিসকলে আবণ্টন পাইছে, ঠিকা পাইছে সেই ঠিকাদাৰ সকলক মাতি আনি কিছুমান পৰ্য্যালোচনা কৰাৰ সিদ্ধান্ত লৈছো। সেই উদ্দেশ্যে এসপ্তাহ আগত এনেকুৱা এখন পৰ্য্যালোচনাৰ আলোচনা উপায়ুক্তৰ কাৰ্য্যালয়ত কৰিছিলো। উপায়ুক্ত মহোদয়ৰ তত্বাৱধানত মই উপস্থিত থাকি সেই ঠিকাদাৰসকলে কেনেধৰণে কাম আগবঢ়াইছে আৰু কেনেধৰণে কামত আগবাঢ়িব এই কথাখিনিৰ আমি বুজ লৈছো আৰু কি ধৰণে কাম কৰিব লাগিব সেইখিনি দিহা-পৰামৰ্শ আগবঢ়াইছো। মাননীয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই আঁচনিখন এখন সপোনৰ আঁচনি হিচাপে ঘোষণা কৰিছে আৰু এই খনক জলজীৱন নাম দিলে। অসমৰ লগতে সমগ্ৰ ভাৰত বৰ্ষৰ জনসাধাৰণে বিশুদ্ধ খোৱা পানী খাবলৈ পায়, তাৰ প্ৰতি লক্ষ্য ৰাখিছে যাতে কোনেও এই বিশুদ্ধ খোৱা পানীৰ পৰা বঞ্চিত নহয়। তাৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ ভাৰত চৰকাৰে সকলো ৰাজ্য চৰকাৰলৈ নিৰ্দ্দেশ দিছে। উপায়ুক্ত মহোদয়ৰ তত্বাৱধানত মই উপস্থিত থাকি ঠিকাদাৰ সকলে কেনেধৰণে কাম আগবঢ়াইছে আৰু কেনেধৰণে কৰিব লাগিব, এই গোটেইখিনি কামৰ বুজ আমি তেখেতসকলৰ পৰা লৈছো আৰু কিদৰে কৰিব লাগিব তাৰ দিহা-পৰামৰ্শও আমি আগবঢ়াইছো। আমাৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই এই জল জীৱন মিছনটো তেওঁৰ সপোনৰ আঁচনি হিচাপে ঘোষণা কৰিছে। এই আঁচনিখনৰ জৰিয়তে সমগ্ৰ অসমৰ লগতে ভাৰতবৰ্ষৰ জনসাধাৰণে যাতে বিশুদ্ধ পানী খাবলৈ পায়, কোনো এটা পৰিয়ালে যাতে বিশুদ্ধ খোৱাপানীৰ পৰা বঞ্চিত নহয়, তাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ সকলো ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। তাৰ আধাৰত অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ নেতৃত্বত বা তেখেতৰ তত্বাৱধানত এই আঁচনিখনৰ কেনেধৰণে সফল ৰূপায়ণ হয়, তাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁ সপ্তাহে সপ্তাহে বা পযেকৰ মূৰত উপায়ুক্তৰ যোগেৰে বুজ লয় আৰু সকলো জিলাৰে বিধায়কৰ

লগত যোগাযোগ ৰাখে। গতিকে, এইখিনি কৰিবলৈ গ'লে আমি কেনেধৰণে কামখিনি আগবঢ়াব লাগিব আৰু এই কামৰ জৰিয়তে অসমৰ জনসাধাৰণৰ প্ৰত্যেক ঘৰে যাতে বিশুদ্ধ খোৱাপানী পায় তাৰ প্ৰতি লক্ষ্য ৰাখি সকলো জন প্ৰতিনিধিক এইখিনি দিহা-পৰামৰ্শ আগবঢ়াই আহিছে। আমি সকলোৱে এইখিনি কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছো যাতে ২০২৪ চনৰ ৩১ মাৰ্চৰ ভিতৰত এই আঁচনিৰ সফল ৰূপায়ণ কৰিব পাৰো। আমি পানীৰ ওপৰত এল.পি. স্কুলত এটা পাঠ পঢ়িছিলো, য'ত লিখা আছিল যে - 'মোৰ নাম পানী। মই জুলীয়া পদাৰ্থ। মই নহ'লে কোনো প্ৰাণী জীয়াই থাকিব নোৱাৰে। গছে কুঁহিপাত নেমেলে। পথাৰত শস্য নহয়।' তাৰোপৰি, পৃথিৱীৰ দুই-তৃতীয়াংশ পানীৰে ভৰি আছে। কিন্তু মানুহক খোৱাৰ বাবে বিশুদ্ধ পানী লাগে। বিশুদ্ধ খোৱা পানী বিগত চৰকাৰসমূহৰ দিনত ঘৰে ঘৰে নোপোৱাৰ উপৰিও হয়তো গাঁৱতো পাবলৈ সক্ষম হোৱা নাছিল। গতিকে, ঘৰে ঘৰে বিশুদ্ধ খোৱাপানী পালেহে জনসাধাৰণ বেমাৰ মুক্ত, বীজাণুমুক্ত হ'ব আৰু তেতিয়াহে আমি এখন সুস্থ সবল সমাজ, শক্তিশালী দেশ গঢ়িবলৈ সক্ষম হ'ম। সেয়েহে, এই জলজীৱন মিছনৰ আধাৰত বিশুদ্ধ খোৱাপানী সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমবাসীয়েও যাতে পাবলৈ সক্ষম হয়, তাৰ প্ৰতি লক্ষ্য ৰাখি আমি সকলোৱে এই আঁচনিৰ সফল ৰূপায়ণত গুৰুত্ব আৰোপ কৰিব লাগে। বিৰোধীয়ে অনা এই কৰ্তন প্ৰস্তাৱৰ মই সম্পূৰ্ণ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষঃ** মাননীয় সদস্য শ্ৰী আশ্ৰাফুল হুছেইন।

**শ্ৰী আশ্ৰাফুল হুছেইন, (চেঙা) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দু-আষাৰ কথা ৰাখিব বিচাৰিছো। মাননীয় মন্ত্ৰীয়ে দায়িত্ব লোৱা বেছি দিন হোৱা নাই। মোৰ এনেকুৱা লাগিছে যে তেওঁ দায়িত্ব লৈয়েই ভাৱিছে যে কি বিভাগৰ মই দায়িত্ব ল'লো। ইয়াত performance ইমান বেয়া হৈ আছে। আমি আশা কৰো যে এই বিভাগটো আগুৱাই লৈ যাবলৈ হ'লে অতি সক্ৰিয়তাৰে কাম-কাজ কৰাৰ প্ৰয়োজনীয়তা আছে। জলজীৱন মিছনৰ অধীনত যিসমূহ আঁচনি চলি আছে বা বনাইছে সেই আঁচনিসমূহৰ quality আৰু longevity কেনেকুৱা? তাত টেপৰ পৰা আৰম্ভ কৰি থিয় হৈ থকা খুটাটোলৈ যদি চায়, তেন্তে তাক শিশু এটাই ঠেলা মাৰি দিলেই খহি পৰিব। এইটো এটা কাৰিকৰী বিভাগ আৰু মই নাজানো ইয়াত ইমান ডাঙৰ ডাঙৰ কাৰীকৰ ক'ৰ পৰা আহিছিল যে তেওঁলোকে এনেকৈ বনালে? মহোদয়, ইমান দুৰ্বল বস্তু চৰকাৰী টকাৰে কামত লগাকৈ বনোৱা জীৱনতো দেখা নাই।মই ভাৱো এই ক্ষেত্ৰত improvement আনিব লাগিব। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ এটা দুৰ্নাম আছে যে বিগত সময়ৰ ৮০% আঁচনিয়েই তেওঁলোকৰ ফ্লপ হৈছে। অনাগত দিনত যাতে এনে নহয়, এই টকাৰ যাতে অপচয় নহয়, ঘৰে ঘৰে পানী পাব লাগিব আৰু পানী দীঘলীয়া সময়লৈ পোৱাটোৱেই আমাৰ টাৰ্গেট হ'ব লাগে। প্ৰতি ঘৰে ঘৰে টেপৰ সংযোগ দি উদ্বোধনীৰ সময়তে যদি শেষৰ ঘৰটোৱেই পানী নাপায় তেন্তে মহোদয়, এইটো ঠিক নালাগিব। আমাক কৈছিল যে প্ৰতি মাহত এটাকৈ প্ৰকল্প উদ্বোধন কৰিব লাগিব। সেই অনুযায়ী, মই মোৰ নিজৰ গাঁৱত এটা প্ৰকল্প অৱশ্যে উদ্বোধন কৰিছিলো, কিন্তু এতিয়া মানুহে কোৱা খবৰ পাওঁ যে তেওঁলোকে এতিয়াও পানী নাপায়। গতিকে, মহোদয়, qualityত যদি গুৰুত্ব দিয়া নহয়, তেন্তে এই আঁচনিপ্ৰাপ্ত মানুহে আমাক বেয়া পাব আৰু চৰকাৰী টকাৰ অপব্যৱহাৰ হোৱা বুলি আমাৰ মনে ক'ব। আমাৰ নিজৰো ভাল নালাগিব। এই আঁচনিসমূহ যেতিয়া বনাবলৈ যোৱা হয় তেতিয়া ৰাস্তাৰ কাষত খন্দা হয়। ফলত ৰাস্তাৰ কাষৰ পৰা আদি কৰি hard crust লৈকে কেতিয়াবা কেতিয়াবা ক্ষতিগ্ৰস্ত হয়। এইখিনিত মেৰামতি কৰি বা দুই-চাৰি গাড়ী মাটি

পেলাই গাঁতবোৰ নোহোৱা কৰিলে side bump টো খহি নাযায়। ইয়াৰ বাবে বিভাগৰ পুঁজি আছে নে নাই মই নাজানো। ৰাস্তাটো আমাৰ প্ৰয়োজনীয়। বহুত টকা খৰছ কৰি ইয়াক বনোৱা হয়। এনেদৰে মাটি উঠাই দিয়াৰ পিছত সেই ৰাস্তাটো খহি যাবলৈ আৰম্ভ হোৱা বহু ঠাইত লক্ষ্য কৰিছো। সেয়েহে, আমি আশা ৰাখিছো যে এই ক্ষেত্ৰত বিভাগে এই বিষয়টো গুৰুত্ব সহকাৰে ল'ব। প্ৰয়োজন হ'লে আঁচনিৰ লগত অলপ টকা দি মাটিৰে ৰাস্তাৰ side bump টো যাতে বান্ধিব পাৰে তাৰো এটা ব্যৱস্থা কৰিব বুলি আমি আশাবাদী। জলজীৱন মিছনৰ আৰম্ভ হৈছিল ২০১৯ চনত, আজি আঢ়ৈ বছৰ কাল চলিছে আৰু total target লোৱা মতে ২০২৪ চনত শেষ কৰিব। আজি যিসকল শাসকীয় পক্ষই বাঃবাঃ কৈ আছে, আজিৰ দিনলৈকে মাত্ৰ ৪১% কামহে সমাপন হৈছে যি ৰাষ্ট্ৰীয় তালিকাৰ তলৰ পৰা ৯ নম্বৰত স্থান। আজিৰ তথ্য মতে ৭ নম্বৰত। জলজীৱন মিছনৰ আৰু এটা অন্যতম কাম আছিল- স্কুল, অংগনবাড়ী কেন্দ্ৰ, CHC, GP সমূহত পানী যোগান ধৰা। দেখা যায় যে স্কুলত ৮৩.৭৮% তহে পানী যোগান ধৰিব পাৰিছো যি ৰাষ্ট্ৰীয় তালিকাৰ তলৰ পৰা ৯ নম্বৰত স্থান। অংগনবাড়ী কেন্দ্ৰসমূহত ৭১% তহে পানী দিব পাৰিছো। ইয়াত আজি মহিলা আৰু শিশু কল্যাণ মন্ত্ৰী বাইদেউ আছে। এয়াও আমাৰ তলৰ পৰা ১০ নম্বৰত স্থান। আমি ইমান বাঃ বাঃ কৈ আছো, তাৰ পিছতো যে তলৰ পৰা আমাৰ স্থানবিলাক আহিছে, এই বিষয় বিলাকত অধিক আত্ম-বিশ্লেষণৰ প্ৰয়োজনীয়তা আছে যে আমি কেতিয়ালৈকে ১০০% target achieve কৰিম। এনেকুৱা নহয় যে কোনো ৰাজ্যই ১০০% target achieve কৰা নাই। অতি কমেও ১০-১৫ খনকৈ ৰাজ্য আছে যিসকলে ১০০% target achieve কৰিছে। কিন্তু অসমে কিয় কৰা নাই সেয়াহে অত্যন্ত তাৎপৰ্য্যৰ বিষয় আৰু ডাঙৰ প্ৰশ্ন। জল শক্তি মন্ত্ৰালয়ৰ আৰু এক তথ্যত দেখা গৈছে যে স্বচ্ছ ভাৰত অভিযান ২০১৪ৰ পৰা আৰম্ভ হৈছিল। তাৰ আগত নিৰ্মল ভাৰত অভিযান আছিল। আজিৰ স্বচ্ছ ভাৰত অভিযান আৰু আগৰ নিৰ্মল ভাৰত অভিযান থকাৰ পিছতো আমি ঘৰে ঘৰে এতিয়ালৈকে পকী শৌচাগাৰ বনাব পাৰিছো নে? আজি আমাৰ শাসকীয় পক্ষৰ এজন সদস্যই কৈ গৈছে যে বহু ঘৰত কিছু শতাংশত এতিয়াও বাকী আছে। Ministry website ৰ এক তথ্যত দেখা যায় যে তাতো আমি ৰাষ্ট্ৰীয় স্তৰত তলৰ পৰা ১০ নম্বৰত আছো। গতিকে আমাৰ performance ভাল নহয়। অৰ্থাৎ আমাৰ বিভাগ ফেইল হৈছে, বিভাগে ভালদৰে perform কৰা নাই বা কাম-কাজ কৰি থকা নাই যাৰ ফলত আমাৰ এই অৱস্থাটো হৈছে। গতিকে, এই ক্ষেত্ৰ বিলাকত এই তথ্যৰ ওপৰত ভিত্তি কৰি, গোটেই দেশখনলৈ চাই আমি যদি আটাইকেইটা parameter ত তলৰ পৰা স্থান ল'বলগীয়া হয়, তেন্তে বিগত সময়ত আমাৰ কৰ'বাত কৰ'বাত functioning ত ফেইল হৈছে নেকি? শৌচাগাৰ নিৰ্মাণৰ ক্ষেত্ৰত মোৰ সমষ্টিতে যিসকলে পাবলগীয়া আছিল প্ৰায় ৭ হাজাৰ শৌচাগাৰ এতিয়ালৈকে নিৰ্মাণ হোৱা নাই। বাঘবৰ সমষ্টিৰ তথ্য মতে ৪.৫ হাজাৰ শৌচাগাৰ এতিয়ালৈকে নিৰ্মাণ হ'বলগীয়া আছে। আনকি ২০২০ চনত শৌচাগাৰ নিৰ্মাণৰ কাম কৰি থোৱা NGO সমূহে মাত্ৰ ১২ হাজাৰ টকাৰে একো একোটা শৌচাগাৰ নিৰ্মাণ কৰিছিল। মই নাজানো ১২ হাজাৰ টকাত শৌচাগাৰ নিৰ্মাণ হয় নে নহয় , কিন্তু এতিয়ালৈকে তেওঁলোকৰ পইচা আদায় দিয়া হোৱা নাই। যাৰ কাৰণে আজি কোনেও কাম ল'বলৈ নাহে। আজি আমি আশা কৰিছো যে যিসমূহ শৌচাগাৰ এতিয়াও বনাবলৈ আছে, যিসমূহ পৰিয়ালে এতিয়াও পকী শৌচাগাৰ এটা পোৱা নাই তেওঁলোকৰ যদি ১২ হাজাৰ টকাত শৌচাগাৰ নিৰ্মাণ কৰাটো সম্ভৱ নহয়, আজি ইটাৰ দাম ১৪ টকা হৈছে যিটো আগতে আছিল ৬ টকা, গতিকে সেই সময়ৰ স্কীমেৰে যদি আজি সম্ভৱ হোৱা নাই, এই বিভাগে ৰাজ্য চৰকাৰৰ আছুতীয়া ধনৰ পৰা

হ'লেও শৌচাগাৰ নিৰ্মাণ কৰাৰ বাবে ১২ হাজাৰ টকাৰ লগতে অলপ টকা বঢ়াই দি হ'লেও সেই স্কীমখিনি কৰিব পাৰি নেকি সেই বিষয়ে মন্ত্ৰীয়ে বিশদ ভাৱে আলোচনা কৰিব বুলি আমি আশা কৰিছো। বিভিন্ন ঠাইত জলমিত্ৰ নিয়োগ কৰা হৈ আছে আৰু জলমিত্ৰ সকলকো এই স্কীমসমূহ চোৱা-চিতা কৰাৰ বাবে কম বেছি পৰিমাণে ট্ৰেইনিঙৰ ব্যৱস্থা কৰা হৈ আছে। আমি আশা কৰিম যে এই আঁচনিসমূহ চলোৱাৰ নামত 15th Finance ৰ পৰা যি পইচা দিম, আঁচনিসমূহ চলোৱাৰ বাবে electricity ৰ যি বিল দিম সেইয়া যাতে আমাৰ এনেই নাযায়। কোনো perform নকৰাকৈ যাতে আমাৰ টকাখিনি এনে শেষ নহয়। আজি ৰাইজৰ পদূলিত যিখিনি ঠাইলৈ আমি পাইপটো আগুৱাই দিছো, অন্তত ৰাইজৰ মাজত এনেকুৱা এটা সজাগতা সৃষ্টি কৰিব পাৰি নেকি যে সেইখিনি পানী কেনেদৰে সংৰক্ষণ কৰি পিছলৈ ব্যৱহাৰ কৰিব পাৰি। দেখা যায় যে টেপটো খুলিলে কৰবাত পাইপডাল ফুটা, তেনেহ'লে তেওঁলোকক সঞ্চয় কৰিবলৈ শিকাবলৈ হ'লে কি ধৰণে ব্যৱস্থা তেওঁলোকে ল'ব পাৰে, জনসাধাৰণে তাৰ কাৰণে এটি পৰামৰ্শ চৰকাৰৰ ফালৰ পৰা বা সজাগতা মূলক কাৰ্য্যসূচী ৰূপায়ণ কৰাৰ প্ৰয়োজন আছে বুলি মই অনুভৱ কৰিছো। আজি SBM ৰ অধীনত যিমানখিনি পৰিয়ালে toilet পোৱা নাই, সেইখিনি কেতিয়ালৈকে বা কিধৰণে নিৰ্মাণ কৰাটো সম্ভৱ হ'ব, এইক্ষেত্ৰত যদি চৰকাৰে বিশদভাৱে অলপ আলোচনা কৰে, আজি আমি যিটো কৰ্তন প্ৰস্তাৱ আনিছো যে বিভাগটোত সঠিকভাৱে কাম-কাজ চলা নাই, ইয়াৰ পৰ্য্যালোচনা কৰিবলৈ আৰু চৰকাৰী পক্ষই ভাৱিব নালাগে যে আমি এই কথা বতৰা বিলাক লক্ষ্য কৰা নাই। এই সমূহ এই কাৰণেই লক্ষ্য কৰাৰ প্ৰয়োজনীতা আছে যে আমাৰ অতিকৈ প্ৰয়োজনীয় শিক্ষানুষ্ঠান সমূহত -আজি শিক্ষা মন্ত্ৰী থাকিলে ভাল আছিল, মই নাজানো মন্ত্ৰী সকল এনকুৱা অনুষ্ঠান -প্ৰতিষ্ঠানত থাকিব লাগে নে নালাগে। আজি আমি ভাল পাইছো যে আমাৰ Child Welfare Minister আহিছে, তেওঁলোকৰো related কথাবিলাক আলোচনা হৈ আছে। স্কুলৰ ক্ষেত্ৰত পানীযোগানৰ সমস্যাটো দুটা কাৰণত হৈ আছে। এটা হ'ল- Electricity Department ৰ পৰা। বহুত ঠাইত Electricity নাই, তাত solar দিব লাগিব, solar দিব লাগিলে সেই কামটো আকৌ কৰিব লাগিব Electricity বিভাগে। অন্যহাতে অঙ্গনবাড়ী কেন্দ্ৰ সমূহৰো যি সমূহত এতিয়ালৈকে পানীযোগান পোৱা নাই, সেইসমূহ কেন্দ্ৰৰ সঠিক তালিকা দিব লাগিব Woman & Child Welfare বিভাগে। এই তিনি চাৰিটা বিভাগৰ সমন্বয় আজিলৈকে হৈ উঠা নাই। সেইকাৰণে বিদ্যালয় আৰু অঙ্গনবাড়ী কেন্দ্ৰ সমূহত পানীযোগান সম্ভৱ হোৱা নাই। গতিকে মই আশা কৰিম, এই তিনিওটা বিভাগ- শিক্ষা বিভাগ,Woman & Child Welfare বিভাগ আৰু শক্তি বিভাগৰ লগত Public Health Engineer বিভাগে আলোচনা আটাইতকৈ বেছি কামত লগা ঠাইত পানীযোগানৰ ব্যৱস্থা কৰা হ'ব বুলি আশা ব্যক্ত কৰি মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তব্য সামৰণি কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী দুৰ্গা দাস বড়ো।

**শ্ৰী দুৰ্গা দাস বড়ো, (কলাইগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, JJM আৰু অনাময়ৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধীতা কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। দুয়োটা পক্ষৰ ফালৰ পৰাই প্ৰায় বিলাক important issue ৰ ওপৰত বক্তব্য ৰাখিছে। মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে জনাব বিচাৰিছো যে আৰম্ভণিৰ পৰা কোনখিনি কাম ত্ৰুটিপূৰ্ণ আৰু কোনখিনি কাম শুদ্ধ হৈছে। বিভাগে খুব ভালদৰে চাব লাগে বুলি মই ভাৱো। প্ৰথম হৈছে site selection. মই ভাৱো কোনো স্থানীয় লোক site selection ৰ সময়ত উপস্থিত নাছিল, যাৰ

কাৰণে এটা উদাহৰণ দিব পাৰো যে দুটা সমষ্টিৰ একেবাৰে border road তে আঁচনিটো বনাইছে। ৰাস্তাটোৰ সিপাৰে আন এখন গাওঁ। গতিকে সেইখন গাওঁৰ কোনো লোকে সেই আঁচনিটোৰ পৰা পানী পাবলৈ সক্ষম হোৱা নাই। সেই গাওঁখনত বৰ্তমান কোনো আঁচনি নাই, ভৱিষ্যতে নিশ্চয় হ'ব। যিখন গাওঁত selection কৰিলে, সেইখন গাওঁতো এটা মূৰত হ'ল। গতিকে এই site selection ৰ ক্ষেত্ৰত হোৱা ত্ৰুটিসমূহ হয়তো স্থানীয় ৰাইজক অধিকাৰটো নিদিয়াৰ বাবে হয়।

তাৰপিছত আহিছে Land Allotment. এই ক্ষেত্ৰত কেইবাটাও criteria ৰাখিছে। মানুহেও মাটি দান দিব পাৰে। তাৰ বিনিময়ত আমি তেওঁলোকৰ ঘৰত এটা চাকৰি দিম বুলি প্ৰতিশ্ৰুতি দিয়া হৈছে। বহু ব্যক্তিগত মানুহে Land Allotment দিছে। Land Allotment দিয়াৰ সময়ত তেওঁলোকে যিটো আশা কৰিছিল সেই আশাটো আজিৰ এই দিনটোত পূৰণ হোৱা নাই। তেওঁলোকে কিন্তু কেচ কাটল কৰিব পাৰে। এই ক্ষেত্ৰত খুব clear হ'ব লাগে যাতে বিভাগে ভৱিষ্যতে বিপদত নপৰে। এতিয়া দুই ধৰণৰ কথা হৈছে। পূৰ্বতে আছিলে decentralize, মাজত আনিলে ঠিকাদাৰ সকলক ৪০-৫০ টা আঁচনি দি centralize কৰিলে, তাৰ পাছত আকৌ decentralize কৰিলে, এতিয়া আকৌ centralize হৈছে। ইয়াৰ ফলত time consuming হৈছে নে সময় বাচিছে? কিবা সুবিধা হৈছেনে অসুবিধা হৈছে? বিভাগে খুব strongly এইটোৰ ওপৰত আলোচনা কৰিব লাগে যিহেতু এইটো এটা মিছন। অনিৰ্দ্দিষ্ট কাললৈ আপোনালোকে এইটো চলাব নোৱাৰে। মিছনটোৰ কাম সময়ৰ আগতে শেষ কৰিব পাৰিলে ভাল। সময় পাৰ হৈ গলে সেইটো কেতিয়াও মিছন হ'ব নোৱাৰে। মিছন ফেইল হ'ব। গতিকে মিছনটো success কৰিব কাৰণে যিখিনি প্ৰয়োজন সেইখিনি কৰিব লাগে। Ruling party, বিৰোধী পাৰ্টী আৰু মইও কৈছো যে যেতিয়া পেকেজ কৰা হ'ল, কোনোবা ঠিকাদাৰে ৭০ টা পাইছে,কোনোবাই ৪০ টা পাইছে তাত আমাৰ ক'বলগীয়া একো নাই। বিভাগে তেওঁলোকক উপযুক্ত বুলি দিছে। কিন্তু প্ৰত্যেকজন বিধায়কে ব্যক্তব্যত কৈছে যে তেওঁলোকে কাম-কাজ বিলাক চোৱা-চিতা কৰিবৰ কাৰণে য'ত একেলগে ৫০ টা আঁচনি ল'ব তাত কেতিয়াও properly মানুহ engage কৰিব নোৱাৰে। তেওঁ কাৰেবাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছে, য'ত লোকেল বিধায়ক বা MCLA বা আমাৰ পাহাৰীয়া ভাই সকলৰ যি প্ৰতিনিধি আছে, তেওঁলোকৰ লগত তেওঁলোকৰ কোনো যোগাযোগ নাই। মূল ঠিকাদাৰক আপত্তি দিবলৈ ৰাইজৰ প্ৰতিনিধিৰ কোনো ৰাস্তা নাই। এইটো হৈছে আন এটা পইন্ট। এইটো মন্ত্ৰী মহোদয়ে কেনেকৈ কৰিব পাৰে তাৰ ওপৰত ব্যৱস্থা লোৱা উচিত।

মই দেখিছো যে জলজীৱনত পেমেন্টটো খুব ভাল। ঠিকাদাৰবিলাকে কত পেমেন্ট ভাল হয় সেইটো চাই থাকে। য'ত পেমেন্ট ভাল হ'ব তাত তেওঁ কাম কৰি উন্নতি কৰিব পাৰিছে, এইটো খুব ভাল কথা। যাৰ কাৰণে ডাঙৰ পেকেজ কৰিবলগীয়া হ'ল। আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লক্ষ্য আৰু উদ্দেশ্য যে আমি যিহেতু চৰকাৰী চাকৰি দি পূৰণ কৰিব নোৱাৰো , ডেকা লৰা-ছোৱালীবিলাকে খুব কম capacity ৰে ঠিকা কৰিব পৰা অৱস্থা আছিল কিন্তু সেইটো সুবিধা আমি কৰবাত loss কৰিলো নেকি, বাকী থকা খিনিক আমি কৰিব পাৰো নেকি? মই জনাত মন্ত্ৰী, জয়ন্ত মল্ল বৰুৱা দেৱে এই ব্যৱস্থাটো কৰিছে। আগতে যি হ'ল সেইটো যাতে ইয়াৰ পিছত আৰু নহয়।

ইয়াৰ আগতেও কেইটামান কথা হৈছে। আমি দেখিছো যে BTC area, নৰ্থ

কাছাৰ, কাৰ্বি আংলং, ডিমা হাচাও এই এৰিয়া বিলাকত যিসকল বিধায়ক আছে তেওঁলোকৰ duty almost zero. তেওঁলোকক চৰকাৰৰ Flag ship Programme, Central Government ৰ Flag ship Programme, সেইবিলাকতো involve কৰাৰ কাৰণে চৰকাৰে চিন্তা কৰা নাই। মই ভাৱো তেওঁলোকক involve কৰক। আজি জলজীৱনত যদি কিবা ভাল কাম হয় বা কিবা বেয়া কাম হয়, তাৰকাৰণে সেই বিধায়কজন যিহেতু তাৰ লগত কোনোপধ্যে জড়িত নহয় গতিকে আজি সেই BTC আৰু ডিমা হাচাওৰ বা হিলচৰ বিধায়ক সকলক involve কৰাৰ কাৰণে সজোৰে দাবী জনাইছো। এইখিনি পৰামৰ্শ আগবঢ়াই মই মোৰ বক্তব্য সামৰিছো আৰু মই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী কৌশিক ৰয়।

**শ্রী কৌশিক রাই :-** মাননীয় উপাধ্যক্ষ মহোদয়, বিরোধীদের আনা কর্তন প্রস্তাবের বিরোধিতা করে আমরা বক্তব্য রাখছি। জল জীবন মিশন ভারতবর্ষের প্রধানমন্ত্রী মাননীয় নরেন্দ্র মোদীজি **২০১৯** সালে ঘোষনা করে শুরু করেছিলেন। এবং লক্ষ্য ছিল যে ভারতবর্ষের প্রত্যেক মানুষের বাড়িতে প্রতিদিন **৫৫** লিটার করে জল দেওয়া। এই ব্যবস্থা গ্রহন করে কাজ শুরু করা হয়েছিল। আমরা লক্ষ্য করেছি তার সঙ্গে সঙ্গতি রেখে আসামেও আমাদের জল জীবন মিশনের কাজ শুরু হয় এবং আজকের দিনে আমরা বলতে পারি যেখানে জল জীবন মিশন শুরু হওয়ার আগে আসামে মাত্র **১**লক্ষ **১১** হাজার লোকের বাড়িতে এফ এইচ টি সি ছিল আজকের দিনে অসম সরকার **৬৫.৬৭** এফ এইচ টি সি দেওয়ার টার্গেট নিয়ে কাজ শুরু করেছে। এবং এখন পর্যন্ত আমরা **২৭** লক্ষ **৫২** হাজার বাড়িতে জলের কানেকশন দিতে পেরেছি। **৪১.৯** শতাংশ বাড়িতে আমরা জল দিতে পেরেছি। আমি মনে করি যে জায়গায় **১** শতাংশ থেকে আমরা **৪১** শতাংশ পর্যন্ত পৌছাতে পেরেছি এজন্য আমি আসাম সরকারের মাননীয় মুখ্যমন্ত্রী ড০ হিমন্ত বিশ্ব শর্মা এবং আমাদের জনস্বাস্থ্য কারিগরি মন্ত্রী মাননীয় জয়ন্ত মল্ল বরুয়া মহাশয়কে আমি ধন্যবাদ জানাই। আমরা দেখেছি এখন পর্যন্ত আসাম সরকার **২৪,১৫১**টি স্কিম সেংশন দিয়েছে। এবং যার মধ্যে **২২,৩৬৮** কোটি টাকার স্কিম। এবং যার মাধ্যমে **৫৭,২১,৫৩১**এফ এইচ টি সি দেওয়ার যে পরিকল্পনা সেই পরিকল্পনা মতে কাজ শুরু হয়েছে। এবং আমরা আশা করি প্রধান মন্ত্রীর যে টার্গেট **২০২৪** সালের মধ্যে সম্পূর্ণ করা হর ঘর পানী, এই হর ঘর পানীর স্বপ্নকে আমরা বাস্তব রূপ দিতে পারব। আসামে এখন পর্যন্ত প্রায় **৮৩** শতাংশ বিদ্যালয় এবং **৬৯,৭০** শতাংশ অঙ্গনওয়াদি কেন্দ্রে জলের সংযোগ দেওয়া হয়েছে এবং রানিং ওয়াটারের ব্যবস্থা করা হয়েছে। এইরকম কোন বিদ্যালয় বা অঙ্গনওয়াদি কেন্দ্রে এরকম জলের ব্যবস্থা ছিলনা। জল জীবন মিশন **২০১৯** সালে শুরু হয়েছিল। আজকে বিরোধীর অনেক সদস্য বলেছেন যে কোন পরিকল্পনা নেই,পরিকল্পনা ছাড়া কিভাবে পেমেন্ট হবে। আমি লক্ষীপুর সমষ্টি থেকে বিধায়ক নির্বাচিত হওয়ার পর উত্তরাধিকারী সুত্রে আমি **১০৩**টি ডিফান্ড স্কিম পেয়েছিলাম কারণ **১৯৯১** সাল থেকে **২০১৬** অবধি যদি আমরা লক্ষ্য করি তাহলে পিএইচই বিভাগটি প্রায় বরাক উপত্যকায় ছিল। মনে হয়েছিল পিএইচই বিভাগটি শুধু বরাক উপত্যকার জন্য। বিভিন্ন মন্ত্রী বরাক উপত্যকা থেকে এই দায়িত্ব পেয়েছিলেন। আমরা দেখেছি সুন্দর সুন্দর স্কিম তৈরি হয়েছিল। কিন্তু এমনও স্কিম আমরা পেয়েছি যে স্কিমে একদিনও জল সরবরাহ হয়নি। বা মন্ত্রী এক গ্লাস জল খেতে পায়নি।সেই স্কিমগুলো বন্ধ হয়ে গিয়েছে।আমরা দেখেছি পিএইচইতে জমি যারা দিয়েছিল বা সেইসময় জমি যারা দান করেছিলেন এমন লোকরা সেইসময় ভাওতাবাজির স্বীকার হয়েছেন। এবং আমরা লক্ষ্য করেছি একরম অনেক লোক প্রায় **৬**

হাজরের কাছাকাছি ভলান্টিয়ার হিসাবে যারা পিএইচই তে কাজ করেছেন সেই আগের সরকারের সময় এবং তারা বিভিন্ন সময়ে তারা বেতন পায়নি। হয়তো কেউ তিন মাস, কেউ দুই মাস, কেউ চার মাস বেতন পেয়েছিল। কিন্তু আমরা দেখেছি বরাবরই বিভিন্ন জেলা সদরে, বিভিন্ন পিএইচই প্লেন্টকে বন্ধ করে আন্দোলন করা হয়েছিল। আমরা দেখেছি বিধানসভা চলাকালীন বিভিন্ন সময়ে লাস্টগেটে আন্দোলন হয়েছে। যে সরকারের সময় তাদেরকে চাকুরির নামে ভাওতাবাজি করে তাদেরকে এঙ্গেজ করা হয়েছিল এবং যখন তারা আন্দোলন করে,সেই দলেরই সদস্যরা গিয়ে সেই আন্দোলনে সমর্থন জানায়। আমি মনে করি সেটা লজ্জাজনক বিষয়। আমরা দেখেছি আজকের দিনে সরকার জল জীবন মিশন এর যে পরিকল্পনা নেওয়া হয়েছে এবং জল মিত্র নিযুক্তি দেওয়া হয়েছে এবং টার্গেট নেওয়া হয়েছে **৬,৫০০** টাকা করে তাদেরকে প্রতি মাসে দেওয়ার ব্যবস্থা কেন্দ্র সরকার এবং রাজ্য সরকারের মাধ্যমে করা হয়েছে। আগে আমরা দেখেছি **২০১৬** সালে যখন ভারতীয় জনতা পার্টি সরকার হয়েছে তখন অনেকগুলো পিএইচই বন্ধ হয়েছে। পিএইচই বন্ধ হওয়ার কারণ ছিল যে সেই সময় যারা ডিজেল সাপ্লাই দিয়েছিলেন তাদের ডিজেলের টাকা না পাওয়ার জন্য সমস্ত পিএইচই বন্ধ হয়ে যায়। ডিজেলের সাপ্লাই ছিল না। আজকের দিনে সেখান থেকে পরিবর্তন করে আমাদের বর্তমান সরকার জল জীবন মিশন নিয়েছে প্রত্যেকটি স্কিম কিভাবে চলবে সেটার জন্য একটি কমিটি তৈরি করা হয়েছে। সুনিয়োজিত ভাবে পরিকল্পনা গ্রহন করা হয়েছে। সঙ্গে মেনটেনেন্স কোথা থেকে হবে, ইলেকট্রিসিটি বিল কোথা থেকে দেওয়া হবে ,তাদের কেমিক্যাল কোথা থেকে আসবে, আমাদের ভলান্টিয়ার ,জলমিত্র যারা এঙ্গেজ আছেন তাদের পারিশ্রমিক কোথা থেকে দেওয়া হবে সেই বিষয়ে ব্যবস্থা গ্রহণ করা হয়েছে। অনেকে বলেছেন কেন পঞ্চায়েতে টাকা দেওয়া হয়েছে। পঞ্চায়েতের টাইড ফাণ্ড থেকে তাদের ব্যবস্থা করে দেওয়া হয়েছে যাতে আমাদের জিলা পরিষদ তাদের মাধ্যমে মনিটরিং করা যায় এবং প্রতি মাসে তাদের খরচ যাতে চালানো যায়। আমি আমার বিধানসভায় দুটি কথা বলে বক্তব্য শেষ করব। আমার বিধানসভাতে মোট **১০৭**টি পিএইচই আছে। পুরোনো **১০৭**টি তৈরি হয়েছিল এবং এরমধ্যে **১০৩**টি বন্ধ ছিল। আমি বিধায়ক হিসাবে নির্বচিত হওয়ার পর রিভিউ মিটিং করেছি তখন আমি দেখতে পেরেছি **১০৭**টির মধ্যে **১০৩**টি বন্ধ ছিল। আমি আসাম সরকারকে ধন্যবাদ জানাই যে এরমধ্যে ফার্স্ট এস এল ও সি র মাধ্যমে **৩৬**টি, সেকেন্ড এস এল ও সি র মাধ্যমে **৬৭**টি মোট **১০৩**টি পিএইচই র রেট্রোফিটিংস এর কাজ প্রায় সম্পূর্ণ হয়েছে। অনেক জায়গায় কানেকশন দিতে পেরেছি। আমরা থার্ড এস এল ও সিতে আমার বিধানসভাতে একটি আরও পেয়েছি। চা বাগিচার জন্য **১০** টি পেয়েছি , নুতন ভাবে আরোও **৮৪**টি প্রস্তাব গিয়েছিল তার মধ্যে এখন আমরা **৯**টি পেয়েছি। আমি মন্ত্রী মহাশয়কে অনুরোধ করব যে বাকি **৭৪**টি যে পেন্ডিং আছে সেগুলো যাতে হয়ে যায় এবং প্রত্যেকের ঘরে ঘরে জল দেওয়ার কাজ আমরা সম্পূর্ণ করতে পারব। আমি আরেকটি কথা বলব, বিভিন্ন জায়গাতে যে টয়লেট তৈরি করা হয়েছে কিন্তু সেই টয়লেটের অর্থ যদি আরেকটু বাড়িয়ে দেওয়া হয় তাহলে কাজের কোয়ালিটি আরো ভালো হবে এই আশা আমরা রাখছি। এবং বিভিন্ন বিরোধীদলের সদস্যদের বক্তব্য এসেছে যে ঠিকাদার যদি বিধায়কের হিসাবে দেওয়া হয় তাহলে সেই কাজগুলো ভালো হবে। আমি সেই কথাতে মানি না। এবং সেই কথার বিরোধিতা জানাই। ঠিকাদার বিধায়কের মাধ্যমে হলেই যে আমরা কাজ ভালো ভাবে করতে পারব এমন না। ঠিকাদার যে ই থাকুক না কেন, যেহেতু আমাদের এলাকাতে

জলের সমস্যা আছে কাজগুলো যাতে সঠিক ভাবে, সুষ্ঠভাবে স্বচ্ছতার সঙ্গে করতে পারে সেটা আমি অনুরোধ রাখছি এবং আমাকে সময় দেওয়ার জন্য ধন্যবাদ জানাই এবং বিরোধীদের আনা কর্তন প্রস্তাব আমি বিরোধীতা জানিয়ে আমার বক্তব্য শেষ করছি।

**শ্ৰীদিগন্ত বৰ্মন(বৰক্ষেত্ৰী) ঃ** আমি অসম আছো ৪ নম্বৰত পাৰফৰ্মাৰ ষ্টেট, 25 to 50%. আমাৰ তলত আৰু দুখন আছে, সেই খন 0 to 25%. আমি তাৰ অলপ আগত। মন্ত্ৰী ডাঙৰীয়াই আজি মন্ত্ৰী হোৱাৰ মাত্ৰ ৬ মাহ হৈছে, গতিকে আজিয়ে তেখেতক বেছি কলে বেয়া হ'ব, তেখেতে যথেষ্ট গুৰুত্ব সহকাৰে লৈছে। যিবিলাক JJM ৰ কাম চলি আছে সেই কাম বিলাকৰ ক্ষেত্ৰত আমাৰ কেইবাজনো বক্তাই কথাটো কৈছে যে এটা সাধাৰণতে model estimate কৰা হ'য়। আমাৰ নলবাৰীত কি model ত কৰিব বা নগাওঁ বা চিৰাঙত কি কৰিব, আজি কিছুদিন আগতে জয়ন্ত বসুমতাৰী ডাঙৰীয়াৰ সমষ্টিত মই গৈছিলোঁ, তাত আমি PHE ৰ মানুহক লগ পাইছিলোঁ যে তাত ইমান পাথৰ আছে, তাৰ পৰা পানী নোলায়। আমি যিটো model নলবাৰীত পানী উলিয়াব বিচাৰিম, যিমান টকাত সেইটো কিন্তু চিৰাঙত নিশ্চিত ভাৱে নহ'ব। তাৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আপোনালোকে ঠাই বিশেষে model টো সলনি কৰক। আপোনালোকৰ টেক্‌নিকেল মানুহ যথেষ্ট আছে, তেওঁলোকক পঠাই দিয়ক। য'ত ultimately মানুহে পানী পাব লাগিব। মই কাছাৰত দেখিছো বহুত পানীৰ তলত পাথৰ থাকে কাৰণে তাত পানী নাপায়। এই কথাটো অলপ চিন্তা কৰিব। দ্বিতীয়তে, আমাৰ pipe বোৰ, আগৰ pipe কিছু খুব বেয়া থকা বুলি মানুহ সকলে মোক কয়, যে পাইপবোৰ আপোনালোকে change কৰাই দিয়ক। কাৰণ সাধাৰণতে আগৰ কিছুমান pipe ফাটি গৈছে আৰু এটা কথা আমাৰ গাঁৱৰ মানুহেও জানিব যে তেওঁলোকৰ ঘৰৰ কাষেৰে গৈছে, পূজা আহিল, কিবা বেৰা খন দিলে, দিয়োতে পাইপত লাগি pipe দাল ফাটি গ'ল এনেকুৱাও বহুত ঘটনা ঘটিছে।

**মাননীয় উপাধ্যক্ষ ঃ** আপোনাৰ আৰু এক মিনিট আছে।

**শ্ৰীদিগন্ত বৰ্মন(বৰক্ষেত্ৰী) ঃ** সেই ক্ষেত্ৰত পাইপ বোৰ সলনি কৰি দিয়ক। তাৰোপৰি আমাৰ মন্ত্ৰী মহোদয়ে random checking কৰক, যে আমাৰ 3rd party চেক কৰিছে, সেইটো মই নকওঁ, কিন্তু মন্ত্ৰী মহোদয়ে কোনো বিষয়াক বা Engineer ক নজনোৱাকৈ চেক কৰক যে পানী সঁচাকৈ ওলাইছে নে নাই স্বতঃফুৰ্তভাৱে মই কম যে 3rd partyয়ে ইতিমধ্যে এইবোৰৰ inspection কৰি আছে, তথাপিও মই কৈছো যিহেতু DC আমাৰ authority ডিচিয়ে এচ ডিচিৰ দ্বাৰা এটা final report ত চহী কৰাব কওঁক, যিটো আমাৰ আনকি MLA fund ত শেষত আমাৰ SDC গৈ এখন ফটো উঠিলেই পইচাটো পায় MLA fund তে। গতিকে ইমান টকাৰ কাম হৈছে তাতে সেইটো তেওঁলোকক সেইটো কৰিবলৈ দিয়ক, নিশ্চিত ভাৱে ভাল হ'ব। আৰু আপোনালোকে জানিব যে আমাৰ contractor সকলৰ বিৰুদ্ধে মই কোৱা নাই। কিন্তু সদনত contractor ৰ এটিটিউডটো তেনেকুৱা যে বিল খন পোৱাৰ পিছত কিন্তু কাম চেচ আৰু নাযায় কাষলৈ। সেই কাৰণে বিল খন নো পোৱাতে এই ব্যৱস্থাটো কৰাব লাগিব। শেষত মই এটা কথা কম আমাৰ নন্দিতা গাৰ্লোচা ডাঙৰীয়ানী আছে বিদ্যুৎ মন্ত্ৰী, যে আমাৰ দেখিছো সৌভাগ্য আঁচনিত বহুতে আমাৰ ঠিকাদাৰ সকলে কাম কৰিছে, মোৰতাত আহে কেতিয়াবা বিললৈ আহে, চহী কৰিব লাগে completion report ত। মইটো আচৰিত হওঁ যে এইকেইজন মানুহে ৫০ টা পৰিয়ালত connection দিছে আমি গমে নাপালো। তেতিয়া আমি কি কৰো তেওঁলোকে দিয়া telephone number ত randomly দুটামানক phone কৰো যে মই কৈছো তোমালোকৰ ঘৰত লাইট জ্বলিছেনে? লগোৱা

বুলি কৈছে, তেতিয়া চহীটো মাৰি দিছোঁ। ৫০ টা বা ৬০ টা সংযোগত দিয়া হয়। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে আমাৰ বিধায়ক সকলকো মই exactly বিলত চহী মাৰিব কোৱা নাই, কিন্তু তেওঁলোকৰ view এটা লোৱাৰ দৰকাৰ বুলি মই ভাৱো। এই ক্ষেত্ৰত আমাৰ সন্মানীয় বিধায়কে কি কয় নাজানো, কিন্তু এইটো কৰিলে নিশ্চিত ভাৱে ভাল হ'ব।

**মাননীয় উপাধ্যক্ষ** ঃ Thank you, Please conclude.

**শ্ৰীদিগন্ত বৰ্মন(বৰক্ষেত্ৰী)** ঃ মই দীঘলীয়া নকৰো, যি নহওঁক, জয়ন্ত মল্লবৰুৱা ডাঙৰীয়াক মই বেছিকৈ কলে বেয়া দেখি কাৰণ আমাৰ নলবাৰীৰে মন্ত্ৰী, সদায় লগ পাই থাকো। মোৰ সমষ্টিৰ দুটা একেবাৰে defunct হৈ আছে, কলটুলি PWSS বন্ধ হৈ আছে completely.

**মাননীয় উপাধ্যক্ষ** ঃ আপুনি ৰুমত লগ ধৰিব মন্ত্ৰী গৰাকীক, দি দিব এইখিনি কথা। এতিয়া হ'ব।

**শ্ৰীদিগন্ত বৰ্মন(বৰক্ষেত্ৰী)** ঃ আম্বাপুৰ PWSS কিছু defunct হৈ আছে আৰু mega scheme আছে ৭ৰ কোটি টকাৰ, সেইটোও kindly ব্যৱস্থা কৰি দিব।

**মাননীয় উপাধ্যক্ষ** ঃ ধন্যবাদ।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ(সৰভোগ)** ঃ সন্মানীয় উপাধ্যক্ষ মহোদয়, মই জল জীৱন সম্পৰ্কত কেইটামান কথা উল্লেখ কৰিব বিচাৰিছোঁ। আপোনালোকে নিশ্চিত ভাৱে জানে যে যোৱা ২০ তাৰিখে Social Progress Index for states and district প্ৰকাশ কৰিছে Central Government য়ে, PM office ৰ পৰা প্ৰকাশিত হৈছে। ইয়াত ১২ টা component ৰ ভিতৰত 3 টা dimensions ত social progress নিৰ্দ্ধাৰণ কৰিছে। তাৰ প্ৰথমটো হৈছে Basic Human Needs, দ্বিতীয়তো হৈছে Foundation of Well Being and তৃতীয়তো Opportunity. এই যি Basic Human Needs ত যিকেইটা component আছে, অন্য medical care আদি আছে, কিন্তু মূল component টো হৈছে Water and Sanitation. এই Water and Sanitation ত আমি কি progress কৰিছো, সেইটোৱে নিশ্চিতভাৱে নিৰ্ভৰ কৰিছে অসমৰ প্ৰতিষ্ঠিত অৱস্থাটো কোন পৰ্য্যায়ত আছে। 6 category আছে, 6 category ৰ last category টো হৈছে very low social progress আৰু দূৰ্ভাগ্য জনক ভাৱে, লজ্জাজনকভাৱে আমাৰ অৱস্থানটো হৈছে ভাৰতবৰ্ষৰ ৩৬ খন ৰাজ্যৰ ভিতৰত অসমৰ স্থান হৈছে ৩৪ নম্বৰ আৰু আমি score কৰিছো মাত্ৰ 44.92, আমাৰ স্থান হৈছে 34. এতিয়া sanitation and water ত যদি আমি achieved কৰিলোহেতেন তেতিয়াহলে নিশ্চিতভাৱে আমাৰ স্থান উন্নত হ'লহেতেন! কাৰণ medical care ৰ লগত যুক্ত হৈ আছে। এতিয়া প্ৰশ্নটো হৈছে আমি তিনি বছৰ গ'ল, ২ বছৰ আছে 41% আমি achieved কৰিছোঁ বাকী 59% achieved কৰাৰ কাৰণে এতিয়া নতুন মন্ত্ৰী আহিছে, ৩ বা ৪ মাহ হ'ল। তাৰ আগৰ মন্ত্ৰী বা আগৰ কাৰ্য্যকালত মোৰ দৃষ্টিভঙ্গিত এই বিভাগটোৰ ১২ টা বজাই থৈ গৈছে। সম্পূৰ্ণ ভাৱে ১২ টা বজাই থৈ গৈছে। নতুন মন্ত্ৰী আহিছে, আহি ঠিকাদাৰৰ পিছত ঠিকাদাৰ কেনচেল কৰি আছে। আৰে বাবা এই ঠিকাদাৰ বোৰ কেনচেল কৰিব লগা কিয় হ'ল? যে পূৰ্বৰ মন্ত্ৰীয়েটো ১২ টা বজাই থৈয়ে গৈছে, এনেকুৱা ১২ টা বজাইছে, ইয়াৰ তলা খোলাতে এতিয়া জয়ন্ত মল্লবৰুৱাৰ ১২ টা বাজি যাব।

**শ্ৰীপীযুষ হাজৰিকা, মন্ত্ৰী** ঃ আমাৰ মন্ত্ৰীক এনেকৈ নক'ব।

**শ্ৰীমনোৰঞ্জন তালুকদাৰ (সৰভোগ)**ঃ কথাটো মোৰ যিটো observation. কথাটো হৈছে ইমান ঠিকাদাৰ খেদিব লগা হৈছে, ঠিকাদাৰ বোৰ কোনে আনিছিল? কি process ত আহিছিল আৰু তাত কি হৈছিল কাৰবাৰটো এই গোটেই গণ্ডগোলটো আছে তাতেই। আৰু আজি মই শুভেচ্ছা

যাচিছো দুটা বছৰত ৫৯ শতাংশ সম্পূৰ্ণ কৰাৰ দায়িত্বটো জয়ন্ত মল্ল বৰুৱাৰ ওপৰত পৰিছে, তেওঁ success হওঁক, মই যিমান পাৰো সহায় কৰিব লাগে কৰিম। কিন্তু মোৰ দুৰ্ভাগ্য মই থকা গাঁও খনত মই থকা পাৰাটোত এটাও নল যোৱা নাই। পানী দূৰত থওঁক, মই যিখন গাঁৱত ডাঙৰ দীঘল হৈছো সেই খন গাঁৱত নল গৈছে কিন্তু পানী নাই। পানী নাই কিয় যে তাত machine টো চলাবৰ কাৰণে এটা solar লগাই থৈছে। আৰে বাবা চ'লাৰ ১১ টা বজাৰ আগতে তৈয়াৰে নকৰে পাৰাৰ। ১১ টা বজাৰ আগত যে machine চলাব নোৱাৰে পানী কেনেকৈ দিব ৰাতিপুৱা আহি? দিব নোৱাৰে। মই বাৰ বাৰ কলো Executive Engineer ক, যে ইয়াত এটা transformer বহুৱাওক, কানেক্চনটো কৰক, কৰিলেহে পানী দিব পাৰিব, কোনো হেট-কেট নাই। এই ধৰণে। মই সেই কাৰণে কৈছো মই বেছি কথা নকওঁ। আমাৰ যিটো অৱস্থা হৈছে 34, এই 34 অৱস্থাৰ পৰা উন্নত হ'ব লাগে। আমি ৫ নম্বৰত যোৱাৰ কথা কৈ আছো। এইখন report কিন্তু আনে দিয়া নহয়। প্ৰধান মন্ত্ৰীৰ অফিচ, PM office ৰ পৰা আহিছে Social Progress Index টো। এতিয়া পি এম অফিচৰ পৰা আহিছে আমাৰ নম্বৰ ৩৪ আৰু আমি Water and Sanitation, ৰ ক্ষেত্ৰত medical care ৰ ক্ষেত্ৰত অন্য বিষয়বোৰো আছে, 12 componentত আমাৰ যিটো progress হৈছে এইটো major এটা part হৈছে Water and Sanitation. সেই কাৰণে মই বেছি কথা নকওঁ, যদি যাব পাৰে মন্ত্ৰী যাব, মোৰ গাঁৱলৈ যাব, একাপ চাহ খাব। মোৰ ওচৰৰ পাৰাটোত চাব কৰবাত নল আছে নেকি? আৰু মই ডাঙৰ দীঘল হোৱা গাওঁ খনলৈ লৈ যাম তাত নলত পানী আহে নেকি? মই এবাৰ video আনিছিলোঁ, আছে ভিডিঅ' টো। কেনেকৈ পানী ওলাই, পানী যেতিয়া ওলাই হৰ হৰ কৈ গৈ থাকে, মানে পানীটো বন্ধ নহয়। যাক পানী নালাগে গোটেই চোতাল ভিজি যায়। তাৰ পিছত কাপোৰেৰে বান্ধি থৈ দিছে নলটো। পানী বন্ধ কৰিছে। এতিয়া দেখিছো নলটোৱে নাই। এনেকুৱা low quality ৰ stand লগাইছে low quality tap লগাইছে, সি চাৰি দিন পিছতে ভাঙে। এই ধৰণে গোটেই ধ্বংস কৰি থৈ গৈছে, মই কৈছো গোটেই ধ্বংস হৈছে। তথাপিও শুভেচ্ছা জনাইছো জয়ন্ত মল্লবৰুৱাক। এই দুটা বছৰত এই ধ্বংসৰ পৰা যাতে এই মানুহে নল পাব নহ'লে মুখ্যমন্ত্ৰীয়ে কোৱাৰ দৰে আমি পুখুৰীৰ পানীয়ে খাই থাকিব লাগিব। পুখুৰীৰ পানী খোৱাৰ ইচ্ছা নাই অসমৰ মানুহৰ, নলটো লাগে, পানী লাগে।

**মাননীয় উপাধ্যক্ষ ঃ** Thank you, এতিয়া মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ বিৰোধী দলে যিটো কৰ্তন প্ৰস্তাৱ আনিছে, তাত মই বিৰোধীতা কৰি কিছু কথা অৱগত কৰিব বিচাৰিছো যে, জলজীৱন মিশ্যন কেন্দ্ৰীয় চৰকাৰ তথা ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী মাননীয় নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ এটা বৃহত্তম আঁচনি আৰু এই আঁচনিৰ জৰিয়তে আমাৰ অসমত বিশেষভাৱে ২০২৪ চনৰ ভিতৰত যাতে প্ৰত্যকটো পৰিয়ালে বিশুদ্ধ পানী পাব পাৰে তাৰ বাবে ব্যৱস্থা ল'বৰ কাৰণে এটা সময় সীমা নিৰ্ধাৰণ কৰি ৰাজ্য চৰকাৰক নিৰ্দেশ দিছে। আমি সকলোৱে জানো যে, পানী প্ৰাণী জগতৰ বাবে অপৰিহাৰ্য্য। পানী নহ'লে কোনো জীৱকুলে বাচি থাকিব নোৱাৰে। সেই কাৰণে কোৱা হৈছে পানীয়ে প্ৰাণ। আজি আমি অসমে কেন্দ্ৰীয় চৰকাৰৰ জৰিয়তে জলজীৱন মিশ্যনৰ যিটো আঁচনি এই আঁচনিখন আমাৰ অসমৰ বাবে এটা ডাঙৰ সুযোগ। এই সুযোগটো আমি আমাৰ ৰাজ্য চৰকাৰৰ জৰিয়তেও এই সুযোগটো গ্ৰহণ কৰিব লাগে। ২০১৯ চনত ১৫ আগষ্ট তাৰিখে আমাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই জলজীৱন মিশ্যন আনুষ্ঠানিকভাৱে ঘোষণা কৰিছিল। এইটো সৰু আঁচনি নহয়, এইটো সৰ্ববৃহৎ আঁচনি। আজি অসমত ২৬ হাজাৰতকৈ অধিক গাঁও আছে। ২৬ হাজাৰতকৈ অধিক গাঁও থকা এই

ৰাজ্যখনত আমি যদি প্ৰতিখন গাঁৱতে জলজীৱন মিশ্যনৰ জৰিয়তে বিশুদ্ধ পানী দিব লাগে তেতিয়া হ'লে আমাৰ আঁচনি হ'ব লাগিব ২৬হাজাৰতকৈ অধিক আঁচনি। বিগত চৰকাৰৰ দিনত দেখিছো আমি কেতিয়াবা বছৰটো ১৫ ৰ পৰা ২০ টা আঁচনিহে সেই সময়ৰ কেন্দ্ৰীয় চৰকাৰে তেনে ধৰণে আঁচনি বিলাক দিছিল। এতিয়া এই আঁচনিটো ৰূপায়ণ কৰিবলৈ যাওঁতে কিছু ক্ৰতি থাকি যাব পাৰে। এইটো এটা সৰ্ববৃহৎ আঁচনি। আজি মই দেখিছো যে, বিৰোধী দলৰ মাননীয় বিধায়কসকলেও তেওঁলোকৰ বক্তব্যত কোনো ধৰণৰ মেজৰ ক্ৰটিৰ কথা কোৱা নাই। সৰু সৰু ক্ৰটি আছে। সেই সৰু সৰু ক্ৰটি বিলাক ইতিমধ্যে আমাৰ বিৰোধী দলৰ বিধায়ক সকলে ইতিমধ্যে অৱগত কৰিছে। আমি আশা ৰাখিছো আমাৰ বিশেষভাবে জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মাননীয় মন্ত্ৰীক দায়িত্ব দিয়া হৈছে আজিৰ পৰা ৬ মাহ আগত। মই লক্ষ্য কৰিছো যে, এই ৬ মাহৰ ভিতৰত জলজীৱন মিশ্যনৰ ক'ত ভু ল আছে, সেই গোটেই কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ে ইতিমধ্যে অধ্যয়ন কৰিছে। অধ্যয়ন কৰি ইতিমধ্যে এখন মাষ্টাৰ প্লেন তৈয়াৰ কৰিছে। আমি জানো যে, জয়ন্ত মল্ল বৰুৱাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী মাননীয় মুখ্যমন্ত্ৰী এই কাৰণে দিছে যে, এই বিভাগটোত তেওঁ সুন্দৰভাৱে চলাব পাৰিব। বিগত ৬ মাহত দেখিছো যে, এই বিভাগটো সুন্দৰভাৱে পৰিচালনা কৰিছে। তেখেতে যে, ৬ মাহৰ ভিতৰত গোটেইখিনি আঁসোৱাহ দূৰ কৰিব সেই কথাটো নহয়। ৬ মাহত যিখিনি পদক্ষেপ লৈছে তাৰ বাবে মই ধন্যবাদ জনাইছো। মই ভাবো এজন যোগ্য বিধায়কক যোগ্য পদ দিছে। তেওঁৰ যোগ্যতা তেওঁৰ কাৰ্য্যৰ জৰিয়তে প্ৰকাশ কৰিব। এতিয়া জলজীৱন মিশ্যন যিখিনি আঁচনি আছে, আমাৰ এই আঁচনি সমূহ সফল ৰূপায়ণৰ ক্ষেত্ৰত বিষয়া সকলক দায়িত্ব দিয়া হৈছে, ঠিকাদাৰক দায়িত্ব দিয়া হৈছে। ঠিকাদাৰক দায়িত্ব দিছে Empanel তৈয়াৰ কৰিহে কাম বিলাকৰ দায়িত্ব দিয়া হৈছে। আমি ৰাইজৰ প্ৰতিনিধি, আমাৰো দায়িত্ব আছে। আমি আজি আমাৰ সমষ্টিবিলাকত জলজীৱন মিশ্যনৰ যিবিলাক আঁচনি আছে, সেই আঁচনিসমূহত কামসমূহ ভালদৰে কৰিছে নে নাই পৰ্য্যবেক্ষণ কৰিছো নে নাই। এই ক্ষেত্ৰত আমাৰ ৰাইজৰ প্ৰতিনিধি সকলে বিষয়াক অৱগত কৰিছো নে নাই যদি বিষয়াই কাম কৰা নাই তেতিয়া হ'লে সেই বিভাগৰ মন্ত্ৰীক আমি সেই কথাবিলাক অৱগত কৰিছো নে নাই যদি অৱগত কৰিছো যদি মন্ত্ৰীয়ে ব্যৱস্থা গ্ৰহণ কৰা নাই তেতিয়াহ'লে ময়ো মন্ত্ৰীক দোষাৰূপ কৰিবৰ বাবে মইও নিশ্চয় আপোনালোকক সমৰ্থন দিম। আপোনালোকে যদি বিষয়াক অৱগত কৰাৰ পিছত বিষয়াই যদি কাম কৰা নাই মাননীয় মন্ত্ৰীক যদি অৱগত কৰা নাই , তেতিয়া হ'লে আমি তেনে ধৰণৰ কৰ্তন প্ৰস্তাৱ আনি আমি ভাবো আমি আমাৰ কাম বিলাক নিশ্চয় সম্পন্ন কৰিব নোৱাৰো। মাননীয় মন্ত্ৰীক মই অনুৰোধ কৰিব বিচাৰিছো যি সমূহ কাম এতিয়া বৰ্তমানে ঠিকাদাৰক দিব, অলপ দিওঁতে Empanel খন যদিও আছে অকণমান চাই চিতি দিব। পেকেজ কৰি দিলে কি হয় মই নিজেও দেখিছো, বহুকেইটা কাম থকাৰ কাৰণে বহু কেইটা আঁচনি পোৱাৰ কাৰণে কিছুমান ঠিকাদাৰে Sub-contract দিয়ে আৰু Sub-contract দিয়াৰ কাৰণে সেই কাম বিলাক যেনে ধৰণে কৰিব লাগে তেনেধৰণে কাম বিলাক নকৰে। গতিকে এই Sub-contract দিয়াৰ যিটো ব্যৱস্থা এই ব্যৱস্থাটো আপুনি যেতিয়া ঠিকাদাৰক কামৰ দায়িত্ব দিব, দিওঁতে তেখেতৰ পৰা এটা Undertaking ল'ব। কোনেও যাতে Sub-contract দিব নোৱাৰে। মই ভাবো এই কথাখিনি মাননীয় মন্ত্ৰী মহোদয়ে লক্ষ্য ৰখা উচিত। মই আশা ৰাখিছো যে, এই গোটেই কামখিনি সুচাৰুৰূপে পৰিচালনা কৰিবৰ কাৰণে যদি মাননীয় মন্ত্ৰী মহোদয়ে, কিছুমান বিভাগক Vigilance and Monitoring Cell গঠন কৰি দিয়ে, যদি আপুনি ভাবে যে জিলা পৰ্যায়ত উপায়ুক্তক সভাপতি হিচাবে লৈ Vigilance and Monitoring Cell তৈয়াৰ কৰি দিব

পাৰে। তাত যদি কিবা আসোঁবাহ থাকে তেতিয়া হ'লে নিশ্চয় আমাৰ উচ্চ বিষয়াক অৱগত কৰিব পাৰো। লগতে আমি মাননীয় মন্ত্ৰীকো অৱগত কৰিব পাৰিম। তেনেধৰণৰ চিন্তা এটা কৰিব পাৰে নেকি? মাননীয় মন্ত্ৰী মহোদয়ে বছৰত ২ বাৰ ৫ টা মণ্ডল থিক কৰক। ৫ টা মণ্ডলত বিভক্ত কৰক। এটা কাৰ্বি আংলং-বৰাক ভূমি, এটা উত্তৰ অসম, এটা নামনি অসম আৰু উজনি অসম। এই ৫ টা মণ্ডল কৰি যদি বছৰত ২ টা তেনেধৰণৰ বিধায়ক সকলক লৈ মিটিং এখন কৰে বা আমাৰ জনস্বাস্থ্য কাৰিকৰী বিষয়া সকলোক লৈ এখন যদি মিটিং কৰে তেতিয়া হ'লে ৬ মাহৰ ভিতৰত কোন সমষ্টিত কি ধৰণে কাম হৈছে, কোনটো সমষ্টিত কি আসোঁৱাহ আছে গম পোৱা যাব। তেতিয়া মাননীয় মন্ত্ৰী মহোদয়ে প্ৰত্যক্ষভাবে জানিব পাৰিব। আমাৰ সমষ্টি বিলাকত, জিলা বিলাকত যি বিলাক জলজীৱন মিশ্যনৰ কাম চলি আছে, সেই কাম সমূহৰ কিছু কথা তেখেতে অৱগত হ'ব পাৰিব। কোনখন জিলাতক'ত আৰ্চেনিক আৰু ফ্লৰাইড আছে, সমান্তৰালভাবে আমি যদি আৰ্চেনিক আৰু ফ্লৰাইড মুক্ত পানী দিব নোৱাৰো, তেতিয়া হলে সেই আঁচনিটো কেতিয়াও সফল হ'ব নোৱাৰে। গতিকে সমান্তৰালভাৱে মই মাননীয় মন্ত্ৰী মহোদয়ক মাননীয় সভাপতিৰ জৰিয়তে অনুৰোধ জনাইছো, যে তেনেধৰণে যদি আৰ্চেনিক আৰু ফ্লৰাইড যুক্ত ক'ৰবাত তেনেকুৱা ধৰণৰ পানী আছে। সেই পানী কেনেকৈ আৰ্চেনিক আৰু ফ্লৰাইড মুক্ত কৰি বিশুদ্ধ পানী দিব পাৰে তেনেধৰণৰ ব্যৱস্থাও যদি এই জলজীৱন মিচনৰ জৰিয়তে গ্ৰহণ কৰি সেই আঁচনি সমূহ যাতে সফল ৰূপায়ণ কৰিবলৈ যায়, তেতিয়া হলে নিশ্চয় আমাৰ জনসাধাৰণ উপকৃত হ'ব। গতিকে মই বিশেষ নকওঁ , মোৰ সময় প্ৰায় শেষ হৈছে। মই কৰ্তন প্ৰস্তাৱক পূৰ্ণ বিৰোধীতা কৰি আৰু মন্ত্ৰী মহোদয়ে আশা ৰাখিছো অনাগত দিনত নিশ্চয় তেওঁ এগৰাকী সফল মন্ত্ৰী হিচাপে আমাৰ অসমত চিনাকি দিবৰ কাৰণে সক্ষম হ'ব এই আশা ৰাখি মই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

**মাননীয় সভাপতি** ঃ ধন্যবাদ এতিয়া কৃষ্ণকমল তাঁতী,

**শ্ৰীকৃষ্ণকমল তাঁতী, বিধায়ক** ঃ মাননীয় সভাপতি মহোদয়, মই আজি বিৰোধী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ বিৰোধিতা কৰি দুষাৰমান বক্তব্য ৰাখিবলৈ বিচাৰিছো। পোন প্ৰথমে মই ভাৰত বৰ্ষৰ প্ৰধান মন্ত্ৰীয়ে যে দুখীয়া দৰিদ্ৰ লোক সকলে বিশুদ্ধ খোৱা পানীৰ অধিকাৰ যে তেওঁলোকেও পাব লাগে, সেই কথা চিন্তা কৰি যি জলজীৱন মিচন আঁচনি প্ৰৰ্বতন কৰিলে। তাৰ বাবে কোটি কোটি দৰিদ্ৰ দুখীয়া, গ্ৰাম্যাঞ্চলত বসবাস কৰা জনসাধাৰণৰ হৈ মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিবলৈ বিচাৰিছো। মই দেখিবলৈ পাইছো যি সকলৰ ঘৰত aquaguard water purifier আছে। তেওঁলোকে হয়তো জলজীৱন আঁচনিৰ বিৰোধীতা কৰিব পাৰে, কৰ্তন প্ৰস্তাৱ আনিব পাৰে। কিন্তু দুখীয়া জনসাধাৰণে সেইটো আঁকোৱালী লৈছে। বাগিচাৰ যি সকল লোক আছে, যিসকলে একেখন বাগিচাতে বসবাস কৰে, তাৰ মালিকে বা পৰিচালক সকলে এটা বেলেগ ধৰণৰ পানী খাবলৈ পায় আৰু শ্ৰমিক সকলে বেলেগ পানী পায়। তেওঁলোকৰ যি বৈসম্য আছিল, সেই বৈসম্যতা কিন্তু এই চৰকাৰৰ দিনত আতৰাবলৈ সক্ষম হৈছে। তাৰ বাবে শ্ৰমিক ৰাইজে সেইটোক আকোৱালী লৈছে আৰু তেখেত সকলে ধন্যবাদ জ্ঞাপন কৰিবলৈ বিচাৰিছে। মই আপোনালোকক এটা কথা ক'বলৈ বিচাৰিছো, যে যি সকল ৰাজ্যত আমি দেখিবলৈ পাইছো, পানীৰ scarcity আছে, য'ত নদীৰ পানীৰ কাৰণে যুদ্ধ হৈছে ৰাইজৰ মাজত, গোদাবৰীৰ পানীৰ কাৰণে মহাৰাষ্ট্ৰ ,অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটিকা, মধ্য প্ৰদেশ আৰু উৰিষ্যাৰ মাজত যুদ্ধ। যমুনা নদীৰ পানীৰ কাৰণে দিল্লী আৰু হাৰিয়ানাৰ মাজত যুদ্ধ। মধ্য প্ৰদেশৰ এনে এখন নদী আছে, য'ত আৰ্মীয়ে সুৰক্ষা প্ৰদান কৰিবলগীয়া হয়, ৰাইজে যাতে তাৰ পৰা পানী লৈ নাযায় তাৰ কাৰণে ২৪ ঘন্টা তাত

আমি  প্ৰনয়ন কৰিবলগীয়া হৈছে। এনেকুৰা এটা মুহুৰ্তত জলজীৱন আঁচনিয়ে ৰাইজে যি বিচাৰিছে সেইটো এটা অধিকাৰ দিছে বুলি মই ভাবিছো। মই আপোনালোকক আৰু এটা কথা  ক'ব বিচাৰিছো, আমি কিন্তু গ্ৰাউন্ড ৱাটাৰ বেছিকৈ ব্যৱহাৰ কৰিবলৈ গৈ আছো, তাৰ কাৰণে আমি অলপ চিন্তা চচ্চা কৰিব লাগে। surface water ৰো কিন্তু আমি অলপমান ব্যৱহাৰ কৰিবৰ কাৰণে চিন্তা কৰিব লাগে। কাৰণ আমি দেখিছিলো গ্ৰাউন্ড ৱাটাৰ বহুত কমি গৈছে। আজি মাত্ৰ ৩৯৯ বিলিয়ন কিউবিক মিটাৰ পানী বৰ্তমান আছে। আৰু surface water আছে ৬৯০ বিলিয়ন কিউবিক মিটাৰ । মুঠতে হৈছে ১০৮৬ বিলিয়ন কিউবিক মিটাৰ। সেয়েহে আমি গ্ৰাউন্ড ৱাটাৰৰ বিকল্প হিচাপে অলপ surface water ৰো যাতে আমি ব্যৱহাৰ কৰিব লাগে। তাৰ কাৰণে চিন্তা চৰ্চা কৰিব লাগে। আমি দেখিবলৈ পাইছো,  সমগ্ৰ ভাৰতবৰ্ষত কৃষিৰ ক্ষেত্ৰত ৭০ শতাংশ পানী আমি কিন্তু গ্ৰাউন্ড ৱাটাৰে ব্যৱহাৰেই কৰি আহিছো। লগতে ৮০ শতাংশ পানী domestic utilization ৰ কাৰণে ব্যৱহাৰ কৰি আহিছো। সেইটো এটা চিন্তনীয় বিষয় হৈছে, সমগ্ৰ বিশ্বতে আজিৰ তাৰিখত পানীৰ ওপৰত মানুহে চিন্তা চৰ্চ্চা কৰিছে। আমিও হৈকথাটো চিন্তা চৰ্চা কৰিব লাগে বুলি মই ভাবিছো। মই মোৰ সমষ্টিত দেখিছো স্কুল আৰু অংগনবাড়ী যিবোৰ আছে, তাতো জলজীৱন আঁচনিৰ কাম হৈছে। কিন্তু এটা কেম্পাচতে ক'ৰবাত স্কুল আছে অংগনবাড়ীটোও আছে। তাত কিন্তু  দুটা আঁচনিৰ কাম কৰা হৈছে। মই ভাবো এটা কেম্পাচতে যদি স্কুল আৰু অংগনবাড়ী কেন্দ্ৰ আছে, তাত এটায়ে কাম কৰাতো উচিত বুলি মই ভাবিছো। সেয়েহে আপোনাৰ যোগেদি মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আৰ্কষণ কৰিবলৈ মই বিচাৰিছো। মই আৰু এটা কথা ক'ব বিচাৰিছো, আমাৰ সমষ্টিত বাহিৰৰ পৰা কিছু কিছু ঠিকাদাৰ গৈছে। তেওঁলোকে বহুত কাম লৈ লৈছে হয়। কিন্তু কামবোৰ তেওঁলোকে সময়মতে উঠাব পৰা নাই। তাৰ প্ৰতি অকনমান মন্ত্ৰী ডাঙৰীয়াই লক্ষ্য দিব লাগে বুলি মই ভাবিছো। মই দেখিছিলো যে  তেওঁলোকে যেতিয়া পাইপ লাইন বহুৱাইছিল ঠিকাদাৰ সকলে, তেতিয়া ড্ৰেইন কৰি দিছিল। কিন্তু সেই ড্ৰেইন সমূহ তেওঁলোকে পুতি নিদিয়াৰ ফলত তাত বহুত সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছিল। ইয়াৰ প্ৰতি অলপ লক্ষ্য দিব লাগে বুলি মই ভাবিছো, আৰু বিশেষকৈ মই ক'ব বিচাৰিছো যে আমাৰ দুখীয়া জনসাধাৰণৰ  উপকাৰ হৈছে জলজীৱন মিচনৰ দ্বাৰা । প্ৰতিজন মানুহে ইয়াৰ পৰা তেওঁলোকে যি বিচাৰিছিল বিশুদ্ধ খোৱা পানী সেইটো সকলোৱে পাইছে। সেই কাৰণে মই ভাবো প্ৰতিটো অঞ্চল বিশেষকৈ আমাৰ যি আঁচনি আছিল, আমাৰ এনেকুৰা দুৰ্গম অঞ্চল আছে, য'ত আমি মানুহ যাব নোৱাৰো, য'ত গাড়ী ঘোঁৰা যাব নোৱাৰে , তাত আমাৰ প্ৰধান মন্ত্ৰী ডাঙৰীয়াই পাইপলাইন পঠিয়াই  ঘৰে ঘৰে পানী দিয়াৰ যি ব্যৱস্থা কৰিছে, বা চিন্তা কৰিছে। এনেকুৰা চিন্তা পুৰ্বতে কেতিয়াওঁ হোৱা নাছিল। আমি সকলোৱে এইটো আকোৱালি ল'ব লাগে। কাৰণ আমাৰ ওপৰত দৃষ্টি নিক্ষেপ কৰি আছে, সমগ্ৰ অসমবাসীয়ে। আমি যি বক্তব্য ইয়াত ৰাখিছো, ৰাইজে বিচাৰে বিশুদ্ধ খোৱা পানী, আমি জানো  আজি water borne diseases , ডায়েৰিয়া, কলেৰা এইবোৰ বেমাৰটো মানুহে  য'ত য'ত পানীৰ scarcity আছে, তাত মানুহে মৃত্যুক আকোৱালি ল'বলগা হৈছে। সেই কাৰণে মই ভাবো বিশুদ্ধ খোৱা পানীৰ প্ৰয়োজনীয়তা তেওঁলোকেহে  বোধ কৰিব পাৰে aquaguard water purifier ৰ পানী খোৱা ব্যক্তি সকলে এইটো উপলব্ধি কৰিব নোৱাৰে। বৰ বিশেষ দীঘলীয়া বক্তব্য নাৰাখি ইমানকে কৈ মোৰ বক্তব্য সমাপ্ত কৰিছো, ধন্যবাদ।

**মাননীয় সভাপতি** ঃ এতিয়া খলিল উদ্দিন মজুমদাৰ।

**শ্ৰী খলিল উদ্দিন মজুমদার:-** মাননীয় অধ্যক্ষ মহোদয়,আমাদের শিলচর ডিভিশন ১ এ গত ১

বছ্র থেকে সমস্যা চলছে। আমাদের প্রথমে যে ইঞ্জিনিয়ার ছিল খুব সুন্দর ভবে প্রত্যেক জায়গায় কাজ করেছিল। পরবর্তীতে বারবার ইঞ্জিনিয়ার বদলি হওয়ার ফলে বিভিন্ন সমস্যার সৃষ্টি হয়েছে। তাই আমাদের ডিভিশন ১ এর স্থায়ী ইঞ্জিনিয়ার দেওয়ার জন্য আমি মন্ত্রী মহোদয়ের কাছে অনুরোধ করছি। আমার সমষ্টিতে বিগত ১ বছ্র থেকে এডিশনেল স্কিম সেংশন করে দেওয়ার জন্য বারবার বলা হয়েছিল এখন পর্যন্ত কোন সেংশন দেওয়া হয়নি। কারন ঠিকাদার যারা আছেন বিভন্ন সমস্যায় বারাবার যোগাযোগের পরও অনেক স্কিম আছে এখন পর্যন্ত পেন্ডিং। আমাদের সমষ্টিতে বিভিন্ন এলাকা থেকে আমার কাছে ফোন আসে পানীয় জলের সমস্যার জন্য। আসলে বিভাগের অবহেলার জন্য বিভিন্ন স্কিমের মধ্যে কাজ সম্পূর্ণ হয় না। বর্তমান সরকার বিভিন্ন নতুন স্কিম দিয়েছে। সেই স্কিমগুলো এখন পর্যন্ত সেংশন হয়নি। সেংশন যেগুলো হয়েছে সেগুলোই এখন পর্যন্ত পানীয় জলের ব্যবস্থা করা হয়নি। ঠিকাদার যারা আছেন তাদের ইঞ্জিনিয়ার কোন প্রেসার করে না। বিধায়ক যদি বারবার যোগাযোগ করে তাহলেও দেখা যায় ঠিকাদার কোন গুরুত্ব দেয়না। কারন পেমেন্ট সব বিভাগের মাধ্যমেই হয়। সেটার জন্য মাননীয় মন্ত্রী মহোদয়ের কাছে আমার অনুরোধ থাকবে।এবিষয়ে বরখলার বিধায়ক বারবার আলোচনা করেছেন। আজও এই আলোচনা হয়েছে । আমাদের শিলচরের ডিভিশন ১ র জন্য আপনারা স্থায়ী সমস্যার সমাধান করে দেন। কারণ এই সমস্যার জন্য আমাদের অঞ্চলের বিশেষ করে কোন স্কিমের কাজ সুন্দর ভাবে হচ্ছে না। যেগুলো কাজ হয়েছে এখন পর্যন্ত পানীয় জল পাওয়া সম্ভব হচ্ছে না। সেই জন্য মাননীয় মন্ত্রীর কাছে অনুরোধ অতি শীঘ্রই সেংশন করে দেওয়া হোক।

**শ্ৰী মজিবুৰ ৰহমান, (দলগাঁও) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, জলজীৱন আঁচনিখন এখন অভিলাষী আৰু অত্যন্ত গুৰুত্ব পূৰ্ণ আঁচনি। যেতিয়া এই আঁচনিৰ অধীনত গাওঁৰ প্ৰতিঘৰ মানুহে এফ এছ টি চি কানেক্সনৰ দ্বাৰা বিশুদ্ধ খোৱাপানী লাভ কৰিব তেতিয়া এই আঁচনিখন ফলপ্ৰসু হৈছে বুলি দাবি কৰিব পাৰিম । এই আঁচনি খন ৰূপায়নৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। বিশেষকৈ জেজে এম স্কীমৰ বাবে যি সকল ঠিকাদাৰে পেকেজৰ ভিত্তিত গ্ৰহণ কৰিছে সেই সকলে কামটো সময় মতে সম্পূৰ্ণ কৰিব পৰা নাই, যাৰ কাৰণে বৰ্তমান অসমৰ স্থান ৩৪ নং ত আছে । আমাৰ কেইবাজনো মাননীয় সদস্যই আছে যে যদি পেকেজৰ ভিত্তিত ঠিকাদাৰক নিদি থলুৱা ঠিকাদাৰৰ দ্বাৰা কাম খিনি কৰোৱা হ'লে কামখিনি সময়মতে সম্পূৰ্ণ কৰিব পৰা হ'ল হেতেন । বিশেষকৈ মোৰ সমষ্টিত কেইবাজনো ঠিকাদাৰে ৬ ৰ পৰা ১২ খন পৰ্য্যন্ত কাম ঠিকাত লৈছে । কিন্তু সময়মতে কামখিনি সম্পূৰ্ণ কৰিব পৰা নাই । আনহাতে কোনো কোনো ঠিকাদাৰে এই পেকেজৰ কাম বিলাক আৰম্ভই কৰিব পৰা নাই । মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰো যে সেই ঠিকাদাৰ কেইজনক চিনাক্ত কৰি কেনচেল কৰি কামখিনি ঠলুৱা ঠিকাদাৰক দিয়াৰ ব্যৱস্থা কৰিব লাগে । এই আঁচনি বিলাক ৰূপায়ণ কৰিব যাওঁতে গাওঁৰ কিছুমান মানুহে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে । আমাৰ এজন সদস্যই কৈছিলে যে এই স্কীম বিলাক ৰূপায়ণ কৰোতে গাওঁৰ ৰাস্তা সমূহৰ কাষত পাইপ বহুৱাবৰ বাবে গাত খাণ্ডিব লগীয়া হৈছে, পাইপ সমূহ তিনি ফুট ৩.৫ ফুট বহুৱাব লাগে যদি এক ফুটকৈ বহুৱাই দিছে । ফলত ৰাস্তাৰ কাষত কাম কৰোটে বা যাতায়ত কৰোটে এই পাইপ বিলাক ফাটি যোৱাৰ উপক্ৰম হৈছে । আৰু কি কৰিছে ঠিকাদাৰ সকলে যে ৰাস্তাৰ ওচৰেদি কামখিনি কৰিব যাওঁতেই গাত খিনি খান্দিছে, পাইবিলাক পুটিছে অলপ মাটি দি গৈছে ফলত ৰাস্তা বিলাক বোকাময় হৈ গৈছে, ধুলিময় কৰি পেলায়ছে । এই কথাবিলাক বিভাগীয় মন্ত্ৰীয়ে চকু ৰাখিব লাগে, যি সকল এছ অ' আছে অভিযন্তা আছে সেই সকলক নিৰ্দেশনা দিব লাগে তেওঁলোকে

কামখিনি কৰিব যাওঁতে ঠিকাদাৰ সকলে ৰাস্তাবিলাক বেয়া নকৰে । মাননীয় অধ্যক্ষ মহোদয় পাইপ বিলাক বহুৰাওটে গাত সমূহ তিনি ফুট ৩.৫ ফুটৰ ঠাইত এক ফুট ডেৰ ফুট কৰিছেই তাৰ উপৰি ৰাস্তাবিলাকো নস্ত কৰিছে ।

মাননীয় অধ্যক্ষ মহোদয়, অঙ্গনবাড়ী কেন্দ্ৰ বিলাক, এল পি স্কুল বিলাকত যি কানেকচন দিয়া হৈছে সেই কাম বিলাক সৰু সৰু ঠিকাদাৰে কৰিছে, যথেষ্ট গুৰুত্বসহকাৰে কৰিছে আৰু ভাল কাম কৰিছে । কিন্তু অতি পৰিতাপৰ বিষয় যে যি সৰু সৰু ঠিকাদাৰ বিলাকে কাম কৰিছিলে মাত্ৰ একলাখ ৬৫ হাজাৰ টকাৰ কাম আছিল আজি ডেৰ দুবছৰ হৈ গ'ল কিন্তু ঠিকাদৰ সকলে পইছা পোৱা নাই । গতিকে মাননীয় মন্ত্ৰীক মই অনুৰোধ কৰিছো তেওঁলোকৰ বিল খিনি ৰিলিজ কৰি দিব লাগে যাতে সৰু সৰু ঠিকাদাৰ খিনিয়ে বাচি থাকে । আৰু এটা আচৰিত কথা হ'ল যে চৰকাৰে জি এছ টি বান্ধি দিছে বাৰ শতাংশ কিন্তু ঠিকাদাৰ সকলে ঠিকাদাৰ সকলে জমা দিব লাগে তেতিয়া ওঠৰ শতাংশ কৈ দিবলগীয়া হৈছে । গতিকে এই অতিৰিক্ত ছয় শতাংশটো কৰ পৰা কেনেকৈ দিব ভাবি পোৱা নাই । মাননীয় মন্ত্ৰী মহোদয় আছে মই এই কথাটো বিত্ত বিভাগৰ দৃষ্টিগোচৰ কৰিব বিচাৰিছো কাৰণ বহুত ঠিকাদাৰে এই কথাটোত অসন্তুষ্টি প্ৰকাশ কৰিছে কাৰণ এটা কাম কৰোটে মাত্ৰ পাচ বা দহ শতাংশহে লাভ হয়। তাৰ পৰা যদি ছয় শতাংশ অতিৰিক্তভাবে ভৰিবলগীয়া হয় তেতিয়াহ'লে সেই ঠিকাদাৰৰ অৱস্থা কেনেকুৰা হ'ব । গতিকে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যে চৰকাৰে যি বাৰ শতাংশ জি এছ টি বান্ধি দিছে ঠিকাদাৰ সকলৰ ক্ষেত্ৰত এই অতিৰিক্ত ছয় শতাংশটো সদনৰ মজিয়াত ষ্পষ্ট কৰি দিলে ভাল পালো হেতেন । ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় সদস্য অখিল গগৈ ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, যদিও আমি পানী যোগানৰ ওপৰত কথা পাতি আছো আপুনি ইয়াত থকা সকলো সদস্যকে যদি সোধে যে আপোনাৰ সমষ্টিত পানী কিমান পাইছে । আচলতে পানী কোনেও পোৱা নাই । দুটা এটা ৰেট্ৰফিটিং প্ৰজেক্টত পানী পাইছে যদিও নতুন প্ৰজেক্টৰ বেছি খিনিতে পানী নাই । বিধান সভাৰ মজিয়াত আজি কেইদিন মানৰ আগতে মুখ্যমন্ত্ৰীয়ে কৈছিলে যে অঙ্গনবাড়ী কেন্দ্ৰ বিলাক পাৰৰ গড়ালৰ দৰে বনালে । মুখ্যমন্ত্ৰীয়ে তেতিয়া কৈছিলে কংগ্ৰেছৰ দিনত বনোৱা অঙ্গনবাড়ী কেন্দ্ৰ বিলাক পাৰৰ গড়ালৰ দৰে । মই এতিয়াই কৈ থলো আপোনালোকে চাব এই যিবিলাক প্ৰজেক্ট বনোৱা হৈছে এই আটাই বিলাক গৰুৰ গোহালি হ'বগৈ । একেবাৰে খাতাংকৈ কৈ থলো যে কংগ্ৰেছৰ দিনত অঙ্গনবাড়ী কেন্দ্ৰবোৰ খুব বেয়াকৈ বনালে, এই চৰকাৰৰ দিনতো শৌচাগাৰ বিলাক খুব বেয়াকৈ বনালে আৰু বৰ্তমান এই পানীযোগান কেন্দ্ৰবোৰৰ অৱস্থা ইমানেই বেয়া যে শেষত গৈ এইবিলাক বোজাহে হ'ব গৈ । কথা বিলাক আমি ইয়াত আলোচনা কৰিছো, কেন্দ্ৰীয় চৰকাৰে পইছাও দিছে, লাভ লোকচান হওঁক ঠিকাদাৰে কাম কৰিছে । ঠিকাদাৰৰ লাভ কিন্তু বৰ বেছি হোৱা নাই কাৰণ চৰকাৰৰ মানুহে ই পাচ শতাংশ মান কমিচন লৈ লয়, আকৌ অফিচতো আঢ়ৈ ৰ পৰা এঘাৰ শতাংশলৈকে কমিচন লয়, পুনৰ ওঠৰ শতাংশ জি এছ টি। গতিকে তেওঁলোকৰ হাতত কিমান থাকিব । দৰাচলতে প্ৰজেক্ট বিলাকৰ কাম খুব বেয়া হৈছে ।

**মাননীয় উপাধ্যক্ষ ঃ** সন্মানীয় সদস্য আপোনাৰ হাতত যদি উপযুক্ত প্ৰমান নাথাকে সেই বিলাক সদনত উত্থাপন নকৰিব ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** যদি প্ৰমান লাগে ব্যৱস্থা এটা কৰক, মই প্ৰমান দিম । মই তেনেকুৱা বিশ জন ঠিকাদাৰক বিধান সভালৈ লৈ আহিম । যি সকলে মোৰ ওচৰত আপত্তি দৰ্শাই আছে

তেওঁলোকে আপোনালোকৰ ওচৰত কথা বিলাক ক'ব ।

**মাননীয় উপাধ্যক্ষ ঃ** মই ৰুলৰ মতেহে কৈছো যে প্ৰমান নথকা কথা সদনত কোৰা উচিত নহয় ।

**শ্ৰী অখিল গগৈ, (শিৱসাগৰ) ঃ** এতিয়া কামৰ মানদণ্ডৰ কথালৈ আহো। জল জীৱন আঁচনিৰ কামবিলাক ইমান বেয়া হৈছে যে পানী মুঠতে মানুহে নাপায় । তাৰোপৰি আৰু এটা টেকনিকেল প্ৰব্লেম হ'ল তিনিশ ঘৰ মানুহৰ মাজত বিশ হাজাৰ লিটাৰৰ টেংকি দিছে। এই বিশ হাজাৰ লিটাৰৰ টেংকিটো পৰা মাত্ৰ এশ লিটাৰৰ পানী পাব । দুবাৰ দিলে ২০০ লিটাৰ আৰু এবাৰ দিলে ১০০ লিটাৰ পানী পাব। ১০০ লিটাৰ পানীৰে সেই পৰিয়ালটো কেনেকৈ চলিব ? এটা পৰিয়ালৰ এজনক ৫৬ লিটাৰ পানী দিয়াৰ কথা কৈছে যদিও যিটো আন্তঃগাঁথনি হৈ আছে তাত সিমান পানী দিয়াতো সম্ভৱ নহয়। কাৰ্যকৰী যদি হৈও যায় তেতিয়া কেইদিন মানৰ পিছত আপোনলোকে দেখিব যে প্ৰকল্পটো হোৱাৰ পিছত পানীও ওলাল কিন্তু মানুহৰ ঘৰত পানী ওলোৱা নাই আৰু ওপৰত পানী উঠিলে কিন্তু তললৈ পানী অহা নাই। যদি কাৰোবাৰ ঘৰত টেপেৰে পানী ওলাই কিন্তু সেই প্ৰকল্পটোৰ পৰা পানী নাহে। বেছিভাগ প্ৰকল্পৰ অৱস্থা এনেকুৱাই হ'ব। হয়তো ৮০ শতাংশ প্ৰকল্পৰ ভৱিষ্যত এনেকুৱা অৱস্থাই হ'ব। সেয়েহে মই কৈছো যে প্ৰকল্পবোৰৰ কাৰ্য্যকৰীতাৰ ব্যৱস্থা অতি বেয়া আৰু কেইটামান প্ৰেকটিকেল কথা কোৱাতো খুব দৰকাৰ। কিয়নো যিবোৰ অপাৰেটৰ দিয়া হৈছে তেওঁলোক স্থায়ী নে অস্থায়ী? কেইদিনমান যেনিবা পঞ্চায়ত আৰু ৰুৰেল ডেভেলপমেণ্টৰ পৰা তেওঁলোকক পইচা দিলে। তাৰপিছত তেওঁলোক কলৈ যাব? দ্বিতীয়তে প্ৰকল্পবোৰত যিবোৰ অভিযন্তা নিয়োগ কৰা হৈছে তেওঁলোক স্থায়ী নে অস্থায়ী? এই প্ৰকল্পবোৰ বেয়া হোৱাৰ পিছত সেইবোৰ কোনে ভাল কৰিব ? যিবোৰ ডাঙৰ ডাঙৰ ঠিকাদাৰ দিল্লী বা কৰ'বাৰ পৰা আনি প্ৰকল্পবোৰ ক্লাব কৰি ঠিকাত দিছে কিন্তু প্ৰকল্পটো সম্পূৰ্ণ হোৱাৰ পিছত তেওঁলোকক বিচাৰি পোৱা নাযায়। তাৰ পিছত সেই প্ৰকল্পবোৰ মেৰামতি কৰিব লগীয়া হ'লে আমাৰ স্থানীয় ভেণ্ডৰ বোৰক ক'ব লাগে। এইটো এটা অতি গুৰুত্বপূৰ্ণ সমস্যা। গতিকে মই আশা কৰো এই গোটেই সমস্যাবোৰ আৰু ইয়াত মই তথ্য পাতি দিব খোজা নাই আৰু দিওঁ লাভ নাই। গতিকে মই ভাবো যে বিভাগীয় মন্ত্ৰী আৰু চৰকাৰে বিষয়বোৰ বিবেচনা কৰিব আৰু সঁচাকৈ খোৱাপানী দিয়াৰ ক্ষেত্ৰত তেখেত সকলৰ কেন্দ্ৰীয় চৰকাৰৰ আটাইতকৈ ডাঙৰ ফ্লেগচিপ প্ৰগ্ৰেম আছিল। সঁচাকৈ পানী পাবলৈ হ'লে তেখেত সকলে তেখেত সকলৰ পলিচি সলনি কৰিব লাগিব আৰু লগতে কাৰ্য্যকৰী বোৰো সলনি কৰিব লাগিব।

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য শ্ৰী আব্দুছ ছোৱাহান আলী সৰকাৰ। তেখেত অনুপস্থিত। এতিয়া মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি অসম বিধান সভাৰ এই অধিবেশনত আমাৰ যি পৰিপূৰক দাবী আছিল তাত বিৰোধী দলৰ, কংগ্ৰেছ দলৰ শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, এ.আই.ইউ.ডি.এফ দলৰ আশ্ৰাফুল হুছেইন, চি.পি.এম দলৰ শ্ৰী মনোৰঞ্জন তালুকদাৰ আৰু নিৰ্দলীয় দলৰ শ্ৰী অখিল গগৈ ডাঙৰীয়াই চাৰিওটা দলৰ হৈ চাৰিটা কৰ্তন প্ৰস্তাৱ আনিছিল আৰু বিশদভাৱে কৰ্তন প্ৰস্তাৱৰ ওপৰত বিভিন্ন জনে বক্তব্য দিলে। বিধান সভাৰ এই কৰ্তন প্ৰস্তাৱৰ উদ্দেশ্য হ'ল যে বিভাগটোৰ সম্পৰ্কে কিছু পৰ্য্যালোচনা কৰা। সমৰ্থনৰ জৰিয়তে আমাৰ আসোঁৱাহ দাঙি ধৰিব আৰু আমাৰ লোক সকলে কি বস্তু চৰকাৰ পক্ষই কি ভাল কাম হৈছে সেইখিনি সদনত অধিষ্ঠিত কৰিব। বিভিন্ন জনে বিশেষকৈ মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, আমাৰ মাননীয় বিধায়ক শ্ৰী অমিয় কুমাৰ ভূএঞা, শ্ৰী আব্দুল ৰছিদ মণ্ডল, শ্ৰী বিশ্বজিৎ ফুকন, আমিনুল ইছলাম, শ্ৰী

হেমাঙ্গ ঠাকুৰীয়া, শ্ৰী নুৰুল হুডা, শ্ৰী ভবেন্দ্ৰ নাথ ভঁড়ালী, শ্ৰী উৎপল বৰা, শ্ৰী মিছ্বাহুল ইছলাম লস্কৰ, শ্ৰী গোবিন্দ বসুমতাৰী, শ্ৰী ৰূপজ্যোতি কুৰ্মী, শ্ৰী জাকিৰ হুছেইন সিকদাৰ, শ্ৰী ধৰ্মেশ্বৰ কোঁৱৰ, আশ্ৰাফুল হুছেইন, শ্ৰী দূৰ্গা দাস বড়ো, শ্ৰী কোশিক ৰায়, শ্ৰী দিগন্ত বৰ্মণ, শ্ৰী মনোৰঞ্জন তালুকদাৰ, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, শ্ৰী কৃষ্ণ কমল তাঁতী, খলিলউদ্দিন মজুমদাৰ, মজিবুৰ ৰহমান, শ্ৰী অখিল গগৈ ডাঙৰীয়া আমাৰ বিধান সভাৰ সদস্য সকলে যি বক্তব্য দাঙি ধৰিলে মই সকলোকে ধন্যবাদ জ্ঞাপন কৰিছো আৰু যি বক্তব্যৰ মাজেৰে বিভিন্ন কথা কৈছে তাৰ মই কেইটামান কথা তথ্য সহকাৰে উল্লেখ কৰিব বিচাৰিছো। সকলোৱে জানে যে ভাৰতবৰ্ষৰ মাননীয় প্ৰধানমন্ত্ৰী

শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২০১৯ চনৰ ১৫ আগষ্টত যি অভিলাষী আঁচনি আৰম্ভ কৰিছিল এক লক্ষ্যৰে যে ২০২৪ চনত ভাৰতবৰ্ষৰ প্ৰতিজন মানুহে টেপ ওৱাটাৰ বিশুদ্ধ খোৱাপানী পাব লাগিব। হয়তো ইয়াৰ আগতে কোনেও ভাবিবও পৰা নাছিল যে এটা লক্ষ্য স্থিৰ কৰিব, এটা মিশ্যন ঠিক কৰিব যে প্ৰতিজন মানুহে খোৱাপানী পাব, প্ৰতিঘৰ মানুহলৈ খোৱাপানী যাব। আমাৰ কাৰণে লক্ষ্য হ'ল ২০২৪ চন। ২০২৪ লৈ এই জলজীৱন মিশন চলিব আৰু আমি তাক লৈ আগবাঢ়ি যাম। এতিয়া আমাৰ মাননীয় বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থৰ দৰে কেইবাজনেও উল্লেখ কৰিছে যে অসমে ৪০-৪১পালো অমুকে ১০০ শতাংশ পালে। এই তথ্য বিলাক সদনত দিয়াৰ আগতে অলপ পূৰ্ব্বৰ হিষ্ট্ৰি বিলাক চাব লাগে। তেওঁলোকে ক'লে যে গোৱা, তেলেংগানা, বিহাৰ, গুজৰাট আদিয়ে ১০০ শতাংশ কৰিলে। যিদিনাখন আমাৰ ইয়াত জলজীৱন মিশ্যন আৰম্ভ হৈছিল সেইদিনা আমি ক'ত আছিলো আৰু এই ৰাজ্য সমূহ ক'ত আছিল? আমি যিদিনাখন জলজীৱন মিশন আৰম্ভ কৰিছিলো সেইদিনাখন আমাৰ স্বাধীনতাৰ ৭৫ বছৰ পাৰ হৈ গৈছিল। আমি মাত্ৰ ১.১১ শতাংশ মানুহক পানী দিছিলো। স্বাধীনতাৰ ৭০ বছৰত ১ শতাংশ মানুহক পানী দিছিলো আৰু এই ৰাজ্যসমূহে ৫০ ৰ পৰা ৭৫ শতাংশ জলজীৱন মিশ্যনৰ আগতেই শেষ কৰি পেলাইছিল। তাৰপিছত এই এক বছৰত ১০০ শতাংশ কৰিছে। দুই বছৰত তেওঁলোকে ১০০ শতাংশ কৰিছে। আমি ১ শতাংশৰ পৰা ৪০ শতাংশলৈ আহিছো। তাত আপোনালোকে সফলতা এই বিভাগটোক দিব নে নিদিয়ে। অসমত স্বাধীনতাৰ ৭০ বছৰত এই বিভাগ এটাক এনেকৈ পংঙ্গু কৰি পেলালে। মইটো আজি মোৰ অভিযন্তা সকলক লৈ গৌৰৱ অনুভৱ কৰো। যিসকল অভিযন্তা আজি ১ শতাংশৰ পৰা আজি দুই বছৰত ৪০-৪১ শতাংশ কৰিব পাৰিছে। তাতকৈ আমাৰ অসমীয়া অভিযন্তাক লৈ কি গৌৰৱৰ কথা আছে। অসমীয়া বিভাগটোক চাওঁক। তেওঁলোকে টো ৫০ শতাংশ, ৭০ শতাংশৰ পৰা ১০০ শতাংশ কৰিছে। আমাৰ অসমে ১ শতাংশৰ পৰা ৪১ শতাংশ কৰিছো। আমি এই বিভাগটোক ধন্যবাদ দিব লাগিব। মই বিভাগৰ কৰ্মচাৰী সকলক লৈ গৌৰৱ অনুভৱ কৰিছো যে তেখেত সকলে আজি ২০১৯ চনৰ পৰা ২০২২ চনলৈকে এনেকুৱা ধৰণে কাম কৰি আমাক দেখুৱাইছে। আজি আপোনালোকে চাওঁক যে যি সময়ত আমি কাম আৰম্ভ কৰিছিলো তেতিয়া আমাৰ লক্ষ্য আছিল যে ৬৫.৬৭ লাখ হাউচ হোল্ডক আমি টাৰ্গেট হিচাপে লৈছিলো। আমি প্ৰথম বছৰ টাৰ্গেট লৈছিলো যে ২৭ লাখ মানুহক, এইবছৰ টাৰ্গেট লৈছো ২৮ লাখ মানুহক দিব। আমি টাৰ্গেটত গৈ আছো। এনেকুৱা নহয় যে আমি আমি লক্ষ্যত উপনীত হোৱা নাই। যোৱা বছৰৰ টাৰ্গেট আমি ফুলফিল কৰিছো, এইবছৰ আমি টাৰ্গেটলৈ গৈ আছো। প্ৰতি মাহত আমাৰ টাৰ্গেট থাকে। সেই টাৰ্গেটলৈ আমি গৈ আছো। এনেধৰণে আমি আগবাঢ়ি গৈ থাকিম। আমাৰ বিশ্বাস আছে যে আমাৰ যিখিনি ২০২৪ চনৰ লক্ষ্য সেই লক্ষ্যত আমি উপনীত হ'ব পাৰিম। এতিয়া মই এই কথাটো স্বীকাৰ কৰো যে ১ শতাংশ পানী দি থকা এটা বিভাগে যেতিয়া একেলগে ইমান কাম

কৰিব লগীয়া হ'ব তেতিয়া কিমান দ্ৰুতগতিত কাম কৰিব লগীয়া হ'ব আৰু তেতিয়া কিছুমান আঁসোৱাহ তাত থাকিব। আঁসোৱাহ বিলাক আপোনালোকে দেখাই দিয়াৰ লগতে আমিও বিভাগীয় মন্ত্ৰী হিচাপে পৰ্য্যালোচনা কৰি থাকো যে এইটো কি কৰিব লাগে আৰু এই পৰ্য্যালোচনাৰ বাবে আমাৰ বহুত আঁসোৱাহ ধৰাও পৰিছে। সেই আঁসোৱাহ বিলাক আমি কেনেকৈ সমাধান কৰিব পাৰিম তাৰো আমি প্ৰচেষ্টা লৈছো। কি কি প্ৰচেষ্টা লৈছো সেই কথাবিলাকো আমি আপোনালোকক কম। আজি এই কথা মনত ৰাখিব লাগিব যে আমি ঘৰ ঘৰ জল ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়াই কৈছে যে হৰ ঘৰ জলক প্ৰতি ঘৰ মানুহক পানী দিব লাগিব আৰু সেই পানী দিবলৈ যাওঁতে আমাৰ যিটো টাৰ্গেট আছিল যে আমি আমাৰ মুঠ গাওঁ ২৫,৩৩৫ খন গাঁৱৰ ভিতৰত আমি হৰ ঘৰ জল এতিয়ালৈকে ৩,৪০৩ খন গাঁৱলৈ আই.এম.এচ ডাটা মানে হৰ ঘৰ ভিলেজ দিছো আৰু তাৰ চাৰ্টিফিকেট ২৪০ খনৰ পাইছো। আমি আমাৰ লক্ষ্যত আগবাঢ়ি গৈ আছো। এতিয়া আমি এটা কথা স্বীকাৰ কৰো যে এই বিভাগটোৰ কাম যেতিয়া আমি আৰম্ভ কৰিছিলো, কেন্দ্ৰীয় চৰকাৰে কিছুমান নীতি নিৰ্দেশনা দিছিল যে আমি কেনেকৈ কাম কৰিব লাগিব, awarness কৰিব লাগিব। আমি কামসমূহ আৰম্ভ কৰোতে কেনেকৈ empanelled contractor ৰ দ্বাৰা কৰিব লাগিব, বা কি ধৰণে আমি তাত পাইপ ব্যৱহাৰ কৰিব লাগিব, কি ধৰণৰ ব্যৱস্থা থাকিব, এই কথাবিলাক কোৱা হৈছিলে। এই গোটেই আঁচনিটোৰ লক্ষ্য আছিল যে গ্ৰাম্যাঞ্চলত প্ৰতিজন মানুহলৈ ৫৫ লিটাৰ পানী দৈনিক পাব লাগিব। যদি এঘৰ মানুহৰ চাৰিজন সদস্য থাকে, তেওঁলোকে ২২০ লিটাৰ পানী পাব লাগিব। DIS ৰ দৰে stander norms সেই ধৰণৰ বিশুদ্ধ খোৰ পানী পাব লাগিব আৰু দৈনিক পাব লাগিব লগতে শেষৰ point ত ৭ মিটাৰ প্ৰেচাৰত পানী ওলাব লাগিব। গতিকে লক্ষ্য আমাৰ যে প্ৰতিজনে ৫৫ লিটাৰকৈ দৈনিক বিশুদ্ধ খোৱা পানী শেষৰ point লৈকে পাব লাগিব।

এই ধৰণৰ লক্ষ্যত আগবাঢ়িবলৈ যাঁওতে, বিশ্লেষণ কৰি চাইছো যে ক'ৰবাত আসোঁৱাহ আছে নেকি। আমাৰ লক্ষ্যত আমি কিছুমান বস্তু দেখিবলৈ পাইছিলো যে মই দায়িত্ব লোৱাৰ পিছত প্ৰায় ২৫ লাখ মানুহক connection দিছিলো আৰু তাৰ পৰা আজি বাঢ়ি গৈ আছে। আমি বিভিন্ন সময়ত বিভিন্ন বাতৰি মাধ্যমত, সংবাদ মাধ্যমত বা বিভিন্ন social মেডিয়াত দেখিবলৈ পাওঁ যে ক'ৰবাত আঁচনিটোত মানুহে পানী পোৱা নাই বুলি কয়। মানুহে ভঙা টেপটোৰ ফটো পঠাই দিয়ে। এই ধৰণৰ কিছুমান কথা কৈছিলে। তেতিয়া আমি লক্ষ্য কৰিছিলো যে এই গোটেই system টোক কেনেকৈ monitor কৰিব পাৰো। আমি তিনিটা ব্যৱস্থা হাতত লৈছিলো, যাক আমি জল উৎসৱ বুলি কৈছিলো যে তিনিটা ব্যৱস্থাৰ মাজৰে ইয়াক monitoring কৰিম, আচলতে প্ৰকৃতাৰ্থত কামখিনি সঠিকভাৱে হৈছে নে নাই। প্ৰথম অৱস্থাত আমি কৈছিলো আমাৰ ASRM ৰ জৰিয়তে বা যিসমূহ আত্ম সহায়ক গোট আছিলে, এই আত্ম সহায়ক গোট বিলাকৰ জৰিয়তে আমি verify কৰিম যে এইসমূহ ঠিকে হৈছে নে নাই। তেওঁলোকক আমি Amtron ৰ ফালৰ পৰা এটা APP বনাই দিছিলো। এই APP টোৱে আত্মসহায়ক গোটৰ মহিলাসকলক মোবাইলত down load কৰিলে প্ৰতি ঘৰলৈকে যায়। আৰু তেওঁলোকে এই APP ৰ জৰিয়তে সেই পষ্টত Geo Tag কৰি তাত ফটো তুলি, তাৰ পৰা কিছুমান question answer reply কৰে যে তেওঁলোকৰ ঘৰত দৈনিক পানী আহিছে নে নাই। ৫৫ লিটাৰকৈ পানী পাইছে নে নাই। বিশুদ্ধ খোৱা পানী দৈনিক পাইছে নে নাই। তেওঁলোকে পানী বিনিময়ত পইচা দিব বিচাৰে নে নাই। এনেকুৱা ধৰণৰ কিছুমান question upload কৰে আৰু সেই upload কৰাৰ লগে লগে

APP ৰ জৰিয়তে লগে লগে আমাৰ অফিচলৈকে আহে আৰু অফিচৰ পৰা চাব পাৰো যে এই মানুহখিনিয়ে কোৱা কথাটো কিমান সত্য। এতিয়া মই আপোনালোকক কেইটামান কথা কম, ইতিমধ্যে আমি লক্ষ্য ৰাখি কিছু মানুহক কামত লগাইছিলো। কামত লগাই যেতিয়া FSTC verification কৰিছিলো, তেতিয়া number of FSTC target ৩ লক্ষ্য ২ হাজাৰৰ এতিয়ালৈকে ১,০৬,৮৫৮ টা পৰিয়ালৰ FSTC verification কৰিলো। আপোনালোকে কোৱা কথা কিমান সত্য- মিছা, গাঁৱৰ মহিলা বিলাকে চাই কৈ দিছে। আমাৰ মহিলাসকলে গাঁৱৰ ঘৰে ঘৰে চাই আহি কৈছে, সেই তথ্যৰ পৰা আমি যিটো গম পাইছো আমি FSTC যেতিয়া ১.০৬ লাখ যেতিয়া verification কৰিছিলো, ৭০,৮২৫ টা তাৰ মানে ৬৭ শতাংশ চলিত পাইছো। তাত কোনো অসুবিধা নাই। FSTC not working 23999 টা, তাৰ মানে ২২ শতাংশ not working বুলি কৈছিলে। আৰু FSTC does not exist বুলি কৈছিলে ১২৩৩৪ টা, তাৰ মানে আপোনালোকে কোৱা কথাখিনি আমি অস্বীকাৰ কৰা নাই। এই কথাটোৰ পিছত যেতিয়া all over Assam ত চাঁও, তেতিয়া আমি এটা কথাই গম পাও যে কৰবাত হয়তো এতিয়াও functional হোৱা নাই। তাৰ অৰ্থটো এইটো নহয় যে এইটো functional নহ'ব। আঁচনিটো হ'ল ২০২৪ চনলৈকে। য'ত হোৱা নাই আমি clarify কৰিবৰ কাৰণে ready কৰিছোঁ। এই তথ্যৰ পৰা চাম যে ক'ত functional হোৱা নাই, ক'ত non functional টো functional কৰিব লাগে। এই কথাবিলাকৰ আমি লক্ষ্য সহকাৰে আগবঢ়াইছো। এতিয়া আমাৰ মানুহে কৈ থাকে যে আচলতে মানুহে দৈনিক পানী পাই আছে নে নাই। তাত যদি আমি তথ্য চাওঁ, ৬০ শতাংশ মানুহে দৈনিক পানী পোৱা বুলি কয়। তাত কিছুমানে কৈছে যে সপ্তাহত দুই তিনিদিন পাই আছে। সপ্তাহত পাই আছে ৫ শতাংশ মানুহে বা কেতিয়াও পোৱা নাই ২.৫ শতাংশ মানুহে । তাৰ মানে FSTC বিলাকত আজিও ৬০ শতাংশ মানুহে পানী দৈনিক পাই আছে। সন্মানীয় সদস্য অখিল গগৈ ডাঙৰীয়াই কয় যে একোৱে হোৱা নাই। এনেকুৱা নহয়, তেখেতে সেই ৬০ শতাংশ মানুহৰ ওচৰত তেওঁ যাব পৰাই নাই। পানী ওলোৱা গম পাবলৈ হ'লে গাঁৱৰ মানুহৰ ওচৰলৈ যাব লাগিব। মোৰ হাতত যিবিলাক তথ্য আছে, এইবিলাক মিছা তথ্য নহয়, এই তথ্যবিলাক গাওঁৰ মহিলাসকলে দিয়া তথ্য। এই তথ্যবিলাকত আমি ১০০ শতাংশই FSTC লৈ যাম। আমি যে কৈছো যে ২৭ লাখ মানুহক পানী connection দিছো, এই ২৭ লাখ মানুহৰ ঘৰলৈকে মহিলা সকল যাব। তেওঁলোকে আমাৰ survey কৰি ক'ব যে কিমান মানুহে পানী পাইছে, কিমান মানুহে পানী পোৱা নাই আৰু তাক কেনেকৈ rectify কৰিব লাগে,তাৰ আমি কাম আৰম্ভ কৰিম।

এতিয়া কথা হ'ল কংগ্ৰেছ দলে যিবিলাক সমালোচনা কৰিলে, তাৰ প্ৰত্যুত্তৰ সন্মানীয় বিধায়ক কৌশিক ৰায়, তেখেতে যিটো সমষ্টিত প্ৰতিনিধিত্ব কৰে, সেই সমষ্টিত বহুদিন ধৰি PHE ৰ প্ৰাক্তন মন্ত্ৰীয়ে প্ৰতিনিধিত্ব কৰি আছিল, তাত ১৬০ টা আঁচনিৰ ১০৩ টা ভঙা পানী নোলোৱা আঁচনি পাইছে। আমি সেই ভঙা আঁচনিবিলাক retrofitting কৰিবলৈ চেষ্টা কৰিছো। সুন্দৰভাৱে ক'ৰবাত ক'ৰবাত retrofitting হৈছে। ক'ৰবাত ক'ৰবাত এনেকুৱা যে পুৰণা পাইপ বিলাক retrofitting কৰোতে পানীৰ পাইপ বিলাক ফাটি ওলাই যায়। গতিকে এনেকুৱা কিছুমান সমস্যা আছে, সেইবিলাক আগতে কৰি থোৱা পুৰণা ঘাঁ বিলাক খজুৱাওতে অলপ ৰস ওলাইছে। আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়া বা আমি ইমানখিনি সৰল যে ৰস বিলাকো কেনেকৈ নোহোৱা কৰিব লাগে, তাৰো ব্যৱস্থা আছে। কেৱল আপোনালোকে মিছাতে হৈ চৈ কৰি নাথাকিব। তথ্য নোহোৱাকৈ

সদনত কথা কওঁতে দহবাৰ চিন্তা কৰিব যে আজি মই analysis কৰিবৰ কাৰণে টিভিত শলাগ দিয়াৰ কাৰণে কৈ দিলো কোনো তথ্য নোহোৱাকৈ, ইমান শতাংশ অমুকে লৈছে, তমুকে লৈছে। আজিৰ পৰা দহ বছৰ পিছত বা এশ বছৰ পিছত বিধান সভাত কোনোবাই ইয়াৰে proceeding পঢ়িব আৰু তেনেকুৱা এজন মানুহ দেখিব যে এনেকুৱা এজন অপদাৰ্থ মানুহ অসম বিধান সভালৈ আহিছিল। ..... (সদনত হুলস্থুল) ..

**শ্ৰীদেৱব্ৰত শইকীয়া, (বিৰোধী দলৰ দলপতি)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, **অপদাৰ্থ** unparliamentary শব্দ হয়নে নহয়, আপুনি পৰীক্ষা কৰক আৰু যদি হয় এই শব্দটো ইয়াৰ পৰা নোহোৱা কৰক।

.....(সদনত হুলস্থুল)...

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই নাজানো এইটো unparliamentary শব্দ হয় নে নহয়, যদি হয় তেতিয়া হ'লে proceeding ৰ পৰা এই শব্দটো বাদ দিব। তাত মোৰ ক'বলগীয়া একো নাই।

**মাননীয় উপাধ্যক্ষ** ঃ এইটো আমি চাম, unparliamentary শব্দ যদি হয়, বিধান সভাৰ কৰ্য্যপন্থাৰ পৰা expand কৰিম।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী জনস্বাস্থ্য কাৰীকৰি বিভাগ) ঃ**.এতিয়া কথাটো হ'ল যে আমি এইবিলাক কথা কোৱাৰ আগতে চিন্তা কৰিব লাগে যে, আজিৰ পৰা ১০ বছৰ, ২০ বছৰৰ পিছত অসম বিধান সভাৰ proceedings পঢ়ি মানুহে কাক কি analysis কৰিব। আজি অসমৰ কিছুমান মানুহে বিধান সভাত আজিৰ দিনটোৰ publicity ল'বৰ কাৰণে কিছুমান কথা কৈ থাকে। সেইটোৱেই কাৰণ নহয়। বিধান সভাৰ এটা মৰ্যদা আছে। সেই মৰ্যদাটো ৰাখি যাব লাগিব। আজি যেনেকৈ আমি সিদ্ধিনাথ শৰ্মাৰ কথা পঢ়ো, যেনেকৈ গৌৰীশংকৰ ভট্টাচাৰ্য্যৰ কথা পঢ়ো, আজি যেনেকৈ মহান মনিষীৰ কথা পঢ়ো, সেই মৰ্য্যদা দিব লাগিব। সেই পৰিৱেশটো আমি বিধান সভাত দিব লাগিব। গতিকে কোনো কথা নক'ব মৰ্য্যদা হানি কৰাৰ।

(সদনত হুলস্থুল পৰিৱেশ)

**মাননীয় উপাধ্যক্ষ ঃ** Please sit down.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ** সচাঁ কথা শুনাৰ ধৈৰ্য্য ৰাখিব লাগিব। যি তি কথা সদনত কোৱাৰ আগতে দহবাৰ চিন্তা কৰিব লাগে যে এই কথাটো তথ্যভিত্তিক কৈছো নে নাই।

**মাননীয় উপাধ্যক্ষ ঃ** Reply দিয়াত কিয় disturb দি থাকে। সময় আছে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ** কাৰণ আপোনালোকে বহুত তথ্য দিলে যে অসম তলৰ পৰা ২৮ নম্বৰ। এইবিলাক কথা ক'লে।

**(সদনত হুলস্থুল পৰিৱেশ)**

**মাননীয় উপাধ্যক্ষ ঃ** Please. শ্ৰীকমলাক্ষ্য দে পুৰকায়স্থ, আপুনি বহক। ১ মিনিট, সদনৰ এটা নিয়ম আছে। আপোনালোক সকলো সন্মানীয় সদস্য। আপোনালোকে জানে। কথাটো কৈছো, শুনক। সদনৰ সন্মানটো ৰক্ষা কৰিব লাগিব। নিয়ম নীতি আছে, সেইমতে চলিব লাগিব। তেওঁৰ বক্তব্য শেষ কৰাৰ পাছত কিবা ক'বলগীয়া থাকিলে আপোনালোকক সময় দিম, ক'ব। সদনখন ভালকৈ চলোৱাই নহয়, সদনৰ সন্মানটো ৰক্ষা কৰা আৰু সন্মান বৃদ্ধি কৰা সকলোৰে দায়িত্ব।

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, ২ বজাৰ পৰা

সকলোৱে ভাষণ দি আছে। সমালোচনাৰে আপোনালোকে থকা-সৰকা কৰিছে আমাক। আমাৰ ফালৰ পৰা কোনোবা এটা শব্দ কৈছে নেকি ? বিৰোধী দলৰ দলপতি ডাঙৰীয়াক মই সুধিব খুজিছো, আপোনালোকে যেতিয়া আমাক সমালোচনাৰে থকা-সৰকা কৰিছিল, আমাৰ ফালৰ পৰা কোনো এজনে এটা শব্দও কোৱা নাই।

**শ্ৰীভৰত নৰহ, (নাওঁবৈচা) ঃ** মাননীয় উপাধ্যক্ষ, স্পষ্টকৈ কোৱা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** এইটোৰ ওপৰত ইতিমধ্যে মই Ruling দিলো। Please.

**শ্ৰীপীয়ুষ হাজৰিকা, (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** আপোনালোকে ক'লে, আমি এতিয়া ক'ম শুনক.

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী জনস্বাস্থ্য কাৰিকৰী বিভাগ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, তেওঁলোকে যি দাতা দি আছিল যে, যিদিনাখন তেখেতসকল আছিল আৰু আমি দায়িত্ব লৈছিলো সেই সময়ত তলৰ পৰা ২ নম্বৰত আছিল। আজি তলৰ পৰা ৭ নম্বৰত আহিছে মানে ৫ টা জাপ মাৰিছেতো, সেইটোতো হিচাপ কৰক। আপোনালোক যিদিনাখন আছিল তেতিয়া তলৰ পৰা ২ নম্বৰত আছিল। দাতাই কৈছে, মই কোৱা নাই। আপোনালোকে যিবিলাক দাতা আনিছে মইও দাতা দেখুৱাইছো। এই ৫ টা জাপ মাৰাটোক ধন্যবাদ দিয়ক। আমাৰ লক্ষ্য একেবাৰে প্ৰথমৰ পৰা ৫ নম্বৰত অহা। মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছে প্ৰথমৰ পৰা ৫ নম্বৰত আহিব লাগিব। ৭০ বছৰৰ ঘা একেদিয়াই নুশুকাই নহয়, সময় লাগিব। তাৰ কাৰণে ধৈৰ্য্য ধৰক। কিন্তু আমি কাম কৰিম, সেইটো দেখুৱাই দিম যে কাম কৰিম, যি এই জলজীৱন মিছন আপোনালোকে ভাবিছে success নহ'ব, তাক কেনেকৈ success কৰিব লাগে এইটো আমাৰ কাম। সেইটোৱেই আমি কাম কৰিছো। এতিয়া আাপোনালোকক মই কেইটামান, শ্ৰীকমলাক্ষ দে পুৰুকায়স্থই যিখিনি ক'লে যে মই এটা কথা অস্বীকাৰ কৰা নাই যে, কৰোবাত পানী পোৱা নাই। কিন্তু লক্ষ্য আমাৰ ২০২৪। গতিকে সকলোৱে যি কৈছে, আমি ২০২৪ লৈ তাত য'ত যি আসোঁৱাহ আছে, আমি আত্মসহায়ক গোটৰ আই মাতৃ সকলক এই কাৰণেই পঠাইছো যে তেখেত সকলে আমাক identify কৰি দিয়ক যে, আমি তাক ractify কৰি গৈ থাকিম। এই জলউৎসৰত আমি দ্বিতীয় এটা পদক্ষেপ লৈছো এইটো হ'ল যে আমি ইয়াৰ পিছত অহা মাহৰ পৰা আমি জলদূত নামেৰে IX, X ,XI, XII ৰ ল'ৰা-ছোৱালীক আমি স্কীম সমূহলৈকে পঠাম। তেওঁলোকে স্কীম সমূহলৈ যাব। স্কীমসমূহ as a science project তেওঁলোকে inspection কৰিব। পানী কেনেকৈ ওলাই, water supply pump কেনেকৈ হয়, পানী ৰিফাইন কেনেকৈ হয় আৰু বিভিন্ন ঠাইৰ পৰা তেওঁলোকে sample water collect কৰিব আৰু আমাৰ NABL aggregated যিবিলাক laboratory আছে, তাত গৈ সেই পানীটো টেষ্ট কৰিব। প্ৰত্যেকে পাঁচটা পাঁচটা sample test কৰিব। এই sample বিলাক যেতিয়া টেষ্ট কৰিব তাৰপৰা আমি গম পাম যে পানীৰ quality কেনেকুৱা আছে। কিয়নো তেওঁলোকে science project কৰিব আৰু তেওঁলোকক তাৰ উপৰিও আমি সেই সমূহৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকলক award দিয়া, awareness কৰা, সেইবিলাক আমি কৰিম। দ্বিতীয় ষ্টেপত আমি এই জলদূত সকলক IX, X ,XI, XII ৰ ল'ৰা-ছোৱালীক পঠোৱাৰ পিছত আমি তিনিবাৰকৈ কৈ এই মহিলা আই মাতৃ সকলক পঠাব বিচাৰিছো। এটা batch চলি আছে। ইয়াৰ তিনিমাহৰ পিছত আৰু এটা batch যাব। তাৰ তিনিমাহৰ পিছত আৰু এটা batch যাব। তিনিবাৰ আমি ইয়াত inspection কৰিম। Inspection কৰাৰ পিছত আমি গুণোৎসৱৰ দৰে জলউৎসৱৰ জৰিয়তে অসমৰ প্ৰতিটো স্কীমলৈকে এজন এজন বিষয়া বা কৰ্মচাৰী যাব এদিনৰ কাৰণে আৰু

সেই দিনটোত তাত থাকি গোটেই স্কীমসমূহ inspection আচলতে হৈছে নে নাই, মই ভাৱো যে এই গোটেই system টো মাজেৰে যোৱাৰ পিছত যিসমূহৰ সন্দেহ আপোনালোকে কৰিছে, এই স্কীমসমূহ functional নহ'ব, এইটোত অন্তত আমি rectify কৰা বা functional কৰা কৰোবাত নহয়, কৰোবাত আমি সম্পূৰ্ণৰূপে সফল হ'ম বুলি আমাৰ বিশ্বাস আছে আৰু সেই লক্ষ্যৰে আমি কামসমূহ আগবঢ়াইছো। এতিয়া আপেনালোকে চাওঁক আমাৰ আই মাতৃ যেতিয়া গাওঁলৈকে গৈছে তেওঁলোকে every tenthouse FA Kit লৈ গৈছে আৰু তেওঁলোকে water quality test কৰিছে যে এঘৰ মানুহৰ ঘৰত কৰিলে ৯ ঘৰ মানুহৰ ঘৰটো এৰিলে আৰু ১০ নং ঘৰটো আৰু কৰিব লাগিব। Another ৯ নম্বৰটো এৰিলে ১০ নম্বৰ ঘৰটো কৰিব। তেওঁলোকে activity ত লৈ যায়। তাক টেষ্ট কৰে। Qulity বেয়া থাকিলে কাৰণ তেওঁলোকে upload কৰে, আমাক জনায়। গতিকে quality আমি তেনেকৈ টেষ্ট কৰিছো। প্ৰেচাৰো আমি চাব দিছো। এতিয়া কথা হ'ল যে অনস্বীকাৰ্য্য যে এটা বিভাগে ১ শতাংশ পানী দি থকা ৭০ বছৰত এই বিভাগটো একেলগে ১ বছৰত ৪০ শতাংশ পাব লাগিব। ৪৫ শতাংশ পাব লাগিব। তেতিয়াতো অলপ কৰোবাত গণ্ডোগ'ল হবই। সেইবিলাকটো ঠিক-ঠাক কৰিবৰ কাৰণে আমাকতো অলপ সময় লাগিব আৰু এইসকল মানুহে যি আজি ১ শতাংশৰ পৰা ৪১ শতাংশলৈকে নিলে। অসমত মেন পাৱাৰ নাছিল। ইমান আন্তঃগাঁথনি নাছিল। আপোনালোকে যিসমূহ পাইপৰ quality লৈ কোনোবাই কৈছে হয়, এইসমূহত একেলগে আমি ৯৩ টা কোম্পানীক empanel কৰিছিলো পাইপৰ কোম্পেনীক। সেই সময়ত বহু বাহিৰৰ পৰা অহা পাইপৰ complain আহিছিল। এতিয়া তাক আমি segregate কৰিলো। Segregate কৰি তাত কিছুমান condition লগালো। তাৰপিছত আহি আহি ৩৫ নে ৩৪ company ক আমি short listed কৰিছো আৰু এইটোও কৰিছো যে অসমত থকা যিবিলাক company, সেই company ত আমাৰ বিষয়াসকল নিয়মীয়াভাৱে যায়। নিয়মীয়াকৈ তাত polymer purchage output দুটা টেষ্ট কৰে। কাৰণ ইয়াৰ পাইপ বিলাকৰ যিটো বেয়া quality যে retrofitting ত পানী এৰি দিলেই যে ফাটি ওলাই তাৰ কাৰণ কি। তাত এনেকুৱা mismeterial য়ে পানীৰ পাইপ বনোৱা দেখাত ভালেই থাকে। পাইপ বনাব পাৰে polymer ৰ পৰা আৰু পাইপটো বনোৱা সকলে scrap material ৰ পৰা। এতিয়া scrap ৰ পৰা বনাইছে নে polymer ৰ পৰা বনাইছে এতিয়া ধৰিব নোৱাৰে। কিন্তু ১০ বছৰ, ৫ বছৰ পিছত scrap ৰ পৰা বনোৱা পাইপটো পানীৰ প্ৰেচাৰ পৰিলে ফাটি যাব। সেই কাৰণে polymer কিমান কিনিছে, কোম্পেনীয়ে polymer ১ টন কিনিছে, পাইপটো ১ টনেই বনাব লাগিব। ৩ টন পাইপটো বনাব নোৱাৰে। এতিয়া pol ymer কিমান কিনিছে আৰু তেওঁ কিমান production কৰিছে, সিমানলৈকে আমি inspection কৰিছো। যদি polymer যদি ১ টন কিনিছে, তাৰ production য়ো ১ টন হ'ব লাগিব। ৩ টন production হ'লে তাৰ duplicate কৰিছে। কৰোবাৰ পৰা দুই নম্বৰী scrap কিনি আনি ভৰাই দিছে। এনেকুৱা ধৰণে আমি inspection কৰিছো যাতে১০ বছৰৰ পাছত আপোনালোকে দি যোৱা এই খৰ-খজুৰতি বিলাকৰ দৰে আমি আৰু খজুৰতি দি নাযাওঁ। সেইটোৰ inspection ও আমি কৰিছো। যাতে ভৰিষ্যতে এই ধৰণৰ পাইপৰ Quality ক লৈ ভৰিষ্যতে অসুবিধা নহয়। সেই পৰ্য্যায়তো আমি চিন্তা কৰিছো। তাত আমি সফল হ'বৰ কাৰণে এশ শতাংশ বিশ্বাসী যে এশ শতাংশই সফল হম। গতিকে আমি এটা নতুন পৰিকল্পনাৰে নতুন চিন্তা-চৰ্চাৰে জলজীৱন মিছনক আগবঢ়াই নিয়াৰ কাৰণে চিন্তা কৰিছো। আজি আমাৰ আব্দুল ৰছিদ মণ্ডল ডাঙৰীয়াই আমাৰ package বা বিভিন্ন

জনে package ত বিভিন্ন জনে একেলগে package কৰি দিয়াতো প্ৰাইভাগে বেয়া বুলিয়ে কৈছিল। মাননীয় উপাধ্যক্ষ মহোদয়, মই মন্ত্ৰী হোৱাৰ পিছত যেতিয়া analysis কৰি দেখিলো যে কিছুমান জিলাত Package ৰ কাম ভাল হৈছে আৰু কিছুমান জিলাত individual ৰ কাম ভাল হৈছে। আচলতে মানুহজনৰ ওপৰত নিৰ্ভৰ কৰে। সৰু ঠিকাদাৰজনো ভাল হ'ব পাৰে আৰু ডাঙৰ ঠিকাদাৰজনো বেয়া হ'ব পাৰে। এই কথাটো ৰিপোৰ্টে কৈছে। আমি কোৱা নাই। আমি দায়িত্ব লোৱাৰ পিছত কেবিনেটৰ সিদ্ধান্ত লৈ যিবোৰ কাম অৰ্ডাৰ লোৱাৰ পিছত শূণ্য শতাংশ প্ৰগ্ৰেছ হৈছে তেওঁলোকৰ সকলোখিনি কাম কেনচেল কৰিছো। এতিয়া আমি এটা Scoring Matric ও কৰিছো। এতিয়া যি নতুন কামৰ আবণ্টন দিয়া হ'ব, তাত দুটা কথা থাকিব যে যিসকল ঠিকাদাৰে কাম কৰিছে তেওঁলোকক এতিয়া অভিযন্তাই Scoring কৰিব নোৱাৰে। অভিযন্তাই ক'ব নোৱাৰিব কোন ভাল ঠিকাদাৰ বা বেয়া ঠিকাদাৰ। ঠিকাদাৰসকলে কোনদিনা কামৰ অৰ্ডাৰ পালে, কোন দিনা কাম সম্পূৰ্ণ কৰিলে, Performance gurantee দিলে, এনেকুৱা কিছুমান কম্পিউটাৰ চিষ্টেমৰ ওপৰত আমি তেওঁলোকক মাৰ্কিং কৰি দিওঁ। তেওঁলোকে তাৰ ওপৰত Scoring marks পায় আৰু যিসকল ঠিকাদাৰৰ ২৫ ৰ তলত Scoring আছে, তেওঁলোকে আগন্তুক দিনত কাম নাপায়। যেতিয়ালৈকে তেওঁলোকে Score develop কৰিব নোৱাৰে। আমি এইটো চিষ্টেম কৰিছো যে তেওঁলোকৰ কামত বিভাগৰ ফালৰ পৰা Human interference বাদ দিম। কোনো অভিযন্তাৰ পৰা data লোৱা নাই। তেওঁ কোনদিনাখন কাম পাইছিল, কোনদিনাখন সম্পূৰ্ণ কৰিছে, কোনদিনাখন Performance gurantee দিছে, কেনেকৈ কাম কৰিছে, এনেকুৱা ধৰণৰ ৰিপ্লাই তাত সোমাই দিলে তেওঁলোকক Scoring কৰি লৈ যায়। যিসকল ঠিকাদাৰৰ পঁচিশ শতাংশতকৈ Scoring কম আছে, আমি তেওঁলোকক এইবোৰ কাম নিদিও আৰু তেওঁলোকে যেতিয়ালৈকে Scoring develop কৰিব নোৱাৰে। আগতে নতুন ঠিকাদাৰৰ ক্ষেত্ৰত নিয়ম আছিল যে ঠিকাদাৰজনৰ Turnover যিমান থাকে সেই Turnover ৰ দুগুণ ঠিকাদাৰক অৰ্ডাৰ দিছিলো। যদি তেওঁৰ Turnover এক কোটি টকা , তেওঁ দুই কোটি টকাৰ কাম কৰিব পাৰিব। এইবাৰ আমি কৈছো যে নতুন ঠিকাদাৰসকলৰ যিমান Turnover হ'ব সিমানৰে ঠিকা দিয়া হ'ব। একেলগে ডাঙৰ কাম কৰিব নোৱাৰিব। আগতে যিসকল ঠিকাদৰে বিশ কোটিৰ Turnover দিছিল, তেওঁলোকে ৪০ কোটি টকাৰ কাম কৰিব পাৰিছিল। কিন্তু এতিয়া ২০ কোটি টকাৰ Turnover থকা ঠিকাদাৰে ২০ কোটি টকাৰে কাম কৰিব পাৰিব, লাগিলে তাতকৈ তলত পাৰিব, তাতকৈ ওপৰত নোৱাৰিব। আমি কিছুমান S.O.P develop কৰিছো যে কেনেকৈ ভাল ঠিকাদাৰক কাম দিব পাৰি? এইটোও ঠিক যে মোক বিভাগীয় মন্ত্ৰী হিচাপে বিভিন্ন সময়ত বহু বিধায়কে যি ধৰণে ৰিকোমেণ্ড কৰিছে, তেওঁলোকক কথাবিলাক নোচোৱাকৈ থকা নাই। মাননীয় বিধায়কসকলে যদি কৈছে, এই স্থানীয় ল'ৰাজন ভাল আৰু তেওঁক কাম দিব লাগে, তেওঁলোকক কাম নিদিয়াকৈ থকা নাই। যিহেতু Rate Contract দিওঁ সেইখিনি সকলোৰে লগত আলোচনা কৰি, যিসকল ঠিকাদাৰে খুব ভাল কাম কৰে, স্ক'ৰ ভাল তেনেকুৱা ঠিকাদাৰক কাম দিবলৈ চেষ্টা কৰিম। আপোনালোকৰ তাত যদি ভাল পেকেজৰ মানুহ গৈছে আৰু ভালকৈ কাম কৰিছে তেন্তে কামটো ভাল হ'ব আৰু যদি বেয়া পেকেজৰ মানুহ গৈছে, কামটো বেয়া হ'ব। সেয়েহে Individual ভাল নে Pacakage ভাল সেইটো একেআষাৰে কোৱা টান। DPR Agency বোৰ এনেকুৱা আছিল যে আমাৰ National Bid ত ১৮ টা কোম্পানীয়ে ডি পি আৰ বনাবলৈ যোগ্যতা অৰ্জন কৰিছিল আৰু সেই কোম্পানীবোৰক ডি পি আৰ বনাবলৈ দিছিলো। এতিয়া ডি পি আৰ

বনাওঁতে আমি যিহেতু একেলগে এক শতাংশৰ পৰা ৪১ শতাংশলৈ যাব লাগে, ১০০ শতাংশ প্ৰজেক্ট বনাব লাগে। সেইক্ষেত্ৰত সময় লাগিব। ইমান কম সময়ৰ ভিতৰত ডিপিআৰ বনাওঁতে কিছু তথ্যগত ভুল হৈছে। কিছুমান স্কীমত আৰু অতিৰিক্ত স্কীম পঠিয়াবলগীয়া হৈছে। পানী লাষ্ট পইণ্টত ওলাব লাগিলে হাইড্ৰ'লিক টেষ্ট কৰিব লাগিব। ওপৰৰ পৰা তললৈহে পানী যাব, তলৰ পৰা ওপৰলৈ পানী নাযায়। পানীৰ সোঁতৰ এটা চিষ্টেম থাকে। এইটো এটা টেক্নিকেল কাম। এনেকুৱা নহয় যে চিধা ৰাস্তা এটা বনাব লাগে। ইয়াত পানীৰ কাম কৰিব লাগে। ইয়াত কিছুমান অসুবিধা আছে। তাত আমি এইবিলাক চাইহে ডি পি আৰ বনাওঁতে ক'ত DPR Agency সমূহৰ আসোঁৱাহ থাকি গৈছিল। তেওঁলোকক আমি কি ধৰণে ঠিক কৰিব পাৰো, সেইধৰণৰ কামবোৰো ও আমি কৰিছো। এতিয়া যিবোৰ ডি পি আৰ বনাইছো, সেই ডি পি আৰ বোৰত বহুত বেছি ৰিভাইচ এষ্টিমেট অহাটো বন্ধ কৰিছো। আগতে এনেকুৱা আছিল যে ডি পি আৰ বনাই কেইদিনমান পিছত আকৌ ৰিভাইচ কৰিব লাগে বা ভাৰত চৰকাৰৰো কিছুমান গাইড লাইন আছিল যে ইমানৰ ওপৰত টকা-পইচা খৰচ কৰিব নোৱাৰিব। তেতিয়াই গাইডলাইন বেলেগ আছিল। এতিয়া বহুখিনি সলনি হৈছে। নতুন নতুন সংযোজনৰ মাজেৰে এটা গতি লৈছে। এতিয়া মাননীয় সদস্য গোবিন্দ বসুমতাৰী ডাঙৰীয়াই চাৰ্ফেচ ৱাটাৰ কৰিবলৈ কৈছে। আমি চাৰ্ফেচ ৱাটাৰ কৰিছো। ইয়াত এনেকুৱা নহয় যে কেৱল গ্ৰাউণ্ড ৱাটাৰত কাম কৰিব লাগে। ভূটান বোৰ্ডাৰৰ গ্ৰেটাৰ নৰ্নে পাইপ ৱাটাৰ স্কীমৰ এইটো প্ৰায় ২৩৫ কোটি টকাৰ Multi Village Scheme হয়। এইটো চাৰ্ফেচ ৱাটাৰ স্কীম আৰু প্ৰায় বিশ হাজাৰ মানুহৰ বাবে কৰা হৈছে। জে জে এমত এনেকুৱা নহয় যে কেৱল গ্ৰাউণ্ড ৱাটাৰৰ স্কীম আছে। আৰু এই বিষয়ে লোকে শংকা প্ৰকাশ কৰিছে। এনেকুৱা কিছুমান উৎস আছে শিলৰ কাৰণে গ্ৰাউণ্ড ৱাটাৰ নাপয়। তেনেক্ষেত্ৰত ওচৰৰ পৰা চাৰ্ফেচ ৱাটাৰ পালে তাত আমি মাল্টি ভিলেজ স্কীম কৰিছো। সেই কাৰণে চাৰ্ফেচ ৱাটাৰ টো আমাৰ কাৰণে অসুবিধাৰ কোনো কাৰণ নাই। আপোনালোকৰ ওচৰৰ ঠাইসমূহত যদি চাৰ্ফেচ ৱাটাৰৰ উৎস আছে, আমাক দেখুৱাই দিব। অসমত খুব কম অঞ্চল আছে, য'ত মানুহে পানীৰ অভাৱ দেখিছে। আমাৰ পানেৰী অঞ্চলত এনেকুৱা কিছুমান অঞ্চল আছে, য'ত পানীৰ খুব অভাৱ হৈ আছে। কিন্তু বেছিভাগ অঞ্চলতেই ১০, ২০, ৫০ ফুট খান্দিলেই পানী ওলায়। ৰাজস্থান, মধ্যপ্ৰদেশ আদি কিছুমান অঞ্চলত মানুহে ১০-৫০ কিলোমিটাৰ দূৰৰ পৰা পানী আনিব লাগে। সেয়েহে সেইবোৰ অঞ্চলৰ মানুহে যিধৰণে পানীৰ অভাৱ বুজি পাব আমাৰ মানুহে বুজি নাপাব। সেই কাৰণে মানুহক বিশুদ্ধ পানী খোৱাৰ বাবে বুজাব লাগিব। দূষিত পানী খোৱাৰ ফলত বহুধৰণৰ বেমাৰ আজাৰ হয় আৰু বহু টকা খৰচ হয়। এইবোৰ কমোৱাৰ বাবে বিশুদ্ধ খোৱা পানী দিয়াৰ চেষ্টা কৰো। অসমত ৩৭২৬ টা Arsenic Prone rehabitationআছে আৰু ১৫৫ টা Fluoride Prone rehabitation আছে। সেইবোৰ অঞ্চলত বিশুদ্ধ খোৱা পানী দিয়াৰ বাবে ব্যৱস্থা লোৱা হৈছে। কৰ'বাত টেম্প'ৰাৰী লোৱা হৈছে আৰু সেইবোৰ কেনেকৈ স্থায়ী চাৰ্ফেচ ৱাটাৰ লৈ নিব পাৰি তাৰ বাবে কাম চলি আছে। অসম এখন এনেকুৱা ঠাই য'ত বহু অঞ্চলত আৰ্চেনিক আৰু ফ্লৰাইড আছে। সেইবোৰ কথা জনসাধাৰণক বুজাব লাগিব আৰু মানুহে বুজিব লাগিব যে এই আৰ্চেনিক আৰু ফ্লৰাইড মুক্ত খোৱা পানী জলজীৱন মিশ্যনৰ দ্বাৰা পাব পাৰিব। এই স্কীমটোৰ বিষয়ে বহুলোকে গভীৰলৈ নাজানে। সেইকাৰণে বহুসদস্যই বহু কথা কয়। মাননীয় সদস্য আশ্ৰাফুল ডাঙৰীয়াই ক'লে যে একেবাৰে বগৰাই দিলে পৰি যায়। কিন্তু কথাটো হ'ল যে গোটেই বস্তুখিনিৰ ভিতৰত পাঁচ শতাংশ হিতাধিকাৰীৰ শ্বেয়াৰ বুলি কয়। ৯৫ শতাংশ আমাৰ চৰকাৰে দিয়ে আৰু

পাঁচ শতাংশৰ ভিতৰত Soak Pit আৰু টেপৰ পানী ওলাই যোৱাৰ বাবে নলাখিনি বনাব লাগে। কিন্তু বেছিভাগ হিতাধিকাৰীয়ে নবনায় আৰু ঠিকাদাৰসকলে নিজৰ পৰা বনাই দিয়ে। আমি তেওঁলোকক চৰকাৰীভাৱে বনাই দিব ক'ব নোৱাৰো। কাৰণ সেই পাঁচ শতাংশ কামখিনি হিতাধিকাৰীয়ে নিজে কৰিব লাগে। গ্ৰাম অঞ্চলত আমি হিতাধিকাৰীসকলক ভালকৈ awareness কৰিব নোৱাৰো। সেইকাৰণে তেওঁলোকে নবনায়। আশ্ৰাফুল ডাঙৰীয়াই লিখিছে যে Soak pit টো বনোৱা নাই আৰু সেইকাৰণে ঠেলি দিয়াৰ কাৰণে বাগৰি পৰিছে। আমাৰ বিধায়ক সকলে মানুহৰ মাজত awareness আনিব লাগিব আৰু ঠিকাদাৰসকলক বুজাব লাগিব যে দুখীয়া মানুহবোৰে এইবোৰ বনাব নোৱাৰে আৰু ঠিকাদাৰজনে অলপ কষ্ট কৰি যাতে কৰি দিয়ে। আমি যি লক্ষ্যৰে আগবাঢ়িছো আমি এটা সুন্দৰ পৰ্য্যায়লৈ জলজীৱন মিশ্যনক আগুৱাই লৈ যাব পাৰিম। তাৰ কাৰণে আপোনালোকৰ সহায়-সহযোগিতা লাগিব। জলজীৱন মিশ্যনৰ চাৰিটা খুঁটা আছে। তাৰে ৰাইজৰ সহযোগিতা এটা ডাঙৰ খুঁটা। এই বিষয়ে ভাৰত চৰকাৰেও কৈছে। কিন্তু এনেকুৱা হ'ব নালাগে যে আমি সকলোখিনি বনাই দিলো আৰু অখিল গগৈ ডাঙৰীয়াই গৈ ৰাইজক যদি উচটাই দিয়ে তেতিয়া আমি ৰাইজৰ সহযোগিতা নাপাম। তেখেতে মানুহক বুজাবও লাগিব। তেওঁ যদি ওলোটাই গোৰ মাৰি ভাঙি দিব লাগে বুলি কয়, তাত ক'ত আমি সফলতা লাভ কৰিম। Partnership with stakeholder পঞ্চায়ত, পি এইছ ই, গাওঁত থকা লোকসকল ষ্টেক হোল্ডাৰ হয়। তেওঁলোকৰ লগত এটা ভাল পাৰ্টনাৰ শ্বিপ থাকিব লাগিব। Political Willingness, ৰাজনৈতিক সদিচ্ছা থাকিব লাগিব। পানী খোৱাক লৈ ৰাজনীতি কৰিব নালাগে। কংগ্ৰেছ, বিজেপি, এ আই ই উ ডি এফ ৰ লোক বুলি কথা নাই, সকলোৱে বিশুদ্ধ খোৱা পানী পাব লাগে। আমি এনেকুৱা কৰা নাই যে কোনো এটা অঞ্চলত আমাক ভোট দিয়া নাই, সেই অঞ্চলত আমি পানী যোগান ব্যৱস্থা কৰা নাই। প্ৰপ্ৰধান মন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছে- Har Ghar Jal, তাৰ মানে সমগ্ৰ অসমৰ প্ৰতিজন মানুহৰ ঘৰলৈ tap water যাব। আমিতো কোৱা নাই যে বিৰোধী দলক দিব নালাগে। আমাৰ প্ৰধান মন্ত্ৰীয়ে যিটো Political willingness দেখুৱাইছে সেই willingness বিৰোধীয়ে দেখাব লাগিব।

Optimum utilization of resource, আমাৰ কিমান resource আছে আৰু সেই resourceক আমি কেনেদৰে utilize কৰিব পাৰো। কেন্দ্ৰীয় চৰকাৰে যেতিয়া জল জীৱন মিছন আৰম্ভ কৰিছিল, তেতিয়া এটা কথা কোৱা হৈছিল যে জল জীৱন মিছন পিছৰ ফালে functional কৰিবৰ বাবে Users Committee সমূহক গতাই দিব লাগে। আমি awareness কৰি এ কো এ কোখন উপভোক্তা কমিটি বনাম। কমিটিবোৰক আমি আঁচনিটো hand over কৰিম। যিটো Local Governmnt ৰ চিষ্টেম, PRI বিলাকে ইয়াৰ দায়িত্ব ল'ব। তেওঁলোকে hand over লৈ এখন Users Committee বনাব আৰু ন্যূনতম মাচুল লৈ স্কীমটো চলাবৰ বাবে মাহত যি খৰচ হ'ব সেই ন্যূনতম মাচুলৰ জৰিয়তে কামটো কৰিব লাগিব। অসমত পানীৰ বাবে পইচা দিয়াৰ ধাৰণাটো অহা নাই বা আনিবৰ বাবে অলপ সময় লাগিব বুলি ভাৱিছো। 15th Finance ৰ Tied Fund ত Water আৰু sanitation ৰ বাবে টকা আহে। সেয়েহে আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ক'লে যে 15th Finance যেতিয়ালৈকে চলি থাকে ইয়াৰ প্ৰথম দুই বা তিনি বছৰ Tied Fund ৰ পৰা তাত থকা জলমিত্ৰ জনৰ দৰমহা, তাত প্ৰয়োজনীয় কেমিকেল আৰু বিজুলী মাচুল দি যাতে ইয়াক functional কৰি ৰাখিব পাৰে। পিছলৈ যাতে ই self sustain হ'ব পাৰে তাৰ বাবে আমি অন্ততঃ দুই-তিনি বছৰ support দিম। আমি সেই

হিচাপত কামো আৰম্ভ কৰিলো। আপোনলোকে জানে যে আমি দায়িত্ব লোৱাৰ আগতে অসমত প্ৰায় ৩-৪ হাজাৰ মানুহ আছিল যিয়ে চাকৰি পোৱাৰ আশাত বা কিবা এটা হ'ব বুলি নিজৰ মাটিত আঁচনি কৰিব দিছিল। সেই আঁচনিত তেওঁলোকে কামো কৰি আছিল। কিন্তু, কোনোবাই ৮-১০ বছৰ বা ১৫-২০ বছৰৰ মূৰত দুমাহ নে তিনিমাহ ৬ হাজাৰকৈ টকা পাইছিল। তেওঁলোকে নিয়মীয়াকৈ কেতিয়াও টকা পোৱা নাছিল। সেয়েহে, এই আঁচনিত কাম কৰা জলমিত্ৰ সকলক 15th Finance ৰ Tied Fund ৰ পৰা প্ৰতিমাহে ৬৫০০ হাজাৰ টকা তেওঁলোকৰ একাউণ্টত দিয়াৰ সিদ্ধান্ত আমাৰ চৰকাৰে লৈছে। আমি এতিয়ালৈকে প্ৰায় চাৰি হাজাৰ জলমিত্ৰক engagement দিছো। তাৰ তথ্য মোৰ হাতত আছে। এই জলমিত্ৰসকল volunteer। তেওঁলোক কোনো চৰকাৰী চাকৰিয়াল নহয়। কিন্তু আমাৰ মানুহবোৰে গৈ তেওঁলোকক জেকাই দিয়ে যে চাকৰি কিয় regular নহ'ব, কিয় engagement letter ল'ব, appointment letter লাগিব ইত্যাদি কথাৰে এক আন্দোলনমুখী পৰিৱেশ কৰি তুলিব বিচাৰে। কিন্তু, ইমান বছৰেতো তেওঁলোকে একোৱেই পোৱা নাছিল। এতিয়া regularly ৬৫০০ কৈ টকা পোৱাৰ পৰিৱেশ হৈছে। ৰাইজৰ সঁহাৰি যদি নাথাকে কেনেকৈ হ'ব? আমি ২৫০০০ আঁচনিত ৪ হাজাৰ মানুহক engagement দিছো। ইয়াতকৈ ডাঙৰ কথাটো হ'ল যে আমি তেওঁলোকক skilling কৰিছো। ইমান দিনে তেওঁলোকক কোনো কাম কৰিবলৈ শিকোৱাই নাছিল। মইয়েই Skill Development Department ৰ মন্ত্ৰী আৰু Skill Development বিভাগে ১০ দিনৰ Skill Training ৰ পাঠ্যক্ৰম এটা কৰিছে। অসমত থকা ITI বোৰত এই ট্ৰেইনিং চলি আছে। প্ৰতিটো ৩০-৪০ জনীয়া batch ৰ ট্ৰেইনিং হৈ আছে। এতিয়ালৈকে প্ৰায় ৪ হাজাৰ জলমিত্ৰৰ ট্ৰেইনিং হ'ল। তে ওঁলোকক plumbering, eletrician, accounting ৰ ট্ৰেইনিং দিছো। কিয়নো এই জলমিত্ৰ সকলে এই আঁচনিটো চলোৱাৰ মূল চাবি-কাঠি। তেওঁলোকক যদি আমি সঠিক ভাৱে ব্যৱহাৰ কৰিব পাৰো, তেওঁলোকে যদি সুন্দৰ ভাৱে কাম কৰে তেন্তে এই আঁচনি সফল হ'ব। সেয়েহে, জলমিত্ৰসকলক আমি ট্ৰেইনিঙৰ programme কৰিলো। এতিয়াও ITI বোৰত batch by batch ১০ দিনীয়া ট্ৰেইনিং চলি আছে। ট্ৰেইনিং কৰা সকলে ড্ৰেছ, টুল-কীট পাইছে। মাহে মাহে জলমিত্ৰ সকলৰ একাউণ্টত ৬৫০০ টকা সোমাই আছে। কামো আৰম্ভ কৰিছে। তেনেদৰে আমি ২৫০০০ আঁচনিৰ বাবে যদি ২৫০০০ জলমিত্ৰ লওঁ তেন্তে এই কামবোৰ সহজ হৈ পৰিব। লাহে লাহে প্ৰত্যেকটো আঁচনিতে পানী পোৱাৰ পৰিৱেশ হ'ব। সেয়েহে এই জলমিত্ৰসকলকো আপোনালোক বিধায়কসকলে নিজৰ নিজৰ অঞ্চলত বুজাই দিব যে চৰকাৰে যেতিয়া চৰকাৰী ব্যৱস্থাত তেওঁলোকক সামৰি ল'ব পাৰিব তেতিয়া নিশ্চয়কৈ ল'ব। চৰকাৰখন কল্যাণকামী চৰকাৰ। সদায় ৰাইজৰ কথা চিন্তা কৰে। আজিৰ তাৰিখত আমি যে ৰেগুলাৰলী ৬৫০০ টকা দিব পাৰিছো সেইখিনি আমাৰ বাবে বহুত। সেইখিনিকে তেওঁলোকক awareness কৰক যে তেওঁলোকে যাতে ভালদৰে কাম কৰে, স্কীমটো চলাই থাকে। স্কীমটোৰ বাবে ৰাইজে যদি কিবা collection দিয়ে তেন্তে collection লৈ তাৰ পৰাও দৰমহা ল'ব পাৰিব। আমি যেতিয়া awareness কৰিছিলো তেতিয়া গাঁৱৰ Self Help Group ৰ মহিলাসকলে ঘৰে ঘৰে গৈ সংগ্ৰহ কৰা তথ্যত Willingness to pay water tariff ত ৭০% মানুহ আছে। সেই ৭০% মানুহৰ ৮৪% মানুহে ৫০ টকা, ১৪ % মানুহে ১০০ টকা আৰু ২% মানুহে ১০০ টকাৰ ওপৰত দিয়াৰ ইচ্ছা প্ৰকাশ কৰিছে। তাৰ মানে মানুহে খোৱা পানীৰ বাবে পইচা দিবলৈ অস্বীকাৰ কৰা নাই। এই তথ্যবোৰ ( সদনক তথ্য দেখুৱাই) গাঁৱৰ মানুহৰ পৰা অহা তথ্য। ইয়াৰ পৰা আমি বুজি

পাওঁ যে এই কথাবোৰ যদি আমি ধনাত্মক দিশত লৈ যাওঁ তেন্তে এই ধনাত্মক কামসমূহ আমি কৰিব পাৰিম। আমি যদি আগতেই ভাবি লওঁ যে বহু বছৰ ধৰি ১৬০ টাৰ ১০৩ টাই defunct স্কীম পাইছিলো, PHE মানে এনেকুৰা এটা স্কীম য'ৰ পৰা পানী নোলায়, ভঙা বস্তু থাকে সেই মনোভাৱ লৈ যদি আমি আগবাঢ়ো তেন্তে পানী ক'ৰ পৰা ওলাব? সেই মনোভাৱৰ পৰা ওলাই আহক। এতিয়া ভাৱিব লাগিব যে পানী ওলাব, তেতিয়া আমি পানী ওলাই দিম। Water Users Committee ক লৈ বিভিন্ন জনে কৈছে। Water Users Committee বোৰত Implementing Support Agency (ISA) depute কৰিছিলো। প্ৰথম অৱস্থাত এই কোম্পানী বোৰ বিভিন্ন ঠাইৰ পৰা আহিছিল। তেওঁলোকে মানুহৰ লগত যি ধৰণে communication, awareness কৰিব লাগে সেই ধৰণে কৰিব পৰা নাছিল। এতিয়া ISA বোৰক বাদ দি গাঁৱৰ Self Help Group বিলাকে গাঁৱে গাঁৱে গৈ awareness কৰিব। যিবোৰ V.O., CLF (Cluster Level Federation) আছে, তেওঁলোকে গাঁৱে গাঁৱে গৈ awareness কৰিব। মিচিং অঞ্চলত গৈ যেতিয়া মিচিং ভাষাত কথা ক'ব, তেতিয়া attachment বাঢ়িব। গতিকে, গাঁৱে গাঁৱে কেনেকৈ awareness বঢ়াব পাৰি, Water Users Committee বনোৱাৰ পৰা সেই ISA ৰ activity বোৰ আমি আমাৰ V.O. বা CLF বোৰক দিব বিচাৰিছো যাৰ জৰিয়তে কাম চলি আছে। ৭১% লোকে Water Users Committee সম্পৰ্কে জানে। বহু ঠাইত Water Users Committee গঠন হৈছে, ইয়াৰ কাম আৰম্ভ হৈছে। অসমত এনেকুৱা বহুত Water Users Committee আছে যিবোৰে খুব সুন্দৰ ভাৱে নিজৰ কাম কৰি গৈ আছে আৰু অসমত এনেকুৱাও Water Users Committee আছে যাৰ একাউণ্টত ৩-১০ লাখ টকা জমা আছে ....... interruptions....

**মাননীয় উপাধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়া, আপোনাৰ হাতত দুই মিনিট সময় আছে।

**শ্ৰী জয়ন্ত মল্ল বৰুৱা, (মন্ত্ৰী, জনস্বাস্থ্য কাৰিকৰী, ইত্যাদি) ঃ** উপাধ্যক্ষ মহোদয়, আজি বহু কেইজনে জি.এছ.টি.ৰ কথা কৈছে। মই স্পষ্ট কৰি দিওঁ যে ১৮-০৭-২০২২ ৰ আগত ১২% জি.এছ.টি. আছিল। তাৰ পিছৰখিনিয়ে ১৮% দিব লাগিব যিটো ভাৰত চৰকাৰে এপ্ৰোভো কৰিছে। গতিকে তেওঁলোকে ১৮% জি.এছ.টি. দিব লাগিব। এইটো চৰকাৰী বস্তু, চৰকাৰে যি জি.এছ.টি ল'ব, তেওঁলোকে সিমান জি.এছ.টিয়ে পাব। গতিকে, আমি সেইধৰণৰ জি.এছ.টি. খিনিও দি থাকিব পাৰিম।

আমাৰ Payment hold ৰ কথা বিভিন্নজনে কৈছে। Payment ৰ কাৰণে আমি **এটা** e-billing ৰ system কৰিছো। ঠিকাদাৰবিলাকে নিজৰ বিলৰ লগতে measurement book তেওঁলোকে নিজেই online আপলোড কৰিব পাৰিব। ৩১ দিনৰ ভিতৰত আমি যাতে তেওঁলোকক online payment কৰিব পাৰো তাৰ বাবে e-billing চিষ্টেম ডেভেলপ কৰিছো। তেওঁলোকক payment খিনি সুন্দৰ ভাৱে কৰিব পাৰিলে হে তেওঁলোকে কামখিনি সুন্দৰভাৱে কৰিব।

আনহাতে, আপোনালোক বিভিন্নজনে কৈছে যে অংগনবাড়ী কেন্দ্ৰ, স্কুল বনোৱাখিনিয়ে টকা পোৱা নাই। আপোনালোকৰ জ্ঞাতাৰ্থে জনাই থওঁ যে স্কুলৰ কিছু পইছা Government of India ই আমাক sanction দিয়া নাছিল। দুদিন আগত এই পইচাটো sanction দিছে। অহা জানুৱাৰী মাহৰ ভিতৰত স্কুল আৰু অঙ্গনবাড়ীৰ যিমান পেমেন্ট আছে প্ৰায়বিলাকে কেবল মাত্ৰ তেওঁলোকে ডিভিজন বা চাব ডিভিজনৰ পৰা যাতে বিল সমূহ সঠিকভাৱে লৈ আহে। নীতি নিয়মৰ মাজেৰে আহিলে তেওঁলোকে বিল পাই থাকিব। পইচাৰ কোনো অসুবিধা নাই। ইয়াৰ

আগতে অঙ্গনবাড়ীৰ পইচা আছিলে স্কুলৰ পইচা কিছু অহা নাছিলে। কিন্তু জানুৱাৰী মাহৰ পৰা তেওঁলোকে regularly  পইচা পাই থাকিব।

**মাননীয় উপাধ্যক্ষ ঃ** আজি ২০২২ চনৰ  ২৩ ডিচেম্বৰ, এতিয়া সন্ধিয়া ৬ টা বাজিল। যিহেতু আলোচনা নিৰ্দ্ধাৰিত সময়ত অতিবাহিত হ'ল আৰু অধিক আলোচনা নহয়, গতিকে মই বাকী থকা সকলো পৰিপূৰক দাবী মঞ্জুৰি Guillotine ত দিলো। পৰিপূৰক দাবী মঞ্জুৰি সমূহৰ নং ৩০ লগতে ১, ৩, ৫, ৬, ৯, ১১, ১২, ১৩, ১৪, ১৫, ১৭, ১৮, ১৯, ২০, ২১, ২৩, ২৫, ২৬, ২৭, ২৯, ৩০, ৩১, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪১, ৪২, ৪৩, ৪৫, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৬০, ৬২, ৬৩, ৬৪,  ৬৫,  ৬৭, ৬৯, ৭১, ৭২, ৭৩, ৭৪, ৭৫, ৭৮, ৮০ সদনত অনুমোদনৰ বাবে আগবঢ়ালো। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱটোৰ সপক্ষে আছে, তেখেতসকলে  কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে  কওক নহয়। মই ভাৱো হয়ৰ স্পক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে পৰিপূৰক দাবী মঞ্জুৰি নং ৩০ আৰু ২৯ ৰ লগতে ১, ৩, ৫, ৬, ৯, ১১, ১২, ১৩, ১৪, ১৫, ১৭, ১৮, ১৯, ২০, ২১, ২৩, ২৫, ২৬, ২৭, ২৯, ৩০, ৩১, ৩৪, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪১, ৪২, ৪৩, ৪৫, ৪৮, ৪৯, ৫০, ৫১, ৫২, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮, ৬০, ৬২, ৬৩, ৬৪,  ৬৫,  ৬৭, ৬৯, ৭১, ৭২, ৭৩, ৭৪, ৭৫, ৭৮, ৮০ সদনত গৃহীত হ'ল।

এতিয়া কাৰ্য্যসূচী নং ৮। "The Assam Appropriation No.4 Bill,2022" ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল- "Under the Provision of Article 207(1) of the Constitution of India, I Prof. Jagdish Mukhi, Governor of Assam, recommend that the introduction of 'The Assam Appropriation No.4 Bill,2022' in the Assam Legislative Assembly."

এতিয়া মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে "The Assam Appropriation No.4 Bill,2022" উত্থাপনৰ বাবে প্ৰস্তাৱ কৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, (পশ্চিম গুৱাহাটী)ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, বিলখন সদনত lay  কৰা নাই।

**মাননীয় উপাধ্যক্ষ ঃ** এইটো lobby  ত দিয়া system  আছিলে। আপোনালোকে হয়তো তাৰ পৰা নানিলে। আমি ১০ মিনিট সময় বঢ়াই লৈছো। মাননীয় মন্ত্ৰী।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে "The Assam Appropriation No.4 Bill,2022" মই সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** প্ৰশ্নটো হ'ল "The Assam Appropriation No.4 Bill, 2022" বিধেয়কখন উত্থাপন কৰিবলৈ সদনৰ সন্মতি আছেনে? যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে  কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে  কওক নহয়। মই ভাৱো হয়ৰ  স্পক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখন উত্থাপন হ'ল।

ৰাজভৱনৰ পৰা এটা বাণী আছে, বাণীটো হ'ল-

"Under the Provision of Article 207(3) of the Constitution of India, I Prof. Jagdish Mukhi, Governor of Assam, recommend that the introduction of 'The Assam Appropriation No.4 Bill, 2022' be

taken into consideration in the Assam Legislative Assembly."

এতিয়া মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়ানীয়ে 'The Assam Appropriation No.4 Bill, 2022' বিবেচনাৰ বাবে সদনত উত্থাপন কৰিব।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ অনুমতি সাপেক্ষে 'The Assam Appropriation No.4 Bill, 2022' বিবেচনাৰ বাবে সদনত উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মই এতিয়া বিধেয়কখন সদনত বিবেচনাৰ বাবে প্ৰস্তাৱ দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ স্পক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হ'ল।

এতিয়া 'The Assam Appropriation No.4 Bill, 2022' দফাই দফাই বিবেচনাৰ বাবে লোৱা হওক। ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা দফা দুটাৰ লগতে অনুসূচীখনৰ সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ স্পক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে বিধেয়কখনৰ ২ আৰু ৩ নং দফাৰ লগতে অনুসূচীখনো বিধেয়কখনৰ অংশ হ'ল।

১ নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব। যিসকল মাননীয় সদস্য-সদস্যা সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ স্পক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে ১নং দফা, পৰিসৰ আৰু আৰম্ভণ বিধেয়কখনৰ অংশ হ'ব।

মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন পাৰিতকৰণৰ বাবে সদনত প্ৰস্তাৱ উত্থাপন কৰিব।

**শ্ৰী মতী অজন্তা নেওগ, (মন্ত্ৰী) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, 'The Assam Appropriation No.4 Bill, 2022' বিধেয়কখন পাৰিতকৰণৰ বাবে মই সদনত প্ৰস্তাৱ উত্থাপন কৰিলো।

**মাননীয় উপাধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো। প্ৰস্তাৱটো হ'ল- 'The Assam Appropriation No.4 Bill, 2022' পাৰিত কৰা হওক। যিসকল মাননীয় সদস্য-সদস্যা প্ৰস্তাৱৰ সপক্ষে আছে, তেখেতসকলে কওক হয়, যিসকল বিপক্ষে আছে, তেখেতসকলে কওক নহয়। মই ভাৱো হয়ৰ সপক্ষে, হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো পাৰিত কৰা হ'ল, বিধেয়কখনো পাৰিত কৰা হ'ল।

এতিয়া মই আমাৰ অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া আৰু অসম বিধান সভাৰ অধ্যক্ষ শ্ৰী বিশ্বজিৎ দৈমাৰী ডাঙৰীয়াৰ সন্মানাৰ্থে এটি নৈশ ভোজনৰ আয়োজন কৰা হৈছে আৰু লগতে আমাৰ প্ৰাক বৰদিনো উদ্‌যাপন কৰা হ'ব। আমাৰ যিটো চিকিৎসালয় আছে, তাৰ ওচৰতে আমি সৰুকৈ এটা আয়োজন কৰিছো। গতিকে সকলো মাননীয় মন্ত্ৰী সকল, সন্মানীয় বিধায়ক সকল, অসম বিধান সভাৰ সকলো কৰ্মচাৰী আৰু সংবাদ মাধ্যমৰ বন্ধু সকল সকলোৰে যাতে এই নৈশ ভোজনত অংশগ্ৰহণ কৰে। তাৰবাবে মই অনুৰোধ কৰিলো।

The House Adjourned till 9:30 am on 24th December 2022.